# সুবালা

হোমেন বৰগোহাঞি

STATE CEN ... ASSAM

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী · অসম

প্ৰকাশক :
শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা
লয়াৰ্ছ বুক ষ্টল
পানবজাৰ : গুৱাহাটী

দ্বিতীয় ( লয়াৰ্ছ ) সংস্কৰণ ১৯৭৬

মূল্য : দহ টকা মাথোন

মুদ্ৰক :
শ্ৰীমনোৰঞ্জন সাহা
পূৰ্বাঞ্চল মুদ্ৰণী
১৮ ৰামনাথ বিশ্বাস লেন
কলিকতা-৭০০০০৯

মহেন্দ্ৰ বৰা

প্ৰিয়বৰেষু

And they tell me you are brutal, and my reply is: On the faces of women and children I have seen the marks of wanton hunger.

—*Carl Sandburg*

# প্ৰথম পৰ্ব

মোৰ নাম সুবালা। কিন্তু মোৰ পৰিচিত বন্ধুবোৰে আৰু পুলিচে মোৰ নাম সুবালা বুলি ক'লে বিশ্বাসেই নকৰিব। সিহঁতে কোনেও মোক সুবালা নামেৰে নাজানে। মোৰ যে কিমান নাম আছে, তাৰ হিচাপ মই নিজেই পাহৰি গৈছো। পৃথিৱীত যিমানটা মানুহৰ লগত মোৰ পৰিচয় আছে প্ৰায় সিমানটাই মোৰ নাম, অৰ্থাৎ প্ৰত্যেকটো মানুহৰ কাৰণেই মোৰ বেলেগ নাম। যি কেইটা নাম মোৰ এতিয়াও মনত আছে সেই কেইটা হ'ল চকোৰী, বাণী, কুসুম, বীণা, পাপৰি, ময়না, মধুমতী, কচ্‌কি, সোণালী, নয়নতৰা, চুকৰি, হৰিণী, বাসন্তী, বসন্তসেনা। ইয়াৰ বেছি ভাগ নামেই মই নিজে সজা নহয়, মোৰ বন্ধুবোৰে দিয়া। কোন সময়ত মোক কোনে কি নাম দিছিল, সেইবোৰ কথা মই পিছত ক'ম। কিন্তু এটা কথা এতিয়াই খুব ভালকৈ কৈ থোৱা উচিত। মোৰ আচল নাম সুবালা। এই নামেৰে মোক কোনোবাই জানক নাজানক, মোৰ আচল নাম সুবালা।

[ ২ ]

সুবালা···· বহুত দূৰৰপৰা যেন মোক সেই নামেৰে এতিয়াও কোনোবাই মাতে। সু-বা-লা? গধূলিৰ এন্ধাৰত নিৰ্জন পথাৰৰ এমূৰত থিয় হৈ কোনে যেন এতিয়াও মোক বিড়িয়াই মাতে, আৰু চাৰিওকাষৰ পাহাৰত, নদীৰ পানীত, নদীৰ পাৰৰ ওখ ওখ গছ-বনবোৰত সেই মাতটো ঠেকা খাই খাই প্ৰতিধ্বনিত হৈ উঠে—সুবালা, সুবালা, সুবালা। কিন্তু মই বহু দূৰ বাট অতিক্ৰম কৰি আহিলো, মাতটো শুনিলেও মই আৰু এতিয়া ঘূৰি যাব নোৱাৰো, মোৰ ভয় লাগে, হয়তো ঘূৰি যোৱাৰ বাটটোও মই চিনি নাপাম। কিন্তু সেই মাতটো মই সদায় শুনো। মই য'তেই নাথাকো, শিলঙৰ পাইন বনৰ মাজৰ কোমল ছায়াৰে ঢকা ঘঁাহনি বা গুৱাহাটীৰ গলিৰ অন্ধকাৰৰ ঝুপুৰি-পঁজা, মাৰোৱাৰী

মহাজনৰ সুন্দৰ অট্টালিকা বা মটৰ ড্ৰাইভাৰৰ মদৰ গোন্ধত অসহ্য ভাড়া-ঘৰ, মই য'তেই নাথাকো, সেই মাতটো মই সদায় শুনো। বহু দূৰৈৰপৰা ভ'াহি অহা সেই মাতটো মোৰ বুকুত ঠেকা খাই খাই অহৰহ প্ৰতিধ্বনিত হৈ থাকে,—সুবালা, সু-বালা, সু-বা-লা। কেতিয়াবা ৰাতি টোপনিত অচেতন হৈ থাকোঁতেও সেই মাতটো শুনি মই হঠাৎ বিছনাৰপৰা ধৰ্‌ফৰাই উঠো। এদিন ৰাতি মোৰ লগত মোৰ বিছনাত শুই আছিল সমৰেন্দ্ৰ। ( কোনে জানে তাৰ আচল নাম হয়তো সমৰেন্দ্ৰ নহয়, অমৰেন্দ্ৰহে, অথবা অমলেন্দু; কেইটা মানুহৰ আচল নাম, কেইটা নকল মানুহৰ আচল ৰূপটো মই জানো ? ) মোক তেনেকৈ ধৰ্‌ফৰাই উঠা দেখি সমৰেন্দ্ৰই সুধিলে, 'কি হ'ল চুকৰি ?' টোপনিৰ জালত মই ঘপৰাই কৈ পেলালো—'মই যাওঁ, মই যাওঁ, মোক আয়ে মাতিছে।'

আয়ে মাতিছে ? হয়, আয়েই মোক মাতিছে। সাঁজ লাগি ভাগিবৰ হ'ল, তেতিয়াও মোৰ ঘৰলৈ ঘূৰা দেখি আয়ে চিঞৰ ধৰিছে, সু-বা-লা। মই তেতিয়া পথাৰৰ সিমূৰৰ ৰূপহী নৈত জাকৈৰে মাছ ধৰাত মগ্ন। মাছ মাৰিবলৈ পালে মই ঘৰ-সংসাৰ সকলো পাহৰি গৈছিলো। দুপৰীয়া নাকে-মুখে ভাতকেইটামান কোনোমতে গুজিয়েই মই জাকৈখন লৈ মাছ মাৰিবলৈ ওলাওঁ। মই স্কুলতো পঢ়িছিলো, কিন্তু স্কুল সদায় ৰাতিপুৱা বহিছিল। মোৰ লগত কেতিয়াবা চুবুৰীৰ সমনীয়া ছোৱালীবোৰ থাকে, কিন্তু সদায় সিহঁত আহিব নোৱাৰে। সিহঁতৰ ঘৰত কাম-কাজ থাকে। মোৰ কিন্তু ঘৰত একো কাম নাছিল। ঘৰৰ কাম কৰিছিল আই আৰু বায়ে। কবলৈ পাহৰিছো, মোৰ পিতা নাছিল। মোৰ ভাইটো আইৰ গৰ্ভত থাকোঁতেই পিতাৰ মৃত্যু হৈছিল। ভাইটোও গৰ্ভতেই মৰি যোৱা হ'লে আমাৰ ভাল হ'লহেঁতেন, কাৰণ সি উপজিল কলা, বোবা আৰু বেঙা হৈ। আমাৰ খেতি-পথাৰ একো নাছিল। পিতাৰ দিনত আমাৰ বোলে কেইবিঘামান মাটি আছিল, কিন্তু তেওঁ মৰাৰ পিছত আয়ে অভাৱত পৰি মাটিখিনি বিক্ৰী কৰি দিলে। আয়ে ঘৰতে কাপোৰ বৈ বজাৰত বেচে, মাজে মাজে মাছ মৰা জালো তৈয়াৰ কৰে। সূতাৰ অভাৱত সেইবোৰ কাম বন্ধ থাকিলে গাঁৱৰ ধনী মানুহৰ ঘৰত ধান দোৱা, ধান বনা আদি কাম কৰে। বাইজনী ডাঙৰ হবৰেপৰা তায়ো সেইবোৰ কামত আইক সহায় কৰিব পৰা হ'ল। কিন্তু সিহঁতৰ সেইবোৰ কামত মোৰ সহায়ৰ একো দৰকাৰ নাছিল। আয়ে মোক সদায় কৈছিল, তেওঁ বোলে মোক লিখা-পঢ়া শিকাই মাষ্টৰণী কৰিব। তেওঁৰ একমাত্ৰ আশা আছিলো মই। কাৰণ, মই আগতেই

কৈছো, মোৰ ভাইটো আছিল কলা, বোবা আৰু বেঙা। ঘৰৰ একো কাম নকৰিলেও মই যে ঘৰৰ কোনো কামতেই লগা নাছিলো সেইটো নহয়। দিনৰ দিনটো আইকৈ বাই মই যি দুই-চাৰিটা পুঠি-খলিহা মাছ ধৰি আনিছিলো, সেয়েই আছিল আমাৰ ভাতৰ লগত খোৱা একমাত্র বস্তু। ভাত আৰু পোৰা মাছ, দিনৰ পাছত দিন সেয়েই আছিল আমাৰ একমাত্র আহাৰ। কেতিয়াবা কেৱল পোৰা মাছ খাই থকা কথাও মোৰ মনত পৰে। কাৰণ সদায় যে কাপোৰ আৰু জাল বিক্ৰী হ'বই বা মানুহৰ ঘৰত কাম থাকিবই—তাৰ কোনো মানে নাই। তেনে অৱস্থাত চাউল কিনিবলৈ আমাৰ পইচা নাথাকে, আৰু ফলত কেৱল পোৰা মাছ খায়েই পেট ভৰাব লগা হয়। কিন্তু মাছো যে সদায় অপৰ্য্যাপ্ত হ'ব, তাৰেই বা কি মানে আছে ? এদিন হ'ল কি—ঘৰত এক মুঠিও চাউল নাই, মোৰ পোৰা কপাল, দিনটো আইকৈ বাই মাছো সেইদিনা পালো মাত্র চাৰিটা গৰৈ। গধুলি আমি চাৰিওটা প্ৰাণী জুইশালৰ কেউকাষে বহি লৈ মাছ পোৰাত লাগি গ'লো। বেঙাটোৰ বোধহয় খুব ভোক লাগিছিল, সি হাত-ভৰি জোকাৰি অন্তুৰ দৰে গঁক গঁক্ শব্দ কৰি জুইৰ ওপৰত থকা আধা-পোৰা মাছ কেইটালৈ দেখুওৱাবলৈ ধৰিলে। তাৰ উৎপাতত তৎ নাপাই আয়ে লৰালৰিকৈ মাছ এটা আঙঠাৰ ওপৰৰপৰা আনি মাটিত থবলৈহে পালে, বেৰৰ চুকতে খাপ পাতি থকা বোন্দা মেকুৰীটোৱে একে চোচাই মাছটো মুখত লৈ পলাল। বেঙাই তাৰ অদ্ভুত ভাষাৰে চিঞৰিবলৈ ধৰিলে। ইতিমধ্যে বাকি তিনিটা মাছো সিজিছিল, সি এইবাৰ আইলৈ বাট নাচাই ঠাপ মাৰি তিনিওটা মাছ আনি মুখত ভৰালে। মাছ কেইটা খাই শেষ কৰি সি হাত আৰু মুখৰ অংগীভংগীৰে 'আৰু লাগে' বুলি চিঞৰিবলৈ ধৰিলে। আৰু যে মাছ নাই, আয়ে সেই কথা তাকে বুজাই কেনেকৈ ? কিছু সময় তেওঁ শূন্য দৃষ্টিৰে তভক্ মাৰি বহি ৰ'ল। কিন্তু বেঙাটোৰ উৎপাত চৰিহে গ'ল। মাৰ খোৱা চেৰেলা কুকুৰৰদৰে কেং কেং কৰি সি খঙতে জুইকুৰা ঠান-বান কৰিবলৈ ধৰিলে। আয়ে তেতিয়া তাক দুই হাতেৰে হেঁচা মাৰি ধৰি, কাণৰ কাষত মুখ থৈ চিঞৰিবলৈ ধৰিলে, 'হেৰ মোৰ মূৰ-খোৱা, মোৰ মূৰকে খা, আৰু মাছ নাই।' বেঙাই তাৰ পেটটোত চপৰিয়াই চপৰিয়াই ভাতৰ চৰুটোলৈ আঙুলিয়াবলৈ ধৰিলে, অৰ্থাৎ তাৰ খুব ভোক লাগিছে, ভাত লাগে। আইৰ আৰু কৰিবলৈ একো উপাই নাছিল, তেওঁ নীৰৱে বহি ৰ'ল। তেওঁৰ চকু দুটা জুইৰ আঙঠাৰদৰে এবাৰ ভনক্ কৰে জ্বলি উঠা যেন দেখা পালো।

খালি পেটেৰেই আমি সেই ৰাতি বিছনাত শুই পৰিলো, কিন্তু বেঙা শুবলৈ নাহিল। কোনোবাই ধৰি চকু কণা কৰি দিয়া বনৰীয়া পশুৰদৰে সি অন্ধ হিংস্ৰ আক্ৰোশত গঁক্ গঁক্ শব্দ কৰি কোঠাটোৰ চাৰিওফালে ঘূৰি ফুৰিলে। সি যেন মানুহ নহয়, স্বয়ং ভোকৰ মূৰ্তিমান ৰূপ। খঙত পাগল হৈ সি মাজে মাজে আইৰ পিঠিতে প্ৰচণ্ড গোৰ মাৰি দিয়ে, কিন্তু আয়ে উস্ শব্দটো পৰ্য্যন্ত নকৰাকৈ অলৰ হৈ পৰি থাকে। ভোকৰ যন্ত্ৰণাত চেঙালুটি খাই খাই অৱশেষত বোধহয় বেঙাৰ ভাগৰ লাগিল, জুইৰ কাষত শুদা মাটিতে সি শুই পৰিল। আমাৰ বিছনা আৰু মাটিৰ মাজত কোনো পাৰ্থক্য নাছিল, কাৰণ, শুবৰ কাৰণে আমাৰ কাঠৰ খাটিয়া দূৰৰ কথা, বাঁহৰ চাং এখনো নাছিল। আমাৰ ঘৰো আছিল মাত্ৰ এটা, তাৰ ভিতৰতে থকা খোৱা শোৱা সকলো কাম চলিছিল। এচুকৰ জুইশালখনতে আমি ভাত ৰান্ধো, জাৰৰ দিনত তাতে পুৱাওঁ, ৰাতি হ'লে তাৰ কাষতে থৈলা ডুখন আৰু পাটী এটা পাৰি আটাই-কেইটা শুই থাকো। গতিকে বেঙাই মাটিতে শুই পৰা সত্ত্বেও আয়ে তাক বিছনালৈ দাঙি আনিবলৈ কোনো চেষ্টা নকৰিলে। বেঙাই তাৰ ভোকৰ জুইকুৰা লম্ফ জম্ফ কৰিয়েই শাঁত কৰিলে, গতিকে সি অতি সোনকালে গভীৰ নিদ্ৰাত মগ্ন হ'ল। কিন্তু আমি তিনিজনীয়ে নীৰৱে তিলে তিলে সেই জুইত দগ্ধ হবলৈ ধৰিলো, বস্তুত ৰাতিলৈকে আমাৰ চকুলৈ টোপনি নহা হ'ল। খালি পেটৰ অনিদ্ৰাৰ যন্ত্ৰণা যে কি বস্তু তাক কথাৰে কোনে বৰ্ণনা কৰিব পাৰে? আনৰ কথা ক'ব নোৱাৰো, সেই সময়ত যিটো অনুভূতিয়ে মোৰ সমস্ত হৃদয় ছাৰখাৰ ক'ৰি পেলাইছিল, সি হ'ল এটা প্ৰচণ্ড অবুজ অভিমান। কাৰ ওপৰত অভিমান কৰিছো, কিয় অভিমান কৰিছো, একো ক'ব নোৱাৰো, কেৱল এটা ভয়ংকৰ নিৰলস অভিমানত মই ফুলি উঠিবলৈ ধৰিলো। আয়ে বোধ হয় মোৰ মনৰ অৱস্থা কিবা এটা উপায়েৰে অনুভৱ কৰিব পাৰিছিল, হঠাতে এবাৰ তেওঁ মাত লগাই উঠিল,—হে ভগৱান, ইহঁতক সোনকালে মাৰি নিয়া প্ৰভু!

কোনে কয় যে মানুহৰ কোনো প্ৰাৰ্থনাই ঈশ্বৰৰ কাণত নপৰে? আইৰ প্ৰাৰ্থনা অন্ততঃ আংশিকভাৱে হ'লেও ঈশ্বৰে তৎক্ষণাৎ মঞ্জুৰ কৰিলে। পিছদিনা

ভুগৰীয়া পৰত ফুলবগৰা ঘূৰি আহি কিছু দূৰৰপৰাই মই দেখা পালো, আমাৰ ঘৰত জুই জ্বলিছে, এজাক মানুহে বেচি-কুচি জুই নুমুৱাবলৈ চেষ্টা কৰিছে। মই হাতৰ ফলি-পুথি আছাৰ মাৰি দলিয়াই পেলাই উধাতু খাই ঘৰৰ কালে দৌৰ দিলো। ইতিমধ্যে সকলো পুৰি শেষ হৈছে। মানুহবোৰ বোধহয় খুব বেলিতহে আহি পালে। মোক দেখি দুই এটা মানুহে মোৰ ফালে আগবাঢ়ি আহি উস্-আস্ ইত্যাদি শব্দ কৰি মোক সান্ত্বনা দিবলৈ চেষ্টা কৰিলে। মই সিহঁতৰ সান্ত্বনালৈ কাণ নকৰি একে দৃষ্টিৰে ঘৰ পোৰা ছাইৰ দমটোলৈ চাই ৰ'লো। হঠাতে মই আতঙ্কত চিৎকাৰ কৰি উঠিলো, 'বেঙা, বেঙা ক'ত গ'ল ?' মোৰ চিঞৰত মানুহবোৰ চক খাই উঠিল। সিহঁতেও অলপ আতঙ্কিত হৈ কেবাটায়ো একেলগে প্ৰশ্ন কৰিবলৈ ধৰিলে, 'বেঙা ঘৰতে আছিল নে কি ?' মই পাগলৰদৰে কান্দি কান্দি চিঞৰি ক'বলৈ ধৰিলো—'বেঙা ঘৰৰ ভিতৰতে আছিল, আইহঁতে বাহিৰৰপৰা দুৱাৰ বন্ধ কৰি হাটলৈ গৈছে, সি পুৰি মৰিব পায়, বেঙা অ' বেঙা ·।' মোৰ কথা শুনি মানুহবোৰে ব্যস্ত হৈ ছাইৰ দ'মটো উখটিবলৈ ধৰিলে। অলপ পাছতে কেইটামান মানুহে ইস্ ইস্ হায় হায় কৰি আৰ্তনাদ· কৰি উঠিল। লগে লগে এটা মানুহে ছাইৰ দমৰপৰা দাঙি লৈ আহিল বেঙাৰ আধা-পোৰা, মুখৰ চিন নোহোৱা, বীভৎস মৰা দেহটো।

## [ ৪ ]

এই ঘটনাৰ পাছত পুৰা এমাহ দিন ধৰি আয়ে আহাৰ-নিদ্ৰা সকলো ত্যাগ কৰি কেৱল কান্দিবলৈ ধৰিলে। কি ভয়ংকৰ সেই কান্দোন, ভাবিলে এতিয়াও মোৰ বুকু কঁপি উঠে। এটা মুহূৰ্তও তেওঁ স্থিৰ হৈ থাকিব নোৱাৰে, জীয়াই পুৰি মৰা মানুহৰদৰে তেওঁ অহৰ্নিশে ছটফটাই থাকে। আমি ঠিক বুজিলো, বন্ধ ঘৰৰ ভিতৰৰ জুয়ে চাৰিওকালে গ্ৰাস কৰি অনা অৱস্থাত কলা বোবা ল'ৰাটোৱে যন্ত্ৰণাৰ এটা চিৎকাৰ কৰিব নোৱৰাকৈ যেনেকৈ মূক পশুৰদৰে মুখ ঠেকেছা খাই জীয়ন্তে দগ্ধ হৈ মৰিছিল, জননীৰ হৃদয়েৰে আয়ে এতিয়া সেই সকলোখিনি দাহ-যন্ত্ৰণা তিলে তিলে ভোগ কৰিছে। বিশেষকৈ ৰাতি তেওঁৰ অৱস্থা অতি সাংঘাতিক হয়। বিছনাত তেওঁ এক তিলো সময় পৰি থাকিব

নোৱাৰে। জীয়াই জীয়াই তেওঁক যেন কোনোবাই চিতাতহে তুলি দিছে, বিছনাত পৰাৰ লগে লগে তেওঁ তেনে এটা ভাব দেখুৱাই থৰ্কৰাই জাপ মাৰি উঠে। তাৰপাছত কোঠাটোৰ চাৰিওকালে ঘূৰি ঘূৰি আহত বা ভীত বন্য পশুৰদৰে বীভৎস শব্দ কৰি তেওঁ হুৰাও-বাৱে কান্দিবলৈ ধৰে। এমাহ দিন ধৰি এই অৱস্থা চলাৰ পাছত আমি ভাবিবলৈ ধৰিলো যে আই নিশ্চয় পাগলী হৈ গ'ল। কিন্তু কি আচৰিত, সেইদৰে ভাবিবলৈ আৰম্ভ কৰাৰ লগে লগেই আমাৰ মুখ চায়েই যেন তেওঁ আমাৰ মনৰ ভাৱ বুজি পালে, আৰু তৎক্ষণাৎ সকলো কন্দা-কটা বন্ধ কৰি স্থিৰ হৈ পৰিল।

আই পাগলী হৈ নগ'ল হয়, কিন্তু তেওঁ যে আৰু আগৰ মানুহ হৈ থকা নাই, কথা দুদিনৰ ভিতৰতে সকলোৱে বুজি উঠিল। তেওঁ মানুহৰ লগত কথা-বাৰ্তা পাতিবলৈ এৰি দিলে, আনকি নিতান্ত দৰ্কাৰ নহ'লে আমাকো নমতা হ'ল। তেওঁৰ চকুৱে মুখে এটা কঠিন হিংস্ৰতা ফুটি উঠিল। কন্দা-কটা বন্ধ কৰিয়েই তেওঁ জাল এখন গুঠিবলৈ আৰম্ভ কৰিলে। তিনি দিনত ওলাৰ লগা জালখন তেওঁ এবেলাতে শেষ কৰি দিলে। সেইখন শেষ কৰিয়েই তেওঁ আৰু এখন জাল আৰম্ভ কৰি দিলে· তাৰপাছত আৰু এখন· তাৰপাছত আৰু -এখন,—যেন জীৱনত জাল গোঠাৰ বাহিৰে আৰু কোনো কাম নাই। হিংস্ৰ অপলক দৃষ্টিৰে কেৱল হাতৰ মাকোটো আৰু সুতাডাললৈ চাই চাই তেওঁ এনেভাৱে জাল গোঠাতে মগ্ন থাকে যে সেই সময়ত তেওঁৰ মুখলৈ চাবলৈ যি-কোনো মানুহৰে ভয় লাগিব, তেওঁক সাধুকথাৰ ডাইনী বুঢ়ী যেন লাগি যাব। কেতিয়াবা মাজ ৰাতি হঠাতে সাৰ পাই উঠি মই দেখো, তেওঁ তেতিয়াও শোৱা নাই, জুইশালৰ কাষতে বহি চাকিৰ টিমিক্‌-টামাক্‌ পোহৰত তেওঁ সেই একে হিংস্ৰ দৃষ্টিৰে জাল গুঠিয়েই আছে। তেওঁৰ চকুৰ দৃষ্টি দেখিলে ভাব হয়, তেওঁ যেন অকলে থকা নাই, অপলক দৃষ্টিৰে ভীষণ নিষ্ঠুৰ খঙত তেওঁ যেন কাৰোবালৈ একে থিৰে চাই আছে,—তেতিয়া এটা অশৰীৰী সত্তাৰ অস্তিত্ব অনুভৱ কৰি ভয়ত মোৰ গোটেই গা জিকাৰ খাই উঠে, আইৰ সমুখৰপৰা আঁতৰি পলাবলৈ মন যায়। লৰালৰিকৈ কাপোৰখন মূৰৰ ওপৰলৈকে টানি লৈ বাইৰ বুকুত কুচি-মুচি মই পুনৰ শুই পৰো। কিন্তু ভয়তে চকুলৈ টোপনি নাহে, নিজৰ আইজনীকে মৰিশালীৰ ভূতুনী যেন লাগে। কেতিয়াবা ভয়তে এনেকৈ ঘামি-জামি উঠো যে গাৰ চোলা পৰ্য্যন্ত তিতি যায়। ভূতৰ ওপৰত দানহৰদৰে কেতিয়াবা হঠাতে কাণত আহি পৰে আইৰ দাঁত দুয়োপাৰি কৰ্‌মৰাই উঠিছে; তুপৰ ৰাতিৰ

অন্ধকাৰ নিস্তব্ধতাত সেই নিৰ্বাক দাঁত কৰচ্‌নিৰ শব্দটো মৰিশালীত সক ল'ৰাৰ মূৰ চোবোৱা ডাইনীৰ মুখৰ শব্দ যেন অনুভৱ হৈ-ভয়ত মোৰ বাজ-হাড় পৰ্য্যন্ত জিন্‌জিনাই উঠে। মোৰ উশাহ বন্ধ হৈ যাবৰ উপক্ৰম হয়। খৰধৰকৈ উশাহ লৈ মই গাৰ জোৰেৰে বাইক সাৰত্তি ধৰো।

[ ৫ ]

বাই তেতিয়া পাট-গাভৰু, বিয়া দি উলিয়াই দিয়াৰ বয়স। দুই এজনে বিয়াৰ প্ৰস্তাৱ লৈ আইৰ লগত কথা-বাৰ্তাও চলাইছিল। খাবি-দুখুনীৰ ছোৱালী হলেও বাইৰ আছিল ৰূপৰ ঐশ্বৰ্য্য, গোটেই গাঁওখনতে বাইৰ লগত ৰূপত ফেৰ মাৰিব পৰা ছোৱালী এজনীও নাছিল। আইৰ অন্তৰত কি মতলব আছিল ভগৱানেহে জানে, একে আষাৰে তেওঁ সকলোকে কৈ দিলে, 'নগদ এহেজাৰ টকা হাতে হাতে উলিয়াই দিব নোৱাৰিলে মোৰ ছোৱালী মই ক'লৈকো নিদিওঁ।' বাইক খোজোতাঁবোৰে প্ৰশ্ন কৰিলে, 'জীয়েৰক টকা লৈ বেচিব খোজা নে কি?' 'বেচা বুলি কলেও মোৰ আপত্তি নাই'—আয়ে নিৰ্ব্বিকাৰ হৈ উত্তৰ দিলে, 'এনেকৈয়ে যদি দুটামান টকা উলিয়াই নলওঁ, ডুয়োজনী ছোৱালী উলিয়াই দিয়াৰ পিছত বুঢ়ী বয়সত মই খাম কেনেকৈ? কোনে মোক কাম কৰি খুৱাব?'

নগদ এহেজাৰ টকা হাতে হাতে দি বাইক বিয়া কৰা মানুহ সততকাই কোনো নোলাল। কিন্তু তাৰ কাৰণে আইক অকণো চিন্তিত হোৱা যেন দেখা নগ'ল। একেষাৰ কথাতে মানুহবোৰক বিদায় দি তেওঁ পুনৰ জাল গোঠাত মগ্ন হ'ল। কিন্তু আইৰ মনৰ কথাষাৰ স্পষ্টকৈ বুজিব পাৰি জীৱনত কোনো দিন নভবা এটা চিন্তাই মোৰ মনত ঠাই ল'লে। হয়তো, আমি ডুয়োজনী ছোৱালী বিয়া হৈ ওলাই গলে আয়ে কাক লৈ থাকিব? জীয়াই জীয়াই পুৰি মৰা ডাইটোৰ ভয়ংকৰ স্মৃতি বুকুত বান্ধি এই মৰিশালী যেন ঘৰখনত আধা-পাগলী আইজনীয়ে অকলে অকলে কেনেকৈ দিন কটাব? বুঢ়ী বয়সত আলৰ হৈ বেমাৰত পৰি থাকিলেও তেওঁক পানী এটোপাকে কোনে যাচিব? আন হাতে, এই ভৰা ৰূপ-যৌৱন দেহত লৈ বাইজনী চিৰকাল আবিয়ৈ ঘৰ-বুঢ়ী হৈ থাকিব কি দোষত! হে ভগৱান, কি দোষত বাইজনী ইমান ভয়ংকৰ অভিশাপৰ

ভাগী হ'ব ? দিনে বাতিয়ে মই এইবোৰ কথাকে ভাবিবলৈ ধৰিলো। ভৱিষ্যতৰ সমস্ত ৰূপটো মোৰ চকুৰ আগত স্পষ্ট হৈ ভাহি উঠিল। মুখৰ মাত-বোল নোহোৱাকৈ দিনে বাতিয়ে জাল গুঠি থকা এজনী আধা-পাগলী বুঢ়ী আৰু দুজনী আবিয়ৈ ঘৰ-বুঢ়ী ছোৱালী ; বাহিৰৰ সংসাৰৰ লগত সিহঁতৰ কাৰো সম্পৰ্ক নাই, নিজৰ ভিতৰতো একো কথা-বাৰ্তা নাই ; মুধেদি আকাশ দেখা এটা পঁজাঘৰ, মৰিশালীবদৰে নিৰ্জন নিস্তব্ধ অন্ধকাৰ ; মাজে মাজে সেই নিস্তব্ধতা ভাঙি যায় কেৱল এটা জীৱন্ত দগ্ধ বালকৰ উন্মাদ আৰ্তনাদত, তিনিখন বুকুৰ গুমুনিয়াহ আৰু দীৰ্ঘ-নিশ্বাসত ; দিনৰ পাছত দিন, মাহৰ পাছত মাহ, বছৰৰ পাছত বছৰ এই একেই জীৱন, আশা-হীন, আনন্দ-হীন, ভৱিষ্যত-হীন ; —তাৰ পাছত এদিন নামি আহিব মৃত্যুৰ অন্ধকাৰ, এজনী এজনীকৈ তিনিও শুই পৰিব মৃত্যুৰ কোলাত। এই জীৱন্ত সমাধিৰ কল্পনাত মোৰ তালুৰপৰা ভলুবালৈকে সৰ্বাংগ কঁপি উঠিল। মুহূৰ্তৰ ভিতৰতে কল্পনাৰ গোটেই ভৱিষ্যতটো যাপন কৰি উঠি মই আতংকত আৰ্তনাদ কৰি উঠিলো।

দিনে-বাতিয়ে কেবাদিনো চিন্তা কৰাৰ পাছত মই অৱশেষত এটা সিদ্ধান্তত উপনীত হলো। মনত সাহ গোটাই লৈ মই এদিন আইক ক'লোঁ, 'আই, বহুত মানুহে দেখোন ঘৰ জোঁৱাই ৰাখে। তুমিও তাকে নকৰা কিয় ?'

মোৰ মুখত তেনে এটা প্ৰস্তাৱৰ কাৰণে আই বোধহয় অকণো প্ৰস্তুত নাছিল। খন্তেকৰ কাৰণে জাল গোঠা বন্ধ কৰি তেওঁ এটা অদ্ভুত দৃষ্টিৰে মোৰ চকুলৈ চাই ৰ'ল। তাৰপাছত তেওঁ প্ৰশ্ন কৰিলে, 'ঘৰ-জোঁৱাই ? কাৰ কাৰণে ?'

'বাইৰ কাৰণে,' মই উত্তৰ দিলো।

'বায়েৰৰ কাৰণে ঘৰ-জোঁৱাই চপাই তাৰপাছত তোকো বায়েৰৰ সতিনী কৰি দিব লাগে নহয় ?' কথাষাৰ কৈয়েই তেওঁ পুনৰ মাকোটো হাতত তুলি ল'লে।

আইৰ কথাৰ অৰ্থ মই ভালকৈয়ে বুজিলো। কিন্তু কথাষাৰ যেতিয়া এবাৰ উঠিলেই, মই তাৰ এটা হেস্ত-নেস্ত কৰিহে এৰিম বুলি ঠিক কৰিলো। মই পুনৰ মাত লগালো, 'তুমি ঠিকেই কৈছা। বাইৰ কাৰণে ঘৰ-জোঁৱাই ৰাখিব নালাগে। তুমি তাইক বিয়া দি উলিয়াই দিয়া। মই বিয়া বাৰু নকৰো, মই সদায় তোমাৰ লগতে থাকিম।'

আয়ে মোৰ কথাৰ একো উত্তৰ নিদিলে। শূন্য উদাস দৃষ্টিৰে জাল গুঠি

গুটি তেওঁ স্তব্ধ হৈ বহি ৰ'ল। মোৰ কথাই যেন তেওঁৰ মনত কোনো প্ৰতিক্ৰিয়াই সৃষ্টি কৰিব নোৱাৰিলে। ময়ো উঠি নগৈ তেওঁৰ ভাব-লেশ-হীন মুখলৈ চাই থাকিবলৈ ধৰিলো। এইদৰে কি জানি এঘণ্টামান সময় পাৰ হৈ গ'ল। হঠাতে এবাৰ তেওঁ মোক চকু ঘূৰাই দি খঙাল মাতেৰে চিঞৰি উঠিল—'তইতক মই বেচিম বুলি কৈছো—বেচিম।'

[ ৬ ]

জাল অকল গুঠিলেইতো নহ'ব, সি বিক্ৰীও হ'ব লাগিব। পাগলবদৰে কিছুদিন অবিৰামভাৱে জাল গুঠি গুঠি হঠাৎ এদিন আয়ে আৱিষ্কাৰ কৰিলে যে জাল আৰু বিক্ৰী নোহোৱাত পৰিছে ; দুপইচা লাভ হোৱা দূৰৰ কথা—সুতাৰ খৰচটোৱেই নোলোৱাত পৰিল। এদিন স্কুলৰপৰা ঘূৰি আহি মই দেখিলো, চকুৰ তললৈ জুই যোৱাই নাই। বাইৰ মুখৰপৰা জানিলো, ঘৰত এমুঠিও চাউল নাই। ভোকত পেট ছিগো যেন হৈ আহিছিল, ঘৰত আহি সেই অৱস্থা দেখি মোৰ চকু পানী ওলাই আহিল। বিছনাত শুই শুই মই নীৰৱে কান্দিবলৈ ধৰিলো।

বহুদিনৰ মূৰত আয়ে সেইদিনা জাল গোঠা বন্ধ কৰি পিৰালীতে তভক্ মাৰি বহি ৰ'ল। গোটেই ভাটি বেলাটো তেওঁ তেনেকৈ একে ঠাইতে বহিয়েই থাকিল। মই শুই শুই ভাবিবলৈ ধৰিলো, দুপৰীয়াতো অনাহাৰে গ'লেই, ৰাতিও নিশ্চয় তেনেকৈয়ে যাব। কালিলৈ যে খাবলৈ পাম তাৰ বা কি আশা আছে ? ভিক্ষা কৰাৰ বাহিৰেতো এমুঠি চাউল যোগাৰ হোৱাৰ একো আশা দেখা নাই। ভোকৰ জুইত তিলে তিলে দগ্ধ হৈ তিনিটা প্ৰাণী নিৰুপায় যন্ত্ৰণাত নীৰৱে অসাৰ হৈ পৰি ৰ'লো।

গধূলি পৰত আয়ে আমাক একো নমতা-নোবোলাকৈ হঠাৎ গাঁৱৰ ফালে ওলাই গ'ল। চাকি জ্বলাবলৈ ঘৰত তেলো নাছিল। জুই ফুৰা ধৰি বাই আৰু মই দুয়ো জুই গুৰিতে বহি ৰ'লো। বহুত পৰ নীৰৱে বহি থকাৰ পাছত বায়ে হঠাৎ এবাৰ মাত লগালে, 'সুবালা, তই অৰ্জুন সিং পঞ্জাবীৰ চিনি পাৱ ?'

'—নবেন কাকাইতৰ ঘৰলৈ যে সদায় আহি থাকে সেই এটা চকু কণা বুঢ়া

পঞ্জাবীটো ? চিনি পাওঁতো তাক। কিয় সুধিলি ?'—মই আচৰিত হৈ প্ৰশ্ন কৰিলো।

বাই আকৌ মনে মনে থাকিল। মই হতভম্ভ হৈ বাইৰ মুখলৈ চাই ৰ'লো। এনেকুৱা মুখখন ভালকৈ দেখাই নাযায়, জুইৰ আঙঠাৰ বঙা পোহৰত গালৰ একাষ মাত্ৰ জিলিকি আছে। কিন্তু কিছুমান বস্তু পোহৰতকৈ এন্ধাৰতহে বেছি ভালকৈ দেখি। মই হঠাৎ বাইৰ মুখত কোনোদিনে নেদেখা এটা আচহুৱা ৰূপ দেখি চক্ খাই উঠিলো। এই অৱস্থাত তাই যেন যি-কোনো কাম কৰিব পাৰে, যি-কোনো কাম, মানুহৰ সহজ কল্পনাই ঢুকি নোপোৱা যি-কোনো কাম ; মই আতংকত প্ৰায় চিঞৰি উঠিলো, 'কি হৈছে তোৰ বাই ?'

মৰা মানুহে যদি কেতিয়াবা হাঁহিব পাৰে ঠিক তেনে এটা হাঁহি বাইৰ ওঠত ঢেউ খেলি গ'ল। 'একো নাই হোৱা, তই ভয় নাখাবি'—শান্তভাৱে বায়ে উত্তৰ দিলে—'কেৱল এটা কথাৰ মোক উত্তৰ দে, এহেজাৰ টকা লৈ আয়ে যদি তোক অৰ্জুন সিং পঞ্জাবীক বিক্ৰী কৰে, তই কি কৰিবি ?'

'কি কলি তই ?' মই আৰ্তনাদ কৰি উঠিলো—'কথাবোৰ পৰিস্কাৰকৈ নকয় কিয় বাই ? মোৰ খুব ভয় লাগিছে।'

অবিচলিতভাৱে বায়ে একেটা প্ৰশ্নকে পুনৰ দোহাৰিলে, 'এহেজাৰ টকা লৈ আয়ে যদি তোক অৰ্জুন সিং পঞ্জাবীক বিক্ৰী কৰে তই কি কৰিবি ?'

'আত্মহত্যা কৰিম। চিপ-জৰী লগাই মৰিম, পানীত পৰি মৰিম, বিষ খাই মৰিম, নিজৰ গাতে জুই লগাই দি পুৰি মৰিম।' আত্মহত্যাৰ যি কেইটা উপায় সেই মুহূৰ্তত মনলৈ আহিল একে উশাহে আটাই কেইটা মই চিঞৰি চিঞৰি কৈ দিলো, যাতে মোৰ আত্মহত্যাৰ সংকল্পৰ বিষয়ে বাইৰ মনত কোনো সন্দেহ নাথাকে।

সেই একে অদ্ভুত হাঁহি মুখেৰেই বায়ে মাত লগালে,—'ভয় নাই, তোৰ আত্মহত্যা কৰিবৰ দৰকাৰ নহ'ব। কথাষাৰ তোক এনেয়ে সুধিহে চালো। আত্মহত্যা যদি কৰিব লাগে ময়েই কৰিম।'

আমাৰ কথা সিমানখিনি আগ বাঢ়োতেই হঠাৎ আই আহি ওলালেহি। তেওঁৰ হাতত এটা টোপোলা। টোপোলাটো বাইৰ কাষে আগ বঢ়াই দি তেওঁ অতি কৰ্কশভাৱে মাত লগালে, 'ধৰ এইটো, ভাত ৰান্ধ।'

বায়ে টোপোলাটোলৈ হাত নেমেলি গহীন হৈ ক'লে, 'মই ভাত নাৰান্ধো। তুমি নিজে ৰান্ধি খোৱা।'

বাইৰ এৰে এটা উত্তৰ কাৰণে আই বোধহয় অকণো প্ৰস্তুত নাছিল। যেনা হাতখন তৎক্ষণাৎ কোঁচ খুৱাই নি, তেওঁ দুগুণ কৰ্কশভাৱে প্ৰশ্ন কৰিলে, 'ভাত নাবান্ধ? কিয়?'

'তুমি সেই চাউল ভিক্ষা কৰি আনিছা। মই মৰি যাম, তথাপি ভিক্ষাৰ অন্ন খাব নোৱাৰো। তুমি খাব খুজিলে নিজে ৰান্ধি খোৱা।' বায়ে উত্তৰ দিলে।

আমি ভালকৈ তৰ্কিবলৈ নৌ পাওঁতেই আয়ে হঠাৎ চাউলৰ টোপোলাটো খুব জোৰেৰে বাইৰ মুখলৈ মাৰি দিলে। টোপোলাটো খোল খাই চাউল-বোৰ গোটেই মজিয়াতে সিঁচৰিত হৈ পৰিল। 'তই মোক ভিক্ষাৰী বুলি ক'লি? ইমান দেমাক তোৰ? আজি তোৰ দেমাক বাহিৰ কৰিম।' খণ্ডত পাগলবদৰে হৈ হিংস্ৰভাৱে গালি পাৰি পাৰি আয়ে জুইৰপৰা আধা-পোৰা খৰি এডোখৰ তুলি লৈ বাইৰ চকুৱে মুখে মাৰিবলৈ ধৰিলে। বায়ে কিন্তু অকণো লৰচৰ নকৰি নিৰ্বিকাৰভাৱে বহি ৰ'ল। মই খপহ্ কৰে উঠি আইৰ হাতৰপৰা খৰি ডোখৰ এৰুৱাই আনিবলৈ গাৰ জোৰেৰে টানিবলৈ ধৰিলো। মই যিমানেই টানিবলৈ ধৰিলো সিমানেই যেন আইৰ জেদ চৰিহে গ'ল। যুঁজ বাগৰ কৰি অৱশেষত আমি দুয়ো মাটিত বাগৰি পৰিলো। এবাৰ আয়ে মোক মাটিত হেঁচা মাৰি ধৰা দেখি বায়ে উঠি আহি আইক টানিবলৈ ধৰিলে। টনাটনিত তিনিওজনীৰে গাৰ কাপোৰ ফালি চিৰি স্থলকি তিনিও প্ৰায় আধা নাঙঠো হৈ পৰিলো। কাৰো মুখত একো মাত বোল নাই, ফুচফুচাই উশাহ টানি টানি তিনিওজনীয়ে সেই অন্ধকাৰত কোনোবাই ধৰি যুঁজ লগাই দিয়া বাটৰ কুকুৰবদৰে হিংস্ৰ মত্ততাত বাগৰি বাগৰি যুঁজ কৰিবলৈ ধৰিলো।

[ ৭ ]

এই অবিস্মৰণীয় যুঁজখনৰ বিষয়ে এটা কথা মই মনত পৰোঁতেই কৈ থব খোজো। নহ'লে পিছত কবলৈ সময় নাপাম বা পাহৰিয়েই যাম। জীৱনৰ সকলো অভিজ্ঞতাৰে একোটা মূল্য আছে। সেইদিনাৰ সেই যুঁজখনৰ অভিজ্ঞতায়ো পিছৰ জীৱনত মোক বহুত ক্ষেত্ৰত অতি সহায় কৰিছিল। সেই দিনাহি মই এটা কথা ভালকৈ শিকিলো যে যুঁজত নিজৰ গা বচাবলৈ হলে বা প্ৰতিপক্ষক পৰাস্ত কৰিবলৈ হলে প্ৰতিপক্ষৰ বা নিজৰ প্ৰতি মমতা

কিঞ্চিন্মাত্র মমতা বখা উচিত নহয়। মৰিম বা মাৰিম বুলি মন ঠিক কৰি যুঁজত-প্ৰবৃত্ত হলে পৰাজয়ৰ একো ভয় নাথাকে। আইৰ লগত হোৱা যুঁজত মোৰ বিজয়বত্তহে হ'ল—তাৰ পাছতো আন বহুতৰ লগতেই মই যে কিমান যুঁজ কৰিব লগা হৈছে তাৰ হিচাপেই নাই। কিন্তু সন্মুখ যুদ্ধত মোক আজিলৈকে কোনেও পৰা নাই। আইৰ লগত হোৱা যুঁজখনত মই যদি সেইদিনা একে আজোৰে তেওঁৰ মূৰৰ এমুঠি চুলি উভালি তুলি নেপেলালোহেঁতেন, তেন্তে মোৰ জীৱন-কাহিনী লিখিবলৈ আজি পৰ্য্যন্ত মই জীয়াই নেথাকিলোহেঁতেন।

[ ৮ ]

সেইদিনা আইক মই কিয় মাৰি নেপেলালো সেই কথা ভাবি মাজে মাজে মোৰ অনুতাপ হয়। তেওঁৰ ভালৰ কাৰণেই মই পাৰিলে সেইদিনা তেওঁক মাৰি পেলোৱা উচিত আছিল। কাৰণ তেওঁ আৰু মানুহ হৈ থকা নাছিল, কাৰোবাৰ পৈশাচিক মন্ত্ৰৰ প্ৰভাৱত তেওঁ যেন ডাইনীত পৰিণত হৈছিল। অৰ্জুন সিং পঞ্জাবীয়ে এদিন সঁচাকৈয়ে বাইক কেনেকৈ লৈ গ'ল, মই এতিয়া সেই কথা ক'ম। এদিন দুপুৰীয়া ভাত-পানী খাই আই গাঁও ফুৰিবলৈ বুলি ওলাই গ'ল। মাজে মাজে তেওঁ তেনেকৈ ফুৰিবলৈ যায়েই, গতিকে সি একো মন কৰিব লগীয়া নাছিল। কিন্তু গধুলি পৰলৈকে যেতিয়া তেওঁ ঘূৰি নাহিল, আমাৰ মনত নানা সন্দেহ আৰু দুশ্চিন্তাৰ উদয় হ'ল। বায়ে মযে খোৱা-মেলা কৰিবলৈ ধৰিলো, বিনা কাৰণত আই মানুহৰ ঘৰে ঘৰে মেল ফুৰা মানুহ নহয়, আৰু ওচৰৰে কাৰোবাৰ ঘৰলৈ যোৱা হ'লে ঘূৰি আহোঁতে তেওঁৰ ইমান পলম নহ'লহেঁতেন। তেওঁ নিশ্চয় কোনো দূৰণিবটীয়া ঠাইলৈ গৈছে। কিন্তু কিয়? ডাইটো মৰিবৰপৰা আয়ে লোকৰ মানুহৰ ঘৰত কাম-বন কৰা একেবাৰে বাদ দিছিল। গতিকে আজি যে হঠাৎ তেওঁ মানুহৰ ঘৰত কাম বিচাৰি যাব সেই কথা ভাবিবলৈ কোনো যুক্তি নাই। তেওঁ নিশ্চয় কোনো দূৰণিবটীয়া ঠাইলৈ গৈছে, আৰু বিশেষ এটা উদ্দেশ্য লৈ গৈছে। কিন্তু কি সেই উদ্দেশ্য? আমি নানা কথা ভবা-গুণা কৰিবলৈ ধৰিলো। কিছুদিনৰপৰা আইৰ কথাকাণ্ড দেখি তেওঁৰ মস্তিষ্কৰ সুস্থতাৰ বিষয়ে আমি সন্দেহ কৰিবলৈ আৰম্ভ কৰিছিলো। এনে অৱস্থাত তেওঁ হঠাৎ ঘৰ এৰি

ক'ৰবালৈ' শুছি যোৱাও একো আচৰিত কথা নহয়। কিন্তু সেই অশুভ সম্ভাৱনাৰ কথা আমি বেছি সময় ভাবিব লগা নহ'ল। খড়িৰ দিশাহ এটা পেলাই আমি লক্ষ্য কৰিলো, পতুলি মুখেদি আই ঘৰলৈ সোমাই আহিছে।

আই নীৰৱে ঘৰৰ ভিতৰ সোমাই অৱশভাবে জুই শুৰিত্ত বহি পৰিল। আমি কৌতূহলী দৃষ্টিৰে তেওঁৰ মুখলৈ চাবলৈ ধৰিলো। আমাৰ অনুভৱ হ'ল, তেওঁ যেন আমাৰ দৃষ্টিৰ বিষয়ে সচেতন হৈ উঠিছে আৰু মনে মনে খুব বিব্ৰত অনুভৱ কৰিছে। স্বাভাৱিক আৰু সহজ হ'বলৈ প্ৰাণপণে চেষ্টা কৰাৰ ফলত তেওঁৰ মুখৰ ভাব বেছি অস্বাভাৱিকহে হৈ পৰিছে। তেওঁ যে কিবা এটা কথা আমাৰপৰা গোপন কৰিবলৈ চেষ্টা কৰিছে আৰু আমি তেওঁক কিবা প্ৰশ্ন কৰো বুলি তেওঁ ভয় খাইছে, সেই বিষয়ে আমাৰ মনত কোনো সন্দেহ নৰ'ল। বেছি সময় ৰহস্যৰ মাজত থাকিবলৈ মোৰ ধৈৰ্য্য নাছিল, মই চিধাচিধি তেওঁক প্ৰশ্ন কৰিলো, 'আজি তুমি কেনি গৈছিলা আই ?

মই আশা কৰিছিলো, খুব খঙেৰে কিবা এষাৰ কৈ তেওঁ মোৰ মুখ বন্ধ কৰিবলৈ যত্ন কৰিব। কিন্তু তেওঁ তেওঁৰ পক্ষে অস্বাভাৱিক শান্ত আৰু কোমল মাত্তেৰে উত্তৰ দিলে, 'এ কি কৰি আই, গৈছিলো মধু মহাজনৰ ঘৰলৈ টকা এশ ধাৰে বিচাৰি।' মোৰ দ্বিতীয় প্ৰশ্ন আগতেই অনুমান কৰি তেওঁ একে উশাহতে কৈ গ'ল ( মই তেতিয়াই তেওঁক সন্দেহ কৰা উচিত আছিল ), 'বায়েৰৰ বিয়াখন এই বছৰতে পাতিবই লাগিব। কিন্তু হাতত ফুটাকড়ি এটা নোহাৱাকৈনো কেনেকৈ বিয়াখন পাতো ?' ভাতৰ চৰুটো তুলি দে। খুব ভোক লাগি আহিছে। চাওঁ শুৱলা, সেই ঘটিটো মোৰ কাষে দেচোন। বৰ পিয়াহ লাগিছে। কমখন বাটনো যাব লাগে নে ?'

আমি দুয়োজনী একেবাৰে স্তব্ধ, হতভম্ব। আইৰ মুখত একেলগে ইমানখিনি কথা গোটেই জীৱনতে আমি শুনা নাছিলো। কিন্তু তেওঁৰ কথাত মই আন একো সন্দেহ নকৰিলো। কেৱল সামান্য সন্দেহ কৰিলো যে এইবোৰ বোধহয় তেওঁ পাগলী হ'ব খোজাৰহে লক্ষণ। তেওঁক আৰু একো প্ৰশ্ন নকৰি মই ভাত বন্ধাত ব্যস্ত হ'লো।

মাজৰাতি এটা আকস্মিক আঘাতত চক্ খাই সাৰ পাই চিঞৰিবলৈ মুখ মেলিব খুজিয়েই মই ভীষণ আতংকত আৱিষ্কাৰ কৰিলো যে মোৰ মুখখন কোনোবাই খুব জোৰেৰে কাপোৰেৰে বান্ধি পেলালে। ঠিক এনে মুহূৰ্তত্ত আন কোনোবা এটাই মোৰ হাত আৰু ভৰি দুখনো লৰচৰ কৰিব নোৱাৰাকৈ

বাঢ়ি পেলালে। নিজকে মুক্ত কৰিবলৈ বৃথা চেষ্টা নকৰি মই বিছনাখনত বাগৰি বাগৰি আইহঁত আছে নে নাই পৰীক্ষা কৰি চালো। সিহঁত এজনীও নাই। মই তেতিয়া স্থিৰ হৈ কাণেৰে ঘটনাটোৰ উমান ল'বলৈ চেষ্টা কৰিলো। কিছু সময়ৰ কাৰণে ঘৰৰ বাহিৰত মই কেবা জোৰা ভৰিৰ ব্যস্তভাৱে ইফালে-সিফালে অহা যোৱাৰ শব্দ শুনিবলৈ পালো। অলপ পাছতে খোজৰ শব্দবোৰ ক্ৰমান্বয়ে দূৰলৈ আঁতৰি গ'ল। তাৰপাছত সকলো নীৰৱ।

ইমান আচম্বিতে আৰু ইমান কম সময়ৰ ভিতৰতে গোটেই ঘটনাটো ঘটি গ'ল যে কিছু সময়ৰ কাৰণে মই কোনো কথা ভাবিবই নোৱাৰিলো। আনকি মই যিমান ভয় খোৱা উচিত আছিল সিমান ভয়ো নাখালো। হঠাতে এটা আচৰিত অৱসাদে মোক হেঁচা মাৰি ধৰিলে। জীৱনত যেন কোনো বিষয়ে চিন্তা কৰাৰেই একো দৰকাৰ নাই, সকলো চিন্তাই অৰ্থহীন, যি ঘটিছে শেষ পৰ্য্যন্ত তাক ঘটি যাবলৈ দিয়াই একমাত্ৰ কৰ্ত্তব্য—এনে এটা ভাবত আচ্ছন্ন হৈ মই অসাৰ হৈ পৰি ৰ'লো।

অলপ পাছতে মই অনুভৱ কৰিলো, কোনোবাই মোৰ হাতভৰিৰ বান্ধবোৰ খুলি দিছে। উশাহ নিশাহৰ পৰিচিত শব্দত মই অনুমান কৰিলো, মোৰ আই। মুখৰ কাপোৰখন গুছোৱাৰ লগে লগেই মই দেখিলো, ঘৰটো অন্ধকাৰ নহয়, আয়ে ইতিমধ্যে চাকি জলাইছে। মুখখন খুলিব পাৰিলেই মই আইক কি প্ৰশ্ন কৰিম আগতেই ঠিক কৰি থৈছিলো। বিছনাত বহিয়েই এক মুহূৰ্ত্তও অপেক্ষা নকৰি মই তেওঁক সুধিলো, 'তোমাৰ হাত ভৰি বন্ধা নাছিল?'

এক মুহূৰ্ত্তমান সময় তেওঁ কিবা এটা ভাবিলে। সঁচা ক'ব নে মিছা ক'ব তাকেই বোধহয় তেওঁ ভাবিলে। স্বাভাৱিকতে সঁচা কোৱাটোৱেই সেই মুহূৰ্ত্তত তেওঁৰ কাৰণে সহজ আৰু নিৰাপদ আছিল, গতিকে তেওঁ সঁচা কথা কোৱাটোকে ঠিক কৰিলে, 'মোক কিয় বান্ধিব?'

ভিতৰে ভিতৰে এটা প্ৰচণ্ড ভয়ংকৰ নিষ্ঠুৰ খণ্ডত মই জ্বলি যাবলৈ ধৰিছিলো, কিন্তু বাহিৰত যিমান পাৰোঁ শান্ত হৈ মই পুনৰ সুধিলো, 'বাই ক'লৈ গ'ল?'

'শুন সুবালা'—হঠাতে খুব কঠোৰ শাসনৰ সুৰত আয়ে মাত লগালে, 'বায়েৰক আজি অৰ্জুন সিঙৰ লগত বিয়া দিলো। মোক আৰু একো প্ৰশ্ন নকৰিবি, কৰিলে তোৰ মুখ ভাঙি গুড়ি কৰি দিম। এতিয়া চুপ-চাপ শুই থাক।'

ফুঁ মাৰি আয়ে চাকিটো নুমাই দিলে।

এইখিনি পৰ্য্যন্ত মোৰ লিখাখিনি পঢ়ি বন্ধু এজনে মোক কৈছে যে মই অতি প্ৰাণহীনভাৱে মোৰ জীৱনৰ কাহিনীটো বৰ্ণনা কৰিছো। মোৰ জীৱনত ইমানবোৰ ভয়াবহ, নিষ্ঠুৰ, মৰ্মঘাতী ঘটনা ঘটি গৈছে—কিন্তু সেইবোৰৰ বৰ্ণনা পঢ়ি পাঠকে অনুভৱেই কৰিব নোৱাৰিব যে সেই ঘটনাবোৰে মোৰ মনত কিবা দাগ ৰাখি গৈছে। (বন্ধুজনৰ মতে) যিবোৰ কথা মই তেজেৰে লিখা উচিত, চকুৰ পানীৰে লিখা উচিত, সেই কথাবোৰ মই লিখিছো কেৱল চিঞাহীৰে। কিন্তু মোৰ দেহটো কাটি টুকুৰা-টুকুৰ কৰিলেও যদি তাৰপৰা তেজ নোলায়, দুখত বুকু ভাগি গ'লেও যদি চকুৰপৰা পানী নোলায়, তেন্তিয়া হ'লে মোৰ উপায় কি? বন্ধুজনে আৰু আপত্তি কৰিছে, মোৰ কোনো অনুভৱ শক্তিয়েই নাই, খঙত মোৰ শব্দবোৰ ফাটি নপৰে, প্ৰতিবাদত সিহঁত চীৎকাৰ কৰি নুঠে, বেদনাত সিহঁত অশ্ৰু-সজল হৈ নুঠে, স্বপ্নত মোৰ শব্দবোৰে মুখৰ ভিতৰতে বিৰবিৰাই নুঠে, নিৰাশাত সিহঁত স্তব্ধ হৈ নাযায়, যন্ত্ৰণাত সিহঁত স্তব্ধ হৈ নাযায়, যন্ত্ৰণাত সিহঁত ৰক্তাক্ত হৈ দেও পাৰি নাচি নুঠে; মোৰ শব্দবোৰ যেন সমান ওজনৰ কিছুমান শিলৰ টুকুৰা—নিশ্চেতন, অনুভূতিহীন, বৰ্ণহীন—অসীম ক্লান্তিত মই হাতৰপৰা ফটা এটাকৈ শিলবোৰ পৰিবলৈ এৰি দি আছো আৰু সিহঁতে পকা মজিয়াত পৰি ঠকৰ্‌, ঠকৰ্‌, কৈ অবিৰামভাৱে একেটা মাত্ৰ শব্দ কৰি গৈ আছে। বোধহয় এই সকলো কথাই সঁচা। মই একো বুজি নাপাওঁ। হাল-বোৱা গৰুৰ টিকাত সদায় এছাৰিৰ খোচ পৰি পৰি মাংসবোৰ গেলি পচি পিছত শুকাই কৰ্‌কৰিয়া হৈ এনে অৱস্থা হয়গৈ যে হেজাৰ খুচিলেও পিছত সি খোচা বুলি গমেই নোপোৱা হয়, সি একোলৈকে ভ্ৰূক্ষেপ নকৰে। মোৰ অৱস্থা বোধহয় তেনেই হৈছে। মই কেৱল জানো, মনত ৰাখো, কিন্তু একো অনুভৱ কৰিব নোৱাৰো। বন্ধুজনে এটা ভাল উপমা দিছে। মোৰ লিখাবোৰ বোলে সাংঘাতিকভাৱে আহত হৈ মৰিব খোজা এটা মানুহৰ মুখৰপৰা পুলিচে জোৰ কৰি আদায় কৰা অন্তিম জবানবন্দীৰ নিচিনা। সি জানে যে সেই জবানবন্দী দিয়াৰপৰা তাৰ নিজৰ একো লাভ নহয়, সি মৰিবই। তাৰ ফলত কাৰ কি হ'ব সেইটোও সি নাজানে।

জীৱন-মৰণৰ চুলিসদৃশ সীমাত দুদোল্যমান হৈ চকু মুদি মুদি কাৰোবাৰ নির্দেশত সি তাৰ কথাবোৰ কৈ যায়। যন্ত্রণাত মাত মাতিব নোৱাৰি অলপ ব'লেই হাকিমে আকৌ চিঞৰি উঠে, 'কোৱঁা, কোৱঁা কি ক'লা? আকৌ কোৱঁা-চোন, আৰু—আৰু।' জবানবন্দী লোৱা মানুহবোৰৰ কাৰণে তাৰ যন্ত্রণাটো ডাঙৰ কথা নহয়,—সিটো আৰু এক মুহূর্তৰ পাছতে মৰিবই, সিঁহতক লাগে মাত্র চিৰকালৰ কাৰণে নীৰব হৈ যোৱাৰ আগতে সি যিমানখিনি ক'ব পাৰে সেই গোটেইখিনি কথা। কিন্তু জবানবন্দী দিয়া মানুহটোৱে বোধহয় ভাবে, 'কিন্তু কি লাভ?'

[ ১০ ]

অর্জুন সিঙে বাইক লৈ যাবৰ পাছৰপৰা ঘৰখন মোৰ কাৰণে সঁচাকৈয়ে মৰিশালীত পৰিণত হ'ল। ইয়াৰ বহুদিনৰ আগৰেপৰাই আইৰ লগত আমাৰ কথাবার্তাৰ সম্পর্ক নোহোৱাৰ নিচিনাই হৈছিল, সেইদিনাৰপৰা মই তেওঁক একেবাৰে মাতিবলৈকে এৰি দিলো। তেওঁক আৰু মাতিম কি, বাইৰ নিচিনাকৈ মোক্যে তেওঁ কোন দিনা পাঞ্জাবী, কাবুলী বা অঘৰীত বেচে সেই ভয়তে মই তেওঁৰ লগত ফেটী সাপৰ লগত একেটা ঘৰতে বাস কৰাৰ দৰেহে থাকিবলৈ ধৰিলো। খোৱা-বোৱাৰ ফালৰপৰা আমাৰ দিন ভালেৰেই গৈছিল, বাইক বিক্রী কৰি পোৱা এহেজাৰ টকাৰ ওপৰতে আমি বহি বহি খাবলৈ ধৰিলো। কিন্তু মোৰ এটা বেমাৰ আৰম্ভ হ'ল। ৰাতি মই ভালকৈ শুব নোৱাৰা হ'ল। ৰাতি যিমান সময়লৈকে পাৰো মই নোশোৱাকৈ থাকিবলৈকে চেষ্টা কৰো। টোপনি অহাৰ পাছতো খিৰিকৃকৈ সামান্য শব্দ এটা হ'লেই মই চক খাই সাৰ পাই উঠো। ৰাতিৰ এই টোপনিৰ অভাৱ দিনত অৱশ্যে মই ভালকৈ পূৰাই লৈছিলো। কাম নাই, বন নাই, কথা এষাৰ পাতিবলৈ লগ এটা নাই, প্রায় গোটেই দিনটো মই বিছনাতে পৰি থাকো। শুই শুই ভাগৰ লাগিলে পদুলিলৈ এপাক ওলাই যাওঁ, আকৌ ঘৰলৈ ঘূৰি আহো, কেতিয়াবা পিৰালীতে বহি বহি শূন্য দৃষ্টিৰে দূৰৰ গছ-বন, পথাৰ, গাঁও-ভুঁই, পাহাৰ, আকাশলৈ চাই চাই নানা আতি-গুৰি নোহোৱা কথাবোৰ ভাবি থাকো। কেতিয়াবা অতি অদ্ভুত কথাবোৰ মনলৈ আহে। অর্জুন সিঙে বাইৰ

পৰিবৰ্তে মোক যদি ধৰি নিলেহেঁতেন, বাতি সি শুই থাকোতে মই কেনেকৈ তাৰ চকুটো (এটা চকুতো কণাই) খোচ, মাৰি ফুটুৱাই দিলোহেঁতেন, অথবা লাঠি এডালেৰে একেটা মাৰতে তাৰ মূৰটো ভাঙি দিলোহেঁতেন, সেই কথা মই প্ৰায়েই ভাবো। কিয় জানো ক'ব নোৱাৰো, তাক একেবাৰে জান মাৰি পেলোৱাৰ কথা ভাবিবলৈ মোৰ কোনোদিনেই মন নগৈছিল। অসহ্য যন্ত্ৰণাত সি চীৎকাৰ কৰি উঠিছে, বাকী সমস্ত জীৱনৰ কাৰণে সি সাংঘাতিকভাৱে ঘৃণীয়া হৈ পৰিছে, দুয়োখন ভৰিয়েই ছিগি গৈ সি বাগৰি বাগৰি বাস্তাত যাব লগা হৈছে—এনেবোৰ কথাহে ভাবিবলৈ মোৰ বেছি ভাল লাগিছিল। কল্পনাতে অৰ্জুন সিঙক মই যে কিমান বিচিত্ৰ উপায়েৰে অত্যাচাৰ কৰিলো আৰু শাস্তি দিলো তাৰ সীমাসংখ্যা নাই। দিনটোত এবাৰ নহয় এবাৰ অৰ্জুন সিঙৰ কথা মোৰ মনলৈ আহিবই। কল্পনাতে মই কেতিয়াবা তাৰ নিদ্ৰিত অৱস্থাত মুখত উতলা গৰম পানী ঢালি দিওঁ, আৰু তাৰ মুখৰ ছালবোৰ বখলা-বখলে ছিগি যোৱাৰ দৃশ্য দেখি তৃপ্তিত উত্তেজিত হৈ উঠো। কেতিয়াবা তাৰ হাত এখন বাউসীতে দাৰে একে ঘাপে কাটি দিওঁ আৰু তেজেৰে লুতুৰি পুতুৰি হৈ আৰ্তনাদ কৰি কৰি সি বিছনাত ধৰ্‌ফৰাই ফুৰাৰ দৃশ্য দেখি অসীম তৃপ্তিত মোৰ চকু দুটা মুদ খাই আহে। কেতিয়াবা আকৌ বিপৰীত ধৰণৰ চিন্তাবোৰো মোৰ মনলৈ আহে। অৰ্থাৎ অৰ্জুন সিঙে বাইৰ পৰিবৰ্তে মোক ধৰি নি মোৰ ওপৰত কেনেকৈ অত্যাচাৰ কৰিছে সেইবোৰ কথাকে মই ভাবি থাকো। তাৰ শোৱা কোঠাৰ এচুকতে মই কুচি-মুচি বহি আছো আৰু বাতি সি মোক তাৰ বিছনালৈ নিবলৈ খুব টনাটনি কৰিছে। গাৰ সমস্ত জোৰেৰে মই তাক বাধা দিছো। টনাটনিত মোৰ গাৰ কাপোৰ-কানি খুলি গৈছে, আৰু মোৰ আধা নাঙঠ দেহাটোলৈ হিংস্ৰ লোভাতুৰ দৃষ্টিৰে চাই চাই সি এখোজ দোখোজকৈ মোৰ ফালে আগ বাঢ়ি আহিছে। হঠাতে এবাৰ সি মোক গৰা মাৰি দাঙি বিছনালৈ লৈ গ'ল। সাপ আৰু নেউলৰদৰে আমি বিছনাত কামোৰো-কামোৰি কৰি যুঁজ কৰিবলৈ ধৰিলো। কিন্তু তাৰ বিৰাট দেহৰ আসুৰিক শক্তিৰ ওচৰত পৰাস্ত হৈ মই যেতিয়া অৱশ হৈ পৰি গ'লো আৰু সি মোৰ চৰম সৰ্বনাশ কৰিবলৈ আগ বাঢ়িল, মই এবাৰ ছল চাই তাৰ তলত পেটতে এটা প্ৰচণ্ড গোৰ মাৰি দিলো। আঘাতটো কোনোমতে চম্ভালি লৈ সি উঠি আহি মোৰ চুলি কোছাত খামোচ মাৰি ধৰিলে আৰু মোৰ মূৰটো খাটিয়াৰ বেলিঙত খুব জোৰেৰে খুন্দিয়াবলৈ ধৰিলে। মূৰটো ঠায়ে ঠায়ে কাটি

তেজ বাহিৰ হৈ চুলিবোৰ তিতি গ'ল—আৰু অৱশেষত মই অচেতন হৈ পৰি গ'লোঁ। কিন্তু কি আচৰিত, মোৰ নিজৰ ওপৰত হোৱা অত্যাচাৰৰ চিন্তাত মই ইমান তৃপ্তি পাওঁ যে তাৰ আবেশত সঁচাকৈয়ে মই প্ৰায় অচেতন হৈ পৰোঁ, ঘণ্টাৰ পাছত ঘণ্টা ধৰি সেই কল্পনাতে মই নিমজ্জিত হৈ থাকোঁ। অৱশেষত মোৰ মনৰপৰা আন সকলো চিন্তা নোহোৱাই হৈ পৰিল, সমস্ত জগতখনো অদৃশ্য হৈ শূন্যত মিলি গ'ল—থাকিল কেৱল এটা বন্ধ অন্ধকাৰ ঘৰ আৰু তাৰ ভিতৰত দুটা উন্মত্ত পশুৰদৰে যুঁজ কৰি কৰি ৰক্তাক্ত, ক্ষত-বিক্ষত হোৱা দুটা প্ৰাণী—অৰ্জুন সিং আৰু মই।

[ ১১ ]

বৰ গছৰ গুটিবদৰে কিছুমান ঘটনা দেখাত অতি ক্ষুদ্ৰ আৰু অৰ্থহীন—কিন্তু তাৰ গৰ্ভতে কেতিয়াবা লুকাই থাকে বিৰাট পৰিণামৰ সম্ভাৱনা। বৰ গছৰ গুটি মাটিত পৰি থাকোতে চকুত নপৰে, চকুত পৰিলেও মনোযোগ আকৃষ্ট নহয়। হঠাৎ এদিন চকুত পৰে লহপহকৈ বাঢ়ি অহা এডাল গছ, আৰু লগে লগে তাৰ বিষয়ে আমি সচেতন হৈ উঠোঁ।

আমাৰ ঘৰৰপৰা বিং এটা মাৰিলেই শুনা দূৰতে আছিল নৰেনইতৰ ঘৰ। গাঁওখনৰ ভিতৰতে আটাইতকৈ ধনী মানুহ। ওচৰ-চুবুৰীয়া মানুহ যদিও আমাৰ লগত সিহঁতৰ অহা-যোৱা বা কথাবাৰ্তাৰ কোনো সম্পৰ্ক নাছিল, আমাক সিহঁতে বোধহয় মানুহ বুলিয়েই গণ্য নকৰিছিল। কেৱল টকাৰ কাৰণেই নহয়, আন বহুত কাৰণতো নৰেনক গাঁৱৰ মানুহে ভয় কৰি চলিছিল। মানুহটো আছিল অতি উদ্ধত গুণ্ডা প্ৰকৃতিৰ, নিষ্ঠুৰ আৰু মদপী। প্ৰয়োজন হ'লে মানুহৰ লগত মাৰ-পিট কৰিবলৈ সি এক মুহূৰ্তও পিছ নুহুহকিছিল। চেহেৰাও আছিল সেই অনুপাতে দেখিলেই ভয় লগা। ওখই কিজানি ছফুটতকৈ বেছিহে হ'ব; গাটো ক্ষীণ হ'লেও হাড়-শকত; ক'লা, ক্ষীণ, গাল-সোমোৱা মুখখনৰ সোঁমাজতে ধনেশ চৰাইৰ ঠোঁটবদৰে এটা বিৰাট নাক; গাঁতত সোমোৱা চকু দুটা সকলো সময়তে ৰঙা পৰি থাকে আৰু দৃষ্টিত এনে এটা কঠিন হিংস্ৰতা ফুটি উঠে যে অচিনাকী ল'ৰা-ছোৱালীয়েও হঠাৎ তাক দেখিলেই ভয়তে কান্দি উঠে; এই চেহেৰাৰে সি তলৰ মাটি ওপৰ কৰি গেনা ম'হৰদৰে ঘূৰি ফুৰে। গাঁৱত এনে

এজনী ছোৱালী নাছিল যাক সি অসভ্য ভাষাৰে এদিন নহয় এদিন জোকোৱা নাই। কোনোবাই যদি ঘূৰি মাত মাতে, তাইৰ আৰু ৰক্ষা নাই। নানা অশ্লীল অসভ্য কথাৰে ঠিতাতে তাইকতো অপমান কৰিবই, ৰাতি মদ খাই মাতাল হৈ তাইৰ ঘৰৰ পদূলি মুখলৈ গৈ বাপেক-মাকক শুনাইয়ো নানা অবাইচ্ কথা কৈ আহিব। ভয়িষ্যতৰ কাৰণে সেই ছোৱালীয়ে আৰু নিশ্চিন্ত মনে বা নিৰাপদভাৱে বাটেদি ক'লৈকো যাব নোৱাৰে। কোনোবা ছোৱালীৰ অভিভাবক যদি তাৰ দুৰ্বাৱহাৰত অতিষ্ঠ হৈ ফেপেৰি পাতি আহে, অক্ষত দেহেৰে ঘূৰি যাম বুলি সি আশাই কৰিব নোৱাৰে। নৰেন এনে বেপৰোৱা হ'ব পৰাৰ কাৰণো আছিল যথেষ্ট। কাষৰ পাঁজৰৰ আটাইকেইখন গাঁৱৰে গুণ্ডাৰ দলটো আছিল তাৰ হাতৰ মুঠিত ; মদে-ভাতে খুৱাই আৰু টানে-আপদে টকা-শিকা দি সি সকলোকে তাৰ বশ কৰি ৰাখিছিল। নৰেনক জোকাই লোৱা মানেই সিহঁতক জোকাই লোৱা, আৰু সিহঁতক জোকাই লোৱা মানেই ক'দোৰ বাঁহত জুই দিয়া। তাৰ বিৰুদ্ধে মেলে-মোকৰ্দমাই যাবলৈকো কাৰো সাহস নাছিল, কাৰণ তাৰ লগত পাল্লা দি টকা খৰছ কৰিবলৈ কাৰো সামৰ্থ্য নাছিল। তদুপৰি পুলিচৰপৰা আৰম্ভ কৰি সকলো চৰকাৰী বিষয়াই আছিল তাৰ হাতৰ মুঠিত। কাক কেনেকৈ খাতিৰত ৰাখিলে তাৰ সুবিধা হয় সেই বিদ্যা তাৰ পূৰা মাত্ৰাই জনা আছিল। গাঁৱৰ মানুহক যি নৰেনে বাঘৰ চকুৰে চায়, দাৰোগা বা চৰ্‌-ডেপুটি দেখিলেই এশহাত দূৰতে সেই নৰেনৰ মুখ মোলায়েম হাঁহিত কুমলি আহে ; তেওঁলোকেও তাৰ জীপ-গাড়ীতে উঠি সপ্তাহে সপ্তাহে চহৰলৈ গৈ চিনেমা চাবলৈ পাই বা তাৰ হাতীত উঠি চিকাৰ কৰিবলৈ পাই সুবিধা পালেই উপকাৰৰ প্ৰতিদান দিবলৈ সুযোগ বিচাৰিহে ফুৰে। যি অফিচাৰেই আমাৰ ঠাইলৈ বদলি হৈ নাহক, দুদিনৰ ভিতৰতে তেওঁ নৰেনৰ জালত পৰিবই পৰিব। যাৰ যি প্ৰয়োজন—মাছ, গাখীৰ, মদ, মাইকী, হাতী, ঘোঁৰা, বন্দুক, জীপ গাড়ী, নগদ টকা, সস্তা ভাৰা ঘৰ—নৰেনৰ ভাণ্ডাৰত সকলো সাজু থাকে। ফলত হয় কি—সকলো কথাতে নৰেনৰ সাত খুন্ মাফ্, তাৰ বিৰুদ্ধে কোনোবাই কিবা কথা তেওঁলোকক লগালেও তেওঁলোকৰ একাণে সোমাই ইকাণে ওলাই যায়। আনহাতে সি তেওঁলোকৰ বন্ধুত্বৰ সুযোগ লৈ সকলো মানুহকে ভয়ত পেঁপুৱা কৰি ৰাখে, সঁচাই-মিছাই নানা অজুহাত উলিয়াই মানুহবোৰক হাৰাশাস্তি কৰে। গাঁৱৰ বেছি ভাগ মানুহেই আছিল মাটিহীন, সকলোৱেই নৰেনৰ মাটিত আধি খায়। সিহঁতৰ ওপৰতো নৰেন উঠি-বহা।

সামান্ত কিবা কথাত তাক অসন্তুষ্ট কৰিলেই একে দিনাই সি মাটি কাঢ়ি ল'ব। গাঁৱত এজনী কেও কিছু নোহোৱা গাভৰু বাঁৰী তিৰোতা আছিল। এদিন নবেন মদ খাই মাতাল হৈ মাজ ৰাতি তাইৰ ঘৰত জোৰকৈ সোমাই তাইক নানা অত্যাচাৰ কৰিলে। পিছদিনা পুৱা নিৰ্বোধ তিৰোতাজনীয়ে থানালৈ গৈ পুলিচত গোচৰ দিলে। পুলিচেও তাইৰ গোচৰৰ একো তদন্ত কৰিবলৈ নাহিলেই, আনহাতে নবেনক বন্ধুভাৱে থানালৈ মাতি নি তাই গোচৰ দিয়া কথা কৈহে দিলে। কেইদিন মানৰ পাছত নবেনে তাইক বাটত পাই নানা তৰ্কাতৰ্কি কৰি অৱশেষত মাৰ মাৰি তাইৰ হাত এখন ভাঙি দিলে। মানুহৰ উচটনিত পৰি তাই সদৰলৈ গৈ কাছাৰীত মোকৰ্দমা দিলে। পুৰা দুবছৰ মোকৰ্দমা চলিল। সাক্ষী আৰু প্ৰমাণৰ অভাৱত নবেন বে-কচুৰ খালাছ হ'ল। তিৰোতাজনীৰ লাভ হ'ল কি—মোকৰ্দমাৰ খৰছ যোগাওঁতে তাইৰ যি যথাসৰ্বস্ব আছিল—এটা হালৰ গৰু, দুবিঘা মাটি, এটা সোণৰ আঙঠি—সকলো বন্ধকত গ'ল আৰু তাই হ'ল বাটৰ ভিক্ষাৰিনী। এতিয়া কেৱল নবেন কিয়, যি কোনো মানুহৰ কাৰণেই তাইৰ ঘৰৰ দুৱাৰ দিনে-ৰাতিয়ে খোলা। নিজৰ সতীত্ব আৰু সন্মান ৰক্ষাৰ কাৰণে সৰ্বস্ব পণ কৰি যুদ্ধ কৰি সৰ্বস্বান্ত হৈ তাই এতিয়া জনাজাত বেশ্যা।

নবেনৰ লগত মোৰ প্ৰায়েই বাটত ভেটাভেটি হয়, কিন্তু সি কোনোদিন মোক নামাতে বা আনকি মোৰ ফালে মূৰ তুলিও নাচায়। বোধহয় মই সৰু ছোৱালী আছিলো, সেইকাৰণেই। সৰু ল'ৰা-ছোৱালীয়ে কেতিয়াও তাৰ মনোযোগ আকৃষ্ট নকৰে। কিন্তু এদিন এটা অভাৱনীয় ঘটনা ঘটিল। আবেলি পৰত মই ঘৰৰ পদুলি মুখতে অকলশৰে থিয় হৈ আছিলো। হঠাতে ক'ৰবাৰ-পৰা নবেন সেইকালেই আহিল। স্বাভাৱিকতেই তাৰ ফালে মোৰ চকু গ'ল, মই দেখি আচৰিত হ'লো—সি মোক দেখি ঘপহ্‌ কৰে ৰৈ গ'ল। এটা অদ্ভুত দৃষ্টিৰে সি খন্তেক পৰ মোৰ ফালে চাই ৰ'ল—যেন সি জীৱনত মোক এই প্ৰথম দেখিলে—তাৰপাছত সি আৰু এটা অদ্ভুত কাণ্ড কৰিলে। তাৰ তীক্ষ্ণ চকু দুটাৰে মোৰ চকুৰ ফালে একে থিৰে চাই থাকি মুখখনৰ কুৎসিত ভংগী কৰি সি হাঁহি মাৰি উঠিল—'বাহ্'। তাৰ সেই হাঁহিটো মই কথাৰে বৰ্ণনা কৰিব নোৱাৰো। জীৱনত তেনেকুৱা হাঁহি মই কাৰো মুখত দেখা নাই। হিচ্‌ কৰি শব্দ এটা কৰি সাপৰ জিভা এখনে যেন মোৰ মুখখন চেলেক মাৰিহে গ'ল, এটা ঠাণ্ডা, ভয়াবহ আৰু ঘিণলগা অনুভূতিত মোৰ সৰ্ব-শৰীৰ শিহৰি উঠিল।

নৰেনে আকৌ মাত লগালে, 'বাহ্ তই দেখোন চাই থাকোতেই গাভৰু হৈ পৰিলি। দৰা বিচাৰিবৰে সময় হ'ল।' মই একো নামাতি ভল যুবকৈ ব'লো। সি মোৰ ফালে আৰু এখোজ আগ বাঢ়ি আহিল ; মোৰ খুব ভয় লাগি গ'ল। মই পিছ হুহকি আহিব খুজিলো, কিন্তু এখোজো লৰচৰ কৰিব নোৱাৰি একে ঠাইতে জঠৰ হৈ থিয় হৈ থাকিলো। মোৰ গাটোৰ ফালে অদ্ভুত দৃষ্টিৰে চাই চাই নৰেনে পুনৰ মাত লগালে, 'ঘৰত মাৰ আছে নে নাই ?' মই দেপ ঢুকি উত্তৰ দিলো, 'নাই।' 'ব'ল, তইঁতৰ ঘৰতে খন্তেকপৰ বহোঁগৈ'—কথাষাৰ কৈ সি ঘৰৰ ফালে সোমায়েই আহিল। তাৰ গতিবিধি দেখি মোৰ ইমান ভয় লাগিল যে মই প্ৰায় চিঞৰি উঠিলো, 'মই এতিয়া ঘৰলৈ যাব নোৱাৰো, আইক বিচাৰি যাওঁ'—সেই বুলি কৈয়েই নৰেন অহাৰ বিপৰীত ফালে মই কোবা-কোবিকৈ খোজ ল'লো। মোৰ পাছফালৰপৰা নৰেনে খেকখেকাই হাঁহি চিঞৰি উঠিল, 'বাৰু, বাৰু, এতিয়া যা, মাৰক কৈ দিবি মই গধূলি আহিম।'

নৰেন যোৱাৰ পাছত মই ঘৰলৈ আহি গোটেই কথাষাৰ চিন্তা কৰিবলৈ ধৰিলো। সি অৱশ্যে মোক চিন্তা কৰিব লগা একো কথা কোৱা নাই বা একো বেয়া ব্যৱহাৰো কৰা নাই, কিন্তু তাৰ সেই অদ্ভুত হাঁহিটো, সেই হাঁহিটো যেন এটা নতুন পৰিচয় আৱিষ্কাৰৰ স্পষ্ট ঘোষণা, আৱিষ্কাৰ অকল তাৰ পক্ষেই নহয়, মোৰ পক্ষেই। সি আজি মোক নতুনকৈ আৱিষ্কাৰ কৰিলে, আৰু লগে লগে মোকো মোৰ নিজৰ সম্বন্ধে সচেতন কৰি দিলে। এটা পুৰুষৰ চকুৰে মই জীৱনত এই প্ৰথম নিজকে লক্ষ্য কৰিলো আৰু মুহূৰ্ততে মোৰ দেহ আৰু মনত এটা আশ্চৰ্য্য পৰিবৰ্তন ঘটি গ'ল। প্ৰত্যেক ছোৱালীৰে জীৱনলৈ বোধহয় এনে এটা মুহূৰ্ত আহে, যেতিয়া কোনো এজন পুৰুষৰ প্ৰথম স্বীকৃতি-সূচক এটা শব্দ বা এটা গোপন চাৱনিয়ে আহি অতৰ্কিতে তাইৰ শৰীৰ বিদ্ধ কৰেহি, আৰু ঠিক সেই মুহূৰ্ততে তাইৰ নতুনকৈ জন্ম হয়। সকলোৱে হয়তো কথাষাৰ সচেতনভাৱে অনুভৱেই কৰিব নোৱাৰে, আৰু সেইটোৱেই নিয়ম। কিন্তু ব্যতিক্ৰম যাৰ ভাগ্যত আছে, তাই জানে তাই এটা অক্ষয় আঘাত লাভ কৰিলে, তাই আৰু আগৰ মানুহ হৈ থকা নাই, তাই নতুনকৈ জন্ম ললে। এই নতুন জন্মৰ যন্ত্ৰণাত তাই নিশ্চয় বহুত সময় অসাৰ হৈ থাকে।

ঘৰৰ ভিতৰ সোমাই মই দুৱাৰখন বন্ধ কৰি দিলো। বেলি পৰিবলৈ বেছি সময় নাছিল। কোঠাটোৰ ভিতৰখন প্ৰায় অন্ধকাৰ হৈ আহিছিল। পশ্চিম ফালৰ বেৰৰ ভগা জলঙাইদি মাৰ যাব ধৰা বেলিৰ সোণালী আভা অলপ

সোমাই আছি ভিতৰৰ অন্ধকাৰখিনিও সোণালী কৰি তুলিছিল। হতবুদ্ধি হোৱা মানুহৰদৰে মই কিছু সময় কোঠাটোৰ সোঁমাজতে থিয় হৈ থাকিলো। সেই নির্জন সোণালী অন্ধকাৰত তেনেকৈ কিছু সময় অকলে থিয় হৈ থাকি মই হঠাতে বুকুৰ মাজত এটা যন্ত্রণা অনুভৱ কৰিলো। অলপ সময় মই যন্ত্ৰ-চালিত মানুহৰদৰে কোঠাটোৰ চাৰিওকালে ঘূৰি ফুৰিবলৈ ধৰিলো। মই যে মনে মনে কিবা কথা ভাবি আছিলো সেই কথা ঠিক। কিন্তু সেই ভাবনাৰ কোনো ভাষা নাই। হঠাতে এবাৰ মই অনুভৱ কৰিলো, এটা আচৰিত নিঃসংগতাৰ অনুভূতি আৰু অন্ধকাৰে চাৰিওকালৰপৰা মোক গ্রাস কৰি ধৰিছে। চকু দুটা মুদি মই গাটো এবাৰ জোকাৰি দিলো আৰু সাউৎকৰে দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিলো। এইবোৰ কাণ্ড কৰি থকা অৱস্থাত আন কোনোবাই মোক দেখা হ'লে মোক নিশ্চয় পাগলী বুলি ক'লেহেঁতেন। কিন্তু বহু মানুহক জীৱনৰ নিঃসংগতম ৰূপত দেখাৰ দুর্ভাগ্য মোৰ হৈছে, আৰু সেই অভিজ্ঞতাৰপৰা মই ক'ব পাৰো যে বোধহয় প্রায় সকলো মানুহেই জীৱনত অন্ততঃ এবাৰ নির্জনত আপোন সত্তাৰ মুখামুখি হৈ এনে ধৰণৰ ব্যৱহাৰ কৰে; দ্বিতীয় এজন ব্যক্তিৰ চকুত সি ধৰণৰ ব্যৱহাৰ কেৱল পাগলৰ পক্ষেহে সম্ভৱপৰ। পাগল কাক কয় সেই বিষয়ে এতিয়া মোৰ এটা নিজস্ব ধাৰণা গঢ়ি উঠিছে। প্রত্যেক মানুহৰ নিজস্ব জীৱনটো একো একোটা নির্জন দ্বীপ, সহানুভূতিৰ নাৱত উঠি সি অন্যান্য দ্বীপলৈ অহা-যোৱা কৰে। কেনেবাকৈ সেই নাও অচল হৈ সি যদি নিজৰ দ্বীপ এৰিব নোৱৰা হয় বা ধুমুহাৰ কোবত মাজ সমুদ্রতে নাও ডুবি যায়, বাহিৰৰ সমস্ত দ্বীপমালাৰ লগত তাৰ যোগ-সূত্র বিচ্ছিন্ন হৈ পৰে। কেৱল আপোন মনৰ মুখামুখি হৈ সি তেতিয়া যি ধৰণৰ আচৰণ কৰে, আনৰ চকুত সিয়েই পাগলামী।

[ ১২ ]

নৰেন যে সঁচাকৈয়ে আহিব সেই কথা মই ভাবিবই পৰা নাছিলো। আয়ে ভাত বাঢ়ি আছিল, মই ওচৰতে বহি কিতাপ এখন পঢ়ি আছিলো। হঠাৎ বাহিৰত কোনো জাননী নিদিয়াকৈ দুৱাৰখন হুৰমুৰকৈ ঠেলি মানুহ এটা সোমাই আহিল। আমি দুয়ো চক্ খাই উঠিলো। মই মূৰটো ওপৰলৈ

তুলি চাই দেখিলো, মোৰ গাৰ নিচেই ওচৰতে উদ্ধত ভংগীৰে থিয় হৈ আছে নবেন।

চিগাৰেটৰ ধোঁৱা এমোকোৰা নাকে-মুখে উলিয়াই সি আমাৰ হতভম্ব মুখৰ ফালে চাই প্ৰশ্ন কৰিলে, 'কি, একেবাৰে ভূত দেখাৰদৰে দেখিছ দেখোন। বহিবলৈ নিদিয় নে কি ?'

সঁচাকৈয়ে তাৰ মাতততহে মোৰ গালৈ চেতনা ঘূৰি আহিল। লৰালৰিকৈ বহাৰপৰা উঠি মই বহি থকা পীৰাখনকে নীৰৱে তাৰ ফালে আগ বঢ়াই দিলো। তাৰপাছত মই আইক মাজত ৰাখি তেওঁৰ গাৰ আঁৰতে নিজকে যিমান পাৰো লুকুৱাই বেৰখনৰ কাষত কুচিমুচি বহি পৰিলো।

আমি যে খুব আচৰিত হৈছো, অস্বস্তি অনুভৱ কৰিছো, সেই কথা নবেনেও নুবুজাকৈ থকা নাছিল। তাৰ মুখত সেই ভাব স্পষ্টকৈ ফুটি উঠা মই দেখা পালো। সি হয়তো আশা কৰি আহিছিল যে আবেলি পৰত তাৰ লগত হোৱা মোৰ সাক্ষাৎ প্ৰসংগৰ কথা মই আইক নিশ্চয় ক'ম, ফলত আমাৰ ঘৰলৈ তাৰ এই আকস্মিক আগমন খুব অপ্ৰত্যাশিত যেন নেদেখাব। কিন্তু এতিয়া সি নিশ্চয় বুজিছে যে তাৰ ধাৰণা ভুল হৈছে। গতিকে সি অতি অপ্ৰস্তুত হৈ পৰিছে। কেইটামান মুহূৰ্ত এই অস্বস্তিকৰ নীৰৱতাৰ মাজত অতিবাহিত হোৱাৰ পাছত সি সহজ হ'বলৈ চেষ্টা কৰি মাত লগালে, 'খুৰী, তুমি দেখোন মোক মাত এষাৰকে নিদিয়া হ'লা। তোমালোকৰ ঘৰলৈ অহাৰ কাৰণে বেয়া পাইছা নে কি ?'

'বেয়া পাম কিয় ? কিন্তু খুব আচৰিত হৈছো। কোনো দিন নহা মানুহ, হঠাৎ কি কথাত বা আহিলা ?'

গাটো অলপ লৰাই নবেনে এইবাৰ ভালকৈ বহি ল'লে। আইৰ মুখৰ একেষাৰ মাততে গোটেই পৰিবেশটোৱেই যেন সলনি হৈ গ'ল ; যি আছিল আশ্চৰ্য্য, অস্বাভাবিক, অভাৱনীয়, সেই সকলোৱেই যেন সহজ আৰু স্বাভাৱিক হৈ পৰিল। নবেনৰ মুখলৈকো স্বাভাৱিক ৰূপ ঘূৰি আহিল, অৰ্থাৎ সি হৈ পৰিল নগ্ন, নিৰ্লজ্জ আৰু বেপৰোৱা। অৰ্থহীনভাৱে হো-হোকৈ শব্দ কৰি হাঁহি এটা মাৰি সি এইবাৰ সপ্ৰতিভভাৱে মাত লগালে, 'অকল কথা থাকিলেহে মানুহৰ ঘৰলৈ মানুহ আহে নে কি ? মই এনেয়ে আহিছো, কি হ'ল পিছে ? মোৰ ইচ্ছা হ'লে মই সদায়েই আহিম। কি কৰিবা তুমি ? খেদি দিবা নে কি ?'

'খেদি দিম কিয় ? কিন্তু তুমি আমাৰ ঘৰলৈ সদায় আহিবা, তাকো বিনা কাৰণত, এনেখন কপাল আমি সাধি অহা নাই বোপাই। মিছা কথাবোৰ নক'বা।'

আয়ে তামোলৰ বটাটো আগত লৈ তামোল কাটিবলৈ ধৰিলে।

নবেনৰ মুখৰ ফালে মই এবাৰো চোৱা নাছিলো, কিন্তু মই স্পষ্ট অনুভৱ কৰিলো, আইৰ লগত কথা পতাৰ মাজে সি মোৰ মুখৰ ফালে ঘন ঘনকৈ চাব ধৰিছে। বস্তুৰ স্পৰ্শৰদৰে মানুহৰ চকুৰ দৃষ্টিও যে ছালেৰে অনুভৱ কৰিব পাৰি সেই অভিজ্ঞতা মই সেইদিনাই প্ৰথম লাভ কৰিলো। কি উদ্দেশ্যেৰে সি আমাৰ ঘৰলৈ আহিছে সেই কথাটো মই ভালকৈয়ে জানো, কিন্তু কিমান দূৰলৈ সি অগ্ৰসৰ হ'ব পাৰে সেই কথাকে মই মনে মনে চিন্তা কৰিবলৈ ধৰিলো।

আয়ে তামোল এখন তালৈ আগ বঢ়াই দিয়া দেখি নবেনে মাত লগালে, 'তামোলখন এতিয়া থোৱাঁ খুৰী, অলপ পাছত খাম। আগেয়ে দৰৱ অকণমান খাই লওঁ।' এই বুলি সি কোটৰ জেপৰপৰা মদৰ বটল এটা উলিয়াই মাটিত ৰাখিলে। সি যে ইমানখিনি কৰিব পাৰিব সেই কথা বোধহয় আয়েও ভাবিব পৰা নাছিল। তেওঁ অলপ দ্বিধাগ্ৰস্তভাৱে তাৰ ফালে চাই ক'লে, 'সেইবোৰ দেখোন ঘৰতো খাব পাৰিলাহেঁতেন।'

'ঘৰত বৰ জঞ্জাল খুৰী। এইবোৰ বস্তু খাই কাৰবাৰ লগত দুই-এষাৰ কথা পাতিবলৈ নাপালে খোৱা যেনেই নালাগে। কিন্তু ঘৰত কথা পতিবা কাৰ লগত ? আগতে যিবোৰ ঠাইত খাইছিলো, সেইবোৰত আৰু ভাল নলগা হৈ আহিছে, বৰ গণ্ডগোল। তোমালোকৰ ঘৰটো বৰ নিজান, সেই কাৰণেহে আহিলো। ঠিক কৰিছো, তুমি যদি বেয়া নোপোৱা, আজিৰপৰা সদায় ইয়ালৈকে আহিম। অকলে খালে একো হাই-উৰুমিও নহয়, কোনেও গমকে নাপাব।'

একেলগে বহুতখিনি কথা কৈ আইৰ মনৰ প্ৰতিক্ৰিয়া বুজিবৰ কাৰণে সি অলপ সময় তেওঁৰ মুখৰ ফালে চাই ৰ'ল। আইৰ মুখখন মই দেখা নাছিলো, গতিকে তেওঁৰ মুখত কি ভাব ফুটি উঠিছিল মই একো ক'ব নোৱাৰিলো। কিন্তু, যদিও মই আশা কৰা নাছিলো যে আয়ে নবেনৰ উদ্দেশ্যত কিবা বাধা দিব, তথাপি তেওঁক নীৰৱ হৈ থকা দেখি মোৰ ভীষণ খং উঠিল। আমাৰ লগত যি আয়ে বাঘিনীৰদৰে ব্যৱহাৰ কৰে, তেওঁ যে বাহিৰা মানুহৰ লগত কেনেকৈ ইমান মোলায়েম হ'ব পাৰে সেই কথা নিজ চকুৰে নেদেখিলে কোনো বিশ্বাসেই কৰিব নোৱাৰি।

আইৰ মৌনতাক সন্মতি বুলি ধৰি লৈ নবেনে আকৌ মাত লগালে, 'কি আশা বান্ধিছা খুৰী, অলপ জুটি চাওঁ দিয়াচোন। এইবোৰৰ লগত ভাজি-ভাজি এখন নহ'লে ভাল নালাগে।'

'ভাজি ক'ত পাবা বোপাই, সেইবোৰ বস্তু আমি সাত জন্মতো খাই পোৱা নাই। আলু দুটা ভাতত দিছো, আমাৰ তাবেই চলিব। তোমাক এতিয়া ক'ৰপৰা কি দিওঁ। আলু এটাকে ভাজি দিবলৈ ঘৰত তেল একণকে নাই।

'আজি প্ৰথম দিনাই মই শুদা মুখেৰে যাব নোৱাৰো। তুমি এটা কাম কৰা খুৰী। মই টকা দিওঁ, তুমি জগদীশৰ দোকানৰপৰা তেল আলু পিঁয়াজ যি যি লাগে এতিয়াই লৈ আহাঁগৈ। আৰু এটা কথা। মই যেতিয়া তোমা-লোকৰ ইয়াত এইবোৰ বস্তু খোৱাই ঠিক কৰিলো, তোমালোকৰ ৰাতিৰ খোৱা খৰছটো ময়েই দিম। তুমি কেৱল জুটি লগাই লগাই মোক বান্ধি দিবা।'

আই হঠাতে নিৰ্লজ্জভাৱে উৎসাহিত হৈ উঠিল—'খোৱা মানুহ হ'লেনো বান্ধি দিয়াতো কি কথা বোপাই। মানুহ-দুনুহ কোনো নাহে, ঘৰখন মৰিশালীৰদৰে হৈ থাকে। কোনোবা ঈশ্বৰেহে তোমাক আজি ঠেলি পঠালে। তুমি খন্তেক বহা, মই এক মুহূৰ্ততে আহি পাম'—কথাখিনি কৈ কৈ তেওঁ গাভৰু ছোৱালীৰদৰে চঞ্চল খোজেৰে একে কোবে পচুলিমুখ পালেগৈ।

মই অকণো আচৰিত নহ'লো। নবেন যে এই বাটেৰেই আগ বাঢ়িব সেই কথা মই আগতেই অনুমান কৰিব পাৰিছিলো। আইৰ ওপৰত নিৰ্ভৰ কৰিবলৈ মই কেতিয়াবাই এৰিছিলো। মোৰ নিয়তি সম্পূৰ্ণ মোৰ হাতৰ মুঠিত। কিন্তু মই নিজে কাৰ হাতৰ মুঠিত সেই কথাহে মোৰ জানিবলৈ বাকী আছিল।

'এইটো কি চাচোন সুবালা'—কাগজত বন্ধা সৰু টোপোলা এটা মোৰ ফালে আগ বঢ়াই দি নবেন মাত লগালে।

মই টোপোলাটো ধৰিবলৈ হাতো আগ বঢ়াই নিদিলো, মুখেৰেও একো নামাতিলে। কিন্তু মনে মনে থাকিয়েই যে মই ৰণ জিকিব পাৰিম, সেই কথাও ভবা নাছিলো। নিশ্চিত পদক্ষেপেৰে, স্থিৰ সংকল্পেৰে এটা হিংস্ৰ পশু মোৰ ফালে এখোজ দোখোজকৈ আগ বাঢ়ি আহিব ধৰিছে ; সি যেতিয়া মোৰ ওপৰত জপিয়াই পৰিব, মই খুব বেছি এটা চিঞৰ মাৰিব পাৰো ; কিন্তু সি কেৱল মৰুণাইতৰ চীৎকাৰ, সি কেৱল অৰণ্য-ৰোদন। পশুৰ আক্ৰমণত মৰিবৰ সময়ত সকলোৱেই তেনেকৈ চীৎকাৰ কৰি মৰে। তাৰপৰা চিকাৰৰ একো লাভ নহয়, চিকাৰীৰ একো ক্ষতি নহয়।

'সুবালা, তই আৰু সৰু ছোৱালী হৈ থকা নাই, তই সকলো বুজ। তোলৈ এটা ব্লাউছ আনিছো, ৰাখ। মোৰ কথামতে চলিলে তোক মই ৰাজৰাণীৰদৰে ৰাখিম। নহ'লে তোৰো অৱস্থা বায়েৰৰ নিচিনাই হ'ব, মাৰে তোকো এদিন পল্লাবীত বিক্ৰী কৰিব।'

'তোমাৰ কি কথামতে মই চলিব লাগে?' মই অৱশেষত প্ৰশ্ন কৰিলো।

নৰেন এইবাৰ হো-হোকৈ হাঁহি উঠিল, 'উস্, অতপৰৰ মূৰত নিমাতী কন্যাৰ মুখত মাত এষাৰ উলিয়াব পাৰিলো। হেঁ, এই ব্লাউছটো ধৰ। মোৰ কথামতে এনে কৈয়ে চলিব লাগে'—কথাষাৰ কৈয়েই মোৰ হাত দুখনত ধৰি সি হঠাৎ টান মাৰি দিলে।

এই অতৰ্কিত আক্ৰমণৰ কাৰণে মই অকণো প্ৰস্তুত নাছিলো। তাৰ আঁঠুতে মুখখন দি মই মাটিত প্ৰায় পৰি গ'লো। লগে লগে সি দুয়োখন হাতেৰে মোৰ মুখখন সাৱটি ধৰি মোৰ ওঁঠত জোৰকৈ চুমা খাবলৈ ধৰিলে।

মই জোৰকৈ তাক ঠেলা মাৰি দি তাৰ বাহু বন্ধনৰপৰা নিজকে মুক্ত কৰি থিয় হৈ পৰিলো। প্ৰথম দিনাই যে সি ইমান আগ বাঢ়িব সেই কথা মই ভাবিবই পৰা নাছিল। কিন্তু মই কি কৰিব পাৰো? তাক গালি পাৰি বা অপমান কৰি মোৰ কি লাভ হ'ব? যাৰ জন্মদাতৃ জননীয়ে নিজ সন্তানক অৰ্থৰ বিনিময়ত বিক্ৰী কৰে, তাই সংসাৰৰ কাৰ ওচৰত গৈ নাৰীত্বৰ অপমানৰ বিষয়ে অভিযোগ কৰিব? মই থিয় হৈয়েই দুৱাৰখন খুলি সাউৎ কৰে বাহিৰলৈ ওলাই গ'লো।

অলপ সময়ৰ পাছত আই ঘূৰি আহিল। মোক বাহিৰত থিয় হৈ থকা দেখিও একো এটা প্ৰশ্ন নকৰি তেওঁ ভিতৰ সোমাল। লগে লগে মই নৰেনক কোৱা শুনিলো, 'সুবালাৰ কাণ্ড দেখিছা খুৰী? মই তাইক মৰম কৰি ব্লাউছ এটা দিছিলো, তাই মোক ভাল পাব ক'ত, খং কৰি বাহিৰলৈ গুছি গ'ল। তুমিয়েই কোৱাচোন, মই বাৰু কি দোষৰ কামটো কৰিলো?'

ফেটি সাপৰদৰে আয়ে ফুচফুচাই উঠিল, 'সেইজনীৰ কথা মোক আৰু নক'বা। তাই মোৰ পেটৰ জীয়েই নহয়, তাই সাতশতুৰু। তুমি চোলাটো থৈ যোৱাচোন, তাই পিন্ধে নে নিপিন্ধে মই চাম।'

'তাইক বাৰু তুমি খং নকৰিবা খুৰী'—নৰেনৰ কণ্ঠস্বৰ মমতাত বিগলিত হৈ আহিল—'সৰু ছোৱালী, কথা বুজা হ'বলৈ ঢেৰ সময় আছে।'

অলপ পাছতে আড্ডা বন্ধাৰ চেৰেক চেৰেক শব্দ হ'ল, আৰু তাৰ মাজে মাজে

নবেন আৰু আইৰ ফুচফুচাই কথা চলিবলৈ ধৰিলে। মই সিঁহতৰ কথাত কাণ দিবলৈ অকণো চেষ্টা নকৰিলো। দুৱাৰ মুখৰপৰা আঁতৰি ঘৰৰ চুকলৈ গৈ মই পিৰালীতে বহি পৰিলো। আজিৰ দিনটো যে মোৰ জীৱন নাটকত এটা নতুন অংকৰ সূচনা, সেই কথা বুজিবলৈ মোৰ অকণো বাকী নৰ'ল। কি সেই নাটকৰ পৰিণতি? কি আছে মোৰ ভৱিষ্যতত? দুটা পথ মোৰ সন্মুখত খোলা—হয় মই সোঁতত উটি যাব লাগিব, অথবা সাঁতুৰি পাৰ পাবলৈ চেষ্টা কৰিব লাগিব। সোঁতত উটি যোৱা মানেই নবেনৰ ওচৰত আত্মসমৰ্পণ কৰা, আৰু তাৰ ৰক্ষিতা হৈ থাকিবলৈ স্বীকাৰ কৰা। ঠিক এই মুহূৰ্তত আইৰ লগত তাৰ হয়তো এই ষড়যন্ত্ৰই চলিছে। কিন্তু হৃদয়ৰ য'ত প্ৰশ্ন নাই, কেৱল অৰ্থৰ বিনিময়ত এজনৰ ৰক্ষিতা হৈ থাকিবলৈ স্বীকাৰ কৰিলে সিয়েই যে জীৱনত শেষ মানুহ হ'ব, তাৰ কি অৰ্থ আছে? ওই পথত মই এবাৰ আগ বাঢ়িলেই মোৰ অৱস্থা হ'ব বাইতকৈয়ো বেছি শোচনীয়, কাৰণ তাই বেচা গৈছিল মাত্ৰ এজনৰ হাতত, মই হয়তো বিক্ৰী হ'ব লাগিব হেজাৰজনৰ ওচৰত। কিন্তু ঘৰত থাকিলে এয়েই মোৰ একমাত্ৰ অখণ্ডনীয় ভাগ্য লিপি। আয়ে বাইক বিক্ৰী কৰি পোৱা এহেজাৰ টকা লাহে লাহে শেষ হৈ আহিছে, তেওঁ এতিয়া মোৰ কাৰণেও গ্ৰাহকৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিছে। তেওঁৰ ভাগ্য ভাল, ঠিক সময়তে নবেন উপযাচক হৈ ঘৰ সোমাইছেহি। মোৰ পচন্দ মতে কোনোবা মানুহে মোক বিয়া কৰিবলৈ আগ বাঢ়িলেও তেওঁ যে বিয়া নিদিয়ে সেই কথাটো তেওঁ আগতেই ঘোষণা কৰি দিছে। তেওঁক অগ্ৰাহ্য কৰি মই নিজেই সেই মানুহৰ হাত ধৰি বাহিৰলৈ ওলাই গ'লোহেঁতেন, যদি ইতিমধ্যে মোক বিচাৰি কোনোবা আহিলহেঁতেন। কিন্তু এতিয়াতো বাট চাবৰো সময় নাই, কাৰণ তাৰ আগতেই মোৰ চৰম সৰ্বনাশ ঘটি যাব। ঘৰ বোলে মানুহৰ স্বৰ্গ, ঘৰৰ নিচিনা আৰু ঠাই নাই, ঘৰেই মানুহৰ একমাত্ৰ দুৰ্ভেদ্য দুৰ্গ—কিন্তু মোৰ ঘৰখন দেখিও মানুহে সেই একে কথাকে ক'ব নে? এনেহে মোৰ কপাল যে ঘৰৰপৰা আঁতৰি পলাব নোৱাৰালৈকে মোৰ ৰক্ষা নাই। কিন্তু পলাই মই ক'লৈ যাম?

চিন্তাত মই ইমান তন্ময় হৈ আছিলো যে, ৰাতি কিমান হ'ল মোৰ খবৰেই নাছিল। হঠাৎ নবেনৰ মাতত মোৰ ধ্যান ভাগিল, 'সুবালা, যা, যা, ভিতৰলৈ যা। কিমান দিন বাহিৰত বহি থাকি সাৰিবি। কালিলৈ বাৰু পাটৰ মেখেলা এখনকে লৈ আহিম।'

'আই, তোমাৰ লগত মোৰ আজি এটা হিচাপ-নিকাচ হ'বই লাগিব।' তোমাৰ মতলব কি মোক খুলি কোৱা। ঘৰৰ ভিতৰ সোমায়েই মই আইক প্ৰশ্ন কৰিলো।

নবেনে এৰি থোৱা টোপোলাটো খুলি তেওঁ তেতিয়া পৰম তৃপ্তিৰে ব্লাউজটো লিৰিকিবিদাৰি চাই আছিল। মোৰ মাত শুনি ব্লাউজটো কোলাত থৈ তেওঁ অলপ সময় ঠাণ্ডা কঠিন দৃষ্টিৰে মোৰ চকুলৈ চাই ৰ'ল। 'কিহৰ হিচাপ-নিকাচ হ'ব লাগে?' অতিশয় খঙেৰে তেওঁ মোক ঘূৰাই প্ৰশ্ন কৰিলে।

'হিচাপ সহজ। আৰু এদিনো যদি নবেন আমাৰ ঘৰলৈ আহি মদ খায়, আৰু তেনেকৈ আহি মদ খাবলৈ পোৱাৰ দাম স্বৰূপে ব্লাউজ মেখেলা ভেটি দিয়ে, তেতিয়াহ'লে তুমি আৰু মোক এই ঘৰত দেখিবলৈ নোপোৱা। হেজাৰ হ'লেও তুমি মোৰ আই, দহমাহ দহদিন তুমি মোক গৰ্ভত ঠাই দিছিলা, পেটৰ পোৱালীক তুমি কেনেকৈ গৰু-ছাগলী বেচাদি বেচিব পাৰা সেই কথা ভাবিলে মোৰ ব্ৰহ্মপুত্ৰত জাপ দি মৰিবলৈ মন যায়। ইমান পাপ পৃথিৱীয়ে নসহে আই। বাইৰ যি গতি কৰিলা, কৰিলা। মোৰো সেই একে গতি কৰিব পাৰিম বুলি তুমি যেন কেতিয়াও নাভাবা আই।'

'বায়েৰৰ কি বেয়াটো কৰিলো মই? দুবেলা দুমুঠি ভাত পেট ভৰি খাবলৈ পাইছে, পেটৰ জুইত জীয়াই জীয়াই পুৰি মৰিব লগা হোৱা নাই, ইয়াতকৈ আৰু জীৱনত বেছি কি লাগে? ডেকা তেজৰ কোবত বেছি অহংকাৰ নকৰিবি। সেই অহংকাৰ বেছি দিন নৰজিব। গাৰ তেজটোপা ঠাণ্ডা পৰিলেই এদিন বুজিবি, পেটৰ ভাত মুঠিত কৈ ডাঙৰ বস্তু জীৱনত একো নাই।'

'মান-ইজ্জত, ধৰ্ম-কৰ্মতকৈয়ো পেটৰ ভাত মুঠি বেছি ডাঙৰ নে?'

'মুখেৰে হয় নহয় বুলি ক'লে কি হ'ব, কামতহে তাৰ প্ৰমাণ ওলায়। জীয়াই থকালৈকেহে তোৰ ধৰ্ম-কৰ্ম, তোৰ মান-ইজ্জত,—মৰা মানুহৰতো একো মান-ইজ্জতৰ প্ৰশ্ন নাই। তাৰ মানে আগেয়ে জীয়াই থাকিব লাগিব. তাৰ পাছতহে মান-ইজ্জতৰ কথা। কিন্তু খাবলৈ নাপাই তই যদি মৰিয়েই .গলি, মৰা-শটোৱে তোৰ মান-ইজ্জত লৈ কি কৰিব?'

মৰিলেও মুখৰ মাত এষাৰ নোলোৱা আইৰ মুখত ঠল্ ঠল্ কৈ ওকালতী-তৰ্ক শুনি এটা অজ্ঞান আতংকত মই মনে মনে শিঁহৰি উঠিলো। মোৰ মনত ধাৰণা হ'ল, এইটো নিশ্চয় ভালৰ লক্ষণ নহয়। আয়ে যেতিয়া স্বাভাৱিকভাৱে কথা পাতে তেতিয়া কিবা এটা অস্বাভাৱিক আৰু অবাঞ্ছিত ঘটনা ঘটিব ধৰা বুলি সন্দেহ কৰাই উচিত। মনত পৰিল বাইক ষড়যন্ত্ৰ কৰি পঞ্জাবীৰ হাতত সঁপি দিয়া ৰাতিৰ আগ দিনাৰ কথা। সেই দিনাও আয়ে এনেকৈয়ে স্থিৰ আৰু সহজভাৱেই কথা পাতিছিল। কিন্তু আয়ে বোধ হয় ভাবিব পৰা নাই যে বাইৰ ঘটনাই মোৰ চকু মুকলি কৰি গৈছে। মোৰ চকুৰ আঁৰকৈ তেওঁ আৰু নিশ্চয় তেওঁৰ জাল পাতিব নোৱাৰিব।

'আই, মান-ইজ্জততকৈ পেটৰ ভাতমুঠি ডাঙৰ বুলি তুমি ক'লেই হ'ব নে কি? সংসাৰত এনে মানুহো আছে, যি কলংকিত জীৱন লৈ জীয়াই থকাতকৈ মৰি যোৱাই বেছি ভাল বুলি ভাবে, সেই কথাও তুমি পাহৰি নাযাবা।'

মোৰ কথা শুনি আইৰ মুখখন হঠাৎ যেন ভমক্ কৰে জ্বলি উঠিল। খুব খঙত চিঞৰ মাৰি কিবা এষাৰ কবলৈ গৈ তেওঁ কিবা এটা ভাবি তৎক্ষণাৎ নিজকে সংযত কৰি ল'লে। অলপ সময় তেওঁ মোৰ চকুলৈ স্থিৰ দৃষ্টিৰে চাই থাকিলে, যেন তেওঁ মোৰ মনৰ ভিতৰখনহে ভালকৈ চাই ল'ব ধৰিছে। তাৰপাছত তেওঁ খুব ধীৰ কণ্ঠেৰে মাত লগালে, 'শুন সুবালা, মোৰ আয়ুস শেষ হৈ আহিছে, কোনদিনা মৰি যাওঁ তাৰ ঠিক নাই। আজি এই চলতে গোটেই জীৱনৰ দাম দি শিকা কথা এষাৰ তোক কৈ থওঁ। কেতিয়াবা মনত পেলাবি। সংসাৰত জীয়াই থাকিবলৈ হ'লে টকা নহলে নচলে, কিন্তু মানুহেতো টকা খাই জীয়াই নাথাকে। টকা লাগে চাউল-ডাইল কিনিবলৈ, কাপোৰ কিনিবলৈ। যি টকাৰে বস্তু কিনিব নোৱাৰি তাৰ কি মূল্য? মোৰ হাতত এটা আধলি আছে; এদিন সেইটো লৈ এসেৰ চাউল কিনিবৰ কাৰণে দোকানে দোকানে ঘূৰিলো, কিন্তু কোনেও চাউল নিদিলে। আধলীটো বোলে বেয়া, অচল। তোৰ এই মান-ইজ্জত ধৰ্ম-কৰ্মৰ ধাৰণাও টকাহে, পেট-ভৰোৱা বা মন-ভৰোৱা বস্তু নহয়। টকাৰে মানুহে চাউল কিনে, ধৰ্ম-কৰ্মেৰে মনৰ শান্তি কিনে। কিন্তু টকা যেনেকৈ অচল হয়, ধৰ্ম-কৰ্ম মান-ইজ্জতো তেনেকৈ অচল হ'ব পাৰে, মানুহে বজাৰত তাৰ মূল্য নিদিব পাৰে। এইবোৰ কথা মই কাৰো পৰা শুনি বা কিতাপ পঢ়ি শিকা কথা নহয়, নিজে তেনে অৱস্থাত পৰি অতি দুখেৰে শিকা কথা। মযো গোটেই জীৱন মোৰ ধৰ্মৰ ধন

বুকুত বান্ধি লৈ ফুৰিছিলো, কিন্তু এদিন মই জানিলো—সেই ধন অচল, মানুহ বা ঈশ্বৰ কাৰো ওচৰত তাৰ একো মূল্য নাই। কিবা এটা মস্ত আঁচোৰ লাগি সেই ধন একেবাৰে অচল হৈ পৰিছে। তোক ক'ম নে কি সুবালা, এই কথা মই কেতিয়া কেনেকৈ জানিলো ?'

অপাৰ বিস্ময়ত স্তব্ধ হৈ মই আইৰ মুখলৈ চাই ৰ'লো। ইমানপৰে শুনি থকা কথাবোৰ আইৰ মুখৰ কথা বুলি বিশ্বাস কৰিবলৈকে মোৰ টান লাগিল। মোৰ ভাব হ'ল, মই যেন স্বপ্ন দেখিছো আৰু আইৰ কথাবোৰ স্বপ্নতহে শুনিছো। আইৰ প্ৰশ্নৰ উত্তৰতো মোৰ মুখৰপৰা এষাৰো মাত নোলাল। কোনোদিন নেদেখা মানুহ দেখাৰদৰে মই তেওঁৰ মুখলৈ একেথৰে চাই ৰ'লো।

আয়ো হঠাতে অলপ অস্থিৰ হৈ উঠিল। তেওঁৰ মনত যেন কিবা এটা দ্বন্দ্বই দেখা দিছে এনে এটা ভাব তেওঁৰ মুখত ফুটি উঠিল। অলপ সময় মুখখন ইফালে সিফালে লৰাই তেওঁ হঠাতে উত্তেজিত হোৱাৰদৰে প্ৰায় চিঞৰি উঠিল, 'ক'ম, ক'ম, নক'বলৈ মোৰ কি হৈছে ? মই কাৰোবাক ভয়েই কৰো নে লাজেই কৰো ? লাজ-ভয় মই কেতিয়াবাই পুৰি খালো। মই যি কৰিলো তাৰ বাবে ঈশ্বৰে যদি মোক মৰাৰ পাছত কৈফিয়ত সোধে, মই ঘূৰাই তেওঁৰহে কৈফিয়ৎ তলব কৰিম—কিয় মোক এনে কৰিবলৈ দিলা বুলি। শুন সুবালা, মই যি ক'ম ভালকৈ শুন। তাৰপাছত তই মোৰ বিষয়ে যি ভাব ভাবিবি। তোৰ বাপেৰ তেতিয়া মৰিছে,—বেঙা মোৰ গৰ্ভত, তিনি মাহ। তিনি বিঘা মাটি আছিল, বাপেৰৰ শ্ৰাদ্ধ পাতিবলৈ তাকো তেওঁ মৰাৰ পিছদিনাই বন্ধকত দিলো। ভঁৰালত এমুঠি ধান নাই, হাতত এটা ফুটা কড়ি নাই। এসাঁজ খাই এসাঁজ নোখোৱা অৱস্থা, সেই সময়তে মোৰ হ'ল বেমাৰ, মূৰৰ বিষত বিছনাৰপৰাই মূৰ দাঙিব নোৱাৰো। কাম কৰিবলৈ গাত অকণো শক্তি নাই। কিন্তু মই বেমাৰী হৈ বিছনাত পৰি থাকিলে তইঁতক খুৱাব কোনে ? কোনোমতে চুচৰি বাগৰি গাঁৱলৈ ওলাই গৈ, ইঘৰ-সিঘৰৰপৰা ভিক্ষা কৰি তিনিদিন মান তইঁতক খুৱালো। মই নিজে খুদকণ এটাও মুখত দিবলৈ ন'হল। তিনিদিনৰ লঘোণ আৰু বেমাৰত মোৰ তেতিয়া মৃতপ্ৰায় অৱস্থা। এবাৰ ভাবিলো, এইদৰে নাখাই নাখাই মৰিয়েই যাওঁ, কিমান আৰু লাজ-মান জলাঞ্জলী দি বেমাৰী দেহাটোৰে পৰৰ ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিম। কিন্তু লগে লগে মোৰ চকু গ'ল মোৰ কাষতে বিছনাত চেপেটা লাগি শুই থকা তইঁত দুয়োজনীৰ শুকান মুখ দুখনলৈ। মই মৰি গ'লে তইঁতৰ কি

গতি হ'ব? ভাবিলো, ঘৰটো জ্বলাই দি আটাইকেইজনী একেলগে পুৰি মৰো। কিন্তু ভবা মতে সকলো কাম কৰিব পৰা হ'লে মানুহৰ জীৱনত ইমান দুখেই নহ'লহেঁতেন। মনৰ কথা মনতে সামৰি আকৌ ওলালো ভিক্ষা কৰিবলৈ। বেমাৰী দেহাৰে বেছি বাটতো যাব নোৱাৰো, গৈ গোমালো আগতেই ভিক্ষা অনা মানুহ এঘৰতে। মোক দেখা মাত্ৰেই গিৰিহঁতনীজনীয়ে কুকুৰবদৰে দাঁত-মুখ নিকটাই কেং কেং কৰি উঠিল—'যা যা, দিনে তোক ভিক্ষা দিবলৈ আমি ভঁৰাল এটা সাজি থোৱা নাই। ইমানজনী গাভৰু মানুহ, দিনে দিনে ভিক্ষা খুজিবলৈ লাজো নালাগে নে? কাম কৰি খাব নোৱাৰ? কাম নকৰি বহি বহি খাবলৈ মন গ'লে বেলেগ বাস্তা ল'ব লাগে।' মই ঠৰক্-বৰক্ কৈ কঁপি কঁপি কোনোমতে আহি ঘৰ পালোহি। মোক দেখা মাত্ৰেই তহঁত দুয়োজনীয়ে চিঞৰি উঠিলি, 'আই আই, ভোক লাগিছে, ভাত দিয়া আই।' মই হঠাৎ তেজৰ গোন্ধ পোৱা বাঘিনীৰদৰে তহঁত দুয়োৰে ওপৰত জপিয়াই পৰিলো। তহঁতৰ গায়ে-মুখে কণামুণাকৈ চৰ-ভুকু-গোৰ দিও মোৰ হেঁপাহ নপলাল, আধা-পোৱা খৰি এডোখৰে দুয়োকে মাৰি মাৰি গোটেই গা বখলা বখল কৰি পেলালো। ভালকৈ চালে দেখিবি, এতিয়াও তহঁতৰ গাত তাৰ চিন আছে। তহঁতে কান্দিবলৈকো সময় নাপালি, মাৰৰ কোবত দুয়োজনীয়েই অজ্ঞান হৈ পৰি গলি। ময়ো তহঁতৰ কাষতে মাটিতে শুই পৰিলো, বোধহয় ময়ো অজ্ঞান হৈ গ'লো। সাৰ পালো একেবাৰে পিছদিনা ৰাতিপুৱা। বিষৰ যন্ত্ৰণাত তহঁত দুয়োজনীৰে মুখেৰে মাত মাতিব নোৱৰা অৱস্থা, মুখ-গা উখহি ঢোল যেন হৈ পৰিছে। তহঁতক মই কি কৰিলো তেতিয়াহে মোৰ সেই জ্ঞান হ'ল। পেটৰ পোৱালীৰ লঘোনীয়া মুখত এমুঠি ভাত গুজি দিব নোৱাৰি মই সিহঁতক মাৰি আধা-মৰা কৰি পেলালো; সিহঁতৰ একমাত্ৰ অপৰাধ ভোকৰ জ্বালাত সহ্য কৰিব নোৱাৰি সিহঁতে মাকক ভাত খুজিছিল। নিজৰ চকুকেই বিশ্বাস কৰিব নোৱাৰি মই একেথৰে তহঁতৰ মুখলৈ চাই ৰ'লো। মোৰ ভাও-ভঙ্গী দেখি তহঁতৰ বোধহয় অলপ সাহস হ'ল, সেহাই সেহাই দুয়োজনীয়ে মোৰ মুখলৈ চাই কাতৰভাৱে মাত লগালি,—'আই বৰ ভোক লাগিছে...।'—সুবালা, তই এতিয়াও সৰু ছোৱালী; তই সন্তানৰ মাক হৈ পোৱা নাই; মই হেজাৰখন মুখেৰে ক'লেও তই নুবুজিবি, ভোকত আধা-মৰা হৈ ল'ৰা-ছোৱালীয়ে যেতিয়া মাকক খাবলৈ খোজে আৰু মাকে সিহঁতৰ মুখত খুদ কণ এটা গুজি দিব

নোৱাৰি মনে মনে বৰ লগা হয়, 'কৰিবলৈ একো উপাই নাথাকে—তেতিয়া সেই মাকৰ মনত কেইখন কাৰণৰ চিন্তা জলে। তইঁতৰ কথা শুনিও মই মুগুনাৰ ভাও ভুৰি তভক্ মাৰি বহি ৰ'লো। তেনেকৈয়ে বেলাটো গ'ল। মাজে মাজে খাবলৈ খুজি মোৰপৰা একো সহাঁৰি নাপাই তইঁতে অৱশেষত মাটিত বাগৰি বাগৰি কান্দিবলৈ ধৰিলি। ঈশ্বৰ থকা হ'লে সেই দৃশ্য দেখি তেওঁবো আসন টলি উঠিলহেঁতেন, তেওঁ নিজে মাটিলৈ নামি আহি তইঁতৰ কাৰণে কিবা এটা ব্যৱস্থা নিশ্চয় কৰিলেহেঁতেন। কিন্তু আবেলি পৰলৈকে যেতিয়া তেনে একো অঘটন নঘটিল, মুখৰ মাত নোহোৱা হৈ তইঁত এসময়ত পুনৰ অসাৰ হৈ পৰি গ'লি—মই নিশ্চয়কৈ বুজিলো যে ঈশ্বৰ নাই। মানুহে নিজৰ ব্যৱস্থা নিজেই কৰিব লাগিব। মই কোনোমতে কঁপি কঁপি উঠি থিয় হ'লো। মোৰ শেষ সম্বল আছিল এটা সোণৰ আঙঠি। অলংকাৰৰ নামত এক মাত্ৰ সেইটোকে বাপেৰে মোক বিয়াত দিছিল। তাকে বন্ধকত থৈ কেইটামান টকা অনাৰ আশাৰে মই ঘৰৰপৰা ওলাই গ'লো। সেই উদ্দেশ্যে যাবলৈ গাঁওখনত মাত্ৰ এঘৰ মানুহ আছিল—নৰেনহঁতৰ ঘৰ। তেতিয়া নৰেনৰ বাপেক জীয়াই আছিল। মই গ'লো তেওঁৰ ওচৰলৈকে। তেওঁক লগ পাবলৈ হ'লে আচল থকা ঘৰলৈ যাব নালাগে, তেওঁ বেছি ভাগ সময় থাকে যাই আলিৰ কাষৰ সেই অফিচ ঘৰটোতে। মই গৈয়েই তেওঁৰ ভৰি দুখনত সাৱতি ধৰি হুক-হুককৈ কান্দিবলৈ ধৰিলো, আৰু কান্দি কান্দি মোৰ দুখৰ কথা কৈ শেষ কৰি আঙঠিটো খুলি টেবুলত থৈ টকা দহোটা ভিক্ষা খুজিলো। আঙঠিটো হাতত লৈ বহুত পৰ লিৰিকি বিদাৰি তেওঁ এবাৰ গহীনাই মাত লগালে, 'শুন সৰুমলা, এই আঙঠিটো তোক যি দিছিল, সি কণাহাঁহক পতান ধান দি আভুৱাহে ভাবিলে। আঙঠিটোত সোণ নায়েই, গোটেই তাম।' তেওঁৰ কথাষাৰে মোৰ বুকুখন যেন জাঠীয়ে বিন্ধাদি বিন্ধি গ'ল। মই থিয় হৈ থাকিব নোৱাৰি ঠাইতে বহি পৰিলো। 'আঙঠিটো যদি বন্ধকত ৰাখিব নোৱাৰে, মোক টকা দহোটা ধাৰলৈকে দিয়ক। এতিয়াই যদি ছোৱালী দুজনীৰ মুখত মই গৈ কিবা এটা দিব নোৱাৰো, কালিলৈ পুৱালৈকে আৰু সিহঁত বাচি নাথাকে'—কান্দি কান্দি মই তেওঁক প্ৰাৰ্থনা কৰিলো। মোৰ দ্বিতীয় বাক্যটো তেওঁৰ কাণতেই নোসোমাল, প্ৰথম বাক্যটো শুনাৰ লগে লগেই তেওঁ মূৰ জোকাৰি উঠিল, 'ওহোঁ ওহোঁ, বন্ধক নোহোৱাকৈ মই কাকো টকা ধাৰলৈ নিদিওঁ। সেইটো মোৰ নিয়মেই নহয়। কিন্তু টকা

মই ভোক দিব, যদিহে অরস্তে তই ল'ব পাব।' কথাষাৰ কৈয়েই তেওঁ মোৰ মুখলৈ চালে, এই প্ৰথমবাৰ মোৰ মুখলৈ চালে। ঘৰটোৰ ভিতৰখন প্ৰায় এন্ধাৰ হৈ আছিছিল, ইমান পৰে মই তেওঁৰ মুখখন ভালকৈ দেখা নাছিলো। তেওঁ মোৰ কালে ঘূৰি চোৱাৰ লগে লগে পশ্চিম ফালৰ খিড়িকিখনেদি পধূলিৰ বেলিৰ পোহৰ আহি তেওঁৰ মুখত পৰিলহি, আৰু সেই পোহৰত তেওঁৰ মুখখন দেখি মই উচপ খাই উঠিলো। কাৰণ মই তেওঁৰ চকুত দেখিলো পাপ। মই তলমূৰ কৰিলো। 'পাৰিবি ল'ব?' তেওঁ প্ৰশ্ন কৰিলে। 'আপুনি দিলে কিয় ল'ব নোৱাৰিম?' মই উত্তৰ দিলো। 'ভাল কথা। শুন সকমলা, মই কাকো ভয় কৰি কথা কোৱা মানুহ নহয়। মই যি ক'ম খোলাখুলিকৈয়ে ক'ম। আগতেই কৈছো, বিনা বন্ধকে মই কাকো টকা নিদিওঁ। তোৰ বন্ধক দিবলৈ এতিয়াও এটা বস্তু আছে, সেইটো যদি দিব পাৰ, সহ টকা কিয়, তাতকৈ বেছিকৈহে পাবি।' 'কি বস্তু সেইটো?' মই ভয়ে ভয়ে তেওঁক সুধিলো। 'কিয়, তই বুজি পোৱা নাই? পাইছ, পাইছ, বুজি পায়ো নোপোৱাৰ ভাও ধৰিছ। ভাও ধৰাটো মাইকী মানুহৰ স্বভাৱেই।' 'আপুনি কি কৈছে মই সঁচাকৈয়ে একো বুজি পোৱা নাই। মোক সোনকালে বিদায় দিয়ক দেউতা। আৰু অলপ পলম হ'লেই মই ছোৱালী দুজনীক জীয়াই থকা অৱস্থাত নাপামগৈ কিজানি,'—মোৰ মুখলৈ আকৌ কান্দোন আহিল। নৰেনৰ বাপেকে বিৰক্তিৰে মাত লগালে, 'তোকতো মই ধৰি বধা নাই, তইহে মোক ঘৰলৈ যাবৰ সময়ত আহি বিধি পঠালি দিছহি। কান্দি মোক ভুলাব পাৰিম বুলি নাভাবিবি। ছোৱালী মৰিব বুলি ইমান অধীৰ হৈছ কিয়? আৰু ছোৱালী জন্ম দিব পাৰিবি, কেৱল তোৰ ইচ্ছা হ'লেই হ'ল। কিন্তু তোক ক'লো সকমলা, টকা পোৱাৰ সুযোগ এবাৰ গ'লে আৰু নাহে। সোনকালে ক, টকা তোক লাগে নে নালাগে।'—মানুহ যে ইমান নিষ্ঠুৰ হ'ব পাৰে সেই কথা মই কাহানিও কল্পনা কৰিব পৰা নাছিলো। তাতে মোৰ বোপাইৰ বয়সীয়া তিনিকুৰি বছৰীয়া বুঢ়া মানুহ এজনৰ মুখত এনেকুৱা কাণত আঙুলি দিব লগা পাপ কথা শুনি মোৰ মুখৰ মাত হৰিল, মই জঠৰ হৈ বহি ৰ'লো। তেনেকৈ কিমান সময় মই বহি আছিলো ক'ব নোৱাৰো, হঠাতে নৰেনৰ বাপেকৰ কথা এষাৰ কাণত পৰাতহে মই চক্ খাই উঠিলো, 'তেনেহ'লে তোৰ মত আছে সকমলা? টকা উলিয়াম?' 'নালাগে', মই উত্তৰ দিলো আৰু উঠি থিয় হৈ মই লাহে লাহে দুৱাৰৰ ফালে

আগ বাঢ়িলো। মোৰ পিঠিৰ পাছত নবেনৰ বাপেকে গহীনাই মাত লগালে, 'চা সৰুমলা, উলিওৱা টকা মই আকৌ সুমুৱাই থলো। ইয়াৰ ভিতৰতে যদি তোৰ মত সলনি হয়, আৰু টকাৰো গৰজ থাকে, তেন্তে ইচ্ছা হ'লে আকৌ আহিব পাৰ। তোৰ কাৰণে এশ টকা মই বেলেগ কৰি থলো। কিন্তু বেছি বেলি কৰিলে কথা মিছা হ'ব। তিৰোতাৰ ৰূপ-যৌৱন বেছি দিন নৰৈ নাথাকে। আনহাতে মৰো বুঢ়া হৈ যাম। মই খোলা কথা কোৱা মানুহ, যি ক'ব লাগে তোক কৈ দিলো।'......ঘূৰি আহি মই যেতিয়া ঘৰ পালোহি, ঘৰটোৰ বাহিৰে ভিতৰে ঘোপ মৰা অন্ধকাৰ। তইঁত দুজনীৰো একো সাৰ সুৰ নাই। মই তইঁত মৰা বুলিয়েই ভাবি ল'লো। দুৱাৰখন খুলি ভিতৰ সোমাই এন্ধাৰতে খেপিয়াই খেপিয়াই এসময়ত তইঁতক বিচাৰি পালো, বিছনাত দুয়োজনী শুই আছ। মৰিলে মানুহ শিলৰদৰে চেঁচা পৰি যায়, কিন্তু তইঁতৰ গা দুটা জুইৰদৰে গৰম। মই বুজিলো, তইঁত মৰা নাই, তইঁতৰ ভোক জ্বৰ উঠিছে। নাকৰ ওচৰলৈ আঙুলি নি দেখিলো, নিশ্বাসৰ মাত্ৰা খুব সেৰেঙা। ঘৰটো অলপ পোহৰ কৰি মুখ দুখন চাওঁ বুলি ভাবি জুইকুৰাত ফুঁ দি দেখো, জুইৰ সঁচেই নাই। কৰিবলৈ আৰু একো নাছিল, বিছনাত পৰি মযো তইঁতৰ কাষতে শুই পৰিলো। কিন্তু চকুলৈ টোপনি নাহিল। তইঁত দুয়োজনীকে বুকুৰ মাজলৈ টানি সাৱতি ধৰিলো। লগে লগে তইঁত দুয়ো সাৰ পাই ক্ষীণ কাতৰ কণ্ঠেৰে মাত লগাই উঠিলি— 'উস্...আই...কিবা খাম।' পৰা হ'লে সেই মুহূৰ্তত নিজৰ কলিজাখনকে কাটি মই তইঁতৰ মুখত ভৰাই দিলোহেঁতেন, কিন্তু তাকে কৰিব নোৱাৰি মই নিজৰ বুকুখনকে ভুকুৱাবলৈ ধৰিলো। হঠাতে এবাৰ মনত খেলালে, এই-বোৰ কৰি কি লাভ? এশটা টকা মোৰ চকুৰ আগত পৰি আছে, মই তাক বুটলি লৈ খাবলৈ নাপাই তিলে তিলে মৰিব ধৰা মোৰ সন্তানৰ প্ৰাণ ৰাখিবলৈ চেষ্টা নকৰি এন্ধাৰত অকলে অকলে বুকু ভুকুৱাই ভাবিছো, মই বৰ ধৰ্ম কৰিছো, মই মোৰ মান ইজ্জত ৰক্ষা কৰিছো। মোৰদৰে স্বাৰ্থপৰ পাপী আৰু সংসাৰত কোন আছে? মই যেন নতুন জ্ঞান পালো। ৰসাতলে যাওক মোৰ ধৰ্ম-কৰ্ম। ৰাতিটো কোনোমতে কটাই পুৱাই লৰ ধৰিলো নবেনৰ বাপেকৰ কাষলৈ। বাকিখিনি কথা আৰু তোক নকওঁ। মূঠতে ইয়াকে জানি থ—মোৰ মান ইজ্জত বেছি পোৱা টকাৰে সেইবাৰ ৰক্ষা হ'ল তইঁতৰ প্ৰাণ।'

এবাৰ হঠাতে মোৰ অনুভৱ হ'ল, আই নীৰৱ হৈ পৰিছে। মই তেওঁৰ

মুখলৈ চালো, কিমান দিনৰ মূৰত যেন তেওঁৰ মুখলৈ চালো, আৰু মোৰ হেৰোৱা আইজনীক বহু যুগৰ মূৰত নতুনকৈ ঘূৰাই পাই মই জাপ মাৰি তেওঁক সাৱতি ধৰিলো : 'আই, আই, আই, অ' আই !'

## [ ১৪ ]

পিছদিনা পুৱা শুই উঠি পৃথিৱীখন মোৰ চকুত নতুন যেন লাগিল। মোৰ হেৰোৱা আইক মই ঘূৰাই পালো, ঘূৰাই পালো জীৱনৰ ওপৰত বিশ্বাস, মোৰ আৰু কিহৰ ভয়। অতীতৰ দুখৰ দিনবোৰ দুঃস্বপ্নৰদৰে শেষ হৈ গ'ল। এতিয়া আৰু প্ৰতি মুহূৰ্ততে আয়ে মোক কাৰোবাক বেছি দিব বুলি ভয়ত আধামৰা হৈ থাকিব নালাগে। এতিয়া আমি নতুনকৈ জীৱন আৰম্ভ কৰিম, দেহৰ শক্তিয়ে আটে মানে পৰিশ্ৰম কৰি পেটৰ ভাত মোকোলাম, আইৰ মনৰ সমস্ত বেদনা লাহে লাহে ধুই নিকা কৰি পেলাম, হেজাৰটা নৰেনলৈকো মই আৰু ভয় নকৰো। আই যদি মোৰ কাষত আহি থিয় দিয়েহি, মাতৃৰ আশীৰ্বাদৰ ৰক্ষা-কবচ যদি মোৰ দেহত থাকে, পাপ আৰু অমংগলৰ কি সাধ্য মোক স্পৰ্শ কৰে ?

কি সাধ্য, হে হৰি, কি সাধ্য !

গধূলি পৰত আয়ে মোনা এখন লৈ দোকানলৈ ওলোৱা দেখি মই সুধিলো, 'এই গধূলি পৰত তুমিনো দোকানলৈ কি আনিবলৈ যোৱা ?'

'নৰেন যে আহিব, তই পাহৰি গলি নে কি ? আলু কেইটামান আনি থওঁ। সি কালিয়েই মোক টকা দি গৈছে।'

বিৰাত ধুমুহা-বতাহত ঘৰটো ভাগি-ছিগি যেন মোৰ মূৰৰ ওপৰতে খহি পৰিল, এটা আকস্মিক প্ৰচণ্ড আঘাতত মই আৰ্তনাদ কৰি উঠিলো, 'আই, তুমি আজিও নৰেনক এই ঘৰত ঠাই দিবা ?'

মোতকৈ বেছি আচৰিত হৈ আয়ে প্ৰশ্ন কৰিলে, 'নিদিবলৈ কি হৈছে ? মই তোক কৈছিলো নে কি, তাক আমাৰ ঘৰত সোমাবলৈ নিদিম বুলি ?'

হয়তো ! মই অৱশ হৈ বহি পৰিলো। আয়েতো মোক কেতিয়াও কোৱা নাছিল—নৰেনক আৰু ঠাই নিদিওঁ বুলি। কিহৰ ভেটিত তেন্তে মই মোৰ আশাৰ কাৰেং সাজিছিলো ? বিশ্বাসৰ অকণো জোৰ নোহোৱা খোকাখোকি মাতেৰে মই আইক ক'লো, 'আই, তুমি যদি এনেকৈয়ে মোৰ সৰ্বনাশ কৰিব

খোজা, তেন্তে নিজৰ সতীত্ব বিক্ৰী কৰিও কিয় মোৰ প্ৰাণ ৰক্ষা কৰিছিলা ? সেই দিনাই মোক মাৰি নেপেলালা কিয় ? নৰেনে কি মতলবত আমাৰ ঘৰত মদৰ আড্ডা পাতিছে সেই কথা তুমি জানো বুবুজা ? এই নৰেনৰ বাপেকেই এদিন মাত্ৰ কেইটামান টকাৰ কাৰণে তোমাক পাপৰ পথত নামিবলৈ বাধ্য কৰিছিল, সেই নৰেনকে আজি তুমি মোৰ বুলি আকোঁৱালি লৈছা ?"

'শুন সুবালা, সংসাৰৰ পাক-চক্ৰত ঘূৰি-ঘূৰি মূৰৰ চুলি আটাইকেডাল পকালো, এতিয়া আৰু তই মোক শিক্ষা দিবলৈ আহিব নালাগে। নৰেনৰ বাপেকে মোক কৰা অপমানৰ পোতক তুলিম বুলিয়েইতো আজি তাক মই আশ্ৰয় দিছো। কিন্তু সাপ মাৰোতে যদি লাঠিডালো ভাগে, মোৰ গাত দোষ নাই।'

'মোকেইতো তুমি লাঠি হিচাপে ব্যৱহাৰ কৰিব খুজিছা ?'

তোমাৰ ওপৰত কৰা অপমানৰ পোতক তুলিবলৈ তুমি নিজৰ জীয়েৰক বলী দিবা ? মোক যে বলী দিব খুজিছা, সেই কথা ঠিকেই। কিন্তু অপমানৰ পোতক তুলিব খোজাযাৰ একেবাৰে মিছা কথা। বাইক পঞ্জাবীক বিক্ৰী কৰোতে তুমি কাৰ ওপৰত পোতক তুলিব খুজিছিলা।

"তোৰ লগত চুপতি মাৰি থাকিবলৈ মোৰ সময় নাই। চাকিটো জলাই জুই কুৰা ধৰি থ।' আই দোকানলৈ ওলাই গ'ল।

চাকিটো জলাই জুইকুৰা ধৰিবলৈ বহিছোহে মাথোন, দুৱাৰখন ঠেলি নৰেন ভিতৰলৈ সোমাই আহিল। আজি কিভাৱে মই তাৰ মুখামুখি হ'ম সেই কথা আগতেই মনতে ঠিক কৰি থৈছিলো। তাক দেখা মাত্ৰে মুখত এমোকোৰা হাঁহিলৈ মই মাত লগালো, 'অ', নৰেন কাকা, বহা বহা। তোমাৰ কাৰণে বাটলৈ চাওঁতে চাওঁতে চকুৰেই বিষাই গ'ল।'

মোৰ এই অপ্ৰত্যাশিত সাদৰ-অভ্যৰ্থনাত নৰেনে ইমান ভেবাচেকা খাই গ'ল যে কেই মুহূৰ্তমান সময় সি মুখেৰে এৰো মাতিবই নোৱাৰিলে। সি হতবাক হৈ মোৰ মুখলৈ চাই ৰ'ল। মই ঠাট্টা কৰিছো নে কি তাকে বোধ হয় বুজিবৰ চেষ্টা কৰিলে। মোৰ অভিনয় নিখুঁত কৰিবলৈ মই অকণো ত্ৰুটি কৰা নাছিলো। অৱশেষত সি মাত লগালে, 'সঁচাই তই মোৰ কাৰণে বাটলৈ চাই আছিলি ?'

'কিয় বাটলৈ চাই নাথাকিম ? তুমি যে মোলৈ পাটৰ মেখেলা আনিবা। থিয় হৈ ৰ'লা কিয়, বহা।'

'উস্, কালি তই মোক তাল তয় খুৱালি সুবালা। প্ৰথমতেই মোক মুখ খুলি ক'লেই হ'লহেঁতেন যে মোক পাটৰ মেখেলা লাগে, সেইখন পালেহে মই তোমাৰ লগত মন খুলি কথা পাতিম। তাকে নকৰি······বাৰু যি হ'ল হ'ল, তইত ছোৱালী জাতটোক মোৰ আৰু চিনিবলৈ বাকী নাই। হোঁ এইখন মেখেলা; তাৰ আগতে কিন্তু মোক...'

হাত দুখন মেলি সি মোৰ ফালে আগবাঢ়ি আহিল।

'ৰবা ৰবা, ইমান লৰালৰি কিহৰ। তুমি বহা, মই মেখেলাখন চাওঁ। কিন্তু তাৰ আগতে মই জুই কুৰা ধৰি লওঁ। নহলে আয়ে আহি মোক খং কৰিব।'

অগত্যা নিৰুপায় হৈ নৰেন বহিব লগা হ'ল। কিন্তু মোৰ হাঁহি আৰু অৰ্থপূৰ্ণ কথাৰ ইংগিতে তাৰ গাত যেন জুইহে জ্বলাই দিলে, মই দুৰত বহিয়েই তাৰ গাৰ পোৰনি গম পাবলৈ ধৰিলো। শুকান খৰি এসোপা দি মই ইফালে জুইকুৰা ডাঙৰকৈ জ্বলাই পেলালো। তাৰপাছত টোপোলাটো খুলি মেখেলাখন চাবলৈ ধৰিলো।

'বাঃ, কি সুন্দৰ গুণা কৰা মেখেলা। বহুত দাম পৰিছে নহয় ?' মুখত হাঁহি নধৰা হৈ মই নৰেনৰ ফালে চাই প্ৰশ্ন কৰিলো।

'এইখননো কি দামী দেখিছ। কেইদিনমান বাট চাচোন—মই তোৰ মনটো পালেই হয়, ইয়াতকৈ শতগুণে সুন্দৰ মেখেলা চাদৰ তোক আনি দিম। পিছে তই এতিয়া মেখেলা পাই মোলৈ এবাৰো ঘূৰিয়েই নোচোৱা হ'লি দেখোন। মাৰ আহি পাবৰে হ'ব এতিয়া।'

'চাকিৰ অলপীয়া পোহৰত তোমাৰ মুখখন ভালকৈ নেদেখিয়েই নৰেন কাকা। ৰবা, মই জুই কুৰাকে আৰু ডাঙৰকৈ ধৰি দিওঁ'—কথাষাৰ কৈয়েই মই মেখেলাখন দপ্‌দপকৈ জ্বলি থকা জুই কুৰাত ভৰাই দিলো।

'কি কৰিলি তই সুবালা ?' নৰেনে বহাৰপৰাই চিঞৰ মাৰি উঠিল।

'জুইকুৰা কেনে সুন্দৰকৈ জ্বলিছে চোৱাচোন নৰেন কাকা'—মই হাঁহি হাঁহি মাত লাগলো। ঠিক সেই মুহূৰ্ততে আমাৰ আগত আহি হাজিৰ হ'লহি আই।

মেখেলাখন পুৰি দপ্‌দপ্‌কৈ জ্বলি উঠা জুইকুৰালৈ চাই আই একমুহূৰ্তমান অবাক হৈ ৰ'ল। তাৰপাছত তেওঁ চিঞৰি উঠিল, 'কি হৈছে এইবোৰ ?'

'চোৱাচোন খুৰী, তোমাৰ জীয়েৰৰ দেমাকটো চোৱা। তাইক মই

মখমলতে মেখেলা এখন আনি দিছিলো, দামী পাটৰ মেখেলা, মোৰ মুখৰ আগতে তাই মেখেলাখন জুইত ভৰাই দিলে। মই কিন্তু এই অপমান কেতিয়াও সহ্য নকৰো। তোমালোকে মোক চিনি পোৱা নাই—।'

খঙতে নবেন কঁপিবলৈ ধৰিলে।

'বৰা—বৰা বোপা, তুমি অধৈৰ্য্য নহ'বা। লালুকীলৈ গৰম পানী নালাগে। মই এইৰ কঁকাল ভাঙিম। শুনছ, এইজনী মোৰ চকুৰ আগৰপৰা'—আয়ে সঁচাকৈয়ে কঁকাল ভাগি যোৱাকৈ মোক এটা মস্ত গোৰ মাৰি দিলে।

মই জুই শুবিৰপৰা উঠি থিয় হ'লো। আয়ে জুইকুৰা চপাই-কোছাই আলু ভাজিবৰ কাৰণে চৰুটো তুলি দিলে। নবেনে মুখখন খঙত ক'লা কৰি নীৰৱে বাতি এটাত মদ ঢালি লৈ খাবলৈ আৰম্ভ কৰিলে। মই অলপ সময় সিহঁতৰ বেহ ৰূপ চাই মোৰ উদ্দেশ্য ব্যৰ্থ হোৱা যেন দেখি আকৌ আগ ব্যক্তিৰদৰে বাহিৰলৈ ওলাই আহি পিৰালী চুকতে বহি পৰিলো।

আগৰাতি ঠিক একে অৱস্থাত পৰি ভৰা কথাখিনিয়েই আকৌ মোৰ মনলৈ আহিবলৈ ধৰিলে। ঘৰৰপৰা পলাই সাৰিব নোৱাৰিলে নবেনৰ হাতৰপৰা মোৰ ৰক্ষা নাই। তাৰ সকলো অসৎ অভিপ্ৰায় জানিও যাৰ মাকে নবেনৰ দৰে এটা মাতাল লম্পটক ঘৰত আশ্ৰয় দিয়ে, তাইৰ মান ইজ্জত ৰক্ষা কৰিবলৈ সংসাৰৰ কোন মানুহ আগ বাঢ়ি আহিব? কিন্তু ঘৰৰপৰা পলাই মই ক'লৈ যাম? তেনেকৈ ওলাই গ'লে জানোছা তপত খোলাৰপৰা গৈ জুইতহে পৰোগৈ! বাহিৰলৈকো ওলাই যাব নোৱাৰো, ঘৰৰ ভিতৰতো সোমাই থাকিব নোৱাৰো, মই এতিয়া কি কৰো?

সেই দিক্-চিহ্ন-হীন অন্ধকাৰত কিমান সময় মই ঘূমুঁতিয়াই আছিলো ক'ব নোৱাৰো, হঠাৎ ভীষণভাৱে চকিত হৈ মই মোৰ মুখৰ ওপৰত অনুভৱ কৰিলো এখন বিশাল হাতৰ বজ্ৰ কঠিন মুঠি। লগে লগে নবেনে আনখন হাতেৰে মোক বহা ভাগতে দাঙি লৈ ঘৰৰ পাছফালৰ পথাৰখনৰ ফালে খোজ ল'লে। কি হ'ব ধৰিছে কথাষাৰ গম পোৱাৰ লগে লগে মই নিজকে মুক্ত কৰিবৰ কাৰণে নবেনৰ লগত ভীষণ জোটাপুটি লগাবলৈ ধৰিলো। সি গাৰ সমস্ত জোৰেৰে মোক চেপি ধৰিলে, সেই চেপাত পৰি মোৰ হাড় যুৰ ভাঙি যাবৰ উপক্ৰম হ'ল। ময়ো প্ৰাণৰ মায়া ত্যাগ কৰি তাৰ লগত যুঁজ কৰিবলৈ ধৰিলো। এনেকৈ কিছু বাট যোৱাৰ পাছতে মই হঠাতে এবাৰ উকাল মাৰি নবেনৰ নাগপাশৰপৰা নিজকে মুক্ত কৰি দৌৰিবলৈ ধৰিলো। সিও পাছে

পাছে যেদি আহি মোৰ আচলৰ আগটোত টান মাৰি ধৰিলে। মই কঁকালৰ খোচনাটো খুলি কাপোৰখন এৰি দিলো। সিমানতো মোৰ ৰক্ষা নহ'ল, সি আপ মাৰি মোক গৰা মাৰি ধৰি পুনৰ টনাটনি কৰিবলৈ ধৰিলে। কিবা এটা পাকত এইবাৰ মোৰ মেখেলাখনো খোল খাই গ'ল, সম্পূৰ্ণ নগ্নদেহেৰে মই দিক্‌বিদিক্ হেৰুৱাই পুনৰ দৌৰিবলৈ ধৰিলো। তেনেকৈ কোনফালে কিমান বাট আহিলো মই ক'ব নোৱাৰো, আহি আহি এঠাইত উজুতি খাই মই মাটিত পৰি গ'লো। উঠিবলৈ আৰু মোৰ শক্তি নহ'ল।

বহুত পৰৰ মূৰত জ্ঞান পাই মই বহি দেখো, নৰেন বা আন কাৰো দেখাদেখি নাই। মই ঘৰৰপৰা বহুত দূৰত পঠাৰৰ মাজত পৰি আছো। নিজৰ নগ্ন দেহটো দেখি মোৰ নিজৰে ভীষণ লাজ লাগি গ'ল। পৃথিৱীত মানুহৰ এনেকুৱা অৱস্থাও হয়! এই উলংগ মূৰ্তি লৈ মই কোনখন মুখেৰে ঘৰলৈ ঘূৰি যাম? কাৰ ওচৰলৈ ঘূৰি যাম? আকাশ পাতাল গুনা-গঠা কৰি মই আৰু অলপ সময় তেনেকৈ বহি ৰ'লো। হঠাৎ এবাৰ মোৰ অনুভৱ হ'ল, মানুহৰ পৃথিৱীলৈ ঘূৰি যোৱাৰ সকলো পথ মোৰ কাৰণে চিৰকাললৈ ৰুদ্ধ হৈ গৈছে, মোৰ সমুখত খোলা আছে কেৱল এটা মাত্ৰ পথ। সেই পথ মৃত্যুৰ। ইমান সহজ সমাধান আগতে থিয় মোৰ চকুত পৰা নাছিল, সেই কথা ভাবি মই বৰ আচৰিত হৈ গ'লো। ৰূপহী নৈতো ইয়াৰপৰা বেছি দূৰ নহয়। মই উঠি থিয় হ'লো, আৰু শীতৰ মাজৰাতিৰ সেই নীৰৱ নিৰ্জন এন্ধাৰ পথাৰৰ মাজে মাজে নগ্ন দেহেৰে মই যাবলৈ ধৰিলো ৰূপহী নৈৰ উদ্দেশ্যে।

ভাগ্যই মানুহক যে কিমান বিচিত্ৰ উপায়েৰে ঠাট্টা কৰিব পাৰে তাৰ সীমা সংখ্যা নাই। মনৰ উত্তেজনাত মই পাহৰিয়েই গৈছিলো যে মাঘ-মহীয়া ৰূপহী নৈত স'ৰু গাঠিলৈকে পানী নাথাকে, গাঁৱৰ মানুহে বালিত কুঁৱা খান্দি পানী তুলিব লগা হয়। নৈৰ পাৰ পাই মই দেখিলো, নৈ শুকাই বালি হৈ পৰি আছে, কেৱল অ'ত ত'ত দুই এদোংগ পানী। বিধাতাই মোক মানুহৰদৰে জীয়াই থাকিবলৈতো নিদিয়েই, আনকি মৰাৰ পথো মোৰ কাৰণে ৰুদ্ধ? পৃথিৱীৰ এন্ধাৰে মোৰ দেহৰ কলুষিত নগ্নতাৰ লজ্জা ঢাকি ৰাখিব পৰা নাই। ভাবিছিলো মৰণৰ এন্ধাৰেৰে তাক মই চিৰকাললৈ আৱৰি পেলাম। কিন্তু যি দেখিলো, মৰণেও মোক আশ্ৰয় দিব নোখোজে। উদভ্ৰান্ত দৃষ্টিৰে মই চাৰিওফালে চাই পঠালো। হঠাৎ দেখিলো, পূৱৰ আকাশখন লাহে লাহে পোহৰ হৈ আহিছে। আৰু অলপ পাছতে ৰাতিপুৱা হ'ব, সমগ্ৰ

সংসাৰে দেখিব মোৰ এই উলংগ বীভৎস ৰূপ। আৰু একো ভাবিবলৈ মোৰ সময় নাছিল। মই পুনৰ পাগলীৰদৰে দৌৰিবলৈ আৰম্ভ কৰিলো। এইবাৰ ঘৰৰ ফালে মুখ কৰি।

[ ১৫ ]

ঘৰৰ চোতাল আহি নোপোৱা পৰ্য্যন্ত কেনিও চাবলৈ মোৰ সময় বা ধৈৰ্য্য নাছিল। চোতালত ভৰিদিয়েই একে জাপে দুৱাৰখন খুলি ভিতৰ সোমাবলৈ উদ্যত হৈছো মাথোন, হঠাৎ চকুত পৰিল শেহ ৰাতিৰ অন্ধকাৰত দুৱাৰ মুখত জুপুকা লাগি বহি আছে আই। উলংগ দেহেৰে উৰ্দ্ধশ্বাসে দৌৰিঅহা মোৰ মূৰ্তিটো নিশ্চয় এটা চাব লগা দৃশ্য হৈছিল। আই এনে ভীষণভাৱে চক্ খাই উঠিল আৰু তেওঁৰ চকুৱে-মুখে এনে এটা ভয়ংকৰ বিস্ময় আৰু আতংকৰ ভাব ফুটি উঠিল যে তেওঁৰ মুখ-ভংগী দেখি ময়ো এক নিমিষৰ কাৰণে ঠংমৎ খাই ৰৈ গ'লো। মাত্ৰ এক নিমিষৰ কাৰণে; পিছ মুহূৰ্ত্ততে মই প্ৰায় তেওঁৰ গাৰ ওপৰেদিয়েই জাপ মাৰি ভিতৰ সোমাই বিছনাত বাগৰি পৰিলো আৰু কঠাখনৰে লৰালৰিকৈ মুখলৈকে গাটো ঢাকি ধৰিলো।

অলপ পাছত আই ভিতৰলৈ সোমাই আহিল। চকুৰে নেদেখিলেও মই স্পষ্ট অনুভৱ কৰিলো, মোৰ ফালে অলপ সময় তেওঁ তধা লাগি চাই ৰ'ল। তেনেকৈ কিছু সময় থাকি তাৰপাছত তেওঁ মোৰ মূৰৰ শিতানৰ জুই গুৰিত বহি পৰিল। গোটেই আগ বেলাটো তেওঁ তেনেকৈয়ে একে ঠাইত নিশ্চল হৈ বহি ৰ'ল, মই বিছনাত একে কাটিয়েই শুই ৰ'লো। আইৰ মনৰ কথা নাজানো, মই কিন্তু প্ৰতি মুহূৰ্ত্ততে প্ৰাৰ্থনা কৰিবলৈ ধৰিলো—কোনো মানুহৰ শব্দৰ আঘাত লাগি যেন স্তব্ধতাৰ এই অন্ধকাৰ-আশ্ৰয় ভাগি নাযায়, ই যেন অনন্ত কাল স্থায়ী হয়।

দুপৰীয়া পৰত অলপ সময়ৰ কাৰণে আই বাহিৰলৈ ওলাই গ'ল, বোধ হয় গা-পা ধুবৰ কাৰণে। সেই সুযোগতে মই লৰালৰিকৈ বিছনাৰপৰা উঠি কাপোৰ-কানি পিন্ধি লৈ পুনৰ গায়েমূৰে কাপোৰ লৈ বিছনাত শুই পৰিলো। তেনেকৈ থাকোতেই কেতিয়া মই টোপনি গ'লো ক'বই নোৱাৰো, হঠাৎ এবাৰ মাত পাই শুনিলো আইৰ মাত, 'সুবালা, অ'-আই, উঠ, ভাত খা।'

মই মুখেৰে একো মাত নিদিলো, কিন্তু ভাত যে মই নাখাওঁ, মৰি গ'লেও মই ভাত নাখাওঁ, সেই কথা সমস্ত দেহৰ আন্দোলনেৰে মই তেওঁক জনাই দিলো। মোক বেছি জোকাই ল'বলৈ তেওঁৰ নিশ্চয় সাহসৰ জোৰ নাছিল। তথাপি থাকি থাকি তেওঁ কাতৰ মিনতিৰ সুৰেৰে মাতিবলৈ ধৰিলে, 'সুবালা, ...সুবালা...সুবালা!'

বেলি কিমানপৰ হ'ল, সংসাৰৰ জীৱন-প্ৰৱাহ চলিয়েই আছে নে চিৰকাললৈ ৰুদ্ধ হৈ গৈছে, এতিয়া দিন নে নিশা—মোৰ সেইবোৰ একো খবৰ নাছিল। গায়ে-মুখে ঢাকি লোৱা মোৰ কঠাৰ তলত আছিল কেৱল নীৰৱ নিশ্ছিদ্ৰ অন্ধকাৰ, মোৰ জীৱনৰ একমাত্ৰ সত্য। সেই নিৰ্জন ভয়ংকৰ অন্ধকাৰত বহু যুগ অতিবাহিত কৰি মই যেতিয়া তাৰপৰা বাহিৰৰ পৰিচিত জগতলৈ ওলাই আহিলো, তেতিয়া পিছদিনাৰ সূৰ্য্যই আহি পূবৰ দিগন্তত দেখা দিছেহি।

## [ ১৬ ]

দুপৰীয়া ভাত-পানী খাই আই গাঁৱৰ ফালে ওলাই গ'ল। মই বিছনাত শুই টোপনি যাবলৈ চেষ্টা কৰিলো। জাগ্ৰত অৱস্থা মোৰ কাৰণে নৰকৰ বিভীষিকা স্বৰূপ হৈ পৰিছিল, কেৱল শুই থকা সময়খিনিতে মই যি অলপ শান্তি অনুভৱ কৰিছিলো, কিন্তু মানুহৰ এনেহে কপাল—যি সময়ত যিটো বস্তু আটাইতকৈ বেছি প্ৰয়োজনীয় বুলি অনুভৱ হয়, ঠিক সেই সময়তে সি সবাতোকৈ দুৰ্লভ হৈ পৰে। মনৰ দুশ্চিন্তাৰপৰা হাত সাৰিবৰ কাৰণে মই যিমানে চকুলৈ টোপনি আনিবলৈ চেষ্টা কৰিলো, সিমানে সি ধৰা দিওঁ দিওঁ কৰি মিছা প্ৰলোভন দেখুৱাই দূৰলৈ আঁতৰি যাবলৈ ধৰিলে। অৱশেষত টোপনিৰ আশা ত্যাগ কৰি মই দুশ্চিন্তাৰ অন্ধকূপত নিজকে সমৰ্পণ কৰিলো।

হঠাতে এবাৰ মোৰ চিন্তাৰ জাল ছিন্ন কৰি দুৱাৰখন কেৰ্‌, কেৰ্‌, শব্দ কৰি মেল খাই গ'ল। মই চক্ খাই বিছনাত বহি দেখিলো, দুৱাৰ মুখত থিয় হৈ আছে এজনী অচিনাকী আদহীয়া তিৰোতা। মোক একো ভাবিবলৈ সময় নিদি তিৰোতাজনীয়ে মাত লগালে, 'তুমি টোপনি গৈছিলা হ'বলা আই। মই বাহিৰৰপৰা কেবাবাৰো চিঞৰি চিঞৰি মাত নাপাই নিজেই সোমাই আহিলো।'

বিছনাৰপৰা উঠি মই তেওঁক বহিবলৈ পীৰা এখন আগ বঢ়াই দিলো। কোনোদিন জন-প্ৰাণী এটা নহা ঘৰখনলৈ হঠাৎ অসময়ত একেবাৰে অচিনাকী তিৰোতা এজনী আহি পৰা দেখি মই ইমান আচৰিত হ'লো যে তেওঁক কি সুধিম মই তাকেই ভাবি নোপোৱা হ'লো। কিন্তু মানুহজনীয়ে মোৰ বিমূঢ় অৱস্থালৈ অকণো ভ্ৰূক্ষেপ নকৰি হাত-ভৰি মেলি পীৰাখনত বহি পৰিল আৰু ভাগৰ পলাবৰ কাৰণে দীঘল দীঘলকৈ কেইটামান উশাহ ল'লে। কেই মিনিটমান সময় এইদৰে কটাই তেওঁ অৱশেষত মোৰ ফালে চাই মাত লগালে, 'মোক এবাতি পানী দিয়া আই। পানী খাবলৈকে তোমাৰ ঘৰত সোমালো।'

তেওঁ পানী খাই শেষ কৰাৰ পাছত মই তেওঁক সুধিলো, 'আপোনাক আমাৰ এই ফালৰ মানুহ নহয় যেন লাগিছে; ক'ৰপৰা আহিছে আপুনি?'

'ঠিকেই ধৰিছা আই'—তেওঁ উত্তৰ দিলে—'মোৰ ঘৰ গুৱাহাটীত। পিছে এইকালে মোৰ দুই চাৰি ঘৰ মিতিৰ-কুটুম আছে, বহুদিনৰ মূৰত সিহঁতকে চাবলৈ আহিছিলো। বাচ যাবলৈ বহুত সময় থকা বুলি শুনিহে তোমাৰ ঘৰত পানীটোপা খাবলৈ সোমালো। পিছে আই, ঘৰত দেখোন তোমাক অকলেহে দেখিছো, আৰু কোনো নাই নে কি।'

'আই আছে। তেওঁ গাঁৱলৈ ওলাই গৈছে। ঘৰখনত আমি দুটাই প্ৰাণী, আৰু কোনো নাই।' তেওঁৰপৰা এই বিষয়ে বেছি প্ৰশ্নৰ সন্মুখীন নহ'বৰ মনেৰে একেবাৰতে মেখানি মাৰি উত্তৰ দিলো।

'তোমাৰ মাৰাক লগ পোৱা হ'লে ভালেই লাগিলহেঁতেন। তেওঁ বা আকৌ কেতিয়া আহে? তোমাৰ নামটো কি আই?'

মই তেওঁক মোৰ নামটো ক'লো। তাৰপাছত তেওঁ মই কিমানলৈকে পঢ়িছিলো, মোৰ বিয়া-বাৰুৰ কথা উঠিছে নে নাই, পিতা কেতিয়া মৰিল, আমাৰ সংসাৰ কেনেকৈ চলে—ইত্যাদি নানাধৰণৰ প্ৰশ্ন কৰিবলৈ ধৰিলে। প্ৰথমতে মই তেওঁৰ প্ৰশ্নবোৰ শুনি বোধহয় সামান্য বিৰক্তই হৈছিলো, তেওঁৰ লগত কথা বাৰ্তাত মন খুলি ভাগ ল'ব নোৱাৰিছিলো, কিন্তু লাহে লাহে নানা সহানুভূতিৰ কথাৰে তেওঁ মোৰ মনটো এনেকৈ গলাই পেলালে যে কেতিয়া যে তেওঁৰ আগত মই মোৰ সমস্ত দুখ-যন্ত্ৰণাৰ কথা কৈ পেলালো মই নিজেই ক'ব নোৱাৰিলো। জীৱনত প্ৰথম বাৰৰ কাৰণে মোৰ মনৰ কথা আগ্ৰহ আৰু সহানুভূতিৰে শুনিব খোজা এজনী তিৰোতাক লগ পাই মই অন্তৰ উজাৰ কৰি তেওঁক সকলো কথা

কৈ পেলালো। মূঠতে তেওঁ আহি আমাৰ ঘৰ লোমোৱাৰ এঘণ্টাৰ ভিতৰতে মোৰ বিষয়ে জানিবলৈ তেওঁৰ আৰু একো কথা বাকী নৰল।

সকলো কথা শুনি শেষ কৰি তেওঁ এটা হুমুনিয়াহ কাঢ়ি মাত লগালে, 'আই সুবালা, মোৰ যাবৰে সময় হ'ল। পিছে তোৰ কথাবোৰ শুনি মোৰ বুকুখন কেনেকুৱা লাগিছে—সেইটো মইহে জানিছো। তোৰ মনৰ জোৰ দেখিও মই আচৰিত মানিছো। তই এলাপেছা ছোৱালী নহয়। কিন্তু এইদৰে তই কিমান দিন যুঁজিবি? হেজাৰ হ'লেও তই ছোৱালী মানুহ। তোৰ ভৱিষ্যতত কি আছে সেইটো কেৱল ভগৱানেহে জানে।'

তেওঁৰ মাতটো বেদনাত ভগাভগা আৰু চকু দুটা ছলছলীয়া হৈ উঠিল।

খন্তেকৰ চিনাকী এজনী তিৰোতাৰপৰা ইমানখিনি সহানুভূতি মই আশা কৰা নাছিলো। অভিভূত হৈ মই প্ৰায় চিঞৰি উঠিলো, 'আপোনাৰ কথা শুনি এতিয়াহে মোৰ আচল ভয় লাগিছে। আপুনি মোক একো এটা উপায় দি যাব নোৱাৰে নে?'

মোৰ কথা শুনি গভীৰ চিন্তিত ভংগীত তেওঁ বহুত সময় নীৰৱ হৈ ৰ'ল। তাৰপাছত কিবা এটা সিদ্ধান্তত উপনীত হোৱাৰ দৰে মুখ-ভংগী কৰি তেওঁ মাত লগালে, 'মানুহে কাৰ কাৰণে কি কৰিব পাৰে তাই, সকলো কৰিবৰ গৰাকী হ'ল ঈশ্বৰ। কিন্তু কোনে জানে ঈশ্বৰেই কিজানি মোক আজি তোৰ ওচৰলৈ পঠাই দিছে? শুন, তোক কথা এটা কৈ যাই, তই ভাবি চাবি। গুৱাহাটীত অনাথ আৰু সমাজ নোহোৱা বিধবা তিৰোতাক লিখা-পঢ়া আৰু বোৱাকটা শিকাই স্বাৱলম্বী কৰিবৰ কাৰণে এখন আশ্ৰম আছে। বহুতে তাত কিছুদিন থাকি পিছত ভাল ধৰণে বিয়া-বাৰু কৰি ঘৰ-সংসাৰো কৰিছে। মই নিজেই কেবাজনী তোৰ নিচিনা দুখত পৰা ছোৱালীক তাত নি ভৰ্তি কৰি দিছো। সিহঁতে এতিয়া নতুন জীৱন পাইছে। তই মাইনৰ পাছ কৰা লিখা-পঢ়া জনা ছোৱালী, নিজৰ যত্ন হ'লে তই বহুত ওপৰলৈকে যাব পাৰিবি। তোক মই তাতে নি ভৰ্তি কৰি দিব পাৰো। কিন্তু তই জানো মাৰক অকলে এৰি যাব পাৰিবি? বা মাৰেই জানো তোক যাবলৈ এৰি দিব?'

মানুহজনীৰ কথা শুনি মই যেন হাততে স্বৰ্গ চুকি পালো, উত্তেজিত হৈ মই চিঞৰি উঠিলো, 'আইৰ কথা আপুনি একো নাভাবিব, আপোনাৰ ভৰিত ধৰিছো, আপুনি মোক উদ্ধাৰ কৰি লৈ যাওক। আইৰ লগত থাকিও মই তেওঁক কৰি খুৱাব নোৱাৰো, আৰু মই যিটো কৰা তেওঁ বিচাৰে, সেইটো

কৰিবলৈ হ'লে মই এদিন আপোন-ঘাতী হৈ মৰিব লাগিব। মুঠতে আইৰ লগত থাকিলে মোৰ ইকুল-সিকুল দুয়োকুল এন্ধাৰ। কিন্তু বাহিৰত গৈ এনেকৈ অলপ লিখা-পঢ়া বা কাম-কাজ শিকিব পাৰিলে এদিন হয়তো আইকো মোৰ লগলৈকে নৈ যাব পাৰিম।'

মোৰ কথা শেষ নৌ হওতেও তিৰোতা গৰাকীয়ে মাজতে মাত লগালে, 'কিন্তু মাৰে জানো তোক যাবলৈ এৰি দিব ?'

'ওহোঁ, সেই আশা নাই', মই উত্তৰ দিলো, 'যাবলৈ হ'লে মই পলায়েই যাব লাগিব। কিন্তু মইতো বাট-পথ চিনি নাপাওঁ; হাতত এটা ফুটা কড়িও নাই, গুৱাহাটীত আপোনাকেইবা বিচাৰি উলিয়াম কেনেকৈ? নহয়, নহয়, ঈশ্বৰে যেতিয়া আজি আপোনাক মোৰ ওচৰলৈ আনি দিছে, আপুনিয়ে কিবা এটা উপাই কৰিবই লাগিব। আপোনাক মই আই বুলি মানিছো, মোক উদ্ধাৰ কৰক'—মই ব্যাকুল হৈ তেওঁৰ ভৰি দুখন সাৱতি ধৰিলো।

গভীৰ স্নেহেৰে মোৰ মূৰত হাত বুলাই তেওঁ মাত লগালে, 'মোৰ নিজৰ ল'ৰা-ছোৱালী কোনো নাই, আজিৰপৰা তোক মই নিজৰ জী বুলি ল'লো। তই একো চিন্তা নকৰিবি আই। শুন, অহা সপ্তাহৰ বুধবাৰে তই শেহৰাতিতে ঘৰৰপৰা ওলাই বাচ ষ্টেচনত গৈ বৈ থাকিবি। মোক তাতে লগ পাবি। পুৱা ছয় বজাৰ বাচতে আমি গুৱাহাটীলৈ বুলি বাওনা কৰিম। মাৰে তোক ঘৰত নেদেখিলেও বাহিৰলৈ শৌচ কৰিবলৈ যোৱা বুলিহে ভাবিব, বা আন কিবা ভাবিলেও পোনে পোনে বাচ ষ্টেচনত খবৰ কৰিবলৈ নিশ্চয় নাযাব। আচল খবৰ তেওঁ যেতিয়া জানিব—তেতিয়া তই ক'ত আছ, সেই কথা তেওঁ আৰু বিশ্ব-ব্ৰহ্মাণ্ড চলাথ কৰিও বাহিৰ কৰিব নোৱাৰিব। তেনেহলে এই কথাই ব'ল। মই এতিয়া যাওঁ, মাৰ আহি ওলালে কথা বেয়া হ'ব।'

[ ১৭ ]

মাতৃহন্তনী ওলাই যোৱাৰ পাছত মই বহুত সময় তন্ময় হৈ একে ঠাইতে বহি ৰলো। গোটেই ঘটনাটোৱেই মোৰ মনত সপোন যেন লাগিবলৈ ধৰিলে। কিমান দিন এনে এটা সুযোগৰ কাৰণে মই দিনে ৰাতিয়ে হিয়া ভুকুৱাই প্ৰাৰ্থনা কৰি মৰিছিলো আৰু আজি পিয়াহত পানী খাবলৈ গোমোৱা বাটকৰা

ভিবোতা এজনীয়ে ঠিক সেই সুযোগৰ সন্ধান মোক দি গ'ল ; হেজাৰ বছৰ তপস্যা কৰাৰ যুৰত ঋষি-মুনিবোৰক ঈশ্বৰে যেনেকৈ বৰ দিয়ে তেনেকৈ মোক বৰহে যেন দি গ'ল—ইয়াতকৈ অবিশ্বাস্য ঘটনা আৰু জীৱনত কি থাকিব পাৰে ? মনৰ উত্তেজনাত বহুত সময় মই একো কথাই স্পষ্টভাৱে চিন্তা কৰিব নোৱৰা হৈ পৰিলো। অতীত-ভৱিষ্যত, সপোন-দিঠক—সকলো যেন মোৰ মনত খেলিমেলি হৈ গ'ল। তেনেভাৱে বহুত সময় আচ্ছন্ন হৈ থাকি লাহে লাহে মনটো যেতিয়া প্ৰকৃতিস্থ অৱস্থালৈ ঘূৰি আহিল, তেতিয়াহে টোপনিৰপৰা কোনোবাই মোক ঠেলা মাৰি জগাই দিয়াৰ দৰে থকমককৈ সাৰ পাই মই স্পষ্ট-ভাৱে অনুভৱ কৰিলো, মই সম্পূৰ্ণ এটা নতুন ভৱিষ্যতৰ দুৱাৰ-দলিত আহি উপনীত হৈছো।

ঠিক সেই মুহূৰ্ততে ঘৰৰ দুৱাৰ-মুখত আহি উপস্থিত হ'লহি মোৰ আই।

গধূলিৰ অন্ধকাৰে তেতিয়া চাৰিও দিশ আৱৰি ধৰিছিল। আয়ে মোৰ মুখখন বোধহয় ভালকৈ নেদেখিলে। ময়ো ৰক্ষা পৰিলো। সেই মুহূৰ্তত মোৰ মুখখন ভালকৈ দেখা হ'লে তেওঁ নিশ্চয় আচৰিত হৈ গ'লহেঁতেন, হেজাৰ চেষ্টা কৰিও মই মোৰ মনৰ চাঞ্চল্য আৰু উত্তেজনা গোপন কৰিব নোৱাৰিলো-হেঁতেন। তেওঁ অৱশ দুৰ্বল খোজেৰে ভিতৰলৈ সোমাই আহি জুইশালৰ ওচৰতে বহি পৰিল। হঠাৎ মোৰ মনলৈ ভাব আহিল, আৰু কেইদিনমানৰ পাছতে তেওঁ এদিন গধূলি পৰত ক্লান্ত দেহেৰে এনেকৈ ঘূৰি পকি আহি ঘৰৰ দুৱাৰ মুখত থিয় হৈ দেখিব—তেওঁৰ কাৰণে এখাৰত বহি বহি কোনেও আৰু বাট চাই থকা নাই। খন্তেকৰ কাৰণে মই তেওঁৰ ঠাইত থিয় হৈ তেওঁৰ চকুৰে সেই নিৰ্জন ঘৰটোৰ ভীষণ নীৰৱ অন্ধকাৰৰ বুকুলৈ চাই পঠালো, আৰু লগে লগে এটা অবৰ্ণনীয় আতংকত মোৰ অন্তৰ-আত্মা কঁপি উঠিল। হঠাৎ এটা প্ৰচণ্ড কান্দোন মোৰ বুকুৰ ভিতৰৰপৰা কণ্ঠনলী ভাঙি মুচুৰি ডিঙিৰ ওচৰলৈকে ঠেলি ঠেলি উজাই আহিল, তাক হেঁচা মাৰি ধৰি ৰাখিবৰ প্ৰাণান্তিক চেষ্টাত মোৰ সৰ্বদেহ ঠৰ্ ঠৰ্কৈ কঁপিবলৈ ধৰিলে। মোৰ আজন্মদুখিনী আইজনীক এই মৰিশালীৰ অন্ধকাৰত অকলে এৰি থৈ মই ক'লৈ গুচি যাবলৈ ওলাইছো ? ইমান স্বাৰ্থপৰ মই কেনেকৈ হ'ব পাৰিলো ? এই যে মোৰপৰা এহাত দূৰতে অন্ধকাৰত স্তব্ধ হৈ আইয়ে ক্লান্তভাৱে বহি আছে, আমি কোনেও কাৰো মুখ দেখা নাই, এষাৰ কথাও পতা নাই—তথাপি মই যে ওচৰতে আছো, সৰ্ব-দেহেৰে তেওঁ অনুভৱ কৰিছে অন্য এক জীৱনৰ উত্তাপ—এই অনুভৱটোৱেইতো

পৰিপূৰ্ণ কৰি ৰাখিছে তেওঁৰ সমস্ত ভুবন। কিন্তু যিদিনা মই এনেকৈ নাথাকিম, সেইদিনা দিক্-চিহ্ন-হীন অন্ধকাৰত অকলে বহি বহি তেওঁ কি কথা ভাবি থাকিব? সম্পূৰ্ণ নিজকে লৈ সংসাৰত কোনেও শান্তিৰে জীয়াই থাকিব নোৱাৰে। যাৰ কোনো নাই বুলি ভাবো, সিও নিজৰ নিৰ্জনতাৰ শূন্যতাক পূৰ্ণ কৰি লয় গানেৰে, স্বপ্নেৰে, কল্পনাৰে, ঈশ্বৰৰ চিন্তাৰে, দেশৰ দহৰ সমাজৰ কামেৰে, আন একো নহ'লে উন্মাদৰ প্ৰলাপেৰে। যাৰ এইবোৰ একো কৰিবৰ উপায় বা সামৰ্থ্য নাই, সি কি কৰিব? নিঃসংগ আত্মাতকৈ মানুহৰ ডাঙৰ শত্ৰু বোধহয় আৰু কোনো নাই। বাহিৰত প্ৰসাৰিত হ'বৰ সকলো পথ ৰুদ্ধ হৈ সি যেতিয়া নিজৰ মনৰ অন্ধকাৰ গহ্বৰতে ছাপিকুছি আহি আশ্ৰয় লয়, নিজৰ ভয়তে উন্মাদ হৈ সি তেতিয়া সেই গহ্বৰৰ দেৱালতে মূৰ খুন্দিয়াই ৰক্তাক্ত আৰু ক্ষত-বিক্ষত হয়। হে ঈশ্বৰ, আত্মাৰ এই ৰক্তাক্ত যন্ত্ৰণাৰ অভিজ্ঞতা মোতকৈ আৰু কাৰ বেছি আছে। আৰু সেই যন্ত্ৰণাৰ নৰকাগ্নিত আইক পুৰি মৰিবলৈ এৰি দি মই তেওঁৰপৰা পলাই যাব খুজিছো।

মানুহে সচেতনভাৱে জীৱনৰ সকলো সমস্যাৰ সমাধান নকৰে বা কৰিব নোৱাৰে। মনৰ এটা আচৰিত প্ৰক্ৰিয়াৰ ফলত অনেক সময়ত সমস্যাৰ সমাধানে নিজে নিজে ৰূপ লয়। এটা ৰাতি পাৰ হৈ গ'ল আৰু পুৱা শুই উঠি মই অনুভৱ কৰিলো, মোৰ আগ ৰাতিৰ আবেগৰ তীব্ৰতা বহুখিনি কমি আহিছে। ৰাতিৰ অন্ধকাৰত আইক যিমান নিঃসংগ আৰু দুৰ্বল যেন লাগিছিল, তেওঁক অকলশৰে এৰি থৈ পলাই যোৱা যিমান অমানুষিক নিষ্ঠুৰতাৰ কাম যেন লাগিছিল, পুৱা শুই উঠি দিনৰ পোহৰত সেইটো ভাবৰ আতিশয্য বুলিহে মোৰ অনুভৱ হ'ল। লগতে মোৰ ভাব হ'ল, ৰাতি গোটেই সমস্যাটোক মই কেৱল আইৰ চকুৰেহে চাইছিলো, কিন্তু আচলতে সেই বিষয়ে মোৰ ফালৰপৰা মোৰ চকুৰে চাবলৈকো বহুত কথা আছে। আয়ে তেওঁৰ মানসিক অসুস্থতা আৰু উন্মাদনাৰ বশবৰ্তী হৈয়েই হওক বা আন যি-কোনো কাৰণেই হওক, জীৱনৰ যি পথলৈ মোক নমাই নিব খুজিছে, সেই পথত এবাৰ নামিবলৈ হ'লে মোৰ আৰু ঘূৰিবৰ বাট নাথাকিব, মই একেবাৰে ৰসাতলে যাম। কিন্তু ঘৰত থাকিলে মোৰ সেই পৰিণতি অনিবাৰ্য্য। আই বুঢ়ী হৈ আহিছে, মৰিবলৈ হয়তো বেছি দিন নাই, দুদিনৰ কাৰণে নিঃসংগৰ যন্ত্ৰণাৰপৰা তেওঁক ৰখাবলৈ গৈ তেওঁ মৰাৰ পিছত মই হয়তো কেৱল নিঃসংগ নহয়, এটা পাপ-কলংকিত জীৱনৰ অপৰিসীম ঘৃণা আৰু কদৰ্য্যতাৰ পূতি-গন্ধ নৰকত চিৰকাল

পাছি মৰিব লাগিব। আয়ে যদি নিজৰ পেটৰ সন্তানক সেই নৰককৈ ঠেলি দিব পাৰে, তেন্তে কি মায়াৰ বন্ধনে মোক তেওঁৰ ওচৰত ধৰি ৰাখিব? হাততে আহি পৰা এই সোণালী সুযোগ মই যদি এবাৰ হেৰুৱাওঁ, জীৱনত দ্বিতীয়বাৰ কি নিশ্চয় নাহে। নিশ্চিত পতনৰপৰা ৰক্ষা পাবলৈ এয়েই মোৰ একমাত্ৰ সুযোগ। আইৰ ওচৰৰপৰা পলাই গৈ মই বাহিৰৰ জগতত কি পাম নাজানো, জীৱনটোক লৈ মই কি কৰিব খুজিছো সেই বিষয়ে মোৰ তিলমাত্ৰও ধাৰণা নাই, কিন্তু ঠিক এই মুহূৰ্তত মাত্ৰ এটা কথাই মই ভালকৈ জানো, সেইটো হৈছে: মই বেশ্যা হ'ব নোখোজো, মই বেশ্যা হ'ব নোখোজো।

বেশ্যা হোৱাৰ নিশ্চিত সম্ভাৱনাৰপৰা নিজকে ৰক্ষা কৰিবলৈ এদিন মই সেই অচিনাকী বাটৰুৱা তিৰোতাজনীৰ হাতত ধৰি বাহিৰ হ'লো অপৰিচিত জগতৰ বুকুলৈ, অজ্ঞাত অন্ধকাৰ ভৱিষ্যতৰ পথলৈ।

# দ্বিতীয় পৰ্ব

সমস্ত দেহ-মন আচ্ছন্ন কৰি বথা এটা অদ্ভুত নিচাৰ আৱেশত মই সম্পূৰ্ণ নিমগ্ন হৈ আছিলো, বাচ আহি কেতিয়া গুৱাহাটী পালেহি, সপোনত খোজ কঢ়া মানুহবদৰে মই কেতিয়া বুঢ়ীৰ পাছে পাছে বাচৰপৰা নামি আলিবাটত ভৰি দিলোহি—একো ক'বই নোৱাৰিলো ; ৰাস্তাৰ বিপৰীত ফালৰপৰা ৰিক্সা এখন টিলিং টিলিং কৈ আহি যপহ্ কৰে আমাৰ গাৰ ওচৰতে বৈ গ'ল, আৰু ৰিক্সাৱালাটোৱে খুচি মুখেৰে চিঞৰি উঠিল, 'হেই বুঢ়ী মাই !' তেতিয়াহে মই মোৰ জাগ্ৰত স্বপ্নাবেশৰপৰা থকমককৈ সাৰ পাই উঠিলো, আৰু এবাৰ বুঢ়ীৰ মুখলৈ এবাৰ ৰিক্সাৱালাটোৰ মুখলৈ অতি আচৰিত হৈ চাবলৈ ধৰিলো। বুঢ়ীয়ে মোৰ মুখৰ ফালে নোচোৱাকৈ মাত লগালে, 'উঠ সুবালা, ৰিক্সাত উঠ।'

অচিনাকী নগৰৰ ততোধিক অচিনাকী ৰাজপথেদি ৰিক্সা চলিবলৈ ধৰিলে।

কিছু সময়ৰ কাৰণে মই এটা বিৰাট বিস্ময়ত স্তব্ধ হৈ ৰ'লো। ৰাস্তাৰ যান-বাহনৰ দ্ৰুত গতিবেগৰ অদ্ভুত ছন্দ, অজস্ৰ বিচিত্ৰ মুখৰ বিচিত্ৰ-বেশী মানুহৰ অবিৰাম অহা-যোৱা, নগৰৰ ৰহস্যময় দেহৰপৰা ওলোৱা এটা আচহুৱা গন্ধ— এই সকলো মিলি এটা নতুন নিচাৰ আবেশে পুনৰ মোৰ চেতনাক আচ্ছন্ন কৰি পেলালে। কিন্তু তাতোকৈ মই বেছি আচৰিত হ'লো বুঢ়ীৰ মুখ ভংগীৰ অদ্ভুত পৰিবৰ্তনত। তেওঁৰ মুখখন যেন হঠাতে এটা কঠিন মুখাত পৰিণত হৈ গ'ল। পানী গোট মাৰি বৰফ হ'লে যেনেকৈ তাক পানী বুলি চিনিব নোৱাৰি, তেওঁৰ স্নেহ-কোমল মুখখনো হঠাতে গোট মাৰি এনে এটা ৰূপ ল'লে যে তেওঁক চিনি পোৱাই টান হৈ পৰিল। মুহূৰ্তে মুহূৰ্তে ৰাস্তাৰ দিশ সলাই ৰিক্সাখন দ্ৰুত গতিৰে কোনো এক নিৰুদ্দেশ স্থানলৈ আগ বাঢ়িবলৈ ধৰিলে। ৰিক্সাৱালাটোৱে বুঢ়ীক দেখা পাই প্ৰথমেই যি চিনাকী মাতেৰে সম্বোধন কৰিছিল, তাৰপৰাই মই অনুমান কৰি ল'লো যে সি বুঢ়ীৰ যৰ্ব চিনি পায়। তথাপি এটা বুজাব নোৱৰা অস্বস্তিৰে মোৰ মনটো ভাৰাক্ৰান্ত হৈ

উঠিল। বুঢ়ীৰ অস্বাভাৱিক নীৰৱতাই মোৰ মনলৈ এটা আচহুৱা ভীতি সঞ্চাৰিত কৰি দিলে। কিছুপৰৰ মূৰত সেই অৱস্থা অসহ্য হৈ উঠাত মই নিজেই মাত লগালো, ৰিক্সাৱালাটোৱে আপোনাৰ ঘৰ চিনি পায় হ'বলা ?'

বুঢ়ীয়ে মাত দিবলৈ নাপালেই, ৰিক্সাৱালাটোৱে হো-হোকৈ হাঁহি চিঞৰি উঠিল, 'চুকুৰিটোৱে কি কথা কয় হে বুঢ়ীমাই ? গুৱাহাটীত বুঢ়ীমাইৰ ঘৰ চিনি নোপোৱা ৰিক্সাৱালা কোন আছে, হেঁ ?......'

সি বোধহয় আৰু কিবা ক'লেহেঁতেন, হঠাৎ বুঢ়ীয়ে কঢ়া শাসনৰ সুৰত অনুচ্চ কণ্ঠেৰে মাত লগাই উঠিল, 'চুপ থাক ৰামলাল, বেছি বক্‌বক্ নকৰিবি।'

ৰামলাল অচল যন্ত্ৰবদৰে তৎক্ষণাৎ নীৰৱ হৈ গ'ল।

আৰু কিছুদূৰ গৈয়েই ৰাস্তাৰ একাষৰীয়াকৈ ৰিক্সাখন ঘপহ্‌ কৰে বৈ গ'ল। বুঢ়ীক তাতে ৰিক্সাৰপৰা নমা দেখি মই বুজিলো, আমি আমাৰ গন্তব্য স্থান আহি পাইছোহি। ময়ো ৰিক্সাৰপৰা নামি তেওঁৰ কাষতে থিয় হৈ ইফালে সিফালে চাবলৈ ধৰিলো৷ ৰাস্তাৰ দুয়োকাষে ঠেলা-ঠেলিকৈ থিয় হৈ থকা বহুতো ভাল বেয়া ঘৰ, তাৰ ভিতৰত দোকান আৰু হোটেলেই বেছি ; কিন্তু সেই-বোৰৰ ভিতৰত বুঢ়ীৰ ঘৰ কোনটো হ'ব পাৰে বা তেওঁৰ ঘৰ এনে জৰাজীৰ্ণ কেনেকৈ হ'ব পাৰে, সেই কথা ভাবি মই বৰ আচৰিত হ'লো। সেই ঘৰবোৰলৈ সোমাই যাবলৈ এটা নিৰ্দিষ্ট পদুলি পৰ্য্যন্ত মোৰ চকুত নপৰিল। মই এইবোৰ গুণা-গঁঠা কৰি থাকো মানে বুঢ়ীয়ে ৰিক্সাৱালাটোক পা-পইছা দিয়া কাম শেষ কৰিলে। হঠাতে বুঢ়ী আৰু ৰিক্সাৱালাটোৰ ভিতৰত দুটা মাত্ৰ শব্দৰ এটা অদ্ভুত কথোপকথন মোৰ কাণত পৰিল। ৰিক্সাৱালাটোৱে অনুচ্চ কণ্ঠেৰে প্ৰশ্ন কৰিলে, 'আনিম'? বুঢ়ীয়ে উত্তৰ দিলে, 'নালাগে।' বিস্ময়ৰ ওপৰত বিস্ময়ৰ আঘাতৰদৰে এই অদ্ভুত সাংকেতিক শব্দবিনিময়ে মোক আৰু বেছি হতভম্ব কৰি তুলিলে।

টিলিং টিলিং শব্দ কৰি ৰিক্সাখন গুচি গ'ল। বুঢ়ীয়ে মোৰ ওচৰলৈ আহি মাত লগালে, 'বল।'

[ ২ ]

বুঢ়ী যিফালে আগ বাঢ়িল, সেইফালে চকু ঘূৰাই মই দেখিলো—এটা দুমহলীয়া টিনৰ ঘৰ ভগাছিগা অৱস্থাত কোনমতে. থিয় হৈ আছে। ঘৰটো কিন্তু পৰিত্যক্ত নহয়; বাহিৰৰপৰা দেখিয়েই ক'ব পাৰি, সেইখন এখন হোটেল। প্ৰথমতে মোৰ ভাব হ'ল, বুঢ়ীয়ে কি জানি হোটেলখনৰ ফালেই আগ বাঢ়িছে। ৰাস্তাৰ কাষৰ এহাতমান বহল নৰ্দমা এটা প্ৰায় জাপ মাৰি পাৰ হৈ মই হোটেলখনৰ পশ্চিমফালৰ বেৰখনৰ কাষত থিয় দিলোগৈ অলপ আগতেই মই দেখিছিলো, সেই বেৰখনৰ কাষৰেপৰা এখন ওখ বাঁহৰ বেৰা আৰম্ভ হৈ ৰাস্তাৰ সমান্তৰালভাৱে প্ৰায় দহ-বাৰ হাতমান দীঘল হৈ আগ বাঢ়ি গৈছে কিন্তু তাৰ ভিতৰলৈ যাব পৰাকৈ হোটেলৰ বেৰখনৰ কাষতে-যে এখন সৰু জপনা খুব কৌশলেৰে দিয়া আছে, সেইটো মোৰ চকুতেই পৰা নাছিল। জপনাখন খুলি বুঢ়ীয়ে মোক ভিতৰলৈ ঠেলি দিলে, আৰু নিজেও সোমাই পুনৰ ভিতৰৰপৰা জপনাখন বান্ধি পেলালে।

ভিতৰলৈ সোমায়েই হঠাৎ যেন মোৰ দৃষ্টি অন্ধ হৈ গ'ল, উশাহো বন্ধ হোৱাৰ উপক্ৰম হ'ল। বেৰাখনৰ কাষতেই যে এটা ঘৰ লাগি আছে, সেই কথা মই ভাবিবই পৰা নাছিলো। স্বাভাৱিকতেই অলপ মুকলি ঠাইৰ সন্ধানত মই চকু দুটা সমুখৰ ফালে মেলি দিছিলো, হঠাৎ মোৰ দৃষ্টি প্ৰতিহত হৈ গ'ল এছলীয়া ঘৰ এটাৰ জৰাজীৰ্ণ বেৰ এখনত। বেৰখন আৰু ঘৰটোৰ মাজত তিলমাত্ৰ মুকলি ঠাই নাই। পাছফালে ঘূৰি চাই মই দেখিলো—বাহিৰৰপৰা সামান্য যেন দেখা সেই বাঁহৰ বেৰাখন এইবাৰ যেন মূৰ্তিমান হৈ উঠিল তাৰ স্বকীয় সত্তাৰ অদ্ভুত বৈশিষ্ট্যৰে : বাহিৰৰ সমস্ত পৰিচিত জগতৰ লগত সি এটা দুস্তৰ ব্যৱধান। মই এইবোৰ ভাবি থাকো মানে বুঢ়ীয়ে তলা খুলি দুৱাৰখন মেলি মোক মাত লগালে, 'বৈ আছ কিয় সুবালা, সোমাই আহ।' মই এখোজ দুখোজ কৈ আগ বাঢ়ি গৈ ঘৰৰ পিৰালীতে থিয় দিলোগৈ, আৰু চাৰিওফালে চকু ফুৰাই ঘৰটো আৰু তাৰ আচহুৱা পৰিবেশটো নিৰীক্ষণ কৰিবলৈ ধৰিলো। ঘৰৰ পিৰালীত থিয় দিয়ে মোৰ প্ৰথম ভাব হ'ল যে গধূলি হ'বলৈ বোধ হয় বেছি সময় নাই। কিন্তু যপহ, কৰে মোৰ মনত পৰিল যে এতিয়াতো ভৰ-দুপৰীয়া,

অলপ আগতে বাস্তাত থিয় হৈ থাকোতে ব'দত গা দেই-পুৰি গৈছিল, হঠাৎ তেন্তে ইমান এন্ধাৰ ক'ৰপৰা আহিল ? বাচ আহি গুৱাহাটী পোমোৱাৰ দ্ৰুত গতিৰে মই তাৰ ভিতৰলৈ সোমাই গৈছো যে ইন্দ্ৰিয়-গ্ৰাহ্য বস্তু বা ঘটনা-প্ৰবাহৰ লগত যেন সমানে তাল ৰাখি চলিবলৈ মোৰ বুদ্ধি বা চেতনা সম্পূৰ্ণ ব্যৰ্থ হৈ পৰিছে, মোৰ মনত সকলো খেলিমেলি লাগি গৈছে। কিছু সময় একো নাভাবি মই মনটো প্ৰকৃতিস্থ অৱস্থালৈ আনিবলৈ চেষ্টা কৰিলো। তাৰপাছত আকৌ লাহে লাহে মই পৰিবেশটো নিৰীক্ষণ কৰিবলৈ ধৰিলো। তৰ-তুপৰতে ঠাইখন ইমান কিয় এন্ধাৰ এইবাৰ মই বুজি পালো। পুবফালে থিয় হৈ আছে তুমহলীয়া হোটেল ঘৰটো, বুঢ়ীৰ একহলীয়া ঘৰটোৰ চালখন হোটেলৰ পশ্চিম ফালৰ পকা বেৰখনৰ আধাখিনি ওখৰপৰাই লগালগি হৈ আৰম্ভ হৈছে। দক্ষিণফাল আগুৰি আছে ঘৰটোতকৈয়ো ওখ এগন ইটাৰ দেৱালে। পশ্চিম-ফালেও কেবাটো ওখ ওখ ঘৰ। উত্তৰ ফালে আমি এইমাত্ৰ পাৰ হৈ অহা বাঁহৰ ওখ বেৰাখন। অৰ্থাৎ ঘৰটো বা তাৰ সমুখৰ অকণমান পিৰালীটোলৈ কোনো ফালেই অকণো বেলিৰ পোহৰ সোমাব নোৱাৰে, সি যেন এখন চিৰ-অন্ধকাৰৰ ৰাজ্য। কোনোদিন বেলিৰ পোহৰ বা উত্তাপ নপৰাৰ ফলত ঘৰটোৰ মজিয়াখন আৰু তাৰ সমুখৰ অকণমানি ঠাইডোখৰৰ মাটিবোৰ ক'লা আৰু সেমেকা, চাৰিওদিশ বন্ধ হৈ থকাৰ কাৰণে মুকলি বতাহ ওলাব-সোমাব নোৱৰাৰ ফলত ভিতৰৰ বন্ধ বতাহখিনি কিবা এটা দুৰ্গন্ধৰ ভাপত গধুৰ। উশাহ লবলৈকে ঘিণ ঘিণ লাগে, বুকুৰ ভিতৰলৈ বিষ-বাষ্প সোমাই যোৱা যেন লাগে। মই নিজে পৃথিৱীৰ চৰমতম দাৰিদ্ৰ্যৰ কোলাত ডাঙৰ হোৱা ছোৱালী, চালেদি আকাশ দেখা ঘৰৰ তলতেই মোৰ গোটেই জীৱন গৈছে, সেই ময়ো কোনোদিন কল্পনাও কৰিব পৰা নাছিলো যে পৃথিৱীত এনেকুৱা মানুহো আছে —যি আন কি ঈশ্বৰৰ দান মুক্ত আৰু পবিত্ৰ বায়ু সেৱনৰপৰাও বঞ্চিত। বেলিৰ পোহৰ আৰু মুকলি বতাহ সোমাব নোৱৰা, কোনোদিন আকাশ নেদেখা এই নৰক-কুণ্ড হেন ঠাইত বেচেৰি বুঢ়ীজনীয়ে কেনেকৈ দিনৰ পাছত দিন অতি-বাহিত কৰিছে, সেই কথা ভাবি মোৰ মনটো গভীৰ দুখেৰে ভৰি গ'ল। নিজৰ ক্ষেত্ৰত এই বুলিয়েই সান্ত্বনা লাভ কৰিলো যে মইতো ইয়াত চিৰকাল থাকিব নালাগে, আশ্ৰমত ভৰ্তি হোৱাৰ লগে-লগেই মই ইয়াৰপৰা গুচি যাম।

কিছু পৰৰ মুখত বুঢ়ী ওলাই আহিল। দেখিয়েই বুজিলো যে তেওঁ গা ধুই ওলাই আহিছে। মোৰ ফালে চাই তেওঁ ক'লে, 'তই বাহিৰতে তেনেকৈ

বৈ আছ কিয় ? ভিতৰলৈ যা। তোক এটা বেলেগ কোঠা দিছো। কাপোৰ কানি সলাই গা ধো। মই পাক ঘৰত লোমাওঁ।

মই ভিতৰলৈ সোমাই গ'লো। এইবাৰত ভিতৰখন ভালকৈ মনিবই নোৱাৰি। তাৰ ভিতৰতে মোৰ চকুত পৰিল, বুঢ়ীৰ অৱস্থা আমাৰ ঘৰৰ দৰেই। একেটা কোঠাতে এচুকত ডাঙৰ চৌকা, আনহাতে বেৰৰ কাষত বুঢ়ীৰ বিছনা। বুঢ়ীয়ে একেবাৰে অকলশৰীয়া সেই কথা মই ভাবিবই পৰা নাছিলো বা তেওঁত মোক কোৱাও নাছিল। বুঢ়ীৰ কোঠাটোৰ এচুকলৈ এখন দুৱাৰ দেখি মই সেই ফালে সোমাই গ'লো। মই বুজিলো—সেইটোৱেই মোক দিয়া কোঠা। কোঠাটোত সোমায়েই যিটো বস্তুৱে প্ৰথমে মোৰ বিস্মিত দৃষ্টি আকৰ্ষণ কৰিলে, সি হ'ল বহল ছালপীৰা এখনত সুন্দৰকৈ পাৰি থোৱা এখন পৰিষ্কাৰ ধপধপীয়া বিছনা। বুঢ়ীৰ জৰাজীৰ্ণ অন্ধকাৰ ঘৰটোত সেই সুন্দৰ বিছনাখন ইমান খাপ নোখোৱা যেন লাগিছিল যে খন্তেকৰ কাৰণে মই কি ভাবিম একো ঠিৰাং কৰিব নোৱৰাৰ দৰে হতবুদ্ধি হৈ ৰ'লো। লগে লগে মোৰ প্ৰতি এনে বিশেষ আদৰ-যত্ন কৰাৰ কাৰণে মনে মনে বুঢ়ীৰ প্ৰতি গভীৰ কৃতজ্ঞতা অনুভৱ কৰিলো। তাতে কাপোৰ-কানি সলাই গা ক'ত ধুম সুধিবৰ কাৰণে মই আকৌ বুঢ়ীৰ ওচৰলৈ আহিলো।

তেওঁ তেতিয়া ভাতৰ চৰুৰ তলত জুই দিছিল। মোক দেখিয়েই তেওঁ মাত লগালে, 'তই বোধহয় পায়খানালৈ যাবি নহয় ? ব'ল তোক পায়খানা আৰু গাধোৱা ঠাই দেখুৱাই আহোঁ।' বুঢ়ীৰ পাছে পাছে মই দক্ষিণৰ ইটাৰ দেৱালখনৰ ফালে আগ বাঢ়ি গ'লো। হোটেলৰ পাছফালৰ পায়খানা এটাৰ ফালে দেখুৱাই বুঢ়ীয়ে মোক কলে, 'তালৈকে যা। সেই টিনটোতে পানী আছে। সেইটো হোটেলৰহে পায়খানা, কিন্তু মোক ব্যৱহাৰ কৰিবলৈ দিয়ে। গা ধুবলৈ আমাৰ ঘৰৰ পশ্চিমফালে যাবি। তাত মই পানী থৈ দিছো।'

পায়খানাৰ অভিজ্ঞতা মোৰ এয়ে প্ৰথম। পায়খানাৰ দুৱাৰখন আছিল টিনৰ, মামৰে খাই তাৰে মাজে মাজে এচমকা এৰি গৈছে। পায়খানাৰ ভিতৰত সোমাই সেইখন দুৱাৰৰ দ্বাৰা যে মানুহে কেনেকৈ আত্ম-গোপন কৰে, সেই কথা ভাবি মই বৰ আচৰিত হ'লো। যা হওক, ওচৰত কোনো মানুহ-দুনুহ নেদেখি মই সাহ কৰি পায়খানালৈ সোমাই গ'লো। ভিতৰ সোমায়েই মই যি নৰক কুণ্ডত পৰিলোগৈ, তাৰ অবৰ্ণনীয় বীভৎসতাৰ মাজত উশাহ-নিশাহ লব নোৱাৰি মোৰ সৰ্ব-শৰীৰ ঠকঠককৈ কঁপিবলৈ ধৰিলে। পায়খানাটোৰ তলে-ওপৰে

বহুদিনৰ পুঞ্জীভূত ময়লা গেলি-পচি গোন্ধ দি এনে অৱস্থা হৈছে যে মোৰ ধাৰণা হ'ল, নৰকো নিশ্চয় ইয়াতকৈ বেছি বীভৎস হ'ব নোৱাৰে। চকুৰে মই অন্ধকাৰ দেখিবলৈ ধৰিলো, উশাহ-নিশাহ বন্ধ হৈ গ'ল, আৰু মোৰ ভাব হ'ল যি দুৰ্গন্ধ বিষাক্ত বতাহ মোৰ গাত লাগিছে, সাতোখন সাগৰৰ পানীয়ে ধুইয়ো তাক মই গাৰপৰা গুচাব নোৱাৰিম। জাপ মাৰি দুৱাৰখন খুলি মই বাহিৰলৈ ওলাই আহিলো।

ঘৰটোৰ মুখেদি ঘূৰি পশ্চিমফালৰ গাধোৱা ঠাইলৈ যাবৰ কাৰণে মই ইটাৰ দেৱালখনৰ কাষেৰে আগ বাঢ়িলো। কিন্তু সেই ফালে গৈয়ো দেখিলো, দেৱালখনৰ কাষৰ নলী এটাইদি পায়খানাৰ গলিত ময়লাৰ ধাৰা বাগৰি আহি খোজ দিবলৈকে ঠাই নোহোৱা কৰি ৰাখিছে, তাৰে দুই এটা ধাৰ ঘৰটোৰ দক্ষিণ ফালৰ বেৰখনৰ কাষলৈকে বিয়পি পৰিছে। অথচ বেৰখনৰ ঠিক সিফালেই ভাতৰ চোকা।

পিতনিত পৰি নিশ্চিত জীৱন্ত সমাধিৰ বুকুলৈ সোমাই যোৱা মানুহৰদৰে মোৰ গোটেই গাটো নিজে নিজেই প্ৰচণ্ডভাৱে ধৰফৰাই উঠিল। মোৰ কেৱল ভাব হ'ল, বুঢ়ীয়ে মোক উদ্ধাৰ কৰিবৰ কাৰণে ইয়ালৈ লৈ আহিছে, কিন্তু তেওঁক এই নৰককুণ্ডৰপৰা উদ্ধাৰ কৰে কোনে ?

[ ৩ ]

ভাত-পানী খাই এঘুমটি শুই আবেলি পৰত বাহিৰলৈ ওলাই আহি দেখো, বুঢ়ীয়ে পিৰালীতে ঠেলা এখন পাৰি লৈ বিড়ী হুপি হুপি বহি আছে। কিবা এটা চিন্তাত তেওঁ ইমান তন্ময় হৈ আছিল যে মোৰ উপস্থিতি তেওঁ অনুভৱেই কৰিব নোৱাৰিলে। হঠাৎ বুঢ়ীৰ মুখলৈ চাই মই অতি আচৰিত আৰু আতংকিত হৈ আৱিষ্কাৰ কৰিলো যে যিজনী তিৰোতাক মই আমাৰ ঘৰত দেখা পাইছিলো, এওঁতো সেই মানুহ নহয়, এয়া যে এজনী একেবাৰে বেলেগ তিৰোতা। কেৱল কথা-বাৰ্তা বা আচৰণ নহয়, মুখৰ চেহেৰাও একেবাৰে বেলেগ। মই যিজনী মানুহ আমাৰ ঘৰত দেখিছিলো, তেওঁ আছিল ক'লা, ক্ষীণ, মুখৰ ঘৰত ওৰণি লোৱা এজনী আদহীয়া তিৰোতা ; চকু দুটা শান্ত আৰু কোমল, ভাবোল খোৱা মুখত সলসলকৈ কথা ওলাই থাকে, মনোযোগ দি কথা শুনিবৰ সময়ত

চকু দুটা এনেকৈ বহলকৈ মেলি কওঁতাজনৰ মুখলৈ চাই থাকে যে কথা কবলৈ উৎসাহ বাঢ়ি যায় ; তেওঁ নিজে কথা ক'ব বা শুনিবৰ সময়ত সহানুভূতি, বিস্ময়, খং, অভিমান, আদৰ আদি সকলো ভাব—কথা অনুযায়ী তেওঁৰ মুখত বিচিত্র ৰেখাৰে প্রকাশিত হৈ উঠে। হাঁহিবৰ সময়ত কেৱল দাঁতৰ ওপৰ পাৰি ওলাই তেওঁৰ মুখত নাকৰ তলৰপৰা ঠুতৰিলৈকে এনে এটা মধুৰ ভংগী হয় যে বয়সত তেওঁ বেছ সুন্দৰী আৰু ৰসালাপী তিৰোতা আছিল বুলি ভালকৈ বুজিব পাৰি। কিন্তু এতিয়া মোৰ চকুৰ আগত ঠেলাত লেপেট কাঢ়ি বহি বিড়ী হুপি থকা তিৰোতাজনী ভীষণ কলা আৰু ক্ষীণ, ওৰণি নোহোৱা মূৰটোৰ আধা-পকা চুলিবোৰে মুখৰ ক'লা ৰংটোক আৰু বেছি প্রকট কৰি তুলিছে, চিন্তাৰ তন্ময়তাত মুখখন ঠুতৰিৰ ফালে আপচুভাৱে জোঙা হৈ পৰিছে, শূন্যত নিবদ্ধ চকুৰ স্থিৰ দৃষ্টিত এনে এটা ঠাণ্ডা হিংস্রতা ফুটি উঠিছে যে দেখিলেই এটা অশুভ পৰিস্থিতিৰ চেতনা মনত উদয় হয়, মুখখনলৈ কিছু সময় একেবাহে চাই থাকিলে মটা-মাইকীৰ চিন নোহোৱা এটা অদ্ভুত পদার্থ যেন লাগে। কিছু সময় বুঢ়ীৰ মুখলৈ চাই থাকি এটা অজান আতংকত মোৰ সর্ব শৰীৰ শিহৰি উঠিল। মোৰ কপালত কেঁচা ঘাম বিৰিঙি উঠিল।

হঠাৎ এবাৰ বুঢ়ীয়ে মোৰ উপস্থিতি অনুভব কৰিলে, আৰু এটা ভীষণ পাপ-কার্য্যত লিপ্ত অৱস্থাত হাতে হাতে ধৰা পৰি যোৱা মানুহৰদৰে তেওঁৰ মুখখনে মুহূর্তৰ ভিতৰতে কেবাবাৰো বৰণ সলালে। কিন্তু সি মাত্র এক মুহূর্তৰ কাৰণে। তৎক্ষণাৎ তেওঁ নিজকে সংযত কৰি লৈ মোৰ ফালে চাই প্রশ্ন কৰিলে, 'তোৰ কিবা অসুখ কৰিছে নে কি ? মুখখন দেখোন কেনেবা যেন দেখিছো।'

তেওঁৰ প্রশ্নটো মই কাণতেই নুতুলিলো। মই ঘূৰাই তেওঁক প্রশ্ন কৰিলো, 'মোক আশ্রমলৈ কেতিয়া লৈ যাব ?'

ঠিক সেই মুহূর্তত মোৰ তেনে এটা প্রশ্নৰ কাৰণে তেওঁ বোধ হয় সাজু নাছিল। তেওঁ অলপ ঠৎমত খাই গ'ল। মোৰ মুখৰপৰা দৃষ্টি আঁতৰাই নি তেওঁ লাহে লাহে উত্তৰ দিলে, 'আজি তই আহি পাইছহি মাত্র, ইমান লৰালৰি-খন লগাইছ কিয় ? পৰহিমানলৈকে মই তোক আশ্রমলৈ লৈ যাম। তই এতিয়া ঘৰত অলপ সময় অকলে থাকিব লাগিব। মই বজাৰৰপৰা আহোঁ।'

মোক আৰু একো কথা কবলৈ সুবিধা নিদি বুঢ়ী থিয় হ'ল আৰু বজাৰলৈ বুলি ওলাই গ'ল।

হঠাৎ মোৰ মনত এটা সন্দেহৰ উদয় হ'ল যে বুঢ়ীয়ে যেন মোক আশ্রমলৈ

লৈ যোৱাৰ প্ৰশ্নটো এৰি যাব পাৰিলেই ভাল পায়। তেওঁৰদৰে এনে জৰাজীৰ্ণ কদৰ্য্য পৰিবেশত পৰি থকাকেও কিছু নোহোৱা তিৰোতা এজনীৰ পক্ষে মোক আশ্ৰয়ত ভৰ্তি কৰি দিয়া সম্ভৱ হয় নে নহয়, সেই বিষয়েই মোৰ এতিয়া সন্দেহ হ'বলৈ ধৰিলে। বুঢ়ীৰ যি অৱস্থা, মোতকৈ তেওঁৰেই এটা নিৰাপদ আশ্ৰয়ৰ বেছি প্ৰয়োজন। তেনেস্থলত নিজে নৰকত পচি থাকি তেওঁ আনক উদ্ধাৰ কৰি ফুৰিবলৈ উপযাচি আগবঢ়াৰ গুৰিতে কি উদ্দেশ্য আছে সেই কথা ভাবি মই বিমূঢ় হৈ পৰিলো। তেওঁ যদি মোক মিছা কথা কৈহে এনেকৈ লৈ আহিছে, তেনেহলে তেওঁৰ নিশ্চয় কিবা এটা গোপন অভিসন্ধি আছে। কিন্তু কি সেই অভিসন্ধি?......সেইবিলাক কথা চিন্তা কৰিবলৈ মোৰ আৰু সাহস নাছিল; ল'ৰা-ছোৱালীয়ে ভূতৰ ভয়ত গাৰুত মুখ গুজি আত্ম-গোপন কৰাৰদৰে ময়ো অবশভাৱে ঠেলাখনতে বহি পৰি দুই আঁঠুৰ মাজত মুখ লুকুৱালো।

সেইদৰে কিমান সময় গ'ল মোৰ খবৰ নাছিল। মোৰ বাহ্যিক চেতনাও বোধহয় কিছু সময়ৰ কাৰণে লোপ পাই গৈছিল। এটা অসহ্য নিঃসংগৰ অনুভূতিয়ে প্ৰকাণ্ড পাথৰ এটাৰদৰে মোক হেঁচা মাৰি চেপেটা কৰি ৰাখিছিল, তাৰ হেঁচাত মোৰ হৃদয় ভাগি-ছিগি গুড়ি হোৱা শব্দৰ বাহিৰে আন একো শব্দই মোৰ কাণত পৰা নাছিল। কিন্তু হঠাৎ এবাৰ মোৰ ধ্যান ভাগিল। খুব দীঘলীয়া আৰু অৰ্থপূৰ্ণ সুহুৰিৰ শব্দ এটা শুনি মই চক্ খাই উঠিলো। ইফালে সিফালে চাই মই এবাৰ দেখিলো, পায়খানাৰ ওচৰতে গেঞ্জি আৰু লুঙী পিন্ধা মানুহ এটা হাতত ঘটি এটা লৈ থিয় হৈ আছে, আৰু মোৰ ফালে চাই চাই সি কুৎসিত হাঁহি এটা মাৰি সুহুৰি বজাব ধৰিছে। মই তৎক্ষণাৎ তাৰপৰা চকু ঘূৰাই আনি মুখত নিৰ্বিকাৰ ভাব এটা লৈ আন এফালে চাবলৈ ধৰিলো। কিন্তু ভিতৰে ভিতৰে মোৰ দেহ-মন কণ্টকিত হৈ উঠিল। ছোৱালী হ'লো বুলিয়েই কেতিয়াও নেদেখা-নুশুনা মানুহ এটাই কি সাহত এনে অশ্লীল ইংগিত দি মোক জোকাব পাৰিলে, সেই কথা ভাবি মই একেবাৰে স্তব্ধ হৈ গ'লো। কিন্তু মোক আৰু বেছি অবাক কৰি দি মানুহটোৱে এইবাৰ মুখেৰে মাত লগাই উঠিল, 'থেৎ, মই আকৌ তোক পাকল বুলিহে ভাবিছিলো। তই নতুনকৈ আহিছ বোধহয়?...বুঢ়ী বাইজনী কম ওস্তাদ তিৰোতা নহয় দে। দিনে দিনে একোটা নতুন মাল আমদানী কৰিব পাৰে। ...কি নাম তোৰ? বাপ্‌ৰে, বাপ্, একেবাৰে টাইকা যেন

পাইছো, মুখেৰে মাত লবলৈকে শিকা নাই। ভালেই হৈছে দে। সেই মুৰ্টকি-কচ্‌কি-ভুচ্‌কিবোৰ দেখি দেখি চকুহে বিষাইছিলগৈ আৰু কিমান দিনৰ মূৰত যে তোৰদৰে টাট্‌কা বস্তু দেখিলো।...যাম নে কি এবাৰ?...আচ্ছা আচ্ছা, যাব্‌ৰাও মৎ। এই হোটেলতেইতো থাকো, বোজ্‌ দেখা হ'ব হুঁ ওওওওওওৎ...হুঁ ওওওওওওৎ!'......

মানুহটো বোধহয় পায়খানালৈ সোমাই গ'ল। মই উন্মাদবদৰে ধপহ্‌ কৰে থিয় হৈ দোৰ মাৰি ভিতৰলৈ সোমাই গ'লো আৰু বিছনাখনত জাপ মাৰি উবুৰি হৈ পৰি গ'লো। ভূমিকম্পত গোটেই পৃথিৱীখন কঁপি উঠি মোক বিছনা-খনৰ ওপৰত নচুৰাবলৈ ধৰিলে, চাৰিওফালৰ ভয়ংকৰ পতনৰ শব্দত মোৰ দুয়োখন কাণ তাল মাৰি গ'ল। এইদৰে বহুত সময় গুজৰি-গুমৰি নাচি বাগি পৃথিৱীখন এবাৰ শান্ত হৈ পৰিল। প্ৰলয়ৰ পিছৰ মৃত পৃথিৱীবদৰে চাৰিওফালে গহীন অন্ধকাৰ আৰু ভীষণ নীৰৱতা বিৰাজ কৰিবলৈ ধৰিলে। চকু দুটা নেমেলাকৈয়ে মই অনুভৱ কৰিবলৈ ধৰিলো, পৃথিৱীত আৰু এটাও মানুহ বাকী থকা নাই, প্ৰলয়ৰ এই ধ্বংসাৱশেষৰ মাজত অকলশৰে শুই আছো কেৱল মই।

অৱশেষত মই বুজিলো, ইয়াৰ পাছত আৰু একোৱেই আগৰদৰে হৈ নাথাকিব।

[ ৪ ]

ৰাতি আঠটামান বজাত মই বিছনাত শুই আছো, বুঢ়ীয়ে ভাত ৰান্ধি আছে। আবেলিৰ ঘটনাটো মই তেওঁক কম কম বুলিও কোৱা নাই, ভাত-পানী খাই উঠাৰ পাছত লাহে-ধীৰে কম বুলি ভাবি আছো। হঠাৎ এবাৰ বাহিৰত কাৰোবাৰ ভৰিৰ শব্দ যেন শুনি মোৰ কাণ দুখন থিয় হৈ উঠিল। অলপ পাছত দুৱাৰত এটা মৃদু টোকৰৰ শব্দ হ'ল। বুঢ়ী বাহিৰলৈ ওলাই যোৱা মই গম পালো। দুৱাৰখন খুলিয়েই বুঢ়ীয়ে ফুচ্‌-ফুচাই মাত লগালে, 'গণ্ডগোল নকৰিবি। এইফালে আহ, কথা আছে।' ইয়াৰ পাছত দুয়ো কিছু দূৰলৈ আঁতৰি গৈ পুনৰ ফুচ্‌-ফুচাই কথা পাতিবলৈ ধৰিলে। সিহঁতৰ কথাবোৰ মোৰ কাণত নেপেলাবৰ কাৰণেই যে দুয়ো আঁতৰি গৈছে সেই কথা বুজিবলৈ মোৰ বাকী নাছিল, গতিকে স্বাভাৱিকতেই মই বেছি কৌতূহলী হৈ উঠিলো।

বিছনাৰপৰা উঠি গৈ অলপ আঁতৰৰপৰা চুৰকৈ সিহঁতৰ কথা-বাৰ্ত্তা শুনিবলৈ মোৰ মন গ'ল। কিন্তু উঠিবলৈ চেষ্টা কৰি মই দেখিলো, মোৰ গাত যেন একেবাৰে বল-শক্তি নাই, ভূতৰ ভয়ে পোৱা মানুহৰদৰে মোৰ দেহৰ সমস্ত অংগ-প্ৰত্যংগ অসাৰ হৈ পৰিছে। বিছনাত নিশ্চলভাৱে শুই শুই মই সিহঁতৰ কথা-বাৰ্ত্তালৈ কাণ পাতিবলৈ চেষ্টা কৰিলো। সিহঁতে কি কৈছে ঠিক অনুসৰণ কৰিব নোৱাৰিলেও মই স্পষ্ট অনুভব কৰিলো, মটা মানুহ এটাই অতি উত্তেজিতভাৱে, বোধহয় অলপ খঙেৰেও, বুঢ়ীৰ ওচৰত কিবা এটা দাবী কৰিছে, আৰু বুঢ়ীয়ে পাৰ্য্যমানে তাক বঢ়াই-বুজাই নিবস্ত কৰিবলৈ চেষ্টা কৰিছে। অলপ পাছত সিহঁতৰ ফুচ্-ফুচানি বন্ধ হ'ল। জোতাৰ পেৰেপ্-শব্দ কৰি মানুহটো বাস্তাৰ ফালে ওলাই যোৱা মই গম পালো। মানুহটোৰ যে খুব খং উঠিছে, তাৰ ভৰিৰ শব্দতেই মই সেই কথা ভালকৈ অনুভব কৰিলো।

ভাত-পানী খাই উঠাৰ পাছতহে বুঢ়ীৰ লগত কিবা এটা হিচাপ-নিকাচ কৰিম বুলি মই মনতে ঠিক কৰি থৈছিলো। কিন্তু এই ঘটনাৰ পাছত মোৰ আৰু অপেক্ষা কৰিবলৈ ধৈৰ্য্য নাথাকিল। বুঢ়ী ভিতৰলৈ সোমাই আহি চৌকাৰ ওচৰত বহাৰ লগে লগে মই তেওঁৰ কোঠালৈ সোমাই আহিলো আৰু বেৰৰ কাষতে পীৰা এখন পাৰি বহি পৰিলো। বুঢ়ীয়ে অলপ আচৰিত হৈ মোৰ ফালে ঘূৰি চালে। ঠিক সেই মুহূৰ্ত্তত মোৰ মুখখন দেখিবলৈ কেনেকুৱা হৈছিল মই নিজে ক'ব নোৱাৰো, কিন্তু মোৰ মুখত চকু পৰাৰ লগে লগে বুঢ়ী যেন অলপ উচপ্ খাই উঠিল। লগে লগে কিবা এটা ভয় গোপন কৰিবলৈ কৰা চেষ্টা তেওঁৰ মুখত স্পষ্টভাৱে ফুটি উঠিল। মোৰ দৃষ্টিৰপৰা মুখখন ঘূৰাই নিবলৈ তেওঁ তুবাৰমান ব্যৰ্থ চেষ্টা কৰিলে। অৱশেষত নিজৰ সেই বিব্ৰত অৱস্থা মোৰ চকুত ধৰা নেপেলোৱাকৈ ৰাখিবৰ মনেৰে অপ্ৰয়োজনীয় ৰূঢ়ভাৱে তেওঁ মাত লগাই উঠিল, 'তোকতো ভাত খাবলৈ মতা নাছিলো, এতিয়াই আহি পীৰা পাৰি বহিলি কিয়?'

মই লগে লগে তেওঁৰ কথাৰ একো উত্তৰ নিদিলো। তেওঁৰ কথা মোৰ কাণতেই নোসোমোৱাৰদৰে মুখ-ভংগী কৰি অলপ সময় মই নীৰৱে নিৰ্বিকাৰ হৈ বহি ৰলো। মোৰ নীৰৱতা আৰু নিৰ্বিকাৰ মুখ-ভংগীয়ে বুঢ়ীক যেন আৰু বিব্ৰত কৰি তুলিলে। তেওঁ তেতিয়া দপ্দপ্কৈ জ্বলি থকা জুই ফুৱাকে খুব জোৰে জোৰে ফুৱাবলৈ আৰম্ভ কৰিলে। মই তেনেতে গহীনাই মাত লগালো,-

'বুঢ়ীমাই ( এই প্ৰথম মই তেওঁক বুঢ়ীমাই বুলি সম্বোধন কৰিলোঁ ), এইমাত্ৰ যে মানুহটো আহিছিল, তেওঁ তোমাৰ কি হয় ?'

বুঢ়ীয়ে হিংস্ৰ দৃষ্টিৰে মোৰ ফালে ঘূৰি চাই উত্তৰ দিলে, 'সি মোৰ যিয়েই নহওক, তোৰ কি দৰকাৰ সেইবোৰ কথাৰ ?'

'কথাযাব সুধিলেও জগৰ লাগে নে ? তুমি দেখোন বিনা কাৰণতে মোক খং কৰিবলৈ আৰম্ভ কৰিছা।······মানুহটো কিয় আহিছিল ?'

'সুবালা, তোক ক'লো নহয়, মোৰ ওচৰলৈ কোন মানুহ কিয় আহে সেইবোৰ কথা জানিবলৈ তোৰ একো দৰকাৰ নাই। নলগা জেওাত তই মিছামিছিকৈ লাগি নুফুৰিবি।'

'বাৰু, বাৰু, সেই মানুহটোৰ কথা সুধিলে তুমি যদি ইমান বেয়া পোৱা, নোসোধো বাৰু। কিন্তু আন কেইটামান কথা মই তোমাক সুধিবই লাগিব। তুমিও তাৰ উত্তৰ দিব লাগিব। আচ্ছা, পাৰুল কোন ?'

হঠাৎ কেটি সাপ দেখি উচপ্ খাই উঠাৰদৰে বুঢ়ীয়ে পাৰুল শব্দটো শুনিয়েই ভীষণভাৱে চক্ খাই উঠিল। অতি আচৰিত হৈ মোৰ মুখলৈ চাই অলপ সময় তেওঁ মুখেৰে একো মাতিবই নোৱাৰিলে। অৱশেষত নিজৰ ওপৰত বিশ্বাস নোহোৱা মানুহৰদৰে তেওঁ থোকাথোকিকৈ মোক ঘূৰাই প্ৰশ্ন কৰিলে, 'পাৰুল ? পাৰুল কোন ?······তই এইবোৰ কি সুধিছ ?'

'মই তোমাক সুধিছো, পাৰুল কোন ?'

বুঢ়ীয়ে এইবাৰ ঘূৰি লৈ মোৰ ফালে মুখ কৰি বহি ল'লে। কিছু সময় স্থিৰ অন্তৰ্ভেদী দৃষ্টিৰে তেওঁ মোৰ মুখলৈ চাই ৰ'ল। তাৰপাছত প্ৰত্যেকটো শব্দতে জোৰ দি দি তেওঁ মোক প্ৰশ্ন কৰিলে, 'তোক এইবোৰ কথা কোনে ক'লে ?'

'এইবোৰ কথা মোক কোনে ক'লে তোমাৰ কি দৰকাৰ ? মই কেৱল জানিব খুজিছো, পাৰুল কোন ?'

'পাৰুল···পাৰুল তোৰ নিচিনাই এজনী ছোৱালী। মই তাইক আশ্ৰমত ভৰ্তি কৰি দিছো। কিন্তু তাইৰ কথা তই জানিলি কেনেকৈ ?'

'বুঢ়ীমাই, মই তাইৰ কথা যেনেকৈয়ে নাজানো, ইমান সহজ কথাযাৰ তুমি মোক খুলি কবলৈ টান পাইছিলা কিয় ? যাহওক, পাৰুলৰ কথা বাৰু জানিলো। মোৰ আৰু কেইটামান কথা সুধিবলৈ আছে। মইতো তোমাৰ একো আৰ্জনৰ বাট দেখা নাই, ভিক্ষাও নকৰা, তুমি চলা কেনেকৈ ?'

'সুবালা' !—বুঢ়ীয়ে কেটি সাপৰদৰে ফোঁচ কৰি উঠিল, 'তোক যৰলৈ

মাতি আনি আশ্ৰয় দিছো বুলিয়েই ইমানবোৰ সুবিধৰে তোৰ সাহ হ'ল? তই···তই···তই মোক এনেকৈ কবলৈ সাহ পালি? মই তোৰ খাইছোৱেই নে পিন্ধিছোৱেই যে মই কি কৰি চলো সেই চিন্তাতে তোৰ খাৱন-শোৱন নোহোৱা হৈছে? অ', বুজিলো, তই খুজি কিল খোৱা ছোৱালী। আৰু কেইটামান দিন মোৰ লগত থাক, নিজ চকুৰেই দেখিবি মই কি কৰি চলো।'

'কিন্তু সেইটো কেনেকৈ সম্ভৱ হ'ব বুঢ়ীমাই?'—মই অবিচলিতভাৱে মাত লগালো, 'পৰহিকৈ তুমিতো মোক আশ্ৰমতে থৈ আহিবাগৈ।'

'আশ্ৰমৰ সন্ন্যাসিনী হ'বলৈ তোৰ বৰ চখ, নহয়? বাৰু, সেয়ে হ'ব, পৰহিকৈ কিয় কালিলৈকে তোক মই আশ্ৰমত ভৰ্তি কৰি দিম। আজি ৰাতিটো মাত্ৰ ধৈৰ্য্য ধৰ।'

কথা কেইটা কোৱাৰ লগে লগে যেন বুঢ়ীৰ মুখখন এটা নিষ্ঠুৰ বিদ্ৰূপৰ হাঁহিত ভমক্ কৰে জ্বলি উঠিল আৰু তাৰে এটা শিখাই আহি মোৰ দেহটোও চেলেক মাৰি গ'ল। এই আকস্মিক আঘাতত মোৰ গোটেই দেহ থৰ্ থৰ্কৈ কঁপি উঠিল। আৰু একো কথা কব নোৱাৰি মই স্তব্ধ হৈ বহি ৰ'লো।

[ ৫ ]

ভাত পানী খাই উঠি অবশ দেহ-মনেৰে মই বিছনাত বাগৰি পৰিলো, কিন্তু চকুলৈ টোপনি নাহিল। মনৰ দুঃশ্চিন্তাতো আছেই, তদুপৰি নগৰৰ আচহুৱা পৰিবেশত এই প্ৰথম ৰাত্ৰি-যাপন। বিছনাত কিছু সময় অসাৰ হৈ পৰি থাকি হঠাৎ এবাৰ মই আচৰিত হৈ আৱিষ্কাৰ কৰিলো যে ৰাতি হোৱাৰ লগে লগে নগৰখন টোপনিত অচেতন হৈ পৰাৰ পৰিবৰ্তে দিনৰ ভাগতকৈয়ো বেছি চঞ্চল আৰু কলৰব-মুখৰহে হৈ উঠিছে। মোৰ কাৰণে ই এটা একেবাৰে নতুন অভিজ্ঞতা। বাহিৰৰ সমস্ত কলৰব প্ৰথমতে এটা সমস্বৰ সংগীতৰ অদ্ভুত ঐকতানৰদৰে মোৰ কাণৰ কাষত বাজিবলৈ ধৰিলে। মোৰ অনভ্যস্ত স্নায়ুতন্ত্ৰীত সি যেন যাদু-মন্ত্ৰৰদৰেহে ক্ৰিয়া কৰিলে, কিছু সময়ৰ কাৰণে মই নিজৰ সকলো দুখ-ভাৱনা পাহৰি তন্ময় হৈ সেই ৰহস্যময় সংগীত শুনি থাকিবলৈ ধৰিলো। কিন্তু এই তন্ময়তা বেছি পৰ স্থায়ী নহ'ল। হঠাৎ ওচৰৰ হোটেলখনৰপৰা এটা বিকট অট্টহাস্য শুনি মই চক্ খাই সাৰ পাই উঠিলো। হাঁহিটো

শেষ হোৱাৰ লগে লগেই কেবাজনো মানুহৰ ডাঙৰ ডাঙৰকৈ কথা পতাৰ শব্দ আহি মোৰ কাণত পৰিল। সিঁহতৰ কথা পতাৰ সুৰ শুনিয়েই মই বুজিলো যে সিঁহতে মদ খাইছে। শুনিব নুখুজিলেও সিঁহতৰ কথাবোৰ আহি মোৰ কাণত পৰিবলৈ ধৰিলে। মোৰ কাৰণে সিঁহতৰ কথাবোৰ আছিল অসংলগ্ন আৰু দুৰ্বোধ্য। তথাপি তাৰপৰাই মই অনুমান কৰিলো যে সিঁহতে মদ খাই খাই কোনোবা বিষয়ে গল্প কৰিছে। এনেবোৰ কথাত মই বিস্মিত বা কৌতূহলী হ'বলৈ প্ৰায় এৰিয়েই দিছিলো, মনৰ একো প্ৰতিক্ৰিয়া নোহোৱাকৈ মই নিৰ্বিকাৰ হৈ সিঁহতৰ কথাবোৰ শুনি যাবলৈ ধৰিলো। কিন্তু হঠাৎ এনে এষাৰ কথা আহি মোৰ কাণত পৰিল যে মই আৰু নিৰ্বিকাৰ হৈ থাকিব নোৱাৰিলো, বৰং আতংক আৰু কৌতূহলত মোৰ গোটেই দেহ শিকাৰ খাই উঠিল। সিঁহতৰ কোনোবা এটাই কথাৰ মাজতে মাত লগাই উঠিল, 'আৰে মেনেজাৰ বাবু, এইৰকম ফাঁকি কথা ক'লে নচলিব। তোমাৰ ঘৰতেই জিনিছ, আছে, আৰু তুমি বাৰে বাৰে নাই নাই কৰি আছা। আমিতো আৰু মাঙ্‌নাই তোমাৰ বস্তু বিচৰা নাই।'

যাৰ উদ্দেশ্যে কথাষাৰ কোৱা হ'ল, বোধ হয় মেনেজাৰ বাবু, তেওঁ অতি আচৰিত হৈ প্ৰশ্ন কৰিলে, 'তোমাৰ মদৰ নিচা হৈছে নে কি হে খুদু? মোৰ ঘৰত মেনেজাৰনীৰ বাহিৰে আৰু তুমি ক'ৰ মাইকী দেখিলা ?'

আন কোনোবা এটাই সৰুকৈ মাত লগালে, 'তোমাৰ আপত্তি নহলে মেনেজাৰনীকেই......।'

এই শেষৰ কথাষাৰ শুনিয়েই মই ভাবিবলৈ ধৰিলো—এইবাৰ বোধহয় এটা ৰক্তাৰক্তি কাণ্ড ঘটি যাব ; মদ খাই মাতাল হৈ মেনেজাৰৰ ঘৈণীয়েকৰ বিষয়েই এনে অশ্লীল ইংগিত কৰা মেনেজাৰে নিশ্চয় সহ্য নকৰিব। কিন্তু মোক বিস্ময়ত হতভম্ব কৰি মেনেজাৰে এই নিৰ্লজ্জ উক্তিৰ উত্তৰ দিলে এটা বিকট অট্টহাস্যৰে। লগে লগে বাকী সকলোৰে হাঁহিৰ জাউৰিত হোটেল ঘৰটো যেন ভাঙি পৰিবৰ উপক্ৰম হ'ল।

খুদু বোলা জনে গহীনাই মাত লগালে, 'ধেমালি নকৰিবা মেনেজাৰ। কামৰ কথালৈ আহা। আজি তুমি বুঢ়ীৰ ঘৰলৈ এবাৰো যোৱা নাই ?'

মেনেজাৰে উত্তৰ দিলে, 'বুঢ়ীৰ ঘৰলৈ গৈ কি কৰিবা। পাৰুল যাৱৰ পৰা দেখোন তাইৰ ঘৰ খালি। মই সদায় তাইক কৈ আছো, ব'ত পাৱ নতুন বস্তু এটা আন, নহলে ঘৰৰপৰা খেদা খাব লাগিব—কিন্তু আজিলৈকে

তাই কানী-খুৰী এজনীকো যোগাৰ কৰিব পৰা নাই। এইক আৰু ইয়াৰ-পৰা খেদিবহে লাগিব।'

খুড়ুৱে প্ৰশ্ন কৰিলে, 'বুঢ়ীয়ে যে আজি ভুপৰীয়াতে এটা বস্তু আনি ঘৰত সুমুৱাই থৈছে, এই কথা তুমি সঁচাকৈয়ে নাজানা মেনেজাৰ ?'

'কি ?' ( চকুৰে নেদেখিলেও মই স্পষ্ট অনুভৱ কৰিলো, খুড়ুৰ কথাষাৰ শুনি মেনেজাৰে যেন বহাৰপৰা থিয় হৈ উঠিল। ) 'কি, বুঢ়ীৰ ইমান কাৰ্‌ছাজী ? দুপৰীয়াতে তাই বস্তু আনিছে, আৰু ইমান পৰেও তাই মোক খবৰ দিয়া নাই ? ৰবা, আজি মই তাইৰ বজ্জাতি বাহিৰ কৰিম। তোমালোক খন্তেক বহা।'

চকীখন জোৰকৈ ঠেলা মাৰি দি জোতাৰ গেৰেপ্ গেৰেপ্ শব্দ কৰি মেনেজাৰ উত্তেজিত হৈ ওলাই অহাৰ শব্দ মই শুনিবলৈ পালো। এই সকলোবোৰ আলোচনাৰ কেন্দ্ৰ যে ময়েই, সেই কথা বুজিবলৈ মোৰ বাকী নাছিল। আৰু এক মুহূৰ্তৰ পাছতে যে মোক কেন্দ্ৰ কৰি এটা তাণ্ডৱ ঘটনা ঘটিব, সেই কথাও মই ভালকৈ বুজি পালো, কিন্তু সেই অৱস্থাত মই কি কৰিম বা মোৰ কি হ'ব, সেইবোৰ কথা ভাবিবলৈ মোৰ সময় আৰু ধৈৰ্য্য দুয়োটাই নাছিল। ভয় আৰু আতংকত অসাৰ হৈ নিৰুপায় যন্ত্ৰণাত মই কেৱল দ্ৰুত বেগেৰে কাষ চাপি অহা সেই অনিশ্চিত বিপদৰ প্ৰতীক্ষা কৰিবলৈ ধৰিলো।

দুৱাৰখনত প্ৰচণ্ড গোৰ এটা মাৰি মেনেজাৰে কৰ্কশ মাতেৰে চিঞৰি উঠিল, 'এই বুঢ়ী, ওলাই আহ। আজি জোতাৰ গোৰত তোৰ মূৰ গুড়ি কৰিম ব।'

মুখৰ শব্দ এটা নোহোৱাকৈ বুঢ়ী বাহিৰলৈ ওলাই গ'ল। পুনৰ মই মেনেজাৰৰ মাত শুনিবলৈ পালো, 'ক'ৰবাৰপৰা টকা খাইছ বোধহয় ? শালী বান্দি, তলে তলে তোৰ ইমান বেইমানী। বাট্, ভেটি ধৰিছ কিয় ?…'

হঠাৎ বুঢ়ীয়ে উত্তেজিত হৈ ফুচ্‌ফুচাই উঠিল—'এই…এই…ভিতৰত মানুহ আছে…।'

'মানুহ আছে ? কাৰ হুকুমত তই মোক নোকোৱাকৈ মানুহ আনি সুমুৱাইছ ?'—কথাষাৰ কৈয়েই মেনেজাৰে গাৰ জোৰেৰে বুঢ়ীক এটা গোৰ মাৰি দিলে। উস্ বুলি এটা অস্ফুট আৰ্তনাদ কৰি বুঢ়ী ধপহ্‌কৰে মাটিত পৰি গ'ল।

অলপ পাছতে ফচ্‌কৰে এটা জুইশলা জলোৱাৰ শব্দ মই শুনিবলৈ পালো। তাৰপাছত চাকি এটা লৈ মেনেজাৰ মোৰ কোঠালৈ সোমাই আহিল। সেই

মুহূর্তত মোৰ মনৰ অৱস্থা সহজেই কল্পনা কৰি লব পাৰি ; মই আৰু তাৰ বৰ্ণনা কৰিবৰ দৰকাৰ নকৰে। এই বিপদৰ মুখত বিছনাখনেই যেন মোৰ একমাত্ৰ আশ্ৰয়, এনে এটা ভাবেৰে মই উবুৰি হৈ গাৰ জোৰেৰে বিছনাখন সাৱতি ধৰি আতংকত বিস্ফাৰিত চকুৰে মেনেজাৰ নামৰ সেই ৰহস্যময় মানুহটোলৈ চাৱলৈ ধৰিলো। সি ভিতৰলৈ সোমাই আহি কোঠাটোৰ সোঁ-মাজতে এক মুহূৰ্তমান সময় তভক্ মাৰি ৰ'ল। তাৰপাছত মোৰ মুখত চকু পৰা মাত্ৰে তাৰ গোটেই মুখখন এটা অদ্ভুত হাঁহিত ভিৰ্ বিৰাই উঠিল। মোৰ সেই আতংকত মৰণাপন্ন অৱস্থাতো এক মুহূৰ্তৰ কাৰণে মই অনুভৱ কৰিলো— আশাতীত কিবা এটা সুন্দৰ বস্তু দেখি যেন খন্তেকৰ কাৰণে অপূৰ্ব বিস্ময় আৰু ভীতিজনক মুগ্ধতাত স্তব্ধ হৈ গ'ল। 'বাহ্'—এবাৰ মাত্ৰ সেই শব্দটো সি খুব সৰুকৈ উচ্চাৰণ কৰিলে। পিছ মুহূৰ্ততে সি ডাঙৰকৈ বিকৃত মাতেৰে চিঞৰি উঠিল, —'বাহ্ বাহ্, এইটো দেখোন একেবাৰে লাখটকীয়া মাল।' এনেতে হোটেলৰ-পৰা কোনোবা এটাই চিঞৰি মাত লগালে, 'মেনেজাৰ বেছি ডেৰি নকৰিবা। আমিও আছো।' সেই চিঞৰটো যেন মেনেজাৰৰ কাণতেই নোসোমাল, এনে এটা ভংগীৰে সি চাকিটো ওচৰৰ টুল্ এখনত থৈ মোৰ বিছনাৰ কাষলৈ আগ বাঢ়ি আহিল। তাৰপাছত সি ঘপহ্ কৰে বিছনাত বহিয়েই চকুৰ পছাৰতে মোৰ পিঠিৰ ওপৰত পৰি মোক সাৱতি ধৰিলে। ইমান পৰে মই মন্ত্ৰমুগ্ধ মানুহৰদৰে অসাৰ হৈ পৰি আছিলো, কিন্তু মেনেজাৰৰ দেহৰ স্পৰ্শ লগাৰ লগে লগেই মোৰ দেহ-মনৰ সমস্ত চেতনা মুহূৰ্ততে জাগ্ৰত হৈ উঠিল, মই গাৰ জোৰেৰে চিঞৰি উঠিলো. 'বুঢ়ীমাই, বুঢ়ীমাই, মোক ৰক্ষা কৰা বুঢ়ীমাই।' মোৰ চিঞৰ শুনি মানুহটো এনেভাৱে চক্ খাই উঠিল যে নিজে কৰ নোৱাৰাকৈয়ে সি বিছনাৰপৰা জাঁপ মাৰি উঠিল। তাৰপাছত সি খং বিস্ময় আৰু অবিশ্বাস মিহলি এটা অদ্ভুত অবৰ্ণনীয় চাৱনিৰে মোলৈ চাবলৈ ধৰিলে। তাৰ মুখভংগী দেখি মোৰ ভাব হ'ল, এনে ধৰণৰ অভিজ্ঞতা যেন তাৰ জীৱনত এয়ে প্ৰথম। অপ্ৰত্যাশিত ধাক্কাটো চম্ভালি লৈ সি মোৰ চকুলৈ জ্বলন্ত দৃষ্টিৰে চাই মাত লগালে, 'শালী বাতী, মোৰ লগত বেইমানী কৰিবলৈ আহিছ ? তোৰ নিচিনা কিমান মাইকীক এই বিছনাতেই পিহি গুড়ি কৰি দিলো, আৰু তই......' কথাষাৰ শেষ নকৰাকৈয়েই সি পুনৰ মোৰ গাৰ ওপৰত হিংস্ৰ পশুৰ দৰে জপিয়াই পৰিল। ইতিমধ্যে মই তাৰ এই আক্ৰমণৰ কাৰণে সাজু হৈ আছিলো। সি মোৰ গাৰ ওপৰত পৰাৰ লগে লগেই মই দেহৰ সমস্ত শক্তিৰে

তাক ঠেলা মাৰি দি থিয় হৈ পৰিলো। সিও লগে লগে থিয় হৈ মোক পুনৰ সাৱতি ধৰিবলৈ চেষ্টা কৰিলে। আমাৰ কোনোবা এটাৰ গাত খুন্দা খাই টুলখন বাগৰি পৰি গ'ল আৰু লগে লগে চাকিটো নুমাই গ'ল। সেই এন্ধাৰৰ সুযোগ লৈ মই কোঠাটোৰপৰা বাহিৰলৈ দৌৰ মাৰি ওলাই আহি ৰাস্তাৰ কাষৰ বেৰাখনৰ ফালে আগ বাঢ়িলো। কিন্তু মই বেৰাখনৰ কাষ নৌ পাওঁতেই সি পাছ ফালৰপৰা আহি মোৰ চুলি কোছাতে খামোচ মাৰি ধৰি মোক টানিবলৈ ধৰিলে। নিতান্ত নিৰুপায় হৈ মই উভটি তাৰ মুখোমুখি হৈ তাৰ হাতখনতে জোৰেৰে কামুৰি ধৰিলো। সি যন্ত্ৰণাত বিকট চিঞৰ এটা মাৰি হাতখন এৰি দিলে, কিন্তু লগে লগে মোৰ তলপেটত প্ৰচণ্ড গোৰ এটা মাৰি মোক মাটিত পেলাই দিলে। এইবাৰ যন্ত্ৰণাত আধামৰা হৈ লৰচৰ কৰিব নোৱাৰি মই মাটিত একে ঠাইতে পৰি ৰ'লো। এইবোৰ চিঞৰ বাথৰ শুনি ইতিমধ্যে হোটেলৰ বাকী মানুহবোৰো আহি আমাৰ ওচৰ পালেহি। মই মাটিত পৰি যোৱাৰ লগে লগে মেনেজাৰে মোৰ দেহৰ সমস্ত অংশতে নিষ্ঠুৰভাৱে গুৰিয়াবলৈ ধৰিলে। চাৰি পাঁচটামান গোৰ খোৱাৰ পাছতেই মই বোধহয় সংজ্ঞা হেৰুৱাই পেলালো, কাৰণ তাৰপাছত কি হ'ল মই একো কব নোৱাৰো।

কিমান সময় মই তেনেকৈ পৰি আছিলো কব নোৱাৰো, কিন্তু সাৰ পাই মই দেখিলো—মই সেই একে ঠাইতে মাটিত পৰি আছো। বোধহয় ৰাতি পুৱাবলৈ তেতিয়াও কিছু সময় বাকী আছিল, কাৰণ তেতিয়াও চাৰিওফালে অন্ধকাৰ আৰু মানুহবোৰ টোপনিত অচেতন হৈ থকা যেন লাগিছিল। সাৰ পায়েই মই গোটেই দেহতে অসহ্য যন্ত্ৰণা অনুভৱ কৰিবলৈ ধৰিলো। বেছি বিষ হোৱা ঠাইবোৰত হাত দি মই বুজিলো, ঠায়ে ঠায়ে গাত ঘা লাগি তেজ ফাটি পৰিছে। মুখতো কেবা ঠাইতো ঘা লাগিছে আৰু তেজবোৰ কৰাল মাৰি লাগি আছে। কি কৰিম কি নকৰিম একো ঠিক কৰিব নোৱাৰি মই আৰু অলপ সময় নিশ্চল হৈ পৰি থাকি কিবাকিবি কথা চিন্তা কৰিবলৈ চেষ্টা কৰিলো। কিন্তু সেই সময়ত চিন্তা কথাটোও মোৰ কাৰণে এটা অসহ্য পৰিশ্ৰম যেন বোধ হ'ল। অৱশেষত, ভাগ্যত যি আছে সেয়েই হ'ব বুলি সাময়িকভাৱে মনক প্ৰবোধ দি মই কোনোমতে উঠি থিয় হ'লো, আৰু অন্ততঃ ৰাতিটোৰ কাৰণে শুই থাকিবৰ মনেৰে বুঢ়ীৰ ঘৰৰ দুৱাৰ মুখৰ ফালে আগ বাঢ়িলো। হঠাৎ দুৱাৰ মুখত কিবা এটাৰ গাত উজুতি খাই মই তললৈ চাই দেখিলো, বুঢ়ীও দুৱাৰ মুখতে মাটিতে পৰি শুই আছে। মই মোৰ কোঠালৈ সোমাই গৈ বিছনাত পৰি গ'লো।

[ ৬ ]

টোপনিৰপৰা সাৰ পাই পিছদিনা যেতিয়া মই চকু মেলিলো, তেতিয়া বোধহয় দুপৰীয়া হ'বলৈ বেছি সময় নাছিল। সাৰ পোৱাৰ লগে লগে আগ ৰাতিৰ সমস্ত ঘটনা ভয়াবহ দুঃস্বপ্নৰদৰে স্পষ্টকৈ মোৰ মনত পৰিল। কি কাৰণে ক'ব নোৱাৰো, বুঢ়ীৰ প্ৰতি মোৰ মনৰপৰা সকলো খং-ৰাগ সমূলি নোহোৱা হৈ গৈছিল। মোৰ ভাব হ'ল, বেচেৰী বুঢ়ীজনীও মোৰদৰেই ভাগ্যৰ হাতৰ পুতলা মাত্ৰ। তাইৰ অতীত হয়তো মোতকৈয়ে বেছি দুখময়। এতিয়া তাই কি কৰিছে তাই নিজেই কব নোৱাৰে। এই ধাৰণা মনলৈ অহাৰ লগে লগে মই এটা মানসিক মুক্তি পোৱা যেন অনুভৱ কৰিলো। বুঢ়ীক মোৰ মনৰপৰা বাহিৰ কৰি দি মই তেতিয়া মোৰ আশু কৰ্তব্যৰ বিষয়ে চিন্তা কৰিবলৈ আৰম্ভ কৰিলো।

হঠাৎ কোঠাটোৰ দুৱাৰ মুখৰপৰা পৰিচিত কণ্ঠেৰে কোনোবাই শ্লোক মাত লগোৱা যেন শুনিবলৈ পালো, 'সুবালা !'

চক্ খাই মূৰ তুলি চাই মই দেখিলো, কোঠাটোৰ দুৱাৰ মুখত থিয় হৈ আছে নবেন।

[ ৭ ]

সশৰীৰে এটা ভূত দেখা হলেও বোধহয় মই বেছি আচৰিত নহলোহেঁতেন। কিন্তু আচৰিত হ'লেও নবেনক দেখি মই ভূত দেখাৰদৰে আতংকিত নহলো। বৰং এই আচহুৱা অচিনাকী আৰু অনাত্মীয় পৰিবেশত নবেনৰ পৰিচিত মুখখন দেখি মই যেন হঠাৎ এটা বিৰাট স্বস্তিহে অনুভৱ কৰিলো। সিয়েই যে মোৰ এদিন সৰ্বনাশ কৰিবলৈ আগ বাঢ়িছিল, মুহূৰ্তৰ কাৰণে মই সেই কথা পাহৰি গ'লো। নবেনক দেখিয়েই মই স্বতঃস্ফূৰ্তভাৱে চিঞৰি উঠিলো, 'নবেনকাকা !'

মোৰ মুখৰ এই পৰিচিত সম্বোধন শুনি নবেনৰ মুখতো এটা স্বস্তিৰ আভাস ফুটি উঠিল। সি সোমাই আহি মোৰ বিছনাৰ কাষ পালেহি। তেতিয়াহে

বোধহয় মোৰ মুখৰ ফালে তাৰ ভালকৈ চকু গ'ল, অতি আচৰিত হৈ সি মোক প্ৰশ্ন কৰিলে, 'তোৰ মুখত এইবোৰ কিহৰ দাগ ? মুখৰ ফালে দেখোন চাব নোৱৰা অৱস্থা হৈ পৰিছে ।'

'এইবোৰ তোমাৰেই কীৰ্তি নৰেনকাকা ।'—খুব সহজভাৱে মই উত্তৰ দিলো। তেনে অৱস্থাত, আৰু বিশেষকৈ নৰেনৰ আগত মই কেনেকৈ ইমান সহজ হ'ব পাৰিলো, মই নিজেই কব নোৱাৰো। মোৰ উত্তৰ শুনি নৰেন খন্তেক পৰ একো কথা ক'ব নোৱাৰা হৈ বিব্ৰত ভংগীৰে থিয় হৈ ৰ'ল। তাৰপাছত টুলখন বিছনাৰ ওচৰলৈ টান মাৰি আনি বহি লৈ সি মোক পুনৰ সুধিলে, 'ধেমালি নকৰিবি সুবালা। সঁচা কথা ক' তোৰ কি হৈছিলে।'

'মই ইয়াতে আছো বুলি তুমি কেনেকৈ জানিলা নৰেনকাকা ?' নৰেনৰ কথাষাৰ সম্পূৰ্ণ উপেক্ষা কৰি মই তাক ঘূৰাই প্ৰশ্ন কৰিলো।

হঠাৎ যেন মোৰ এনে এটা প্ৰশ্নৰ কাৰণে নৰেন অকণো সাজু নাছিল। মোৰপৰা চকু ঘূৰাই নি সি খন্তেকপৰ নীৰৱ হৈ ৰ'ল। খুব সহজভাৱেই মই তাক কথাষাৰ সুধিছিলো, কিন্তু তাৰ এই অস্বাভাৱিক নীৰৱতা দেখি হঠাৎ এটা সন্দেহ বিজুলী-চমকৰদৰে মোৰ মনত ছাটি মাৰি গ'ল। মই যুৰটো অলপ দাঙি তাৰ মুখলৈ তীক্ষ্ণ দৃষ্টিৰে চাবলৈ ধৰিলো। তাৰ মুখৰ ভাব দেখি তাৰ আচৰণ যে সন্দেহজনক সেই বিষয়ে মোৰ মনত আৰু অকণো সন্দেহ নৰ'ল। মই এইবাৰ আগতকৈ দৃঢ়ভাৱে পুনৰ তাক প্ৰশ্ন কৰিলো, 'মই যে ইয়াতে আছো সেই কথা তুমি কেনেকৈ জানিলা ?'

'তই এতিয়াও বুজা নাই সুবালা যে ময়েই তোক ইয়ালৈ অনাইছো ?'

অলপ আগতে ঠিক এই সন্দেহকেই মই কৰিছিলো। কিন্তু সকলো মানুহেই কিবা এটা অশুভ সন্দেহ কৰিবৰ সময়ত মনে মনে বোধহয় এটা গোপন আশা পোষণ কৰে যে সেই সন্দেহ যেন মিছা বুলি প্ৰমাণিত হয়। নৰেনৰ কথা শুনি মই বজ্ৰাহত মানুহৰদৰে ঠৰ হৈ গ'লো। মোৰ মুখলৈ চাই নৰেনো বহুতপৰ নীৰৱ হৈ ৰ'ল। তাৰপাছত মই মুখ মেলাৰ একো আশা নেদেখি সিয়েই মাত লগালে, 'সুবালা, তোৰ একো অপকাৰ কৰিবৰ মনেৰে মই তোক ইয়ালে অনা নাই। মই তোক বেলেগ ঘৰ-বাৰী দি খুব ভালকৈ ৰাখিম। ঘৰ এটা ঠিক কৰিব পাৰিলেই মই তোক ইয়াৰপৰা লৈ যাম।'

নৰেনৰ প্ৰতিটো শব্দই মোৰ কাণত পৰিল, কিন্তু সি গৈ মোৰ মগজুত প্ৰবেশ কৰিব নোৱাৰিলে। মোৰ মগজুটো যেন মুহূৰ্ততে অসাৰ হৈ পৰিল।

শিলৰ মূৰ্ত্তিৰদৰে মই নিশ্চল হৈ বহি ৰ'লো। নৰেন টুলখনৰপৰা উঠি আহি মোৰ বিছনাত বহিলহি। খন্তেকপৰ মোৰ মুখলৈ চাই থাকি সি এবাৰ মোক টান মাৰি দুয়োখন হাতেৰে মোক তাৰ বুকুৰ মাজত সাৱটি ধৰিলে। প্ৰাণ-হীন দেহৰদৰে মই তাৰ বুকুত পৰি গ'লো। মোৰ মুখখন সি তাৰ বুকুত চেপি ধৰিলে, তাৰপাছত দুয়ো হাতেৰে মুখখন দাঙি ধৰি সি মোক চুমা খালে। মই তাক বাধা দিয়া দূৰৰ কথা, সি কি কৰিছে বা কিয় কৰিছে তাকেই মই বুজি নোপোৱা হ'ল। আনকি মোৰ স্পৰ্শানুভূতিও অসাৰ হৈ পৰিল, মই কেৱল মনৰ চেতনাৰেহে তাৰ কাৰ্য্য-কলাপবোৰ অনুসৰণ কৰিবলৈ ধৰিলো। মোৰপৰা একো বাধা নাপাই সি পাগলৰদৰে মোৰ গোটেই দেহতে চুমা খাবলৈ আৰু কামুৰিবলৈ ধৰিলে। মোক যেন কিবা ঔষধ খুৱাই বা মন্ত্ৰ কৰি মোৰ দেহটো অসাৰ কৰি লৈহে সি সেইবোৰ কাম কৰিছে, এনেভাৱে মই প্ৰাণ-হীন মৃত-দেহৰদৰে তাৰ গাত পৰি ৰ'লো। অলপ পাছত সি মোক সাৱটি ধৰি বিছনাত শুই পৰিল।

[ ৮ ]

ইতিমধ্যে কিমান সময় পাৰ হৈ গ'ল বা মোৰ কি হৈ গ'ল মই একো কব নোৱাৰো। এই গোটেই সময়খিনি আকস্মিক আঘাটত সংজ্ঞাহীন হোৱা মানুহৰদৰে মই অসাৰ হৈ পৰি আছিলো। লাহে লাহে যেতিয়া সংজ্ঞা ঘূৰি আহিল, মই আৱিষ্কাৰ কৰিলো যে সম্পূৰ্ণ নগ্ন দেহেৰে মই বিছনাত অকলে পৰি আছো, কোঠাটোত আৰু কোনো মানুহ নাই। প্ৰথমতে মই কি হ'ল একো বুজিব নোৱাৰি অবাক বিস্ময়ত স্তব্ধ হৈ ৰ'লো। কিন্তু হঠাৎ এবাৰ অলপ আগতে হৈ যোৱা সমস্ত ঘটনাৰ স্মৃতি মথাউখি খহাই সোমাই অহা বান-পানীৰ দৰে প্ৰবল বেগেৰে আহি মুহূৰ্ত্ততে মোৰ মন প্লাবিত কৰি দিলে। চকুৰ পছাৰতে সেই প্লাবনে মোৰ জীৱনৰ ভিত্তি-মূল পৰ্য্যন্ত খহাই নিলে, কাৰণ তেতিয়া আৰু মোৰ বুজিবলৈ বাকী নৰ'ল যে যি কৌমাৰ্য্য আৰু শুচিতা ৰক্ষাৰ কাৰণে মই জীৱনত ইমান যুদ্ধ কৰিলো, অৱশেষত নিজৰ ঘৰ আৰু আইকো পৰ্য্যন্ত ত্যাগ কৰিলো, মাত্ৰ এক মুহূৰ্ত আগতে এটা কামুক পশুৱে আহি চিৰকালৰ কাৰণে তাক নষ্ট কৰি থৈ গ'ল। এই সত্যটো আৱিষ্কাৰ কৰাৰ লগে লগে এটা

ভয়ংকৰ নিদাৰুণ ক্ৰোধত মই উন্মাদিনী হৈ উঠিলো। হিংস্ৰ দৃষ্টিৰে এবাৰ চাৰিওফালে চাই মই বিছনাত উঠি বহিলো। তাৰপাছত মাটিত জাপ মাৰি নামি মই বিছনাৰ কাপোৰ-কানি দলিয়াই পেলালো, কোঠাটোৰ ভিতৰত যি বস্তু আছিল সকলো দলিয়াই ঠেকেছি লণ্ডভণ্ড কৰিবলৈ ধৰিলো, অৱশেষত যেতিয়া ভাঙিবলৈ একো বাকী নাথাকিল, ভঙা টুলখনেৰে নিজৰ মূৰতে প্ৰচণ্ড-ভাৱে আঘাত কৰিবলৈ ধৰিলো। আঘাতৰ কোবত আগতেই ফাটি থকা মূৰটো আৰু কেবা ঠাইতো ফাটি তেজ ছিটিকি পৰিল, কিন্তু মই অকণো যন্ত্ৰণা অনুভব নকৰিলো। বহুতপৰ নিজকে সেইদৰে আঘাত কৰি কৰি অৱশেষত মই এবাৰ ক্লান্ত হৈ পৰিলো। এনি-তেনি পৰি থকা কাপোৰ কিছুমানেৰে নিজৰ উলংগ দেহটো আৱৰি লৈ মই মাটিতে মুখ গুজি বুকু ভাঙি ভাঙি কান্দিবলৈ ধৰিলো।

[ ৯ ]

প্ৰায় আবেলিমান পৰত মই কিছু প্ৰকৃতিস্থ হৈ কাপোৰ-কানি পিন্ধি কোঠাটোৰ এচুকত মাটিতে জুপুকা লাগি বহি ৰ'লো। মাজতে ডুবাৰমান বুঢ়ীযে মোক ভাত যাচিবলৈ আহিছিল, কিন্তু মোৰ মূৰ্তি দেখি তাই আৰু একো কবলৈ সাহ নকৰি মনে মনে ওলাই গ'ল। অকলে বহি মই ইয়াৰপাছত কি কৰিম তাকে ভাবিবলৈ ধৰিলো। ইমানৰ পাছতো যে মোৰ মনৰ জেদ আৰু দৃঢ়তা অক্ষুণ্ণ হৈয়ে আছে, সেই কথা ভাবি মই নিজেই আচৰিত হৈ গ'লো। ভাবি ভাবি মই ঠিক কৰিলো যে ইয়াৰপাছত নবেন বা আন যিকোনো পুৰুষেই মোৰ গাত হাত দিবলৈ আহিলে মোৰ মৰা-দেহতহে হাত দিব পাৰিব। কিন্তু তাৰ আগতে বুঢ়ীৰ ঘৰৰপৰা মই ক'লৈ যাম সেইটোৱেই হ'ল আচল সমস্যা। এবাৰ ভাবিলো, কোনোবা ডাঙৰ মানুহৰ ঘৰলৈ গৈ চাকৰণী হৈয়েই থাকিম। কিন্তু মই থাকিবলৈ বিচাৰিলেই কোনোবাই যে তৎক্ষণাৎ মোক চাকৰণী কৰি ৰাখিবলৈ ৰাজী হ'ব, তাৰ কি অৰ্থ আছে? তদুপৰি মোৰদৰে এজনী দেখনিয়াৰ গাভৰু ছোৱালীয়ে এইদৰে কাম বিচাৰি ঘূৰি ফুৰিলে স্বাভাৱিকতে মোৰ আতিগুৰিৰ বিষয়ে প্ৰশ্ন কৰিব,—তেতিয়া মই কিমান দূৰ আৰু কিমান দিন মিছা কথাৰে তেওঁলোকক পতিয়ন নিয়াবলৈ সমৰ্থ হম?

আৰু চাকৰণীৰ ভবিষ্যতেই বা কি? এনে এটা হীন পৰিণতিৰ কাৰণেই মই গোটেই জীৱন ধৰি ভাগ্যৰ লগত আৰু সমস্ত পৃথিৱীৰ লগত অকলে যুঁজ কৰিলো নে? চাকৰণী হোৱাৰ চিন্তাত মোৰ মন বিদ্ৰোহী হৈ উঠিল, কিন্তু তাৰ বাহিৰে আন পথৰ বিষয়ে চিন্তা কৰিবলৈ গৈ মই চকুৰ সমুখত অন্ধকাৰ দেখিবলৈ ধৰিলো।

-পথুলিৰ অন্ধকাৰে তেতিয়া পৃথিৱীখন ঢাকি আনিছিল।

হঠাৎ মোৰ তন্ময়তা ভংগ কৰি বুঢ়ীমাই মোৰ কোঠালৈ সোমাই আহিল। মই তেতিয়াও লেম্প্ চাকি একো জ্বলোৱা নাছিলো। এন্ধাৰতে তেওঁ ভিতৰলৈ সোমাই আহি মোৰপৰা এহাতমান দূৰতে তভক্ মাৰি থিয় হৈ ৰ'ল। মোক তেওঁ আকৌ কিবা আমনি কৰিবলৈ আহিছে বুলি ভাবি পেটে পেটে মোৰ ভীষণ খং উঠিল। কিন্তু তেওঁৰ থিয় হোৱাৰ অস্বাভাৱিক শান্ত ভংগী দেখি আৰু বহুত পৰলৈকে তেওঁক নীৰৱ হৈ থকা দেখি মই লাহে লাহে আচৰিত হ'বলৈ ধৰিলো। অৱশেষত তেওঁৰ পক্ষে অস্বাভাৱিক কোমল কণ্ঠেৰে মাত লগালে, 'সুবালা!'

মই বুজিলো, বুঢ়ীয়ে মোৰ ওপৰত এটা নতুন ফন্দী খটাবলৈ আহিছে। মুখেৰে একো মাত নিদি মই সন্দিগ্ধ দৃষ্টিৰে তেওঁৰ মুখৰ ফালে চাই পঠালো, কিন্তু এন্ধাৰত তেওঁৰ মুখখনৰ একোকেই নেদেখিলো। বুঢ়ী হঠাৎ ধপহ্ কৰে মোৰ কাষতে বহি পৰিল আৰু মোৰ কান্ধত হাত এখন থৈ তেওঁ পুনৰ মাত লগালে, 'সুবালা, শিলৰ দেৱালত মূৰ খুন্দিয়াই লাভ কি? লাভৰ ভিতৰত কেৱল তোৰ মূৰটো ভাগিব। শিলৰ দেৱালৰ বালিকণা এটাও ক্ষয় নাযায়।'

মোৰ কান্ধৰপৰা বুঢ়ীৰ হাতখন আছাৰ মাৰি আঁতৰাই দি মই খঙেৰে চিঞৰি উঠিলো, 'মোক উপযাচি উপদেশ শুনাবলৈ তোমাক কোনে মাতিছে? মিছা কৈ ঘৰৰপৰা ফুচুলাই আনি তুমি এজনী নিৰীহ ছোৱালীৰ সৰ্বনাশ কৰিছা; সেয়েই সুজুৰিলে, এতিয়া তুমি খন্তেকপৰ মোক অকলে থাকিবলৈকো নিদিবা? গুছি যোৱা তুমি মোৰ ওচৰৰপৰা। নহলে কথা বেয়া হ'ব।'

মোৰ কথা যেন তেওঁৰ কাণতেই নোসোমাল, এনে নিৰ্বিকাৰভাৱে তেওঁ পুনৰ মাত লগালে, 'সুবালা, তোক প্ৰবঞ্চনা কৰি মই পাপ কৰিছো। ঈশ্বৰ থকা হলে মই তাৰ বাবে নিশ্চয় শাস্তি পালোহেঁতেন। কিন্তু সেই ভয় মোৰ নাই। কাৰণ পৃথিৱীত পাপো নাই, পাপীৰ শাস্তিও নাই। নহলে মই তোক কবাতকৈয়ো হেজাৰগুণে অধিক প্ৰবঞ্চনা কৰি বিবোৰ মানুহে মোৰ গোটেই

জীৱন নষ্ট কৰি দিলে, সেইবোৰে আজি পাত আঁচোৰ এটা মলগাকৈ ধনে-জনে পৰিপূৰ্ণ হৈ সমাজত বৰমানুহ হৈ থাকে কেনেকৈ? মইহে বা সম্পূৰ্ণ বিনা অপৰাধত এই নৰককুণ্ডত পচি মৰো কিয়? সুবালা—শুন, মোক শাও দিয়াৰ আগতে মোৰ কথাখিনিও তই শুনি ল'। আজি মই বুঢ়ী হৈ বেশ্যাৰ দালালী কৰিছো। কিন্তু এদিন মই নিজেই বেশ্যা আছিলো। কিন্তু তাৰো আগতে মই আছিলো তোৰে নিচিনা পাপক ভয় কৰা এজনী শান্ত শিষ্ট ভাল ছোৱালী। তোৰ জানিবৰ মন নাযায় নে এই পথলৈ মই কেনেকৈ আহিলো, কিয় আহিলো?...মোৰ ঘৰ আছিল বৰ্ডিয়াৰ ফালে। পিতা আৰু আমি দুজনী বাই-ভনী—এয়েই আছিল আমাৰ সংসাৰ। আমাৰ ঘৰৰ অৱস্থা একেবাৰে পৰি মৰাও নাছিল, তাতে আমাৰ বাই আছিল দেখিবলৈ অতি সুন্দৰী। বয়সত মস্ত ধনী মানুহ এজনৰ লগত বাইৰ বিয়া হ'ল। বাইৰ বিয়াৰ দুবছৰমান পাছতে পিতা মৰি থাকিল। আমাৰ আপোন বংশপৰিয়াল বুলিবলৈ কোনো নাছিল, গতিকে পিতা মৰাৰ পিছত মই বাধ্য হৈ ভিনীৰ ঘৰতে আশ্ৰয় লব লগা হ'ল। ভিনীৰ ঘৰত কিছুদিন থকাৰ পিছতে মই গম পালো যে তেওঁ মোৰ ওপৰত কু-নজৰ দিবলৈ আৰম্ভ কৰিছে। যিমান পাৰো সাৱধান হৈ মই তেওঁৰপৰা দূৰে দূৰে আঁতৰি থাকিবলৈ চেষ্টা কৰিলো, কিন্তু ইয়াৰ ভিতৰতে সুযোগ বুজি তেওঁ মোক কেবাদিনো বেয়া ব্যৱহাৰেই কৰিলে। ইতিমধ্যে তেওঁৰে তলতীয়া এজন কৰ্মচাৰীয়ে মোৰ প্ৰতি অলপ অনুৰাগ ভাব দেখুৱাবলৈ আৰম্ভ কৰিছিল। সেই মানুহজনৰ প্ৰতি মই নিজে বিশেষ একো আকৰ্ষণ অনুভৱ কৰা নাছিলো, কিন্তু ভিনীৰ ব্যৱহাৰ যেতিয়া লাহে লাহে বিপজ্জনক হৈ আহিল, নিজৰ সন্মান নষ্ট হ'বলৈ দিয়াতকৈ বা বাইৰ লগত সতিনী খটাতকৈ সেই মানুহজনৰ লগত পলাই গৈ ক'ৰবাত সংসাৰ কৰাকে মই বেছি কাম্য বুলি বিবেচনা কৰিলো। মোৰ প্ৰস্তাৱত মানুহজন অতি উৎসাহেৰে ৰাজী হ'ল, আৰু এদিন ৰাতি আমি দুয়ো ভিনীৰ ঘৰৰপৰা পলাই গ'লো। তেওঁ মোক গুৱাহাটীলৈ লৈ আহিল আৰু ঘৰ এটা ভাৰা কৰি আমি দুয়ো স্বামী-স্ত্ৰী হিচাপে থাকিবলৈ ধৰিলো। এইদৰে মাত্ৰ এসপ্তাহমান যোৱাৰ পাছতেই এদিন ৰাতিপুৱাই আমাৰ ঘৰত পুলিচ আহি হাজিৰ হ'লহি আৰু আমাৰ দুয়োকে গ্ৰেপ্তাৰ কৰি থানালৈ লৈ গ'ল। পিছদিনা আমাক আদালতলৈ লৈ যোৱা হ'ল আৰু তাতে মই দেখা পালো মোৰ ভিনীক। তেতিয়াহে মই বুজি পালো যে মদমৰু অৰ্থাৎ

মোৰ সাদিনীয়া স্বামীক গ্ৰেপ্তাৰ কৰি অনা হৈছে পৰৰ ছোৱালী অপহৰণ কৰি অনাৰ অভিযোগত। যাহওক, প্ৰথম দিনাৰ শুনানীত মোৰ ভিনীয়ে মোক জামিনত নিবলৈ দিবলৈ হাকিমৰ ওচৰত প্ৰাৰ্থনা কৰিলে। কিন্তু হাকিমে মোৰ মত সোধাত মই ভিনীৰ জামিনত যাবলৈ অস্বীকাৰ কৰিলো। মই সাবালিকা ছোৱালী বুলি হাকিমে মোৰ ইচ্ছাকে বাহাল ৰাখি মোক জেল-হাজতলৈ পঠাই দিলে। পিছদিনা পুৱাই দেখোন এজন মানুহে জেলতে মোক দেখা কৰিবলৈ আহিল। ওচৰলৈ গৈ মই দেখিলো, আমাৰ ৰঙিয়াৰ ফালৰে এজন চিনাকী ব্যৱসায়ী মানুহ, পিতা থকাৰ দিনত আমাৰ ঘৰলৈ তেওঁক মাজে মাজে অহাও দেখিছিলো। তেওঁ মোক ক'লে যে তেওঁ মোক জামিনত নিব খোজে, কিন্তু মোৰ সন্মতি নহ'লে হাকিমে জামিনত নিদিয়ে। সেই কাৰণে তেওঁ মোৰ সন্মতি নিবলৈ আহিছে। মই একো নভবাকৈয়ে পোনে পোনেই তেওঁৰ লগত জামিনত যাবলৈ অস্বীকাৰ কৰিলো। তেওঁ তেতিয়া মোক বুজাবলৈ ধৰিলে যে চকুৰ আগতে তেওঁ বন্ধুৰ কন্যাক এনেকৈ জেলত পচি থাকিবলৈ দিব নোৱাৰে। মই জেলত সোমাই থাকিলে মোৰ মকৰ্দমাৰ ফলো বেয়া হ'ব পাৰে। তদুপৰি জেল এনে ভয়ংকৰ ঠাই যে আৰু দুদিনমান ইয়াত থাকিলেই মোৰ মান-সন্মান সতীত্ব সকলো নষ্ট হ'ব। অৱশেষত তেওঁৰ বুজনিত মই পতিয়ন গ'লো। সেইদিনাই দুপৰীয়া মোক পুনৰ আদালতলৈ লৈ যোৱা হ'ল আৰু হাকিমে সেই মানুহজনৰ হাতত মোক জামিনত সোধাই দিলে। সেইদিনাই আমাৰ ৰঙিয়ালৈ গুছি যোৱাৰ কথা, কিন্তু আদালতৰ বাহিৰ ওলায়েই মানুহজনে মোক ক'লে যে গুৱাহাটিত তেওঁৰ অলপ কাম বাকী আছে, গতিকে ৰাতিটো গুৱাহাটিত থাকি পুৱাই তেওঁ মোক তেওঁৰ ঘৰলৈ লৈ যাব। সেই বুলি কৈ তেওঁ মোক ৰিক্সা এখনত তুলি বহুত ৰাস্তা ঘূৰাই পকাই নগৰৰ একেবাৰে আওহতীয়া ঠাই এখনত থকা ঘৰ এটালৈ লৈ গ'ল। ঘৰটোত আৰু আন কোনো মানুহ নাছিল। হোটেলৰপৰা ভাত আনি মোক খুৱাই-খুৱাই ঘৰৰ দুৱাৰত বাহিৰৰপৰা তলা বন্ধ কৰি তেওঁ ক'ৰবালৈ গুছি গ'ল। ৰাতি আঠটামান বজাত তেওঁ দুটা মানুহ লৈ মোৰ ওচৰলৈ ঘূৰি আহিল। মানুহ দুটা দেখিয়েই মই চিনি পালো, হাকিমৰ আদালতত দেখা দুটা চিপাহী। মই কথাবোৰ বুজিবলৈ নৌ পাওঁতেই সিহঁত দুয়োটাই কাপোৰেৰে মোৰ মুখ বান্ধি পেলালে আৰু এটাৰ পাছত এটাকৈ দুয়ো মোক বলাৎকাৰ কৰি কুকৰ্ম কৰিলে। সিহঁত ওলাই

যোৱাৰ অলপ পাছতে আৰু এটা অচিনাকী মানুহ সোমাই আহিল, আৰু সিও মোৰ ওপৰত একে অত্যাচাৰকেই কৰিলে। তাৰপাছত নতুনকৈ ক'বলৈ আৰু একো কথা নাই। মোকৰ্দমাৰ দিন নপৰা পৰ্য্যন্ত প্ৰায় ডেৰমাহ দিন ধৰি সিহঁতে মোক সেই ঘৰত নজৰবন্দী কৰি আটক কৰি ৰাখিলে, আৰু দিন-ৰাতি ছেদভেদ নোহোৱাকৈ প্ৰত্যেক দিনে দহ বাৰটাকৈ মানুহ আনি সিহঁতে মোক জোৰকৈ বেশ্যা-বৃত্তি কৰিবলৈ বাধ্য কৰি হেজাৰবো অধিক টকা উপাৰ্জ্জন কৰিলে। মোকৰ্দমাৰ দিনা সিহঁতে পুনৰ মোক আদালতলৈ লৈ গ'ল। কিন্তু তেতিয়া মই দেহে-মনে এনেকৈ ভাগি পৰিছো যে কাৰো সপক্ষে-বিপক্ষে কবলৈ মোৰ একো কথা নাথাকিল। মোকৰ্দমাত হাকিমে মদনক নিৰ্দোষী বুলি ৰায় দিলে আৰু মোক তাৰ লগতে যাবলৈ এৰি দিলে। কিন্তু আদালতৰ বাহিৰ ওলায়েই মই দেখিলো—মদন নাই, সি ক'ৰবাত উধাও হৈ গৈছে। মোক জামিনত মুকলি কৰি নিয়া বিপদৰ বন্ধু সেই চিনাকী ব্যৱসায়ীজন মোৰ কাৰণে অপেক্ষা কৰি ৰাস্তাত ৰৈ আছিল, মোক হাতত ধৰি টানি নি তেওঁ আকৌ মোক ৰিক্সাত বহুৱাই ল'লে।···ইয়াৰ পাছৰ ঘটনা আৰু তোক কি ক'ম, সি হ'ল কোনোদিন শেষ নোহোৱা সেই সাধু কথাটোৰ নিচিনা: এটা টুনী আহিল আৰু ধান এটা লৈ গ'ল, আৰু এটা টুনী আহিল আৰু ধান এটা লৈ গ'ল···তাৰপাছত আৰু এটা...তাৰপাছত কি হ'ল? তাৰপাছত আৰু এটা টুনী আহিল আৰু ধান এটা লৈ গ'ল...। মুঠতে তাৰপাছত মই হ'লো বেশ্যা। এবাৰ যি বেশ্যা হ'ল, তাই চিৰকালেই বেশ্যা। তাৰ বাহিৰে তাই আৰু একো হ'ব নোৱাৰে।'

হঠাৎ মোৰ কান্ধত বুঢ়ীৰ হাতৰ স্পৰ্শ অনুভৱ কৰি মই চক্ খাই উঠিলো। তেতিয়াহে মই গম পালো যে বুঢ়ীৰ গল্প কেতিয়াবাই শেষ হৈছে। নিজে ক'ব নোৱাৰাকৈয়ে বুঢ়ীৰ হাতখন মোৰ কান্ধৰপৰা তুলি আনি মই মোৰ দুহাতৰ মাজত সুমুৱাই ল'লো, আৰু সেই অৱস্থাতে দুয়ো বহুতপৰ স্তব্ধ হৈ বহি ৰ'লো। অৱশেষত বুঢ়ীয়ে দীঘল হুমুনিয়াহ এটা কাঢ়ি মাত লগালে, 'সুবালা, নৰেন আহিবৰ সময় হৈছে। তই এতিয়া কি কৰিব খুজিছ?'

বুঢ়ীৰ মাতত সহানুভূতিৰ সুৰ শুনি মই আকুলভাৱে চিঞৰি উঠিলো, 'বুঢ়ীমাই, যি হ'ল হৈ গ'ল, তুমি এতিয়াও মোক এটা উপায় দিয়া বুঢ়ীমাই। বেশ্যা হোৱাতকৈ মই আত্মহত্যা কৰি মৰিম, তথাপি মই এনেভাৱে জীয়াই

থাকিব নোৱাৰো। ইয়াৰপৰা উলিয়াই নি তুমি এটা নিৰাপদ আশ্ৰয়ত থৈ আহাগৈ বুঢ়ীমাই।'

'নিৰাপদ আশ্ৰয়? এন্ধাৰত নেদেখিলেও মই অনুভৱ কৰিলো, বুঢ়ীৰ মুখত যেন এটা ব্যংগৰ হাঁহি ফুটি উঠিল—'ইমান সহজেই নিৰাপদ আশ্ৰয় বিচাৰি পোৱা হ'লে মই নিজে গোটেই জীৱন এইদৰে পচি মৰো? সুবালা, আকৌ মই তোক কওঁ, এবাৰ যি বেশ্যাৰ ঘৰত আহি উঠিছে, তাইৰ আৰু ঘূৰিবৰ পথ নাই। তথাপি তই নিজে যদি কিবা কৰিব খুজিছ ক, মই তোক পাৰো মানে সহায় কৰি দিম। কিন্তু মোৰপৰা তই একো দিহা-বুধি আশা নকৰিবি। বেশ্যা-পটিৰ এন্ধাৰ গলিৰ বাহিৰে পৃথিৱীৰ আন কোনো বাট-পথ মই চিনি নাপাওঁ। মাতাল, বেশ্যাসক্ত আৰু খুনী গুণ্ডাৰ বাহিৰে পৃথিৱীৰ আন কোনো মানুহ মই চিনি নাপাওঁ। মই তোক ক'লৈ লৈ যাম? কাৰ ওচৰলৈ লৈ যাম?'

'বাৰু বুঢ়ীমাই, আন একো কৰিব নোৱাৰিলেও অন্ততঃ এটা উপকাৰ তুমি মোক কৰি দিয়া। আজি ৰাতিটো অন্ততঃ তুমি মোক নৰেন বা হোটেলৰ সেই মানুহবোৰৰপৰা ৰক্ষা কৰি দিয়া। কালিলৈ পুনৰ মই যি কৰো কৰিম।'

বুঢ়ীয়ে উত্তৰ দিলে, 'হোটেলৰ মানুহবোৰৰপৰা আজি তোৰ একো ভয় নাই। সিহঁত গোটেইবোৰ নৰেনৰ বন্ধু। নৰেন ইয়াত থকা অৱস্থাত সিহঁতে তোৰ কাষ নাচাপে। কিন্তু নৰেনৰ হাতৰপৰা মই তোক কেনেকৈ ৰক্ষা কৰিম? বেশ্যাৰ ওচৰলৈ মানুহ আহে কেৱল পশুৰদৰে কাম-ভাব পূৰণ কৰিবৰ কাৰণে। সেই অৱস্থাত সিহঁতৰ আন সকলো আচৰণো পশুৰদৰেই। সিহঁতে নিজৰ সকলো দাবী পূৰণ কৰি লয় পশুৰদৰে গাৰ জোৰেৰে। বাধা দিবলৈ গ'লেই সিহঁতে ঘূৰি তোক পশুৰদৰে আক্ৰমণ কৰিব। সুবালা, তই নিজে যিয়েই নকৰ, বেশ্যা হোৱাৰ বাহিৰে যে তোৰ আন একো পথ নাই—সেই বিষয়ে মোৰ মনত অকণো সন্দেহ নাই। গতিকে এতিয়াই মই তোক কেইটামান কথা কৈ থওঁ, মনত ৰাখি থলে সময়ত তই উপকাৰ পাবি। নপুংসকবোৰ যেনেকৈ মটাও নহয় মাইকীও নহয়, বেশ্যাবোৰো ঠিক তেনেকৈ মানুহো নহয় জন্তুও নহয়। বেশ্যাৰ জগত একেবাৰে এখন বেলেগ জগত। সেই জগতৰ আইন-কানুন নীতি-নিয়ম সম্পূৰ্ণ বেলেগ। মানুহৰ জগতৰ বিচাৰ-বিবেচনা, দয়া-ধৰ্ম, নীতি-নিয়ম বেশ্যাৰ ক্ষেত্ৰত একেবাৰে অচল। এবাৰ যদি মানুহে তোক বেশ্যা বুলি চিনি পাইছে, তেন্তে সেই মুহূৰ্তৰপৰা তই মানুহৰ

চলুত এখন বেলেগ পৃথিৱীৰ জীৱ। ধৰ্মই তোক আশ্ৰয় নিদিয়ে, আইনে তোক মানুহ বুলি নাভাবে, তোৰ দুখ-যন্ত্ৰণা, মান-সন্মান, অতীত-ভৱিষ্যত একো থাকিব নোৱাৰে। আনকি জীৱনৰ যি সাধাৰণ ধৰ্ম বংশ-ৰক্ষা, যি ধৰ্ম ইতৰ পশুৰো আছে, বেশ্যা তাৰপৰাও বঞ্চিত। মানুহৰ সমাজে মাৰাত্মক পাপী বা নৰহত্যাকাৰীকো ক্ষমা কৰিব পাৰে, শুধৰণী কৰিবলৈ সুবিধা দিব পাৰে, এদিন সমাজত পুনৰ গ্ৰহণ কৰিব পাৰে, কিন্তু বেশ্যাৰ কোনো ক্ষমা নাই, সমাজত বেশ্যাৰ কোনো ঠাই নাই। গতিকে বেশ্যা হ'বলৈ হ'লে প্ৰথমে তই নিজকে সমাজৰ মানুহ বুলি পাহৰি যাব লাগিব, তোৰ ওচৰলৈ যিবোৰ মানুহ আহে সিঁহতকো মানুহ বুলি তই পাহৰি যাব লাগিব। এনেকুৱা বহুত মানুহো বেশ্যাৰ ওচৰলৈ আহে, যিবোৰ হয়তো সাধাৰণ অৱস্থাত দয়া-ধৰ্ম ভাল-বেয়াৰ জ্ঞান থকা ভাল মানুহেই। কিন্তু বেশ্যাৰ ওচৰত থকা সময়খিনিত সিঁহঁতো স্বাভাৱিক মানুহ নহয়। সাধাৰণ অৱস্থাত সিঁহত যিটো নহয়, ঠিক সেইটো হ'বলৈকে সিঁহত আহে বেশ্যাৰ কাষলৈ। তোৰ ওচৰলৈ অহা সকলো মানুহেই একে, সিঁহতৰ নিজৰ জগতত সিঁহত লাগে সাধু-মহাত্মাই হওক বা খুনী দগাবাজেই হওক।'

বাহিৰত কাৰোবাৰ খোজৰ শব্দ শুনি বুঢ়ীয়ে হঠাৎ কথা ক'বলৈ বন্ধ কৰি মোৰ কাণৰ কাষত ফুচ্‌ফুচাই উঠিল, 'নৰেন আহিছে। তই মিছাকৈয়ে যুঁজ-বাগৰ কৰি নিজৰ গাটো জখম নকৰিবি। যদি যুঁজ কৰো বুলিয়েই ভাব, তেন্তে নৰেনতকৈ হেজাৰগুণে বেছি বদ্‌মাচ্ আৰু নিষ্ঠুৰ গুণ্ডাৰ লগত যুঁজ কৰিবলৈ গাৰ শক্তিখিনি সাঁচি থ।'

কথাখিনি কৈয়েই বুঢ়ী সাউৎ কৰে বাহিৰলৈ ওলাই গ'ল।

খোজৰ শব্দটো ক্ৰমে কাষ চাপি আহি দুৱাৰ মুখ পালেহি। মোৰ জীৱনত ঘটনাবোৰ এনে দ্ৰুতভাৱে ঘটি যায় যে এক মুহূৰ্তৰ কাৰণেও একো এটা চিন্তা কৰিবলৈ মই সময় নাপাওঁ। বুঢ়ীৰ কথাবোৰে মনটো তোলপাৰ কৰি যোৱা অৱস্থাতে নৰেনৰ আগমনে এটা নিৰুপায় ক্ষোভত মোক অস্থিৰ কৰি তুলিলে। বুঢ়ীয়ে শেষ মুহূৰ্তত দি যোৱা উপদেশ পাহৰি মই মৰিম-কিংবা-মাৰিম এনে এটা অৱস্থাৰ কাৰণে মনে মনে সাজু হ'বলৈ ধৰিলো। এনেতে দুৱাৰ মুখৰপৰা নৰেনে মাত লগালে, 'সুবালা !'

মই একো উত্তৰ নিদি মনে মনে ৰ'লো। অলপ পাছতে হাতত লেম্প, এটা লৈ নৰেন মোৰ কাঠালৈ সোমাই আহিল। কোঠাটো দুপৰীয়া মই

লণ্ডভণ্ড কৰি থোৱা অৱস্থাতে আছিল, সি কোঠাটোৰ সোঁমাজতে থিয় হৈ চাৰিওফালে কৌতূহলী দৃষ্টিৰে নিৰীক্ষণ কৰিবলৈ ধৰিলে। তাৰপাছত মোক একো নকৈ সি নিজেই বিছনাখন আৰু কোঠাটোৰ বস্তবোৰ ঠিক কৰিবলৈ লাগিল। সেইবোৰ কৰি শেষ কৰি সি মোৰ ফালে চাই মাত লগালে, 'সুবালা এইফালে আহ।' মোক লৰচৰ নকৰা দেখি সি মোৰ ফালে আগ বাঢ়ি আহিল আৰু গাৰ জোৰেৰে মোক টানি নি বিছনাত বহুৱাই দিলেগৈ। তাৰপাছত মোৰ চকুলৈ ভীতি-জনক দৃষ্টিৰে চাই সি মোক ক'লে, 'সুবালা, তই বেছি গণ্ডগোল নকৰিবি। ইয়াত তোক ৰক্ষা কৰিবলৈ কোনো নাই। এতিয়া মই যি কওঁ মন দি শুন। তোৰ ওচৰলৈ এতিয়া মোৰ এজন বন্ধু আহিব। তই তেওঁৰ লগত ভাল ব্যৱহাৰ কৰিবি। মই বাহিৰতে থাকিম। কিবা দিগদাৰি কৰা যেন শুনিবলৈ পালে তোক মই জীয়াই নাৰাখিম। শুনিছ?'

কথাখিনি কৈ সি বাহিৰলৈ ওলাই গ'ল।

এদিন নৌ যাওঁতেই সি বাহিৰা মানুহ আনিবলৈ আৰম্ভ কৰিলেই,—মই মনে মনে ভাবিলো। আৰু বেছি কথা ভাবিবলৈ মোৰ সময় নহ'ল, নৰেনে কৈ থোৱা মানুহজন সোমাই আহি মোৰ সমুখত থিয় হ'লহি। মোৰ মনটো যদিও অতিশয় খং আৰু ঘৃণাৰে ভৰি আছিল, তথাপি মানুহজনৰ মুখত চকু পৰা মাত্রে খন্তেকৰ কাৰণে মোৰ মনৰ ভাব অলপ সলনি হৈ গ'ল। মই কল্পনা কৰি আছিলো, আগন্তুকজন নৰেনৰ বন্ধু আৰু বেশ্যাসক্ত যেতিয়া, দেখিবলৈকো তাৰ নিচিনাই নিষ্ঠুৰ গুণ্ডা প্রকৃতিৰ আৰু বীভৎস চেহেৰাৰ মানুহেই হ'ব। এই ঘৃণনীয় কদৰ্য্য পৰিবেশত নিষ্ঠুৰ আৰু কুৎসিত চেহেৰাৰ মানুহহে যেন আচলতে খাপ খায়। কিন্তু এই মানুহজনৰ মুখৰ চেহেৰা এনে সুন্দৰ আৰু ভাব-ভংগীত এনে এটা নম্র শান্ত-শিষ্ট ভাব ফুটি উঠিছিল যে তেওঁ কিবা বেয়া কাম কৰিব পাৰে বুলি বিশ্বাস কৰিবলৈকে মই টান পালো। মোৰ মুখলৈ অলপ সময় শান্ত মুগ্ধ দৃষ্টিৰে চাই থাকি তেওঁ টুলখনতে বহি পৰিল আৰু চিগাৰেট এটা জ্বলাই মৃদু টান এটা মাৰি মোক প্রশ্ন কৰিলে, 'তোমাৰ নামকি?'

'সুবালা'—ইচ্ছা কৰিয়েই মই কৰ্কশ মাতেৰে উত্তৰ দিলো—'কিন্তু মোৰ নামটো আপোনাক কিয় লাগে?'

'নাম আৰু কিয় লাগে? নাম মানুহক মাতিবলৈ লাগে। সুবালা, সু—বালা,—বাঃ বেছ, সুন্দৰ নামটো। মই কিন্তু তোমাক ইয়াতকৈয়ো সুন্দৰ নাম

এটাৰে মাতিম। মই তোমাক মাতিম হৰিণী বুলি। ভীৰু হৰিণীৰদৰে বিষণ্ণ সুন্দৰ তোমাৰ মুখ।'

মই আশা কৰিবলৈ ধৰিলো, কথাখিনি কৈ শেষ কৰিয়েই তেওঁ মোৰ হাত এখন টান মাৰি নিব, তাৰপাছত টুলৰপৰা আহি বিছনাত বহিব, এইদৰে ঠিক নবেনৰ নিচিনাকৈ তেওঁ ধাপে ধাপে অগ্ৰসৰ হ'ব সেই চিৰাচৰিত পথেৰে। কিন্তু তেওঁ কথা কৈ শেষ কৰিও যেতিয়া সেইবোৰ একো নকৰি বা কৰিবৰ উপক্ৰম নকৰি মোৰ ফালে হাঁহি মুখেৰে মুগ্ধ দৃষ্টিৰে চাই চাই চিগাৰেট হুপিবলৈ ধৰিলে, মই সঁচাকৈয়ে অতি আচৰিত হ'লো। ঘপহ্ কৰে এবাৰ মই তেওঁৰ মুখৰ ফালে পৰিপূৰ্ণ দৃষ্টিৰে চাই পঠালো, আৰু লগে লগে মোৰ মনত এটা নতুন সম্ভাৱনাৰ চিন্তাই ঠাই পালে।

'আপুনি মোৰ ওচৰলৈ কিয় আহিছে?'—খুব সহজভাৱে মই তেওঁক প্ৰশ্ন কৰিলো।

তেওঁ পোনে পোনে মোৰ প্ৰশ্নৰ একো উত্তৰ নিদি অলপ সময় মোৰ মুখলৈ অৰ্থপূৰ্ণ দৃষ্টিৰে চাই ৰ'ল। তাৰপাছত শান্তভাৱে তেওঁ মোক ঘূৰাই প্ৰশ্ন কৰিলে, 'তোমাৰ ওচৰলৈ আন মানুহ কিয় আহে?'

'মোৰ ওচৰলৈতো আন কোনো মানুহ নাহে।' মই আচৰিত হোৱা যেন দেখুৱাই উত্তৰ দিলো।

'তাৰ মানে, তোমাৰ ওচৰলৈ অহা মানুহ ময়েই প্ৰথম? সেয়ে হ'লেতো খুব ভাল কথা।'

'কিন্তু আপুনি মোৰ ওচৰলৈ আহিছে কিয়?'

'সুবালা, এইবোৰ কথাৰ খেলা বাদ দিয়া। মই তোমাক এটা প্ৰশ্ন কৰিম, তুমি যদি তাৰ সঁচা উত্তৰ দিয়া, তেন্তে তোমাৰেই ভৱিষ্যত ভাল হ'ব। তুমি এই ব্যৱসায়ত নামিবৰ কিমান দিন হ'ল, আৰু এই পৰ্যন্ত নবেনৰ বাহিৰে তোমাৰ ওচৰলৈ কিমান মানুহ আহিছে?'

মানুহজনৰ প্ৰশ্ন সোধাৰ ভংগীত এনে এটা আন্তৰিকতা আছিল যে ঘপহ্ কৰে কিবা এটা উত্তৰ দি দিবলৈ মই বৰ টান পালো। এই প্ৰশ্নৰ সত্য উত্তৰৰ ওপৰত মোৰ ভৱিষ্যত কেনেকৈ নিৰ্ভৰ কৰে, সেই বিষয়েই অলপ চিন্তা কৰিবলৈ মই বাধ্য হ'লো। কিছু সময় মনে মনে চিন্তা কৰি মই অৱশেষত মাত লগালো, 'মোৰ কথা আপুনি বিশ্বাস কৰিব?'

'কাক কেতিয়া বিশ্বাস কৰিব লাগে, সেই কথা মই জানো। তুমি মোৰ প্ৰশ্নৰ উত্তৰ দিয়া।'

মই আকৌ নীৰৱ হৈ গ'লো। জীৱনৰ সমস্ত দুৰ্ভাগ্যৰ কথা বুঢ়ীকেই মই প্ৰথম কৈছিলো, আৰু সেই বুঢ়ীয়ে এটা নিৰাপদ আৰু ভাল জীৱনৰ প্ৰলোভন দেখুৱাই মোক ঘৰৰপৰা লৈ আহি এই অৱস্থাত পেলাইছেহি। জীৱনত আজিলৈকে মই এনে এজন মানুহ লগ পোৱা নাই,.যাক মই অকণমানো বিশ্বাস কৰিব পাৰো, যাৰপৰা এধানমানো সহানুভূতি আশা কৰিব পাৰো। জীৱনৰ অভিজ্ঞতাই পৃথিৱীৰ সকলো মানুহৰ ওপৰতে বিশ্বাস হেৰুৱাবলৈ মোক বাধ্য কৰিছে। তেনেস্থলত বেশ্যাৰ সন্ধানত অহা খদ্দেৰৰ চিনাকী এই মানুহজনৰ আগত মোৰ দুখৰ কাহিনী কৈ কি লাভ হ'ব বুলি মই আশা কৰিব পাৰো? চকু দুটা মুদি মই গভীৰভাৱে চিন্তা কৰিবলৈ ধৰিলো। অৱশেষত মই ভাবিলো, লাভ একো নহলেও এতিয়া মোৰ যি সৰ্বনাশ হৈছে তাতকৈ বেছিতো একো হ'ব নোৱাৰে। বৰং আৰু এবাৰ ভাগ্যক পৰীক্ষা কৰি চোৱাত ক্ষতি কি? মানুহজনৰ ফালে চাই মই প্ৰশ্ন কৰিলো, 'আপুনি মোৰ ওচৰত কিমান সময় ৰহিব পাৰে?'

'মইতো গোটেই ৰাতি তোমাৰ ওচৰত থাকিম বুলিয়েই আহিছিলো—অৱশ্যে তোমাৰ যদি একো আপত্তি নাথাকে।' তেওঁ উত্তৰ দিলে।

'শুনক, আপুনি এই প্ৰশ্নটো মোক কিয় কৰিছে আৰু মই তাৰ সঁচা উত্তৰ দিলে মোৰ কি ভাল হ'ব, মই একো বুজিব পৰা নাই। কিন্তু আপুনি মোৰপৰা সঁচা কথা শুনিব খুজিলে কেৱল আপোনাৰ প্ৰশ্নটোৰ উত্তৰ শুনিলেই নহ'ব, আৰু বহুত কথাই শুনিব লাগিব। আপোনাৰ ধৈৰ্য্য হ'ব মোৰ জীৱনৰ সমস্ত কথা শুনিবলৈ?'

'তুমি কৈ যোৱা।'—তেওঁ আৰু এটা চিগাৰেট জ্বলাই লৈ আৰামৰ ভংগীত ৰহি ললে।

মোৰ মনত পৰা দিনৰে সকলো কথা ক'বলৈ মই আৰম্ভ কৰিলো। আমাৰ মুখত এমুঠি ভাত গুজি দিবলৈ আয়ে কেনেকৈ এৰাতিৰ কাৰণে নিজৰ দেহ বেচিব লগা হৈছিল, সেই কথাও মই বাদ নিদিলো। প্ৰায় দুঘন্টামান সময় ধৰি সমস্ত কথা কৈ সেইদিনা দুপৰীয়া নবেনে মোৰ কৌমাৰ্য্য নষ্ট কৰাৰ কথাৰে মই মোৰ কাহিনী শেষ কৰিলো।

মোৰ দুখৰ কাহিনীয়ে মানুহজনৰ মনত কি প্ৰতিক্ৰিয়া কৰিছে বুজিবৰ কাৰণে তেওঁৰ মুখলৈ চাই মই দেখিলো, তেওঁৰ মুখ-ভংগী নিৰ্বিকাৰ। তেওঁ যেন ইমান পৰে মোৰ একো কথা শুনাই নাই, চিগাৰেট হুপি হুপি তেওঁ কেৱল

নিজৰ ভাবতে মগ্ন হৈ আছে। স্বাভাৱিকতে মই মনত এটা অতি ৰূঢ় আঘাট পালো। ইমান ভনিতা কৰি কিয় মই তেওঁক মোৰ দুখ আৰু লাঞ্ছনাৰ কথা শুনাবলৈ গ'লো বুলি ভাবি মোৰ নিজৰে বৰ দুখ আৰু লাজ লাগিল। অপমান আৰু লাজত মই তলমূৰ কৰি বহি ৰ'লো।

মানুহজনে সিমানতো একো নকৈ একে ভংগীৰে নীৰৱ হৈ বহি ৰ'ল। তেনেতে' বুঢ়ী আহি দুৱাৰ মুখৰপৰা মোক মাত লগালে, 'সুবালা, ভাত খাবলৈ আহ।'

গোটেই দিনৰ লঘোণ আৰু ভাগৰত মই একেবাৰে ভাগি পৰিছিলো। তাতে মানুহজনৰ সহানুভূতিহীন দৃষ্টিৰ সন্মুখৰপৰা আঁতৰি পলাবলৈ মোৰ একান্ত প্ৰয়োজন হৈছিল। বুঢ়ীয়ে মতাৰ লগেলগেই মই ভাত খাবলৈ বুলি ওলাই গ'লো।

ভাত খাই ঘূৰি আহি মই দেখিলো, মানুহজন একে ঠাইতে একে ভংগীতে বহিয়েই আছে। মানুহজনৰ আচৰণ দেখি মই সঁচাকৈয়ে অতি আচৰিত হ'লো। ইমান পৰে তেওঁ এনে একো এটা ইংগিত দিয়া নাই, যাৰ দ্বাৰা মই বুজিব পাৰো যে নৱেনৰ দৰে তেওঁৰো চকু মোৰ দেহৰ ওপৰত। কিন্তু মোৰ দৰে ছোৱালীৰ ওচৰলৈ দেহৰ বাহিৰে মানুহ আন কি আশা কৰি আহে? মানুহজনে মুখেৰেও একো নকয়, গুচি যোৱাৰো একো লক্ষণ দেখা নাই, মোৰো আৰু ক'বলৈ একো কথা নাই। মই বৰ বিব্ৰত অনুভৱ কৰিবলৈ ধৰিলো। বিছনাত নবহি মই বেৰখনত আঁউজি নীৰৱে থিয় হৈ ৰ'লো।

এনেয়ে থাকি থাকি আমনি লাগি মই এবাৰ মানুহজনৰ মুখৰ ফালে চাই পঠালো। চকুদুটা মুদি চিগাৰেটৰ ধোঁৱা এমোকোৰা পাগুলি তেওঁ নিশ্চল হৈ বহি আছে। তেওঁৰ মুখৰ ফালে চাই চাই হঠাৎ মই অনুভৱ কৰিলো, জীয়াই থাকি থাকি মানুহজনৰ যেন অতিশয় বিৰক্তি লাগিছে, জীৱনত তেওঁ একোতেই তৃপ্তি বা আনন্দ পোৱা নাই বা পাব পাৰে বুলি বিশ্বাসো নকৰে, তেওঁৰ দেহটো যেন মনৰ ওপৰত এটা প্ৰকাণ্ড বোজাহে মাত্ৰ। মোৰ ভাব হ'ল, একো চিন্তা নকৰাকৈয়ে যেন তেওঁ হঠাৎ মোৰ ওচৰলৈ গুচি আহিল আৰু আহি এতিয়া কি কৰিব একো ভাবি নাপাই তেওঁ অতি বিব্ৰত হৈ পৰিছে। মোৰ ওচৰত থাকিবলৈকো তেওঁৰ বিশেষ আগ্ৰহ নাই, গুচি যাবলৈকো কোনো তাগিদ বা প্ৰেৰণা নাই। মই বুজিলো, এই মানুহজন ভালেই হওক বা বেয়াই হওক, মই আজিলৈকে লগ পোৱা সকলো মানুহৰপৰা এওঁ একেবাৰে বেলেগ। এনে

মানুহ নবেনৰ কেনেকৈ বন্ধু হ'ব পাৰে সেই কথা ভাবি মই আচৰিত হ'লো।

নীৰৱতা অসহ্য হোৱাত মইেই এবাৰ মাত লগালো, 'আপুনি ক'ত থাকে?'

'গুৱাহাটিত।' তেওঁ ক্লান্তভাৱে উত্তৰ দিলে।

'কি কৰে?'

'ব্যৱসায়।'

'আপোনাৰ নাম কি?'

এইবাৰ তেওঁ হাঁহি উত্তৰ দিলে, 'তোমাৰ দৰে ছোৱালীৰ আগত কোনো মানুহেই নিজৰ আচল পৰিচয় নিদিয়ে। মই বাৰু সঁচা কথাই কম। মোৰ নাম বঞ্জিত। বঞ্জিত চৌধুৰী।'

'নবেনৰ লগত আপোনাৰ কিমান দিনৰ বন্ধুত্ব?'

'বন্ধুত্ব?'—মানুহজন যেন অতি আচৰিত হ'ল—'সি বোধহয় তোমাক মই তাৰ বন্ধু বুলি কৈছে? বাৰু কব দিয়া। সি আচলতে মোৰ কাঠৰ ব্যৱসায়ৰ এটা সৰুসুৰা এজেণ্ট।'

তেওঁৰ এই কথা শুনি মই সঁচাকৈয়ে আচৰিত হ'লো। নবেনকেই মই মস্ত ধনী মানুহ বুলি জানো, সেই নবেনেই যদি এওঁৰ কাৰণে সৰুসুৰা এজেণ্টহে হয়, তেন্তে এওঁ যে কিমান ডাঙৰ ধনী মানুহ হ'ব মই সেই কথা কল্পনাই কৰিব নোৱাৰিলো।

আৰু সুধিবলৈ একো কথা বিচাৰি নাপাই মই পুনৰ নীৰৱ হৈ গ'লো। মানুহজনে হঠাৎ হাত ঘড়ীটোলৈ চাই মাত লগাই উঠিল, 'ইঃ বহুত সময় হ'ল, বাৰটা বাজিবৰে হ'ল। আচ্ছা সুবালা, অ, সুবালা নহয়, হৰিণী—এতিয়া মোৰ কথা শুনা। মই তোমাৰ ঘৰত চকু মুদি মুদি এনেয়ে বহি থকা নাই। মই বহুত কথা চিন্তা কৰিলো। এতিয়া মই এটা সিদ্ধান্তলৈ আহিলো। বহুত দিনৰপৰা মই এজনী পছন্দৰ ছোৱালী বিচাৰি আছিলো। আজি হঠাৎ তোমাৰ লগত মোৰ দেখা হৈ গ'ল। তোমাক মোৰ পছন্দ হৈছে। মই তোমাক ৰাখিব খোজো। তুমি ৰাজী হবা?'

ইমান সহজ পোনপটিয়া ভাষাৰে এনে এটা অদ্ভুত প্ৰস্তাৱ মানুহজনে কৰি পেলালে যে মই একেবাৰে ঠৎনৎ খাই গ'লো। তৎক্ষণাৎ কিবা এটা উত্তৰ দিয়া দূৰৰ কথা, মই কি ভাবিম তাকেই একো ভাবি নোপোৱা হ'লো। বুৰ্বকৰ দৰে হতবাক হৈ মই তেওঁৰ মুখলৈ চাই ৰ'লো।

'তোমাক আৰু অলপ কথা কোৱা দৰকাৰ'—তেওঁ আকৌ মাত লগালে—"মই এতিয়াও বিয়া কৰা নাই আৰু ভৱিষ্যতেও কৰাৰ একো মতলব নাই। বিয়া-বাৰু, ল'ৰা-তিৰোতাৰে ঘৰ-সংসাৰ—এইবোৰ মোৰ পছন্দ নহয়। কিন্তু মাজে মাজে মই এজনী তিৰোতাৰ প্ৰয়োজন অনুভৱ কৰো, আৰু তাৰ কাৰণে গ'লিয়ে গ'লিয়ে ঘূৰি ফুৰাতকৈ এজনী ৰক্ষিতা ৰাখিব খোজো। জীৱনটো চলি যাবলৈ মোৰ টকাৰ অভাৱ নাই। মই তোমাক নীৰল ঠাইত বেলেগে ঘৰ দি সুন্দৰভাৱে ৰাখিম, এজনী চাকৰণীও ঠিক কৰি দিম, তুমি নিজঙ্গালে থাকিব পাৰিবা। মই যি বুজিলো, সৰুতে পঢ়া-শুনাৰ প্ৰতি তোমাৰ প্ৰৱল আগ্ৰহ আছিল। মই তোমাক সুন্দৰ লাইব্ৰেৰী কৰি দিম, ইচ্ছামতে তুমি পঢ়া-শুনা কৰি নিজকে শিক্ষিতা কৰি তুলিব পাৰিবা। ময়ো বেছি ভাগ আহৰি সময় কিতাপ-পত্ৰ লৈয়েই থাকো, গতিকে তোমাৰ আগ্ৰহ হ'লে ময়ো তোমাক পঢ়া-শুনাত সহায় কৰি দিম। মুঠতে বিবাহিতা স্ত্ৰী পৰিচয় আৰু মৰ্য্যাদাৰ বাহিৰে তুমি জীৱনৰ আন সমস্ত নিৰাপত্তা আৰু আৰাম পাবা। এই সকলো চিন্তা কৰি তুমি তোমাৰ মতামত মোক কোৱা। অৱশ্যে তোমাৰ ইচ্ছা নহ'লে তোমাক জোৰ নকৰো। জোৰ কৰি কোনো তিৰোতাক ৰক্ষিতা কৰি ৰাখিব নোৱাৰি বা আচল আনুগত্য পাব নোৱাৰি।'

জীৱনত এনে এটা সম্ভাৱনাৰ কাৰণে মই কোনোদিনেই প্ৰস্তুত নাছিলো। ৰঞ্জিতে মোক যিমানেই আৰাম বা নিৰাপত্তাৰ লোভ নেদেখুৱাওক, স্বাভাৱিক অৱস্থাত কোনো তিৰোতাই ৰক্ষিতাৰ জীৱন কাম্য বুলি নিশ্চয় বিবেচনা নকৰে। কিন্তু পোনে পোনেই ৰঞ্জিতৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিবলৈকো মই মনত অকণো জোৰ বিচাৰি নাপালে। দত্তাৰৰ বেশ্যা বা নৰেনৰ ৰক্ষিতা হৈ থকাতকৈ ৰঞ্জিতৰ ৰক্ষিতা হোৱাতো নিশ্চয় হেজাৰ গুণে বেছি ভাল। তাতোকৈ ভাল কিবা এটাৰ সম্ভাৱনা নেদেখাকৈ ৰঞ্জিতৰ প্ৰস্তাৱত অসম্মত হোৱাতো মোৰ পক্ষে নিশ্চয় মূৰ্খামীৰ কথা হ'ব। তদুপৰি ৰঞ্জিতৰ আশ্ৰয়ত থাকিলে মই অন্ততঃ চিন্তা কৰি কাম কৰিবলৈ কিছু সময় পাম, কিন্তু এই নৰক কুণ্ডত মোৰ নিজৰ বুলিবলৈ তিলমাত্ৰ সময় নাই। মুহূৰ্তৰ ভিতৰতে নানা কথা মোৰ মনলৈ আহিল। অৱশেষত সকলো লাজ-সংকোচ ত্যাগ কৰি মই মাত লগালো—'আজি ৰাতিটো মোক ভাবিবলৈ সময় দিয়ক। কালিলৈ পুনৰাই আপুনি আহিব, মই মোৰ মতামত জনাম।'

ৰঞ্জিত উঠি থিয় হ'ল। 'বাৰু, সেয়েই হ'ব। মই পুনৰাই আহিম। আৰু

তুমি যদি মোৰ প্ৰস্তাৱত ৰাজী হোৱা, কালিলৈ গধূলিৰ আগে আগে মই তোমাক ইয়াৰপৰা লৈ যাম।'

মোৰ ফালে ভালকৈ নোচোৱাকৈয়ে তেওঁ বাহিৰলৈ ওলাই গ'ল।

[ ১০ ]

মনত হেজাৰটা চিন্তাৰ বোজা লৈ মই বিছনাত শুই পৰিলো। বিছনাত পৰাৰ অলপ সময় পাছতেই মোৰ টোপনি আহিল। কিমান সময় মই তেনেকৈ টোপনি গৈ আছিলো ক'ব নোৱাৰো, হঠাৎ মোক কোনোবাই ঠেলি দিয়া যেন অনুভৱ কৰি মই ভীষণভাৱে চক্ খাই সাৰ পাই উঠিলো। তেতিয়াহে মই গম পালো, মই ক'ব নোৱৰাকৈয়ে মানুহ এটা আহি মোৰ কাষতে বিছনাত শুই পৰিছে। মানুহটো যে নৱেন, সেই কথা বুজিবলৈ মোৰ বাকী নাথাকিল। মদ খাই সি একেবাৰে বেহুচ্ হৈ পৰিছে! মোৰ গাত হাত দিবলৈ বা কোনো বেয়া উদ্দেশ্যৰ ইংগিত দিবলৈ সি কোনো চেষ্টা কৰা নাছিল, তথাপি মই বিছনাত তেনেকৈ তাৰ লগতে শুয়েই থাকিম নে উঠি যাম—সেই কথা চিন্তা কৰি মহা বিপাঙত পৰিলো। আগ নিশাৰ সেই ঘুঁজ-বাগৰ আৰু দিনটোৰ অত্যাচাৰত মোৰ শৰীৰ এনেকৈ ভাগি পৰিছিল যে, বিছনাৰপৰা উঠি গৈ মাটিত গোটেই ৰাতি বহি থকাৰ কথা ভাবিবলৈকে মোৰ ভয় লাগিল। আনহাতে নৱেনৰ লগত সেইদৰে জানি-শুনি একেখন বিছনাতে শুই থকাৰ চিন্তাতো মোৰ মন ঘৃণাত বিদ্ৰোহী হৈ উঠিল। অৱশেষত দেহৰ ক্লান্তিৰ চিন্তাৰেই জয় হ'ল, নৱেনে মোক জোকা-বলৈ চেষ্টা নকৰা পৰ্য্যন্ত মই শুই থকাটোকে ঠিক কৰিলো। মই ইমান ক্লান্ত হৈ পৰিছিলো যে অলপ পাছতে মোৰ আকৌ টোপনি আহিল। কিন্তু ঈশ্বৰে যে মোৰ কপালত এক মুহূৰ্ত্তৰ কাৰণেও আৰাম বা শান্তি লিখা নাই, সেই কথা জানিও মই পাহৰি যোৱা উচিত নাছিল। টোপনি যোৱাৰ অলপ সময়ৰ পাছতেই মুখত কিবা এটা পানী জাতীয় বস্তুৰ স্পৰ্শ আৰু উৎকট দুৰ্গন্ধ অনুভৱ কৰি মই পুনৰ খকমককৈ সাৰ পাই গ'লো, আৰু লগে লগে এটা তীব্ৰ ঘৃণাত মই বিছনাৰপৰা উকৰি মাটিত জাঁপমাৰি পৰিলো। নৱেনে মদৰ আলত মোৰ মুখৰ ওপৰতে বমি কৰি দিছে, আৰু

সেই অবৰ্ণনীয় দুৰ্গন্ধ বমিবোৰ মোৰ নাকে-মুখে-চকুৰে একাকাৰ হৈ বিয়পি পৰিছে। লৰালৰিকৈ কাপোৰৰ আগেৰে মুখখন মোহাৰি মই পানী বিচাৰি ঘৰৰ পিছফালৰ পানীৰ ঢোলটোৰ ওচৰলৈ গ'লো ; কিন্তু তাত গৈ দেখিলো— এটোপাও পানী নাই। পাগলীৰ দৰে এন্ধাৰতে খপ্-জপাই ঠিক চোকাৰ কাষৰ ঘটি-বাল্টি আটাইবোৰ পৰীক্ষা কৰি চালো—নাই, ক'তো একবিন্দু পানী নাই। অগত্যা আচলৰ আগেৰেই মুখখন মোহাৰি মই পুনৰ মোৰ কোঠালৈ সোমাই আহিলো। কিন্তু বমিৰ সেই উৎকট দুৰ্গন্ধ বেছি পৰ সহ্য কৰিব নোৱাৰি অলপ পাছতে মোৰ নিজৰেই ভীষণ বেগেৰে বমি বাহিৰ হৈ আহিল। গোটেই দিনটো লঘোণে থাকি ৰাতি যি এমুঠি খাইছিলো, সকলো বাহিৰ হৈ গ'ল। বমি কৰাৰ ফলত নবেনৰ মদৰ জাল বোধ হয় কিছু কাটি গৈছিল, মোক অক্-অক্ কৈ বমি কৰা শুনি সি পিশাচৰ দৰে হিঃ হিঃ কৈ হাহি এটা মাৰি মাত লগাই উঠিল, 'কি সুধালা, আজি তয়ো মদ খালি নে কি? খা খা বেটি, মদ নাখালে কিহৰ মজা।'

মোৰ সমস্ত শৰীৰ দগ্ধ কৰি এটা ভয়ংকৰ নিদাৰুণ খণ্ড তালুৰপৰা তলুৱালৈকে দপ্‌দপ্‌কৈ জ্বলি উঠিল। অলপ সময় মই কঁপি কঁপি থিয় হৈ থাকিলো, তাৰ পাছত মই উত্তেজনাত অন্ধা হৈ বিছনাৰ ওচৰলৈ গৈ প্ৰচণ্ড জোৰেৰে নবেনৰ মুখতে চৰ এটা মাৰি দিলো। চৰটো ঠিক তাৰ নাকৰ ওপৰতে পৰিল, যন্ত্ৰণাত সি উস্ বুলি চিঞৰি উঠিল। অলপ সময় সি উঠিব নোৱৰা হৈ নীৰবে পৰি ৰ'ল। তাৰ পাছত সি জাপ মাৰি বিছনাৰপৰা উঠি মোক গৰা মাৰি সাৱতি ধৰিলে আৰু ইচ্ছামতে মোৰ নাকে-মুখে চৰ-ভুকু-কিল মাৰিবলৈ ধৰিলে। মোৰ নাক ফাটি হো হোকৈ তেজ বাহিৰ হৈ আহিল, চকুতো ঘোচা এটা লাগি মই চকু মেলিব নোৱৰা হৈ পৰিলো, অলপ পাছতে মই মাটিত ধপহ্‌ কৰে বহি গ'লো। সি তেতিয়া মোক ভৰিৰে গুৰিয়াবলৈ ধৰিলে। বেছি পৰ মই এই অমানুষিক অত্যাচাৰ অনুভৱ কৰিব লগা নহ'ল, কাৰণ অলপ পাছতে মই অচেতন হৈ পৰি গ'লো।

"সুবালা !"

তেতিয়াও মই ভালকৈ সংজ্ঞা ঘূৰাই পোৱা নাই, সপোনত শুনাৰ দৰে এই মাতষাৰ শুনি মোৰ কাণ দুখন নিজে নিজে থিয় হৈ উঠিল। হঠাৎ মই কপালত কাৰোবাৰ ঠাণ্ডা হাত এখনৰ স্পৰ্শ অনুভৱ কৰিলো আৰু লগে লগে পুনৰ শুনিবলৈ পালো, 'সুবালা !'—মোৰ অনুভৱ হ'ল, বহুদূৰৰ দিক্ চিহ্নহীন এন্ধাৰৰ বুকুৰপৰা কোনোবাই যেন ক্লান্ত করুণ-কণ্ঠেৰে মোক চিঞৰি মাতিছে, তাৰে অতি ক্ষীণ প্ৰতিধ্বনি আহি মোৰ কাণত পৰিছেহি। মাতষাৰ মোৰ অতি চিনাকী, অথচ ঠিক সেই মুহূৰ্তত মাতোতাজনৰ নাম মই মনলৈ আনিব পৰা নাই। কিছুসময় মোৰ মনটো তেনেকৈয়ে স্বপ্ন আৰু স্মৃতিৰ ধূৰলী অন্ধকাৰৰ মাজত খুৰ্মুটিয়াই ফুৰিবলৈ ধৰিলে। অলপ পাছতে মই যেন পোহৰ দেখিবলৈ পালো, আকুলভাৱে মই চিঞৰি উঠিলো, 'আই ! আই !'

'কোনজনী মাৰক চিঞৰিছ সুবালা ?'—বুঢ়ী মাইৰ অতি পৰিচিত মাতষাৰ এইবাৰ নিভু'লভাৱে আহি মোৰ কাণত পৰিলহি আৰু লগে লগে মই অনুভৱ কৰিলো, পানীত ভিজোৱা কাপোৰ এখনেৰে তেওঁ মোৰ মুখখন ধুই দিব ধৰিছে। যন্ত্ৰণাত মোৰ গোটেই দেহ কণ্টকিত, কিন্তু এটা অভাৱনীয় বিস্ময়ৰ ধাক্কাত মই মুহূৰ্তৰ কাৰণে-সকলো যন্ত্ৰণা পাহৰি গ'লো। কাৰণ বুঢ়ীমাইৰ মাতত মই শুনিবলৈ পালো জোৰকৈ হেচি ৰাখিব খোজা এটা কান্দোনৰ স্পষ্ট আভাস। বুঢ়ী মাযে কান্দিছে ? কিন্তু কিয় ? মই লাহে লাহে চকু দুটা মেলি দিলো। ওচৰতে থকা চাকিটোৰ ক্ষীণ হালধীয়া পোহৰত বুঢ়ী মাইৰ মুখখনতে মোৰ চকু পৰিল, দুধাৰা চকুৰ পানী তেওঁৰ দুই গালেদি বাগৰি আহিছে। মই চকু মেলা দেখি তেওঁ লৰালৰিকৈ আচলৰ আগেৰে চকুপানীখিনি মচি পেলালে আৰু অতি কৰ্কশ মাতেৰে গৰ্জি উঠিল, 'তোৰ ইমান দেমাক্ কিহৰ, মাগনীৰ বেটি ? আৰু দুদিনমান যাওকচোন, নহা মানুহকো ভৰিত ধৰি মাতি ৰক্ষা নাপাবি, সিইঁতৰ বমিহে নালাগে বিষ্ঠা খায়ো ভৎ নাপাবি......

বুঢ়ী মাইৰ কথাবেৰ মোৰ কাণতহে পৰিল, কিন্তু সি গৈ মোৰ মনত

প্ৰবেশ কৰিব নোৱাৰিলে। মনটো তেতিয়া ভৰি আছে তেওঁৰ বেদনা-বিহ্বল অশ্ৰু-সজল মুখৰ আশ্চৰ্য্য ছবিৰে।

ইয়াৰ পাছত তেওঁ নীৰৱে মোৰ গাৰ আৰু মুখৰ বমিবোৰ ধুবলৈ ধৰিলে আৰু লেতেৰা কাপোৰবোৰ খুলি দিলে। এইখিনি শেষ কৰি তেওঁ মাত লগালে—'এতিয়া মাটিতে পৰি থাকিবি নে কি? উঠ, মোৰ বিছনাতে শুই থাকগৈ। তোৰ বিছনাৰ ওচৰলৈকে যাব নোৱাৰি।'

মই খুব কষ্ট কৰি উঠি থিয় হ'লো। মোৰ বিছনাত নৱেনক নেদেখি বুঢ়ীমাইক মই সুধিলো, 'সেই মদাহীটো ক'লৈ গ'ল?'

'তই মৰিবি বুলি ভাবি তেতিয়াই পলাল। তোৰো আই কিবা কালিকা-লগা জীৱ। সেই হেন কেইটা গোৰ খাইও যে কেনেকৈ বাচি আছ, একমাত্ৰ ঈশ্বৰেহে জানে।'

[ ১২ ]

পুৱা শুই উঠিয়েই মনত পৰিল, আজি বঞ্জিত আহিব, তেওঁ অহাৰ আগেয়েই মই এটা সিদ্ধান্তত উপনীত হ'ব লাগিব। চিন্তা কৰিবলৈ মোৰ হাতত বেছি সময় নাছিল, অথচ আগ পাছ নুগুনি একেবাৰে অচিনাকী মানুহ এটাৰ হাতত নিজৰ সমস্ত ভৱিষ্যত সঁপি দিবলৈকো মোৰ সাহস নাছিল। সেই কাৰণে বুঢ়ী মাইকে গোটেই কথাবাৰ খুলি ক'লো আৰু তেওঁৰপৰাই এটা পৰামৰ্শ বিচাৰিলো।

বুঢ়ীমায়ে মোক প্ৰশ্ন কৰিলে, 'কালি ৰাতি বঞ্জিতৰ লগত তই শুইছিলি?'

'নাই শোৱা', মই উত্তৰ দিলো।

'সি তোক চুমা খাইছিল?'

'নাই খোৱা।'

'তোৰ হাতত ধৰিছিল?'

'নাই ধৰা।'

'দুঘণ্টা সময় যে সি তোৰ ওচৰত বহি আছিল, সি কি কৰি আছিল?'

'দুই-চাৰিটা কথা পতাৰ বাহিৰে তেওঁ একো কৰা নাছিল, গোটেই সময়-খিনি তেওঁ চিগাৰেট হুপি হুপি মনে মনে বহি আছিল।'

'বজ্ৰকৰা মাইকীৰ ওচৰলৈ আহি সি আনকি তোৰ হাতখনতো ধৰা নাই, তই আচৰিত হোৱা নাই নে ?'

বুঢ়ীমাইৰ এই প্ৰশ্নৰ উত্তৰ দিবলৈ একো কথা বিচাৰি নাপাই মই বিস্মিত সপ্ৰশ্ন দৃষ্টিৰে তেওঁৰ মুখলৈ চাই ৰ'লো ।

'শুন সুবালা, কুৰিটা বছৰ মই দেহৰ ব্যৱসায় কৰিছো, এই লাইনৰ মানুহ চিনিবলৈ মোৰ বাকী নাই। ৰঞ্জিতৰ বিষয়ে মই যিখিনি জানো তোক খুলি কওঁ, তাৰ পাছত তোৰ মত তই নিজেই ঠিক কৰিবি। বেশ্যাৰ ওচৰলৈ যিবোৰ মানুহ আহে, সিহঁত বেছি ভাগেই দেহেৰে বা মনেৰে বেমাৰী। মনৰ বেমাৰীবোৰ এক ধৰণৰ অদ্ভুত পাগল। কোনো বিবাহিতা তিৰোতাই সিহঁতৰ সেই পাগলামী সহ্য কৰিব নোৱাৰে, সেই কাৰণে সিহঁত আহে বেশ্যাৰ ওচৰলৈ। ৰঞ্জিতৰ কথাকে কওঁ, শুন। কালি তই নিজ চকুৰেই দেখিছ কাৰ্তিকৰ দৰে তাৰ ৰূপ, ডাঙৰ মানুহৰ ঘৰৰ ল'ৰা, ধন-ঐশ্বৰ্য্য বিদ্যা-বুদ্ধি একোৰে অভাৱ নাই—অথচ আজিলৈকে বিয়াবাৰু নকৰি সি বেশ্যা-পটিৰ অ'লিয়ে প'লিয়ে ঘূৰি ফুৰিছে। তাতো আপত্তি নাই, যদি তাৰ মতি-গতি সৰ্ব সাধাৰণ মানুহৰ দৰেই হ'লহেঁতেন। কিন্তু মানুহৰ দৰে মতি-গতি তাৰ ক'ৰপৰা হ'ব, সি মানুহেই নহয়।'

মোৰ বিস্ময়ত হতভম্ব মুখৰ ফালে ভালকৈ এবাৰ চকু ফুৰাই বুঢ়ীমায়ে পুনৰ ক'বলৈ ধৰিলে—'তই হয়তো ভাবিছ, সেই মিহি মিহি কথা কোৱা শান্ত শিষ্ট সুন্দৰ মানুহটো আচলতে অমানুহ হ'ব পাৰে কেনেকৈ ? কিন্তু পৃথিৱীৰ আন সকলো মানুহতকৈ বেশ্যাবোৰে অন্ততঃ এটা কথা বেছি ভালকৈ জানে যে বেছিভাগ মানুহেই একোখন মুখা পিন্ধিহে বাহিৰত ঘূৰি ফুৰে ; কিন্তু সকলো সময়তে মুখা পিন্ধি ফুৰাৰ যন্ত্ৰণাওতো কম নহয় ; সেই কাৰণে খন্তেকৰ কাৰণে মুখা খুলি আৰাম ল'বলৈ সিহঁত আহে বেশ্যাৰ ওচৰলৈ। এইখনেই একমাত্ৰ ঠাই, য'ত মানুহ হ'ব পাৰে সম্পূৰ্ণ উলংগ। ৰঞ্জিতৰ কথাকে কওঁ, শুন। তাৰ খাটনিত পৰি মই এবাৰ এজনী ছোৱালী তাক ঠিক কৰি দিলো, সি বোলে বেলেগকৈ ঘৰবাৰী দি ৰাখিব। এটা মাত্ৰ ৰাতি তাৰ লগত থাকি পিছ দিনাই তাই মোৰ ওচৰলৈ ঘূৰি আহিল আধা পাগলী হৈ। তাইৰ মুখত মই যি কথা শুনিলো, একেবাৰে সংসাৰত নোহোৱা-নোপজা কথা। তই ৰঞ্জিতৰ লগত যাব খুজিছ, সেই ছোৱালীজনীক সি কি কৰিছিল অলপ বহলাই তোক কওঁ। ছোৱালীজনীক ওচৰতে

বহুৱাই লৈ প্ৰথমে সি মুখেৰে একো কথা-বাৰ্তা নোকোৱাকৈ দুই বটল মদ খাই ল'লে। তেতিয়া ৰাতি বাৰটা মান বাজিছে। ঘৰটো একেবাৰে আওঁহতীয়া নিৰ্জন ঠাইত, ওচৰত মানুহ-দুনুহৰ সাৰ-সুৰ নাই। মদ খাই শেষ কৰি সি জেপৰপৰা এশটকীয়া নোট এখন উলিয়াই ছোৱালীজনীৰ হাতত দি ক'লে, 'তোমাৰ এৰাতিৰ দাম কুৰি টকাও নহয়, মই এশটকা দিলো। আন মানুহে তিৰোতাৰপৰা যি বিচাৰে, মই সেইটো নিবিচাৰো। মোক অলপ বেলেগ বস্তু লাগে। মই তোমাক বেছি দাম দিছো, মই যি খুচি তাকে কৰিম। মোৰ ইচ্ছা পূৰ্ণ কৰিলে তুমি আৰু টকা পাবা। কিন্তু কিবা গণ্ডগোল কৰিব খুজিলে ইয়াৰপৰা প্ৰাণ লৈ যাম বুলি আশা নকৰিবা।' কথাখিনি কৈয়ে সি তাইক বিছনাত শুৱাই দি তাইৰ হাত ভৰি আৰু মুখ কাপোৰেৰে কট্‌কটিয়াকৈ বান্ধি পেলালে। তাৰ পাছত সি তাইক উলংগ কৰিলে। এই পৰ্য্যন্ত গোটেই ঘটনাটো এটা নতুন ধৰণৰ তামাছা বুলিয়েই ছোৱালীজনীয়ে ভাবি আছিল। কিন্তু হঠাৎ এবাৰ ৰঞ্জিতে তাইৰ পিয়াহত দাঁত বহি যোৱাকৈ এনে এটা কামোৰ মাৰি দিলে যে যন্ত্ৰণাত তাইৰ গোটেই দেহ ধৰফৰাই উঠিল। চিঞৰ মাৰিবলৈ বা গাটো লৰাবলৈকো উপায় নাই, হাত মুখ সকলো বন্ধা। ৰঞ্জিতে তাইৰ পিয়াহৰপৰা মুখখন যেতিয়া এৰুৱাই আনিলে, তাৰ ওঁঠত লাগি আছে ছোৱালীজনীৰ গাৰ কেঁচা তেজ। ভয়ত আৰু যন্ত্ৰণাত আধামৰা হৈ তাই হাত ভৰিৰ বান্ধবোৰ খুলিবলৈ চেষ্টা কৰা দেখি ৰঞ্জিতে হাঃ হাঃ কৈ অট্টহাস্য কৰি উঠিল আৰু তাইৰ বুকুৰ ওপৰত বহি লৈ দোপ দিবলৈ ধৰিলে। তাৰ গাৰ হেচাত ছোৱালীজনীৰ হাড় মূৰ ভাগি যাবৰ উপক্ৰম হ'ল। অলপ পাছত সি তাইৰ বুকুৰ ওপৰৰপৰা নামি এফালৰপৰা তাইৰ গোটেই গাটো কামুৰিবলৈ ধৰিলে। তাৰ দাঁতৰ কামোৰত ছোৱালীজনীৰ গোটেই দেহ তেজেৰে ৰাঙলী হৈ ক্ষত বিক্ষত হৈ পৰিল। ইমানতো সি ক্ষান্ত নহ'ল, এইবোৰ শেষ কৰি সি এনে এটা জঘন্য কাণ্ড কৰিলে যে তেনে কথা মই মুখলৈকে আনিব নোৱাৰো। মানুহে তেনে কাম কৰাৰ কথা কোনেও কল্পনাও কৰিব নোৱাৰে।...এয়েই হ'ল তোৰ ৰঞ্জিতৰ পৰিচয়। এইখিনি কথা শুনিও যদি...'

হঠাৎ বুঢ়ীমায়ে কথা কোৱা বন্ধ কৰি থমক খাই বৈ গ'ল, আৰু তেওঁৰ দৃষ্টি অনুসৰণ কৰি মই মুখ ঘূৰাই চাই দেখিলো—বাঁহৰ জপনাখন খুলি সোমাই আহিছে ৰঞ্জিত।

'বুঢ়ীমাই, তেওঁক কৈ দিয়া মই তেওঁৰ লগত নাযাওঁ'—একে উশাহতে কথাকেইটা কোনোমতে কৈ মই দৌৰ মাৰি ভিতৰলৈ সোমাই গ'লো, আৰু মোৰ কোঠাৰ দুৱাৰখন খিলি লগাই বন্ধ কৰি বিছনাত শুই পৰিলো।

[ ১৩ ]

দিন শেষ হৈ আকৌ ৰাতি আহিল। যোৱা আটাই কেই ৰাতিৰ অভিজ্ঞতাৰ কথা মনত পৰি সাঁজ নৌ লাগিবৰপৰাই নানা অনিশ্চিত বিপদৰ আশংকাত মোৰ গাটো ঠক্‌ঠক্‌কৈ কঁপিবলৈ ধৰিলে। শগুনে মৰা-শৰ গোন্ধ পোৱাৰ দৰে চহৰৰ বেশ্যাসক্তৰ দলে ইতিমধ্যেই মোৰ গোন্ধ ভালকৈ পাই গৈছে। আজিও যে দুই-চাৰিজনে মোক বিচাৰি আহিবই, তাত কোনো সন্দেহ নাই। লগতে এই বিষয়েও মই নিঃসন্দেহ যে সিহঁতৰ হাতৰপৰা আত্মৰক্ষা কৰিবলৈ মোৰ আৰু অকণো শক্তি নাই। মোৰ সমুখত দুটা মাত্র পথ খোলা আছে: সহজভাৱে বেশ্যাৰ জীৱন গ্রহণ কৰা, অথবা আত্মহত্যা কৰি এই অভিশপ্ত জীৱনৰ অৱসান ঘটোৱা।

গোটেই দিনটো বুঢ়ীমাইয়ে মোক তিলমাত্র শান্তি দিয়া নাই। কান্দি কান্দি মোৰ হাতে ভৰিয়ে ধৰি তেওঁ মোক কাকুতি কৰিব লাগিছে, এই বুঢ়ীবয়সত মই তেওঁক ৰক্ষা কৰিব লাগে,ময়েই তেওঁৰ একমাত্র শেষ আশা। 'সুবালা, মই তোক এশবাৰ ক'ম, হেজাৰ বাৰ ক'ম, বেশ্যা হোৱাৰ বাহিৰে তোৰ আন একো পথ নাই। এবাৰ যি বেশ্যাৰ ঘৰত ভৰি দিছে, তাইৰ আৰু উভটিবৰ পথ নাই। আৰু বেশ্যাই যদি তই হ'ব লাগে, তেন্তে মোক এৰি তই ক'লৈকো নাযাবি আই। বেশ্যা যেতিয়া বুঢ়ী হয়, সাধাৰণতে সিহঁতৰ সমুখত দুটা পথ খোলা থাকে। হয় সিহঁতে কোনোবা যুৱতী বেশ্যাক নিজৰ ঘৰত আশ্রয় দি তাইৰ উপাৰ্জনেৰে খাব লাগিব, অথবা ৰাস্তাৰ ভিখাৰিণী হ'ব লাগিব। ক্রমে ক্রমে এদিন যেতিয়া ভিক্ষা কৰিবলৈ ৰাস্তাত ওলাই যাবলৈকো শক্তি নাথাকিব, ঘৰৰ ভাৰা দিব নোৱাৰাৰ কাৰণে মালিকে ঘৰৰপৰাও বাহিৰ কৰি দিব, তেতিয়া তাই ৰাস্তাৰ কাষত বা গছৰ তলত পোকলগা কুকুৰৰ দৰে কেঁউ কেঁউ কৰি থাকিব; প্ৰাণ বাহিৰ নৌহওঁতেই তাইৰ গাত বৰমাখি পৰিব, কুকুৰ কাউৰীয়ে তাইক বেঢ়ি ধৰিব, মুখত এটোপা

পানী নপবাকৈ তাই অৱশেষত ৰাস্তাৰ ওপৰত মুখ গুজি মৰি থাকিব। সুবালা,-আই, মই তোক আই বুলি মাতিছো, তোৰ ভৰিত ধৰিছো, এই ভয়ংকৰ নিয়তিৰপৰা তই মোক ৰক্ষা কৰ। জীৱনৰপৰা মই একো পোৱা নাই, মৰিবৰ সময়ত মই যেন মানুহৰ মূৰ্ত্তি এটা চকুৰ আগত দেখি মৰিব পাৰো। তোৰ উপাৰ্জনৰ ফুটা কড়ি এটাও মোক নালাগে, যি কেইদিন জীয়াই থাকো মই তোৰ দাসী হৈ থাকিম, তোৰ ময়লা কাপোৰ, চুৱা কাপোৰ ধুই দিম, কেৱল মৰিবৰ মুহূৰ্ত্তত তোৰ মুখ চাই মোক মৰিবলৈ দে। বেশ্যাৰ জীৱন অতি ভয়ংকৰ; কিন্তু মৰণ তাতোকৈ হেজাৰ গুণে ভয়ংকৰ। এদিন তোৰো সেই দিন আহিব। সেই দিনৰ কথা মনত পেলাই তই মোক আশ্ৰয় দে।'

'সুবালা', মই নিজকে মনে মনে ক'লো—'যদি তই জীয়াই থাকিব খোজ, এয়েই তোৰ জীৱন। তই এজনী বেশ্যা। বুঢ়ীৰ এই পোহৰ-বতাহ নোসোমোৱা, পায়খানাৰ পোকে চাৰিওফালে কিল্‌বিল্ কৰি থকা নৰককুণ্ড হেন ঘৰত তই চিৰকাল পৰি থাকিব লাগিব। দেহত যৌৱন থাকে মানে দিনে ৰাতিয়ে তোৰ ওচৰলৈ মানুহ আহিব, ডেকা বুঢ়া, সুন্দৰ কুৎসিত, নিৰোগী-বেমাৰী, সকলো ধৰণৰ মানুহ, সকলোৱে আহি তোৰ দেহৰ ওপৰত জপিয়াই পৰিব আৰু কুকুৰ-শিয়ালে মৰা-শ ছিন্ন ভিন্ন কৰাৰ দৰে তোৰ দেহ বথলিয়াই পেলাব। নিষ্প্ৰাণ পুতলাৰ দৰে সিহঁতে তোৰ দেহটো পিটিকি মূচৰি পেলাব, আঘাট কৰিব, তোৰ যন্ত্ৰণা দেখি সিহঁতে অট্টহাস্য কৰি হাঁহি উঠিব, আৰু যাবৰ সময়ত তোৰ গাত দলি মাৰি থৈ যাব কেইটামান টকা। তই কাৰো আই নহয়, ভনী নহয়, প্ৰিয়া নহয়, আনকি তই কাৰো বন্ধুও নহয়। প্ৰতি দিনৰ সূৰ্য্যোদয়ে তোৰ জীৱনলৈ একো নতুন আশা লৈ নাহে, প্ৰতি ৰাতিৰ অন্ধকাৰে কাৰো প্ৰিয় স্মৃতি তোৰ হৃদয়ত জগাই নোতোলে। খোৱা আৰু শোৱা, তাৰ মাজে মাজে হেজাৰটা অপৰিচিত কামাৰ্ত্ত পশুৰ লগত নৰক-শয্যাত শয়ন—দিনৰ পাছত দিন—এয়েই তোৰ জীৱন। তাৰ পাছত এদিন তোৰ যৌৱন শেষ হ'ব, তই বুঢ়ী হবি, সেই দিনা আই তোৰ ওচৰলৈ আহিবলৈ পৃথিৱীৰ কোনো মানুহৰে একো প্ৰয়োজন নহ'ব। এই পৃথিৱীত যি একেবাৰে অকলশৰীয়া, সৰ্বস্বান্ত, অভিশপ্ত, জীয়াই থাকিবলৈ যাৰ কোনো অৱলম্বন নাই বুলি ভাবো, তাৰো নিশ্চয় থাকে সুদূৰ অতীতৰ কিবা এটা প্ৰিয় স্মৃতি, মাজে মাজে যি স্মৃতি ৰোমন্থন কৰি খন্তেকৰ কাৰণে হ'লেও সি জীয়াই থকাৰ সাৰ্থকতা অনুভৱ কৰিব পাৰে। কিন্তু বটী বেশ্যা, চকুৰ আগতে যাৰ জীৱন্ত আছি এই

বুঢ়ীমাই, কি ভয়ংকৰ বুঢ়ী বেশ্যাৰ এই নিঃসংগতা, এই অসহায়তা, এই আশা-হীনতা। অতীতলৈ ঘূৰি চাবলৈ তাইৰ উপায় নাই, অতীত কেৱল নৰকৰ অন্ধকাৰ। ভৱিষ্যতলৈ চাবলৈ তিলমাত্ৰ আশা নাই, সি কেৱল পশুৰ দৰে নিঃসংগ নিষ্ঠুৰ মৃত্যুৰ প্ৰতীক্ষা। বৰ্তমানৰ প্ৰতিটো মুহূৰ্ত প্ৰাণ ৰক্ষাৰ অৰ্থহীন নিষ্ঠুৰ সংগ্ৰামত ৰক্তাক্ত, পৃথিৱীৰ সমস্ত মানুহৰ ঘৃণা আৰু অৱহেলাৰে দুঃসহ। তাৰ পাছত এদিন আহিব মৃত্যু, পথৰ কুকুৰৰ মৃত্যু—যি মৃত্যুত 'আহা বেচেৰি' বুলি এটা সামান্য শব্দও কাৰো মুখত উচ্চাৰিত নহ'ব। স্নেহ-বন্ধনহীন এই নিঃসংগ মৃত্যু মানুহৰ আত্মাৰ ইয়াতকৈ লাঞ্ছনা আৰু কি আছে? এই তোৰ জীৱন, সুবালা, আৰু এই তোৰ মৰণ।

আকাশ পাতাল ভাবি গুণি মই পিৰালীতে জুপুকা লাগি বহি আছিলো। গধূলি পৰত বুঢ়ী বাহিৰলৈ ওলাই গৈছিল, ঘূৰি আহি তেওঁ অৱশভাবে মোৰ ওচৰতে বহি পৰিল। বহুত সময় আমি এন্ধাৰতে নীৰৱ হৈ বহি ৰ'লো। এন্ধাৰত মই বুঢ়ী মাইৰ মুখখন ভালকৈ দেখা নাছিলো, কিন্তু তেওঁ যে মোক কিবা এষাৰ কথা কবলৈ উচ্‌পিচ্‌ কৰি আছে, সেই কথা মই স্পষ্টভাৱে অনুভৱ কৰিছিলো। বহুত সময় দ্বিধাগ্ৰস্ত হৈ থাকি তেওঁ অৱশেষত মাত লগালে, 'সুবালা, তোৰ ওচৰত লুকুৱাবলৈ মোৰ আৰু একো নাই। কি উপায়েৰে মোৰ জীৱন চলে তোৰ জানিবলৈ বাকী নাই। এতিয়াও যদি তোৰ মতি-গতি সলনি নহয়, আমি দুয়ো খাবলৈ নাপাই মৰিব লাগিব। সদায় তোক বহুৱাই খুৱাবলৈ মই ক'ৰপৰা টকা পাম?'

তেওঁ আকৌ অলপ সময় নীৰৱ হৈ ৰ'ল। মই কিবা এষাৰ কওঁ নে কি তাৰ কাৰণেই তেওঁ বোধহয় অপেক্ষা কৰিলে। কিন্তু মোৰপৰা একো উত্তৰ নাপাই তেওঁ পুনৰ ক'বলৈ ধৰিলে, 'সুবালা, মই আৰু যি কোনো মানুহকে তোৰ ওচৰলৈ কেতিয়াও আহিবলৈ নিদিওঁ। কোন কি ধৰণৰ মানুহ মই দেখিলেই চিনি পাওঁ। আজি বৰ ভাল মানুহ এজন তোৰ ওচৰলৈ আহিব। তেওঁক সন্তুষ্ট কৰিব পাৰিলে তোৰ আৰু কপাল ফুলিব বুলি জানিবি। সুবালা, আই, বিধাতাই যাৰ ভাগ্যত যি লিখিছে তাক কোনে খণ্ডাব পাৰে? দহোকুৰি শপত দিছো আই, মানুহজনক আজি নিৰাশ নকৰিবি।'

বুঢ়ী উঠি যাব খুজিছিল, মই হঠাতে প্ৰশ্ন কৰিলো, 'কিমান টকা দিব মানুহজনে?'

ধপহ্‌ কৰে তেওঁ পুনৰ বহি পৰিলে। মোৰ প্ৰশ্ন শুনি তেওঁ যেন প্ৰথমে

নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলে। কেইটামান মুহূৰ্ত তেওঁ একেবাৰে নিৰ্বাক হৈ ৰ'ল। তাৰ পাছত মোৰ কান্ধত তেওঁৰ হাতখন থৈ আনন্দ আৰু বিস্ময় মিহলি মাতেৰে তেওঁ উত্তৰ দিলে—'সেইটো ভইহে জান আই। সিহঁতৰ ভাষাত তই বজাৰৰ একেবাৰে নতুন মাল, তোৰ দাম বহুত। কিন্তু দৰ দাম কৰিবও জানিব লাগিব, শক্তিৰে পাৰ মানে ছলা-কলা দেখুৱাই নিজৰ দাম বঢ়াব পাৰিব লাগিব মই। কেৱল তোক ইমানকে ক'লো তোৰ দাম বহুত। · ...এতিয়া উঠ আই, ভালকৈ গা পা ধুই অলপ সাজি কাছি ওলাগৈ। মোৰ বাকচত স্ন' পাউদাৰ আছে, মই উলিয়াই দিওঁ। আৰু এঘণ্টা মান পাছতে মানুহজন আহি পাব।'

আনন্দৰ আতিশয্যত ঠৰক্-বৰক্কৈ বুঢ়ীমাই ভিতৰলৈ সোমাই গ'ল।

ঠিক এঘণ্টামান পাছতে মানুহজন আহিল, আৰু প্ৰায় তিনি ঘণ্টামান সময় মোৰ লগত থাকি তেওঁ গুচি গ'ল। বুঢ়ীমায়ে ঠিকেই কৈছিল, দৰ দাম কৰিবও জানিব লাগিব, শক্তিয়ে আঁটে মানে ছলা-কলা দেখুৱাই নিজৰ দাম বঢ়াবও পাৰিব লাগিব। মানুহজন পোনেই আহিয়েই মোক দহটকা যাচিছিল, কিন্তু যাবৰ সময়ত তেওঁ মোৰ হাতত এৰি গ'ল সৰ্ব মুঠ পঞ্চাছ টকা। কি কৌশলেৰে মই এই অসাধ্য সাধন কৰিলো সেই কথা মই নিজেই ভালকৈ নাজানো। কেৱল দুটা মাত্ৰ কথা মোৰ খুব ভালকৈ মনত আছিল। মানুহজনৰ পৰা যেনেকৈয়ে নহওক যিমান বেছিকৈ পাৰো টকা আদায় কৰি বুঢ়ীমাইৰ হাতত মই দিব পাৰিব লাগিব। বুঢ়ীমাইৰ টকাৰ খুব প্ৰযোজন। দ্বিতীয়তে, মোৰ দেহটো বজাৰৰ মাল মাথোন, গ্ৰাহকৰ তাক লুটিযাই খুচি মেলি চাবলৈ পুৰা অধিকাৰ আছে। এই কথা স্বীকাৰ কৰি লোৱাৰ পাছত মোৰ লজ্জা সংকোচ নোহোৱা হৈ গ'ল, মোৰ মনটোৱে পোহাৰীৰ দৃষ্টিৰে মোৰ দেহটোক চাব পৰা হ'ল। তাৰ পাছত আৰম্ভ হ'ল নিজৰ পণ্য দ্ৰব্যক গ্ৰাহকৰ চকুত অধিক মোহনীয ৰূপত দাঙি ধৰিবলৈ পোহাৰীৰ অক্লান্ত চেষ্টা, গ্ৰাহকক প্ৰলুব্ধ কৰিবলৈ পোহাৰীৰ প্ৰাণপণ অধ্যৱসায। লগতে মোৰ আৰু এটা সুবিধা হ'ল, বুঢ়ীমায়ে কোৱাৰ দৰে মই বজাৰৰ একেবাৰ নতুন মাল। অভিজ্ঞ গ্ৰাহকে মোৰ গাত হাত দিয়েই সেই কথা বুজি পালে। দহটকাৰ ঠাইত খুচি মনেৰে পঞ্চাছ টকা মোৰ হাতত গুজি দি তেওঁ বিদায় হ'ল।

মানুহজন যোৱাৰ পাছত মই যেতিয়া বুঢ়ীমাইৰ হাতত টকা পঞ্চাছটা গুজি দিলো, এইবাৰ যেন তেওঁ প্ৰথমে নিজৰ চকুকেই বিশ্বাস কৰিব নোৱাৰিলে।

বিস্ময়ত হতবাক্ হৈ তেওঁ বহুতপৰ দহটকীয়া নোট কেইখনলৈ চাই ৰ'ল। তাৰ পাছত হঠাৎ এবাৰ দুই হাতেৰে মোক সাৱতি ধৰি তেওঁ মুখত যি আহে তাকে ক'বলৈ ধৰিলে, 'অ' আইজনী, তই সাক্ষাৎ লখিমী, তই...তই...তই ৰাজৰাণী হ'বি, বেছি দিন তই এই গেলা-বোকাত পৰি থাকিব নালাগে। আৰু দুদিনমান বাট চা, এই কুকুৰ ধুলি নৰেন বৰুৱাৰ—ইইঁতে তোৰ ভৰি চেলেকিবলৈকো সাহ নকৰিব। আঠৈকুৰি টকা! একে ৰাতিতে আঠৈকুৰি টকা! হিচাব কৰচোন, মাহত কিমান টকা হ'ব? বছৰটোত কিমান টকা হ'ব?...'

বুঢ়ীৰ নাগপাশৰপৰা নিজকে কোনোমতে মুক্ত কৰি মই অৱশেষত নিজৰ বিছনাত আশ্রয় ল'লোহি। ৰাতি বোধ হয় ৰাবটামান বাজি গৈছিল। ওচৰত হোটেলখনৰপৰা যথাৰীতি মদপীৰ হৈ-হল্লা চিঞৰ-বাখৰ আহি মোৰ কাণত পৰিলহি। কিন্তু সেইবোৰে আজি মোৰ মনত কোন বিৰূপ প্রতিক্রিয়াৰ সৃষ্টি কৰিব নোৱাৰিলে। মনে মনে মই সিইঁতক ক্ষমাই কৰি দিলো। এয়েই সিইঁতৰ জীৱন, পৃথিৱী থাকে মানে কিছুমান মানুহে নিজৰ ভাগৰ জীৱনবোৰ এনেকৈয়ে কটাই 'দিব। এটা মাত্র নির্দিষ্ট পথত জীৱন কটোৱাৰ সার্থকতা আজিলৈকে বোধহয় কোনেও বিশ্বাসযোগ্যভাৱে প্রমাণ কৰি দিব পৰা নাই। সেই কাৰণে বিভিন্ন মানুহে নিজৰ নিজৰ বাটেৰে জীৱনৰ পৰীক্ষা কৰে। অথবা নিজৰ ইচ্ছা নহ'লেও তাকে কৰিবলৈ সিইঁত বাধ্য হয়। মই বেশ্যা হ'ব খোজা নাছিলো, বেশ্যা নহ'বৰ কাৰণে মোৰ শেষ বিন্দু শক্তি প্রয়োগ কৰি মই যুঁজ কৰিলো। তথাপি আজি মই বেশ্যা। এই যে হোটেলত মানুহবোৰে মদৰ নিচাত পাগল হৈ হৈ-হল্লা কৰি আছে, জীৱন নামৰ এটা অপৰিচিত ভয়াবহ জন্তু হঠাতে চকুৰ আগত দেখি যেন সৰু ল'ৰা এজাকে আতংকত চীৎকাৰ কৰি কান্দোনৰ আৰাও তুলিছে, কোনে জানে সিইঁতেও হয়তো মোৰ দৰেই আজীৱন চেষ্টা কৰিছিল সহজ আৰু সুন্দৰ হবলৈ, আৰু মোৰ দৰেই কিবা এটা অদৃশ্য শক্তিৰ হাতত মাৰ খাই খাই পৰাস্ত হৈ আজি সিইঁত নিজৰ ইচ্ছাৰ বিৰুদ্ধেও মদপী, গুণ্ডা, লম্পট। মনে মনে মই সিইঁতক ক্ষমা কৰি দিলো। পৃথিৱী এবাৰ আগতে সিইঁতৰ এই বীভৎস চীৎকাৰেই জীৱনৰ লগত মোৰ শেষ পৰিচয় হৈ ৰ'ল।

বুঢ়ীমাই ভালকৈ টোপনি যোৱা বুলি মই যেতিয়া নিঃসন্দেহ হ'লো, হাতত সাৰে ভৰিত সাৰে মই বাহিৰলৈ ওলাই আহিলো। মোৰ গন্তব্যস্থল—ব্রহ্মপুত্র নদী; উদ্দেশ্য—আত্মহত্যা।

বাজ-আলিত থিয় হৈ মই চাৰিওফালে এবাৰ চাই পঠালো। প্ৰায় এসপ্তাহৰ আগতে বুঢ়ী মাইৰ নৰকপুৰীত প্ৰবেশ কৰাৰ পিছত এই প্ৰথম তাৰ পৰা বেৰ পাব হৈ মই বাহিৰৰ মুকলি জগতলৈ ওলাই আহিলো। ইমান দিনে মই যেন এটা তলা-বন্ধ বাকচৰ মাজত সোমাই আছিলো, আৰু ক্ৰমে ক্ৰমে বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছিলো যে সেই রুদ্ধ-শ্বাস অন্ধকাৰেই জীৱনৰ একমাত্ৰ ৰূপ। এতিয়া হঠাত মূৰৰ ওপৰত তৰা-ভৰা আকাশ আৰু চাৰিওফালে দিগন্তৰ বিশাল বিস্তৃতি দেখি আৰু সৰ্বাংগত বতাহৰ বাধাহীন স্পৰ্শ অনুভৱ কৰি থকাৰ কাৰণে মই যেন পাগল হৈ গ'লো। এই বিশাল মুক্তি মোৰ কাৰণে অসহ্য যেন অনুভৱ হ'বলৈ ধৰিলে। বুকু ভৰাই দীঘল দীঘলকৈ উশাহ কেইটামান লৈ মই মোৰ উদ্দেশ্যৰ কথা পাহৰি একে ঠাইতে কিছু সময় থিয় হৈ ৰ'লো। কিন্তু সেই আত্মহাৰা সুখৰ অৱস্থা বেছি সময় স্থায়ী নহ'ল। হঠাতে ওচৰৰ অন্ধ এটা গলিৰ অন্ধকাৰৰপৰা এটা কৰ্কশ নাৰী-কণ্ঠৰ অশ্লীল গালি-গালাজৰ শব্দ আহি মোৰ কাণত পৰিল। মোক যেন পাছফালৰপৰা কোনোবাই গলত ধৰি এটা প্ৰচণ্ড ধাক্কাহে দিলে, মোৰ মনত পৰি গ'ল যে মোৰ বৈ থাকিলে নচলিব, মই আগবাঢ়ি যাব লাগিব। লগে লগে এই কথাও মই অনুভৱ কৰিলো যে এই তৰা-ভৰা আকাশ, দূৰৰ ম্লান ধূসৰ দিগন্ত, মাজ-ৰাতিৰ স্নিগ্ধ শীতল বতাহ—মোৰ কাৰণে পৃথিৱীৰ আচল ৰূপ এইবোৰ নহয়, এই সকলোবোৰ ক্ষণস্থায়ী মায়া সৃষ্টি মাত্ৰ। মোৰ কাৰণে জীৱনৰ সত্য ৰূপ হ'ল পায়খানা আৰু নৰ্দমাৰ পচা দুৰ্গন্ধত বিষাক্ত, বেশ্যাসক্ত মাতালৰ দেহৰ দুৰ্গন্ধত অসহ্য, কোনোদিন পোহৰ-বতাহ সোমাব নোৱাৰা বেশ্যা-পটিৰ চিৰ অন্ধকাৰ।

ব্ৰহ্মপুত্ৰৰ উদ্দেশ্যে কোনফালে আগ বাঢ়িম সেইটো ঠিক কৰিবৰ মনেৰে মই আলিটোৰ দুই দিশে আকৌ এবাৰ চাই পঠালো। গুৱাহাটীৰ বাট-ঘাট দিশ-বিদিশ মই একো চিনি নাপাওঁ। কেৱল অনুমানৰ ওপৰত নিৰ্ভৰ কৰিয়েই মই আগ বাঢ়িব লাগিব। মই এইখিনিকে জানো যে গুৱাহাটী ব্ৰহ্মপুত্ৰৰ পাৰতে দক্ষিণ ফালে অৱস্থিত। গতিকে কোনোবা এটা ৰাস্তা ধৰি উত্তৰ ফালে গৈ থাকিলেই এসময়ত মই নিশ্চয় ব্ৰহ্মপুত্ৰ পাই যাম। ইমানখিনি হাদাৰা নলৈ ডিঙিত চিপজৰী দিও মই নিশ্চয় মৰিব পাৰিলোহেঁতেন, কিন্তু তেনেকৈ আত্মহত্যা কৰিবলৈ গৈ প্ৰাণ বাহিৰ নৌ হওঁতেই চিঞৰ বাথৰ কৰি মানুহক জগাই দিম বুলি মোৰ ভয় হ'ল। উত্তৰমুখী ৰাস্তা এটা নোপোৱা পৰ্য্যন্ত মই

মনৰ অনুমানেৰে পুব মুৱা হৈ যিমান পাৰো বেগাবেগিকৈ আলিবাটেদি আগ বাঢ়িবলৈ ধৰিলো।

কিছুদূৰ গৈয়েই মই এটা চাৰি-আলি পালো। খন্তেক পৰ তাতে মই থমকি ৰ'ব লগা হ'ল। চাৰিওফালে চাৰিটা আলি গৈছে, তাৰে এটাই কেৱল উত্তৰমুখী হ'ব পাৰে। অচিনাকী ঠাইত মানুহৰ এনেয়ে দিশ ভুল হয়। তাতে মোৰ মনৰ অৱস্থা অকণো সুস্থিৰ নহয়। দশোদিশে ধাবমান অজস্ৰ অনাত্মীয় আলি-পদুলীৰে জটিল, ওখ-চাপৰ ন-পুৰণি শত সহস্ৰ ঘৰ-বাৰীৰ জংঘলেৰে আকীৰ্ণ, মাজ ৰাতিৰ অপৰিচিত ৰহস্যময় মহানগৰীয়ে মোক হঠাৎ একেবাৰে দিশহাৰা কৰি পেলালে। পৰুৱাই পোৱা মানুহৰ দৰে ঘূৰি ফুৰি সঠিক ৰাস্তা উলিয়াই ল'বলৈ হাতত মোৰ বেছি সময় নাই, যি কোনো মুহূৰ্ততে ৰাতি শেষ হৈ যাব পাৰে। অলপ সময় চাৰিআলিৰ মূৰতে মই ঠমকি ৰৈছো। এনেতে লেম্প পোষ্টটোৰ গাত আঁউজি শুই থকা ফাপৰে-খোৱা কুকুৰ এটাই সাৰ পাই মোক দেখি ভৌ ভৌ কৈ ভুকিবলৈ আৰম্ভ কৰিলে। মই ভাবিলো, ই বিধাতাৰেই কিবা এটা ইংগিত, একে ঠাইতে ইমান সময় বৈ কালক্ষয় কৰা মোৰ পক্ষে উচিত হোৱা নাই। আকৌ অনুমানতে উত্তৰ মুৱা বুলি ধৰি লৈ এটা ৰাস্তাইদি আগ বাঢ়িবলৈ ধৰিলো।

সমুখলৈ চাই দেখিলো, ৰাস্তাটো যথেষ্ট দীঘল, বহুত বাট যাব লাগিব। হঠাৎ মোৰ অনুভৱ হ'ল, আকাশখন যেন ক্ৰমান্বয়ে আগতকৈ পোহৰ হৈ আহিছে, ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। মই তেতিয়া মেখেলাখন আঁঠুৰ ওপৰলৈকে কোচাই লৈ কুকুৰ খোজত দৌৰিবলৈ আৰম্ভ কৰিলো। কিন্তু মাজ ৰাতিৰ নিস্তব্ধ ৰাজপথত মোৰ খোজৰ শব্দবোৰ ইমান ডাঙৰ হৈ মোৰ নিজৰ কাণতেই বাজিবলৈ যে গোটেই নগৰখনেই সাৰ পাই উঠি মোৰ পাছে পাছে খেদা ল'ব বুলি মোৰ ভয় হ'ল। অলপ সময়ৰ কাৰণে দৌৰা বন্ধ কৰি যিমান পাৰো বেগাবেগীকৈ মই খোজ কাঢ়িবলৈ ধৰিলো। কিন্তু তেতিয়া মোৰ ভয় হ'বলৈ ধৰিলে যে এই গতিৰে আগবাঢ়িলে মই ৰাতি পুৱাৰ আগতে ব্ৰহ্মপুত্ৰ গৈ নাপাম। এনেকৈ দুফালৰপৰা দুটা ভয়ৰ মাজত চেপা খাই মই মাজে মাজে দৌৰি মাজে মাজে খোজ কাঢ়ি বিশুদ্ধ অনুমানত ঠিক কৰি লোৱা ব্ৰহ্মপুত্ৰৰ দিশ অভিমুখে আগ বাঢ়িবলৈ ধৰিলো।

মোৰ সমস্ত দেহ-মন নিশ্চয় আচ্ছন্ন হৈ আছিল মৃত্যুৰ চেতনাত দৃষ্টিৰ সমুখত অন্ত-বিহীন ৰাজ-পথ আৰু মনৰ চেতনাত ব্ৰহ্মপুত্ৰৰ অগাধ জল-ৰাশি—

এই দুটা বস্তুৰ বাহিৰে আন সকলোৰে অস্তিত্ব মোৰ চেতনাৰপৰা বিলুপ্ত হৈ গৈছিল। আনকি মই যে মৰিবলৈ আহিছো সেই কথা পৰ্য্যন্ত মই বিস্মৃত হৈ গৈছিলো। এইদৰে গৈ গৈ মই আকৌ এটা চাৰি আলিৰ মুৰ পালোগৈ, কিন্তু এইবাৰ আৰু দিক্-নিৰ্ণয়ৰ কাৰণে ঠমকি ৰ'বলৈ মোৰ ধৈৰ্য্য নহ'ল। চকুৰ পলকতে যিফালেই উত্তৰ বুলি মোৰ ধাৰণা হ'ল, সেই ফালেই একে গতিৰে মই আগ বাঢ়িবলৈ ধৰিলো। কিছু বাট আগ বঢ়াৰ পাছত মোৰ মনৰ সেই অতিশয় আচ্ছন্ন অৱস্থাতো এটা দৃশ্য দেখি মই খন্তেক পৰ মোৰ গতি-বেগ কমাবলৈ বাধ্য হ'লো। ৰাস্তাৰ দুয়ো কাষৰ দুটা প্ৰকাণ্ড ঘৰৰ দীঘল বাৰান্দাত মই দেখিবলৈ পালো শাৰী শাৰীকৈ পেলাই থোৱা বহুতো প্ৰায় উলংগ মৰা-শ। মৰা-শ নহৈ যে সেইবোৰ জীৱন্ত সুপ্ত মানুহ হ'ব পাৰে, সেই কথা এটা মুহূৰ্তৰ কাৰণেও মই ভাবিব নোৱাৰিলো। দৃশ্যটো ইমান বীভৎস আৰু আচৰিত যে মই আতংকত শিহৰি উঠিলো। কিন্তু অলপ সময় চাই থকাৰ পাছত মই দেখিবলৈ পালো, তথাকথিত মৰা-শ দুই এটাই মাজে মাজে হাত-ভৰি জোকাৰিছে, বোধহয় ম'হে কামুৰিছে। কিন্তু হাত-ভৰি ম'হে কামুৰিলে মৰা-শই গা জোকৰা কেতিয়াও সম্ভৱ নহয়। গতিকেই মই সিদ্ধান্ত কৰিবলৈ বাধ্য হ'লো যে মই ভৰা মতে সেইবোৰ মৰা-শ নহয়, আটাইবোৰ জীৱন্ত মানুহ। মৰাৰ আগতে মই জীৱনত কেতিয়াও নেদেখা-নুশুনা কথা এটা দেখি গ'লো: এই আলোক-উজ্জ্বল প্ৰাসাদ-পৰিপূৰ্ণ মহানগৰীৰ বহুতো মানুহৰ আনকি ৰাতিটো শুই থাকিবলৈকো নিজৰ ঘৰ এডুখৰি নাই, ৰাস্তাৰ কাষৰ উলংগ শিলৰ মজিয়াত সিহঁত মৰা-শৰ দৰে পৰি থাকে। গোটেই নগৰখন যেন এখন পৰিত্যক্ত ৰণ-ভূমি, আৰু এই নিৰাশ্ৰয় সুপ্ত মানুহবোৰ ৰক্তাক্ত ৰণ-ভূমিত পৰি থকা মৃত সৈনিকৰ দল।

এই আকস্মিক বিস্ময়ৰ আঘাটটো চম্ভালি লৈ মই পুনৰ নিজৰ উদ্দেশ্যৰ কথা মনত পেলাই দৌৰিবলৈ আৰম্ভ কৰিলো। মাজতে এবাৰ আকাশৰ ফালে চাই ভাব হ'ল, ৰাতিপুৱা হ'বলৈ আৰু বেছি সময় নাই। মই অতিশয় অস্থিৰ হৈ উঠিলো। আৰু এবাৰ ঠিক একে অৱস্থাত মোৰ আত্মহত্যাৰ উদ্দেশ্য কেনেকৈ ব্যৰ্থ হৈছিল সেই কথা মোৰ মনত পৰিল। সেইবাৰ মোৰ ভুথাপিতো ঘূৰি যাবলৈ মোৰ নিজৰ এখন ঘৰ আছিল। এইবাৰ সিও নাই। বুঢ়ীমাঁইৰ ঘৰখনতকৈ আৰু বেশ্যাৰ তেজে-পুঁজে একাকাৰ পূতিগন্ধ-ময় জীৱনতকৈ কোটি কোটি নৰকৰ যন্ত্ৰণা মোৰ কাৰণে বেছি কাম্য। মই মৰিবই

লাগিব। মোৰ জীৱনৰ একমাত্ৰ লক্ষ্য মৰণ, যি ৰূপতেই সেই মৰণ নাহক। মই মৰিবই লাগিব। কিন্তু ক্ষণে ক্ষণে ৰাতি শেষ হৈ আহিছে। দিনৰ পোহৰত জগত সাৰ পাই উঠাৰ লগে লগে যিবোৰ মানুহে মোক শাস্তিৰে জীয়াই থাকিবলৈ নিদিয়ে, সিহঁতে মোক শাস্তিৰে মৰিবলৈও নিদিব। সেইটো মোৰ স্বাৰ্থত নহয়, সিহঁতৰ নিজৰ স্বাৰ্থতেই। মানুহে মৰণক ভয় কৰে, আৰু পৰাপক্ষত মৰণৰ দৃশ্য পৰিহাৰ কৰি চলিব খোজে। আত্মহত্যাই একমাত্ৰ মৃত্যু, যিটোক মানুহৰ সমাজে জোৰ কৰি বাধা দিব পাৰে। এটা অপ্ৰিয় দৃশ্য দৰ্শনৰপৰা আঁতৰি থাকিবৰ কাৰণেই মানুহে আত্মহত্যাক বাধা দিয়ে। কিন্তু জীৱনৰ দৃশ্য যিমানেই কদৰ্য্য, বীভৎস আৰু ভয়াবহ নহওক, বেছিভাগ মানুহ তাৰ প্ৰতি নিৰ্বিকাৰ। মই যদি ৰক্তাক্ত বিকলাংগ হৈ ৰাস্তাৰ কাষত পৰি থাকি এটোপা পানী বা এমুঠি ভাতৰ কাৰণে আৰ্তনাদ কৰি থাকো, বেছি ভাগ মানুহেই একো শুনাৰ ভাও জুৰি চকু মুদি মোৰ গাৰ কাষেদিয়ে পাৰ হৈ যাব। কিন্তু মই যদি সেই অভিশপ্ত জীৱনৰপৰা মুক্তি পাবৰ মনেৰে ৰাস্তাৰ কাষৰ গছ এডালত ছিপজৰী লগাওঁ হেজাৰ হেজাৰ মানুহ দৌৰি আহিব মোক মৃত্যুৰ মুখৰপৰা আঁজুৰি টানি আনিবলৈ। মোক গালি পাৰিব, মাৰ-ধৰ কৰিব, মৰিবলৈ চেষ্টা কৰাৰ কাৰণে; যেন মোৰ কাৰণে সিহঁতৰ কিমান দৰদ! মানুহৰ আচল ৰূপ বুজিবলৈ মোৰ আৰু বাকী নাই। মই মৰিবই লাগিব। সেয়েই মোৰ একমাত্ৰ মুক্তি।

মুহূৰ্তে মুহূৰ্তে ৰাতি শেষ হৈ আহিছে, অৰ্থাৎ মোৰ মৰিবৰ সুযোগ ক্ষীণৰ পৰা ক্ষীণতৰ হৈ আহিছে। মই অৱশেষত দৌৰিবলৈ আৰম্ভ কৰিলো। গুৱাহাটীৰ ঠিক পাৰতেই ব্ৰহ্মপুত্ৰ নৈ, অথচ মই তাক বিচাৰি নাপাওঁ। ভাগ্যই বাৰে বাৰে মোক ঠাট্টা কৰিছে। অন্ততঃ এবাৰ, অন্ততঃ মৃত্যুৰ জৰিয়তে মই ভাগ্যক পৰাস্ত কৰিবই লাগিব। জীৱনৰ হিংস্ৰতাৰপৰা হাত সাৰিবৰ ইমান সহজ উপায় থাকোতে মানুহে কিহৰ দুখত যে জীৱনৰ হাতত ইমান মাৰ খায়ো জীয়াই থাকে, সেই কথা ভাবি মই অকৃত্ৰিমভাৱে আচৰিত হ'লো। অন্ততঃ মই আৰু সেই মূৰ্খামী নকৰো। আৰু অলপ সময় মাত্ৰ, তাৰ পাছত আৰু জীৱন নামৰ সেই কুৎসিৎ ভয়াবহ দৈত্যটোৱে মেকুৰীয়ে মুখৰ চিকাৰ লৈ খেমালী কৰাৰ দৰে মোক লৈ খেমালী কৰাৰ মুদা মৰিব।

ৰাতিৰ নিস্তব্ধ ৰাজপথত মোৰ খোজৰ শব্দই মোকেই সচকিত কৰি তুলিছে, কিন্তু তালৈ আৰু ভ্ৰূক্ষেপ নকৰি মই উশাহ বন্ধ কৰি দৌৰিব লাগিছো।

কিন্তু হঠাৎ এবাৰ মই অতি স্পষ্টভাৱে অনুভৱ কৰিলো, কোনোবা এটা মানুহে মোৰ পিছে পিছে দৌৰি মোক অনুসৰণ কৰিছে। দৌৰৰ মাজতে কান্ধৰ ওপৰেদি মুখ ঘূৰাই পিছলৈ চাই মই দেখিলো, মোৰ অনুমান সত্য, অৰ্দ্ধ-উলংগ মানুহ এটাই দৌৰি দৌৰি মোকেই খেদি আহিছে। বিজুলী-চমকৰ দৰে মোৰ মনত অনুভৱ হ'ল যে মোৰ অনুসৰণকাৰী মানুহটো এটা পুৰুষ, আৰু মই এজনী নিঃসহায়, নিঃসংগ গাভৰু ছোৱালী। মৃত্যুৰ ঠিক আগ মুহূৰ্ততো কামাৰ্ত্ত পুৰুষৰ হাতৰপৰা মোৰ ৰক্ষা নাই। মোক কেনেবাকৈ ধৰিব পাৰিলে এই ৰাস্তাৰ ওপৰতেই হয়তো সি মোৰ দেহটো ছিন্ন-ভিন্ন কৰাত ব্যস্ত হৈ পৰিব। কিন্তু তাৰ উদ্দেশ্য মই ব্যৰ্থ কৰিবই লাগিব। নহ'লে মৰিও মোৰ শান্তি নহ'ব। দৌৰৰ মাজতে মই চিন্তা কৰিবলৈ ধৰিলো, মই যদি তাৰ আগে আগে ৰাস্তাইদি গৈ থাকো, অলপ পাছতে সি মোক ধৰি পেলাব, আৰু তেতিয়া মোৰ নিস্তাৰৰ কোনো উপায় নাথাকিব। কথাৰাৰ চিন্তা কৰাৰ লগে লগে কিছুদূৰ গৈয়েই ৰাস্তাৰ কাষৰ এটা গলিত মোৰ চকু পৰিল, আৰু সেই ফালে সোমাই মই দেহৰ সমস্ত শক্তিৰে দৌৰিবলৈ ধৰিলো। কিন্তু মোক অনুসৰণ কৰা মানুহটোতো আৰু কণা নহয়, মোৰ পিছে পিছে সিও সমান গতিৰেই দৌৰিবলৈ আৰম্ভ কৰিলে। অন্ধকাৰ গলিটোত মই কেইবাৰ উজুতি খালো ঠিক নাই, মোৰ ভৰিৰ আটাই কেইটা আঙুলি বোধহয় তেজেৰে ৰাঙলী হ'ল, কিন্তু একোলৈকে ভ্ৰূক্ষেপ নকৰি মই কেৱল এটা কল্পিত নিৰাপত্তাৰ নিৰুদ্দেশ আশ্ৰয় অভিমুখে দৌৰিবলৈ ধৰিলো।

ইয়াৰ পাছত কি হ'ল সেই বিষয়ে এটা কথাই মাত্ৰ মোৰ মনত আছে। গলিটো বোধহয় শেষ হৈ আহিছিল, অদূৰত আন এটা ৰাজপথৰ বিজুলী-বাতিৰ পোহৰ মোৰ চকুত পৰিছিল, এনেতে ৰাস্তাত থিয় হৈ থকা কিবা এটা বস্তুৰ গাত প্ৰচণ্ড জোৰেৰে খুন্দা খাই মই ভীষণ যন্ত্ৰণাত 'উস্' বুলি আৰ্তনাদ কৰি পৰি গ'লো, আৰু লগে লগে সংজ্ঞা হেৰুৱাই পেলালো।

কিমান সময়ৰ পাছত মই সংজ্ঞা ঘূৰাই পালো কব নোৱাৰো, কিন্তু চকু মেলি চায়েই মই আৱিষ্কাৰ কৰিলো যে মই শুই আছো বুঢ়ী মাইৰ ঘৰৰ পতুলিত এখন বিছনাত, আৰু মোৰ বিস্মিত হতভম্ব দৃষ্টিৰ সমুখত থিয় হৈ আছে বুঢ়ীমাই আৰু এটা অচিনাকী বিস্মাৱালা।

অপৰিসীম ক্লান্তি আৰু বিৰক্তিত মই টোপনিৰ ভাও জুৰিবৰ চেষ্টা কৰি চকু দুটা মুদি দিলো। সেই আশ্চৰ্য্য অবিশ্বাস্য মুহূৰ্তত মোৰ কেৱল মনত পৰিল

পঢ়াশলীয়া ভূগোলত পঢ়া এষাৰ কথা যে পৃথিৱী ঘূৰণীয়া। লগতে মনত পৰিল বুঢ়ীমায়ে সদায় কৈ থকা আন এষাৰ কথা—এবাৰ যি বেশ্যাৰ ঘৰত ভৰি দিছে, তাইৰ আৰু উভতি যোৱাৰ কোনো পথ নাই।

আনকি মৰণৰ পথো তাইৰ কাৰণে বন্ধ!

# তৃতীয় পৰ্ব

দুপৰীয়া ভাত-পানী খাই বিছনাত বাগৰ মাৰিব খুজিছো মাথোন, এনেতে কমলা, ৰাণী, শ্যামা, আইৰিন্ গোটেই জাক হুৰমুৰকৈ মোৰ কোঠাত সোমাই একেলগে চিঞৰি উঠিল, 'খবৰদাৰ, এতিয়া শুব নোৱাৰা, দিদিৰ ঘৰত আজি মেম-চুৰি খেলাৰ কথা।'

মেম-চুৰি খেলিবলৈ মোৰ বিন্দুমাত্র আগ্রহ নাছিল। মুখতহে ইহঁতে মেম-চুৰি খেলাৰ কথা কৈছে, আচলতে দুবাজিমান মেম-চুৰি খেলাৰ পাছতে কোনোবা এজনীয়ে ক্লান্ত হৈ প্রস্তাব কৰিব, 'এইবোৰ মিছামিছি ল'ৰা-ধেমালী ভাল নালাগে। খেল যদি দুবাজীমান তিনপট্টিয়া খেলো আহা।' তিনপট্টিয়া—অর্থাৎ জুৱা খেলা। আচলতে এনে এটা প্রস্তাৱৰ কাৰণেই গোটেই জাক ছোৱালীয়ে উন্মুখ হৈ বাট চাই থাকে। প্রস্তাৱটো ওলোৱাৰ লগে লগেই আটাইবোৰে চিঞৰি উঠিব, 'হয় হয়, খেলিব লাগে যদি তিনপট্টিয়া খেলাই ভাল। তুমি কি কোৱা দিদি?'

দিদিয়ে গহীনাই উত্তৰ দিব, 'তহঁতৰ গোটেই জাকৰে যদি সেয়ে ইচ্ছা, মইনো কি ক'ম? মুখত তেওঁ এনে ভাব প্রকাশ কৰিব, আচলতে যেন জুৱা খেলিবলৈ তেওঁৰ বিশেষ ইচ্ছাই নাই, লগত পৰি বাধ্য হৈহে তেওঁ খেলিবলৈ ৰাজী হৈছে। কিন্তু এই কথা সকলোৰেই জানে, আটাইতকৈ ভালকৈ জানে দিদিয়ে নিজে যে জুৱা খেলাত আটাইতকৈ বেছি আগ্রহ আৰু স্বার্থ দিদিৰ নিজৰ। খেলত তেওঁ কোনোদিন নাহাৰে, খেলৰ শেষত সকলোৰে গাঁঠিৰ টকা জমা হয়গৈ তেওঁৰ হাতত। ক'বলৈ গ'লে জুৱা-খেলাই এতিয়া তেওঁৰ জীৱিকাৰ থাই অৱলম্বন। আমাৰ মাজত দিদি হ'ল অৱসৰপ্রাপ্তা 'মহিলা', অর্থাৎ তেওঁৰ বয়স কেতিয়াবাই ভাটি দিছে, এতিয়া আৰু তেওঁৰ ভাগ্যত গ্রাহক নিমিলে। তামোলৰ মোকোৰাৰে ওফন্দি থকা গাল আৰু ঠুঁটৰিত তিনিটামান ভাজেৰে সৈতে দিদিৰ প্রায় দুই মোন ওজনৰ কেৱল চেমিজ-পৰিহিত দেহটো দেখিলে এতিয়া অন্তৰ হৃদয়তো হাস্যৰস উদ্রিক্ত হোৱাৰহে বেছি সম্ভাবনা। কিন্তু গ্রাহকৰ অভাৱত এই পর্য্যন্ত দিদিৰ বিশেষ ক্ষতি হোৱা

নাই, উপাৰ্জনৰ বিচিত্ৰ উপায় তেওঁৰ আয়ত্তাধীন। জুৱা-খেলাৰ কথা ওপৰত ক'লোঁৱেই, তদুপৰি তেওঁৰ বোধহয় এটা শকত ধৰণৰ সঞ্চয়ৰ পুঁজি আছে, তাৰেপৰা অত্যন্ত বেছি সুতৰ হাৰত তেওঁ মানুহক টকা ধাৰলৈ দিয়ে। আমাক বাদ দিও সেই অঞ্চলৰ বেছি ভাগ বিজ্ঞারালাই তেওঁৰ ওচৰত ধৰুৱা। দিদিক সুতে-মূলে টকা পৰিশোধ নকৰাকৈ কোনোবাই নিষ্কৃতি পোৱা বুলি কেতিয়াও শুনা নাই। জুৱা খেলাৰ উপাৰ্জন আৰু সুতৰপৰা পোৱা টকাৰে মূলত হাত নিদিয়াকৈয়ে এই পৰ্য্যন্ত তেওঁৰ চলি গৈছে। এইবোৰৰ ওপৰিও তেওঁৰ আছে এখন ভাবালৈ দিয়া বিক্সা, তাৰপৰাও মাহে নগদ তিনিকুৰি টকা তেওঁৰ উপাৰ্জন হয়। মুঠতে আমাৰ সমাজত দিদি এজনী মস্ত ধনী মহাজন।

খেলিবলৈ অকণো আগ্ৰহ নহ'লেও মই কমলাইঁতৰ লগত দিদিৰ ঘৰলৈ যাবলৈ বাধ্য হ'লো। মোৰ কোনো আপত্তিকেই যে সিহঁতে কাণত নুতুলিব সেই কথা মই ভাল দৰে জানো। আটাই কেইজনী গৈ দিদিৰ ঘৰ সোমায়েই দেখিলো, আগত তাছজোৰ মেলিলৈ তেওঁ নিবিষ্ট মনেৰে কিবা এটা হিচাব কৰাত ব্যস্ত। ওচৰতে ভীষণ গহীন মুখেৰে বহি আছে আমাৰ লাইনলৈ নতুনকৈ অহা মিনি নামৰ নেপালী ছোৱালী এজনী। প্ৰথমতে৷ একো বুজিব নোৱাৰি আমি আটাই কেইজনী তভক মাৰি বৈ গ'লো। এনেতে কমলাই চিঞৰি উঠিল, 'এইটো কি নতুন খেলা উলিয়াইছা দিদি? আমি দেখোন আগতে কেতিয়াও দেখা নাই।'

'গণ্ডগোল নকৰিবি'—দিদিয়ে কঢ়া মাতেৰে ধমক্ দি উঠিলে—'এইটো খেলা নহয়, ভাগ্য-গননা।'

'কি?'—আমি আটাই কেইজনীয়ে একে লগে চিঞৰি উঠিলো৷—'তুমি এই বিদ্যাও জানা নে কি? আজিলৈকে দেখোন আমাক কোৱা নাছিলা। মোৰো ভাগ্যখন চাই দিয়া দিদি,···মোৰখনো চাব লাগিব,···মোৰখনো···মোৰ-খনো······।'

দিদিক চাৰিওফালে বেঢ়ি ধৰি আটাইকেইজনী বহি পৰিলো।

তাছজাপ সামৰি হাতেৰে খাফল্ কৰি কৰি দিদিয়ে মাত লগালে, 'ভাগ্য-গণনা এনেয়ে নহয়। পইচা দিব লাগে। গাই পতি আঠ অনা।'

চকুৰ পচাৰতে পাঁচটা আধলী দিদিৰ সমুখত জমা হৈ গ'ল আৰু প্ৰত্যেকেই চিঞৰিবলৈ ধৰিলে, 'মোৰ ভাগ্যখন আগতে কোৱাঁ দিদি,...মই আগতে পইচা দিছো, মোৰখন ক'ব লাগিব...।'

আধলী কেইটা শাৰীৰ আচলত বান্ধি বান্ধি দিদিয়ে আবাৰ চিঞৰ-বাখৰৰ প্ৰতি নিৰ্বিকাৰভাৱে মাত লগালে, 'প্ৰথমে বুচ্‌কিৰ ভাগ্যখনকে চোৱা যাওক বাৰু।'

দিদিয়ে তাছজাপ আগত মেলি লৈ চাৰিওটা ৰঙৰ দুইৰপৰা ছয়লৈকে পাতবোৰ বাছি এফলিয়াকৈ থৈ দিলে। বাকীখিনি পাত ভালকৈ জাপি মোৰ হাতত দি তেওঁ ক'লে, 'তাছজাপ ভালকৈ খাফল্‌ কৰ। তাৰ পাছত বাওঁ হাতেৰে সমানে দুভাগ কৰি, মানে প্ৰতি ভাগতে যোলখনকৈ পাত পৰাকৈ কাটি দে।'

তেওঁৰ নিৰ্দেশ মতে মই তাছজাপ খাফল্‌ কৰি কাটি তেওঁৰ হাতত দিলো। তাৰে এভাগ তেওঁ পুনৰ এফলীয়াকৈ থৈ দিলো। বাকী ভাগৰ এটা পাত চেমিজৰ মাজেৰে বুকুত ভৰাই থৈ বাকী পোন্ধৰখন পাত বাওঁফালৰপৰা আৰম্ভ কৰি সোঁফাললৈ অৰ্ধবৃত্তৰ আকাৰত সজাব ধৰিলে। এইখিনি শেষ কৰি তেওঁ সোঁহাতখন সমুখৰ তাছজাপৰ, ওপৰত ৰাখি চকুদুটা মুদি মুখেৰে বিৰ্‌বিৰ্‌কৈ কিবা মন্ত্ৰ মাতিবলৈ ধৰিলে। দিদিৰ কাণ্ড কাৰখানা দেখি আমাৰ আটাই-কেইজনীৰে মুখৰ মাত-বোল হ'ৰিল, পৰস্পৰৰ বুকুৰ ধুকধুকনিও যেন আমি শুনিবলৈ পোৱা হ'লো। বিশেষকৈ মই মনে মনে অতি আতংকিত হৈ গ'লো। জীৱনত কেতিয়াও নিজৰ ভাগ্য গণনা কৰাই পোৱা নাই, সেই বিষয়ে কেতিয়াও চিন্তাই কৰা নাই, আজিবা দিদিৰ মুখত কি শুনিবলৈ পাওঁ।

মন্ত্ৰ-পাঠ শেষ কৰি দিদিয়ে তাছ-পাতবোৰৰ ওপৰত চকু ফুৰাবলৈ ধৰিলে। তাৰ পাছত তেওঁ ইমান পৰৰ নিস্তব্ধতা ভংগ কৰি মাত লগাই উঠিল, 'হুঁ বুচ্‌কিৰ ভাগ্যখন তো কম নহয়। এটা মানুহে তোক খুব নজৰ দিছে। হয় নে নহয়?'

'মিছা' 'মিছা'—কমলাহঁতৰ হাঁহি আৰু কথাৰ আউৰিৰ মাজত মই চিঞৰি উঠিলো—'তোমাৰ এইবোৰ চব ধোকা। তুমি একো গণনা কৰিব নাজানা। ঘূৰাই দিয়া মোৰ পইচা।'

'ৰ ৰ বেটি'—শাসনৰ ভংগীত হাতখন জোকাৰি জোকাৰি দিদিয়ে মাত লগালে—'ইমান অধৈৰ্য্য হৈছ কিয়? ক'বলৈ আৰম্ভ কৰিছো মাত্ৰ, সঁচা-মিছা কৈ শেষ হ'লেহে প্ৰমাণ পাবি। মানুহটোৰ বৰণ ক'লা, মজলীয়াভাৱে শকত, আমি থকাৰপৰা পুব ফাললৈ তাৰ ঘৰ। মোৰ গণনা মিছা হ'ব নোৱাৰে। তোক কৈ থলো বুচ্‌কি, এই মানুহটোক তই হাত-ছাড়া হ'বলৈ নিদিবি, তাৰ

অহতে তোৰ ভাগ্যৰ চকৰি ঘূৰি যাব পাৰে। মইতো দেখিছো, সি তোক বিয়া কৰিব।

'বাঃ বাঃ বুঢ়ৰি কি ভাগ্য তোৰ'—কমলাইতে গির্জনি মাৰি মোৰ পিঠিত চকা দিবলৈ ধৰিলে, 'আমাৰ মুখত লাঠি মাৰি থৈ তই এইবাৰ গৃহস্থালী কৰিবিগৈ। গিৰিয়েৰৰ লগত চিনেমা চাবলৈ আহোঁতে আমাক কেনেবাকৈ দেখিলেও নেদেখাৰ ভাওতো জুৰিবিয়েই, লগতে কিজানি থুহে পেলাবি। বাঃ কি ভাগ্য।'

মই কমলাইতলৈ চাই পঠালো। সিহঁতৰ মুখবোৰত হাঁহি-তামাচাৰ স্বচ্ছ আৱৰণৰ তলত লুকাভাকু খেলিছে প্রচ্ছন্ন ঈর্ষাৰ অন্ধকাৰ ছাঁয়াই; মনে মনে আটাইকেইজনীয়ে প্রার্থনা কৰিছে, দিদিৰ ভবিষ্যৰাণী যেন মিছা প্রমাণিত হয়। সিহঁত চিৰকাল এই নৰককুণ্ডত পৰি থাকিব বজাৰৰ গেলা মাল হৈ, আৰু মই হ'মগৈ কাৰোবাৰ বধু, প্রিয়া, মাতৃ—এই কথা কাৰ সহ্য হয়? মই নিজেই পাৰিম নে সহ্য কৰিব?

'বিশ্বাস কৰিছ?' দিদিয়ে প্রশ্ন কৰিলে।

'অকণো কৰা নাই'—মই উত্তৰ দিলো। কিন্তু মুহূর্তৰ কাৰণে মোৰ মনটো যেন উন্মনা হৈ পৰিল। বিয়া! কি মধুৰ এই শব্দ! সমূলি পাহৰিয়েই গৈছিলো মানুহৰ ভাষাত যে এনে এটা শব্দ আছে। জন্মান্তৰৰ সুখ-স্মৃতিৰ দৰে সেই শব্দটো মোৰ কাণত প্রবেশ কৰিলে, লগে লগে কাণৰ কাষত মধুৰ সুৰেৰে বাজি উঠিল ঢোল-খলৰ মন মতলীয়া ছেও, বিয়া-নামৰ জাউৰি, হাঁহি-খলকনিৰ জোৱাৰ। বিয়া! হোমৰ কাষত কন্যা হৈ বহা! সেন্দুৰেৰে বাঙলী মুখ, স্বামীৰ সংসাৰ, চকুৰ কাষত প্রথম শিশুৰ কোমল কান্দোন! স্বর্গৰ স্বপ্ন!

কোনোবা এজনীয়ে মোক ঠেলা মাৰি দি চিঞৰি উঠিল, 'এতিয়াৰপৰাই লাজুকী কন্যা হৈ বহিব নালাগে দেচোন। পিছতো দেখিলে থু পেলাবিয়েই, যি কেইদিন থাক আমাকো অলপ কথা বতৰাৰ ভাগ দে।'

নিজৰ অন্যমনস্কতা ধৰা পৰি যোৱাৰ কাৰণে মই ভীষণ অপ্রস্তুত হৈ পৰিলো। সেই কাৰণে খুব খং উঠা যেন দেখুৱাই মই দপ্‌দপাই উঠিলো, 'মই বুজিছো, মোক লাজ দিবৰ মনেৰেই তহঁতৰ এইবোৰ ষড়যন্ত্র। তহঁতৰ লগত তাছ খেলিবলৈ মই আৰু আহিম বুলি ভাবিছ নে কি? এয়ে শেষ।'

একে কোবে উছাৎ মাৰি মই তাৰপৰা ওলাই আহিলো আৰু নিজৰ কোঠাত সোমাই বিছনাত বাগৰি পৰিলো।

[ ২ ]

সুদীৰ্ঘ পাঁচটা বছৰ বেশ্যাৰ জীৱন যাপন কৰি এতিয়া আৰু বিয়াৰ কল্প ! আলাসত চাং পতাৰ সময় মোৰ কেতিয়াবাই পাৰ হৈছে, এতিয়া আৰু মই একোতেই ভোল নাযাওঁ। ভাগ্যৰ হাতত এনে কোনো কৌশল নাই, যাৰ দ্বাৰা সি এতিয়া মোক ঠগিব পাৰে। জীৱনত দ্বিতীয়বাৰ আত্মহত্যাৰ চেষ্টাত ব্যৰ্থ হৈ মই যিদিনা বুঢ়ীমাইৰ ঘৰলৈ ঘূৰি আহিলো আৰু হৃদয়ৰ সকলো আশা-আকাংক্ষা দ্বিধা-সংকোচ কাটি কৰি থৈ বেশ্যাৰ জীৱন গ্ৰহণ কৰিলো, সেই দিনা মই মনতে ভাবিলো, জীৱনৰ বিষ-ভাণ্ড ইমানতে পৰিপূৰ্ণ হৈ উঠিল, নতুনকৈ তাত যোগ হ'বলৈ একো বাকী নাই। কেৱল নিয়তিৰ নিৰ্মমতাই নহয়, মানুহৰ নীচতা আৰু নিষ্ঠুৰতাও মোৰ আৰু দেখিবলৈ বাকী নাই। কিন্তু হায় ! সেই দিনা মই কিমান মূৰ্খ আছিলো ! সংসাৰৰ লগত মোৰ পৰিচয় শেষ হোৱা দূৰৰ কথা, ভালকৈ আৰম্ভই হোৱা নাছিল সেই দিনা !

[ ৩ ]

গোটেই জীৱনত ফুটা কড়ি এটা মই হাতত লৈ পোৱা নাছিলো, কিন্তু বেশ্যাৰ ব্যৱসায় আৰম্ভ কৰাৰ প্ৰথম তিনি মাহৰ ভিতৰতে এহেজাৰ টকা মোৰ হাতলৈ আহিল। টকাৰ মুখ দেখিবলৈ পাই বাৰে বাৰে আইৰ কথা মোৰ মনলৈ আহিবলৈ ধৰিলে। নিজৰ বুঢ়ী দেহাটো টানি টানি আয়ে হয়তো এতিয়া ঘৰে ঘৰে ভিক্ষা কৰি ঘূৰি ফুৰিছে। তেওঁৰ ওচৰলৈ মই আৰু কেতিয়াও ঘূৰি যাব নোৱাৰো। এই জীৱনত কোনো দিন আৰু তেওঁৰ লগত মোৰ দেখা নহ'ব। মাজে মাজে যদি তেওঁক কেইটামান টকাকে দি থাকিব পাৰো, তেতিয়াও মোৰ মনে কিছু শান্তি পাব। বেশ্যাৰ উপাৰ্জনৰ ধনলৈ তেওঁৰ নিশ্চয় কোনো ঘৃণা নাই। এদিন বুঢ়ীমাইক ক'লো, 'বুঢ়ীমাই, তুমিতো মোৰ ঘৰ চিনি পোৱা। মই আইক কেইটামান টকা দিব খোজো, তুমি গৈ তেওঁক দি আহিব পাৰা নে? তুমি কিন্তু তেওঁক মোৰ ঠিকনা নক'বা।' মই কি কৰো

বুলি সুধিলে তুমি ক'বা, মই কোনোবা এজন ডাঙৰ মানুহৰ ঘৰত চাকৰণীৰ কাম কৰো।'

মোৰ কথাত [illegible]ক্ষণাৎ ৰাজী হ'ল। 'সেইটোনো কি ডাঙৰ কাম আই। মইতো ঘৰত[illegible]ৰে বহি-তুইহে থাকো। কালিলৈকে গৈ মই মাৰক টকা কেইটা দি আহিম।'

পিছদিনা পুৱাই টকা এশ দি বুঢ়ীমাইক আইৰ ওচৰলৈ পঠাই দিলো। একেদিনাই গধূলি তেওঁ ঘূৰি অহাৰ কথা। গোটেই দিনটো আইৰ খবৰ শুনিবৰ কাৰণে মোৰ প্ৰাণটো ছাটি-ফুটি কৰিবলৈ ধৰিলে। গধূলি পৰত বুঢ়ীমাই আহি ঘৰ সোমোৱাৰ লগে লগে তেওঁক বহিবলৈ সময় নিদি মই প্ৰশ্ন কৰিবলৈ ধৰিলো, "আইক লগ পালা নে বুঢ়ীমাই? তেওঁ ভালে আছে? মোৰ কথা কি সুধিলে?'

পিৰালীতে অৱশভাৱে বহি পৰি বুঢ়ীমায়ে উত্তৰ দিলে, 'টকা পাই মাৰৰ কি ফ্‌ৰ্তি! তোৰ গুণ বখানিয়েই তৎ নাপায়। তই দিয়া টকা বোলে তেওঁ নিজৰ কাৰণে খৰচ নকৰে। সেই টকা সাঁচি তোক বোলে ইয়াৰপৰা যিমান সোনকালে পাৰে উলিয়াই নিব আৰু ভাল ল'ৰা এটালৈ বিয়া দিব।'

'মই লোকৰ ঘৰত চাকৰণী হৈ থকা আয়ে বিশ্বাস কৰিছে?'

'বিশ্বাস নকৰি পাৰে নে? মোক তই কম জনী বুলি ভাবিছ নে কি? এনেকৈ দিহা লগাই কথাবোৰ কৈছো, বিশ্বাস নকৰিবলৈ কি সাধ্য?'

'মই ঘৰৰপৰা পলাই অহাৰ পিছত্তে আয়ে মোৰ কথা কি বুলি ভাবিছিল? নিশ্চয় মই মৰা বুলি ভাবিছিল?'

'ওহোঁ, সিমান খাটাং কৈ তেওঁ একো ভাবিব পৰা নাছিল। মাজে মাজে আপোন-ঘাতী হৈ মৰা বুলি ভাবিছিল অৱশ্যে; কেতিয়াবা আকৌ ভাবিছিল— তই কাৰোবাৰ লগত পলাই গৈছ।......আৰু কি সোধ পিছতো সুধিবি। বৰ ভাগৰ লাগি আহিছে, মই গাটো ধোঁ।'

ৰক্ষা ভগৱান, মই এটা স্বস্তিৰ দীঘল নিশাহ পেলালো। মোৰ যি হ'বৰ হ'ল, কিন্তু আইক যে মই মাজে মাজে কেইটামান টকা দি থাকিব পাৰিম, তেওঁৰ খা-খবৰখিনি পাই থাকিম, তাকে ভাবি মোৰ মনটোৱে বিবেকৰ দংশনৰ পৰা কিছু মুক্তি পালে।

প্ৰায় এমাহ মানৰ পাছত বুঢ়ীয়ে এদিন নিজেই উলিয়ালে, 'কিবা এটা সকামত মই তইতৰ গাঁৱৰ ফালে যাম। মাৰলৈ কিবা টকা-শিকা দিব খুজিলে দিব পাৰ, মই সোমাই দি আহিব পাৰিম।'

যাক্ত এমাহৰ আগতে টকা এশ দিছো, ইমান সোনকালে আৰু টকা নিদিলেও চলে। কিন্তু কেৱল আইক টকা দিবৰ কাৰণে বুঢ়ীমাইক আৰু এবাৰ পঠোৱাত কৈ এই সুযোগতে আৰু অলপ টকা পঠাই দিলে বেয়া নহয়। এই ভাবি আৰু এশ টকা মই বুঢ়ীমাইক দি দিলো। এইবাৰ তেওঁ ঘূৰি আহি মোক খবৰ দিলে, আগৰ বাৰ পঠোৱা টকা শ আয়ে খৰচ নকৰো বুলিও কৰিব লগা হ'ল। ঘৰটো একেবাৰে ভাগি গৈছিল, সেইটো তেওঁ মানুহ লগাই নতুনকৈ সজালে। কিন্তু এইবাৰ পোৱা টকা আৰু তেওঁ খাবলৈ নাপাই মৰিলেও খৰচ নকৰে।

বুঢ়ীমাইক মোৰ সুধিবলৈ মন গৈছিল, আয়ে মোক ঘৰলৈ যোৱাৰ কথা এবাৰো নকয় নে? কিন্তু লগতে ভাবিলো, আঁয়ে তেনে কিবা কথা কোৱা হ'লে বুঢ়ীমায়ে মোক নিশ্চয় ক'লেহেঁতেন। আইক মই যিমানদূৰ জানো, টকা পায়েই তেওঁ বোধহয় সন্তুষ্ট। কিন্তু আয়ে মোৰ কথা ভাবক নাভাবক, তেওঁক এবাৰ নিজ চকুৰে চাই আহিবলৈ মোৰ নিজৰে মন যাবলৈ ধৰিলে। অৱশ্যে মই গ'লে ৰাতি যাব লাগিব আৰু ৰাতিয়েই ঘূৰি আহিব লাগিব। দিনৰ পোহৰত গাঁৱৰ সকলো মানুহে দেখাকৈ মই কেতিয়াও যাব নোৱাৰো। ৰাতিয়েই গৈ আইক চাই ঘূৰি অহাতো এতিয়া আৰু মোৰ পক্ষে খুব টান কাম নহয়। ব্যৱসায়ৰ খাতিৰত মই আজি-কালি বহুত সময়ত তেনেকৈ বাহিৰলৈ যাব লগা হয়। বিশেষকৈ মাৰোৱাৰী মহাজনবোৰে নিজে বেশ্যা-পটিলৈ নাহি অনেক সময়ত মোক মটৰ পঠাই নিৰাপদ ঠাইলৈ লৈ যায়। সেই সুযোগতে বহুতো টেক্সিৱালা বা ড্ৰাইভাৰৰ লগত মোৰ পৰিচয় হৈছে। মই যদি বিনা পাৰি-শ্ৰমিকতে সিহঁতৰ কোনোবা এটাক অলপ আনন্দৰ যোগান দিবলৈ ৰাজী হওঁ, সিহঁতে খুচি মনেৰে মোক গাড়ীত লৈ এইখিনি বাট ফুৰাই আনিব। বহুত ভবা-চিন্তা কৰি মই এদিন আইক চাবলৈ ওলালো। কিন্তু বুঢ়ীমাইক আচল কথাষাৰ নকৈ বাহিৰত কোনোবা 'খৰিদ্দাৰ' আছে বুলি ফাকি দিলো।

কৃষ্ণপক্ষৰ অন্ধকাৰ ৰাতি। প্ৰায় আঠটামান বজাত মই গাঁৱলৈ বুলি ৰাওনা হ'লো। গাঁৱৰ মানুহে কোনোবাই দেখিলেও চিনিব নোৱাৰাকৈ মই পঞ্জাবী ছোৱালীৰ দৰে চালোৱাৰে পায়জামা পিন্ধি ল'লো। মোৰ টকাৰেই হেপাহ পলুৱাই মদ খাই ড্ৰাইভাৰৰ মূৰ গৰম হৈ আছিল, তাতে তাক মই আশা দিছিলো যে গাঁৱৰপৰা ঘূৰি অহাৰ পিছতে তাৰ মনোবাঞ্ছা মই ষোলঅনাই পূৰ্ণ কৰিম। সি বিজুলী গতিৰে গাড়ী চলাবলৈ ধৰিলে। কুমণ্টাৰ

বাট আমি এখন্টাতে অতিক্রম কৰিলো। গাঁও পাই নিৰাপদ দূৰত্বত মটৰখন ৰাখি মই ড্ৰাইভাৰক লগত লৈ আমাৰ ঘৰৰ ফালে যাবলৈ ধৰিলো। ভাগ্য ভাল যে ৰাস্তাত কোনো জনপ্ৰাণী নাছিল। অৱশ্যে সেই অৱস্থাত আমাক কোনোবাই দেখিলেও পঞ্জাবী মন্তা-মাইকী বুলিহে ভাবিলেহেঁতেন।

দূৰৰপৰাই মই দেখিলো, আমাৰ ঘৰটো সম্পূৰ্ণ অন্ধকাৰ। আই বোধ হয় ভাত-পানী খাই ইতিমধ্যে শুইছে। আইৰ লগত এই বিস্ময়কৰ সম্ভাৱনাত মোৰ বুকুখন ধপ্ধপাবলৈ ধৰিলে। নানা ভাব-চিন্তাৰ উথল-মাখলত গোটেই বাট ছোৱা কেনেকৈ গ'লো মই ক'বই নোৱাৰিলো। ইফালে মোৰ ড্ৰাইভাৰ বন্ধু তাৰ নিজৰ মতলবতেই ব্যস্ত; মোৰ মনৰ অৱস্থালৈ ভ্ৰূক্ষেপ নকৰি সি বাটে বাটে নানা অশ্লীল ইংগিতেৰে মোক জোকাবলৈ ধৰিলে। ৰাস্তাৰ মাজতে সি কেইবাৰ মোক সাৱতি ধৰি তাৰ দাবী জনালে, তাৰ ঠিক নাই। এইদৰে গৈ গৈ আমাৰ ঘৰৰ চোতাল পাই মই দেখো, ঘৰৰ দুৱাৰখন সম্পূৰ্ণ খোলা হৈ আছে। মই অতি আচৰিত হৈ গ'লো। মুখেৰে একো নামাতি মই ভিতৰলৈ সোমাই গ'লো, আৰু লগে লগে কিবা এটাৰ গাত উজুতি খাই মই পৰি গ'লো। মোৰ গাতে খুন্দা মাৰি ধমমহ কৈ উঠি পৰিল এটা গৰু।

ক'ত গ'ল আই? লৰালৰিকৈ চোতাললৈ ওলাই আহি মই কঁপিবলৈ ধৰিলো। ঠিক এনে এটা সম্ভাৱনাৰ কথাই মাজে মাজে মোৰ মনত উদয় হৈছিল, কিন্তু স্পষ্টভাৱে সেই কথা চিন্তা কৰিবলৈ মোৰ সাহস হোৱা নাছিল। কিছু সময় মই চোতালতে হতভম্ব হৈ থিয় হৈ ৰ'লো। এনেতে হঠাৎ এবাৰ টৰ্চ লাইটটো জ্বলাই চাই দেখিলো, বুঢ়ী মায়ে কোৱা মতে ঘৰটো নতুনকৈ সজা দূৰৰ কথা, পুৰণি ছালখন আৰু বেৰকেইখনৰো কোনোমতে অৱশিষ্টহে আছে, সকলো জহি খহি গৈছে। মোৰ আন একো কথা বুজিবলৈ বাকী নৰ'ল। ড্ৰাইভাৰক ক'লো—'ব'লা ঘূৰো।'

মোৰ জীৱনত কি ঘটিছে সেইটো জানিবলৈ ড্ৰাইভাৰৰ একো দৰ্কাৰ নাছিল। অৰ্জুনে কেৱল চৰাইৰ মূৰটোহে দেখাৰ দৰে তাৰো দৃষ্টি ইমান পৰ নিবদ্ধ হৈ আছিল কেৱল মোৰ দেহটোৰ ওপৰত। 'ব'লা ঘূৰো' বুলি মই কৰলৈহে পালো মাথোন, সি হঠাৎ খপ্ কৰে মোৰ হাতখনত ধৰি মাত লগালে, 'আৰু কিমান ঘূৰি ফুৰিম। এই ঘৰটোৱেই ঠিক হ'ব।' তাৰ কথা মই ভালকৈ ভকিবলৈ নৌ পাওঁতেই সি মোক টান মাৰি ঘৰৰ ভিতৰলৈ লৈ

গ'ল, আৰু গৰুটোক যেদি বাহিৰ কৰি মোক মাটিত পেলাই দিলে। তাৰ গাত অসুৰৰ দৰে বল, তাতে ভিডিলৈকে মদ খাই সি নিচাত অন্ধ হৈ আছে, তাৰ লগত মই যুঁজ-বাগৰ কৰাৰ কোনো কথা উঠিবই নোৱাৰে। উপায় কেৱল চিঞৰ-বাখৰ কৰা। কিন্তু বেশ্যাই চিঞৰি মানুহ মাতিব নিজৰ সতীত্ব আৰু সন্মান ৰক্ষাৰ কাৰণে ?

বেশ্যাবৃত্তিৰ চৰম অসন্মানৰপৰা নিজক ৰক্ষা কৰিবৰ কাৰণে যি সাতাম-পুৰুষিয়া ভেটি ত্যাগ কৰি এদিন ওলাই গৈছিলো, ঠিক সেই ভেটিতেই মই দেহ-দান কৰিব লগা হ'ল হীনতম পশুৰ দৰে। মোৰ গাৰ তলত পাৰি লবলৈ নাছিল সামান্য এখন কাপোৰ, মোৰ গোটেই দেহ আপ্লুত হ'ল গৰুৰ গোবৰ আৰু বোকাৰে। হয়তো তাতোকৈও বেছি কিবাৰে।

[ ৪ ]

এদিন ৰাতি এজন আদহীয়া মাৰোৱাৰী আহিল। আবেলিৰেপৰা মোৰ গাটো বৰ বেয়া লাগি আছিল। মই মানুহজনক বহিবলৈ দিবলৈ অস্বীকাৰ কৰিলো। তেওঁ বোধহয় ভাবিলে যে মই দাম বঢ়াবৰ কাৰণেই গা বেয়া লগাৰ অভিনয় কৰিছো। নীলামৰ মালৰ দৰে তেওঁ কোৰত কোবে বেছি টকা যাচিবলৈ ধৰিলে। পাঁচ টকাৰপৰা দাম বঢ়াই নি নি অৱশেষত তেওঁ পঞ্চাচ টকা পোৱালৈগৈ। কিন্তু সিমানতো মই ৰাজী নহ'লো, মানুহজনক জোৰ কৰিয়েই কোঠাৰপৰা বাহিৰ কৰি দি মই দুৱাৰখন বন্ধ কৰি দিলো।

মানুহজন ঘৰৰপৰা ওলাই যোৱাৰ পাছত বুঢ়ীমাই মোৰ কোঠালৈ সোমাই আহিল। মোৰ এই অভাৱনীয় আচৰণত তেওঁ নিশ্চয় খুব আচৰিত হৈছিল, মোৰ মতি-গতি আকৌ সলনি হোৱা বুলি ভাবি তেওঁ বোধ হয় অলপ ভয়ো খাইছিল। বিমূঢ় দৃষ্টিৰে মোৰ মুখলৈ কিছু সময় চাই থাকি তেওঁ মোক প্ৰশ্ন কৰিলে, 'আজি তোৰ হ'ল কি ? ইমানখিনি টকা হাততে পায়ো এৰি দিলি ?'

'তুমি দেখোন শুনিলাই, মোৰ আজি গাটো ভাল নাই বুলি ক'লো। আকৌ কি সুধিবলৈ আহিছা।' অতিশয় বিৰক্তিৰে মই মাত লগালো।

মোৰ বিৰক্তিলৈ ভ্ৰূক্ষেপ নকৰি বুঢ়ীমায়ে কপালৰ গাঠি থোপা কৰি তীক্ষ্ণ দৃষ্টিৰে প্ৰথমে মোৰ মুখলৈ, তাৰ পাছত পেটটোৰ ফালে কিছু সময় চাই ৰ'ল। অৱশেষত তেওঁ প্ৰশ্ন কৰিলে, 'তই গা নোধোৱা কিমান দিন হ'ল ?'

বুঢ়ীমাইৰ মুখত হঠাৎ এনে এটা প্ৰশ্নৰ কাৰণে মই অকণো সাজু নাছিলো। দুমাহ মই গা ধোৱা নাই, আৰু তাৰ কাৰণ কি হ'ব পাৰে সেইটোও মই নজনা নহয় কিন্তু নিজৰ মনক মই প্ৰবোধ দিবৰ যত্ন কৰি আছিলো যে অন্য নানা কাৰণতো হয়তো সেই ঘটনা বন্ধ হৈ থাকিব পাৰে। বেশ্যাই হওঁ বা যিয়েই হওঁ, কুমাৰী অৱস্থাত অবৈধ গৰ্ভ ধাৰণৰ দৰে মাৰাত্মক সম্ভাৱনা এটা কল্পনা কৰিবলৈকো মোৰ সাহস নহৈছিল। প্ৰতি দিনই মই আশা কৰি আছিলো যে যিকোনো মুহূৰ্ত্ততে মোৰ সন্দেহ মিছা প্ৰমাণ হৈ যাব, আৰু জাৰজ সন্তানৰ মাতৃ হোৱাৰ অভিশাপৰপৰা মই ৰক্ষা পাম। কিন্তু বুঢ়ীমাইৰ অভিজ্ঞ তীক্ষ্ণ দৃষ্টি ত চকু পৰাৰ লগে লগে মোৰ বুজিবলৈ আৰু একো কথা বাকী নৰ'ল। তালুৰপৰা তলুৱালৈকে মোৰ গোটেই দেহটো এবাৰ ঠক্‌ঠক্‌কৈ কঁপি উঠিল, জিভাখন আৰু ওঁঠ দুটা মুহূৰ্ত্ততে কৰ্‌কৰিয়া হৈ শুকাই পৰিল। কোনোমতে সেপ ঢুকি মই আতুৰ হৈ প্ৰায় চিঞৰি উঠিলো—'কি হ'ল বুঢ়ী মাই ? মোৰ কিবা হৈছে নে কি ?'

'তই কেইমাহ গা ধোৱা নাই ?'—অপৰাধীক জেৰা কৰাৰ দৰে বুঢ়ী মায়ে আকৌ প্ৰশ্ন কৰিলে।

'দুমাহ'—মই উত্তৰ দিলো।

'তই মোক আগতে কোৱা নাছিলি কিয় ?'—আৰু একো নকৈ তেওঁ মোৰ কোঠাৰপৰা ওলাই গুচি গ'ল।

ইয়াৰ পাছত আৰু ক'বই নালাগে যে গোটেই ৰাতি মোৰ চকুলৈ টোপনি নাহিল। বিবাহিতা তিৰোতাই যেতিয়া প্ৰথম গৰ্ভ-ধাৰণ কৰে, সিহঁতৰ মনলৈ কি কি ভাব-চিন্তা আহে সেই কথা ইহ জীৱনত মোৰ পক্ষে আৰু কল্পনা কৰাও সম্ভৱ নহয়। কিন্তু মাতৃত্বই যে নাৰী-জন্মৰ চৰম সাৰ্থকতা, আৰু সেই সাৰ্থকতাৰ আশু সম্ভাৱনা আৰু অজাত প্ৰথম শিশুৰ মুখ-কল্পনাই যে সিহঁতৰ সৰ্ব দেহ-মন ৰোমাঞ্চিত কৰি তোলে—সেইখিনি কথা অন্ততঃ নাৰীসুলভ প্ৰবৃত্তিৰেই মই অনুভৱ কৰিব পাৰো। কিন্তু বেশ্যাই যেতিয়া হঠাৎ এদিন আৱিষ্কাৰ কৰে যে তাইৰ গৰ্ভত এটা মানৱশিশু অংকুৰিত হ'ব ধৰিছে, সেই মুহূৰ্ত্তত তাইৰ মনত উদয় হোৱা হেজাৰটা চিন্তাৰ বিন্দুমাত্ৰ আভাসো বিবাহিতা সামাজিক তিৰোতাই কল্পনা কৰিব পাৰে নে ? আনকি কুমাৰী অৱস্থাত অবৈধ গৰ্ভধাৰণ কৰা যিকোনো এজনী সামাজিক ছোৱালীয়েও বেশ্যাৰ সেই সময়ৰ মনৰ অৱস্থা কল্পনা কৰিব নোৱাৰে। তাইৰ গৰ্ভাৱস্থাৰ কাৰণে দায়ী পুৰুষজনৰ পৰিচয়টো

অন্ততঃ তাই জানে। আৰু মই? এনেহে মোৰ ভাগ্য যে কাৰ জন্ম-বীজ মই গৰ্ভত বহন কৰিছো সেই কথা মই নিজেই নাজানো। কোনো দিনেই মই সেই কথা নাজানিম। মই যে সন্তানৰ মাতৃ হ'ব ধৰিছো সেই কথা আৱিষ্কাৰ কৰি মোৰ মনত প্ৰথমে জাগি উঠিল এটা অন্ধকাৰ অবৰ্ণনীয় বোবা ভয়। এটা অদ্ভুত, ভয়াবহ নিঃসংগতাৰ অনুভূতিয়ে মোক গ্ৰাস কৰি ধৰিলে। পৃথিৱীতে ইমানবোৰ মানুহ আছে, অথচ সেই সকলোৰে মাজত মই সম্পূৰ্ণ অকলশৰীয়া। ঠিক সেই মুহূৰ্তত মোক যেন ঈশ্বৰেও ত্যাগ কৰিলে। সেই জন-হীন, ঈশ্বৰ-হীন, দিগন্ত-হীন অন্ধকাৰত শুই শুই মোৰ গৰ্ভস্থ সন্তানৰ পিতৃ কোন্ হ'ব পাৰে সেই কথাকে মই চিন্তা কৰিবলৈ ধৰিলো। দিনে-ৰাতিয়ে কিমান মানুহ মোৰ ওচৰলৈ আহে, সিহঁত উঠি যোৱাৰ লগে লগে সিহঁতৰ মুখবোৰ পৰ্য্যন্ত মই পাহৰি যাওঁ। তেনেস্থলতে নিজৰ অজ্ঞাতসাৰেই, আনকি মোৰো অজ্ঞাতসাৰে, কোনো যে মোৰ গৰ্ভত এই বীজ পুতি থৈ গ'ল, সেই কথা মই কেনেকৈ জানিম? বহুত পৰ বহুতো সম্ভৱপৰ মুখ মনলৈ আনিবলৈ চেষ্টা কৰি কৰি অৱশেষত হতাশ হৈ মই সেই চেষ্টা এৰি দিলো। মই কেৱল অনুমান কৰিব পাৰো, কিন্তু কাৰো বিষয়েই নিঃসন্দেহ হ'ব নোৱাৰো। কিন্তু মোৰ গৰ্ভস্থ ভ্ৰূণ-শিশুৰ পিতৃ পৰিচয় জানিয়েই বা মই কি কৰিম? সিতো আৰু মোক তাৰ সন্তানৰ মাক বুলি মৰমত আকোৱালী ধৰি মোৰ লগত ঘৰ পাতিবলৈ নাহে। গতিকে সেইবোৰ অৰ্থ-হীন চিন্তাত সময় কটাই একো লাভ নাই। ভাবিবলৈ মোৰ আৰু অজস্ৰ কথা আছে। সন্তান-সম্ভাৱনা মোৰ কাৰণে নাৰীত্বৰ সাৰ্থকতাৰ পূৰ্ব্বাভাস নহয়, সি মোৰ কাৰণে জীৱনৰ অন্যতম ভীষণ সংকটৰ ভয়াবহ সূচনা মাত্ৰ। আৰু কেইদিনমান বা কেইসপ্তাহমানৰ পাছতেই মোৰ ব্যৱসায় বন্ধ হৈ যাব। পূৰ্ণ-গৰ্ভা তিৰোতাৰ পক্ষে পুৰুষৰ লগত সহবাস নিশ্চয় সম্ভৱ নহয়। আনকি প্ৰসৱৰ পাছতো বহুত দিনলৈকে মই নিশ্চয় ব্যৱসায় বন্ধ ৰাখিব লাগিব। ইমান দিন মই থাম কেনেকৈ? মোৰ সঞ্চয়ৰ টকাৰে কিমান দিন চলিব? কিন্তু—হঠাৎ এবাৰ থপ্ কৰে মোৰ মনত পৰিল—কিন্তু মই এইবোৰ কি ভাবি আছো? মোৰ সন্তান জন্ম হলেও মই ব্যবসায় একেবাৰেই বন্ধ কৰি দিব লাগিব। কোলাত কেঁচুৱা লৈ থকা তিৰোতা এজনীৰ ওচৰলৈ কোন মানুহ আহিব। আৰু সি যেতিয়া ডাঙৰ হ'ব, মই কোনটো নাকেৰে নিজ সন্তানৰ চকুৰ আগতে বেশ্যা-বৃত্তি কৰিম? তাৰ মানে মই চিৰকালৰ কাৰণেই ব্যৱসায় বন্ধ কৰি দিব লাগিব? হাড়ে-হাড়ে

লগা কেঁচুৱা এটা বুকুত বান্ধি শতচ্ছিন্ন ময়লা কাপোৰ পিন্ধি মানুহৰ দুৱাৰে দুৱাৰে আৰ্তনাদ কৰি ঘূৰি ফুৰা ভিক্ষাৰিণীবোৰৰ শোভা-যাত্ৰাত ময়ো যোগ দিব লাগিব ? এটাৰ পিছত এটাকৈ অজস্ৰ প্ৰশ্ন মোৰ মনলৈ আহিবলৈ ধৰিলে, কিন্তু কোনো এটা প্ৰশ্নৰেই উত্তৰ হ'লে মই বিচাৰি নাপালো। জীৱনৰ সমস্ত সম্ভাৱনা মই কল্পনা কৰি চালো। কোলাত কেঁচুৱা লৈ বেশ্যাৰ জীৱন। পিতৃ-পৰিচয়-হীন বেশ্যাৰ সন্তানৰ ভৱিষ্যত। মহানগৰীৰ ভিক্ষাৰিণীৰ জীৱন। কিন্তু যি সম্ভাৱনাৰ কথাই মই চিন্তা কৰো, সি নৰকৰ অন্তহীন সুৰংগ-পথত একো একোটা নিম্নগামী পদক্ষেপ মাত্ৰ। মোৰ সমুখত খোলা হৈ আছে কেৱল এটা মাত্ৰ পথ। খোজে খোজে তললৈ নামি যোৱাৰ পথ।

মোৰ নিজৰ জীৱনটো মোৰ ইচ্ছাৰে কোনোদিন নিয়ন্ত্ৰণ হোৱা নাছিল। এই ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম নহ'ল। পিছদিনা গধূলি ক'ৰবাৰপৰা ঘূৰি আহি বুঢ়ীমায়ে মোৰ ওচৰত থিয় হৈ মাত লগালে—'হেঁা, এই ঔষধটো ধৰ। কি কৰিব লাগে ৰাতি মই শিকাই দিম। ঠিক সময়তে কথাষাৰ মোৰ চকুত পৰিল বুলিহে। আৰু এমাহমান পলম হোৱা হ'লেই ভাল মজা পালিহেঁতেন।'

মই বুঢ়ীমাইৰ চকুলৈ চালো। বেচেৰী সামান্য উদ্বিগ্ন হৈ পৰিছে, কেইদিনমানৰ কাৰণে মোৰ ব্যৱসায় বন্ধ থাকিব। এনে এটা মুখ-ভংগীৰে তেওঁ মোৰ হাতলৈ ঔষধটো আগবঢ়াই দিলে—যেন ভ্ৰূণ-হত্যাৰ বিষ নহয়, পায়খানা বন্ধ থকাৰ কাৰণে জুলাপৰ বড়ি এটাহে তেওঁ মোৰ হাতত তুলি দিছে।

ঔষধটো মই হাত পাতি ল'লো।

এদিন মই নিজেই ভাবিবলৈ শিকিলো যে অবাঞ্ছিত গৰ্ভ-ধাৰণ মোৰ কাৰণে আচলতেই পায়খানা বন্ধ থকাৰ নিচিনা এটা তুচ্ছ ক্ষণস্থায়ী অসুখ মাত্ৰ। ভ্ৰূণ নাশ কৰা আৰু শৌচ পৰিষ্কাৰ বথা মোৰ কাৰণে একেই কথা। কিন্তু অতি সহজ সামান্য শিক্ষাও সদায় কঠিন লাগে। ৰাতি যেতিয়া বুঢ়ীমায়ে মোক ঔষধটো প্ৰয়োগ কৰাৰ নিয়মটো শিকাবলৈ আহিল মই হঠাতে বিদ্ৰোহ কৰি উঠিলো। সঁচা কথা কবলৈ গ'লে গৰ্ভস্থ ভ্ৰূণ-শিশুটোৰ প্ৰতি মোৰ অকণো মায়া ওপজা নাছিল। হয়তো মই সচেতনভাৱে ক'ব নোৱাৰাকৈ মনে মনে ধৰিয়েই লৈছিলো যে সেই অভিশাপ-জাত মানৱ-অংকুৰটোৰ কোনো ভৱিষ্যত নাই, সি কেতিয়াও পৃথিৱীৰ পোহৰ দেখিবলৈ

নোপাব। কিন্তু তথাপি চৰম মুহূৰ্তত মোৰ মনটো বিদ্ৰোহী হৈ উঠিল। হয়তো সি কৌটিকলীয়া সংস্কাৰৰ তাড়না কিংবা নাৰীৰ স্বভাব-ধৰ্ম। কিন্তু আচলতে যিটো কথাই মোক বেছিকৈ ক্ষুব্ধ কৰি তুলিছিল, সেইটো হ'ল বুঢ়ীমাইৰ মোৰ প্ৰতি যান্ত্ৰিক নিষ্ঠুৰ মনোভাব। মোৰ গৰ্ভ নাশ কৰিবলৈ মোৰ লগত যে এবাৰ কথা আলোচনা কৰিব লাগে, সেই সামান্য প্ৰয়োজন-কণো তেওঁ অনুভৱ কৰা নাই। তেওঁ যেন মোৰ জীৱনৰ মূৰ্তিমতী নিয়তি, তেওঁৰ অমোঘ বিধান মানি চলাৰ বাহিৰে মোৰ আন কোনো গত্যন্তৰ নাই। মই সেই নিয়তিৰ বিৰুদ্ধেই বিদ্ৰোহ ঘোষণা কৰিলো।

কিন্তু নিয়তি সদায় অপৰাজেয়।

পিছদিনা পুৱাৰেপৰা মোৰ প্ৰসৱ-যন্ত্ৰণা আৰম্ভ হ'ল। তিৰোতাৰ জীৱনৰ সেই আশ্চৰ্য্য অন্ধকাৰ ৰহস্যময় অভিজ্ঞতা। কিন্তু কি প্ৰসৱ কৰিম মই? গৰ্ভতে নিহত এটা নিৰবয়ৱ আত্মাহীন মাংস-পিণ্ড। নৱজাত শিশুৰ মুখলৈ চাই মাতৃয়ে নিশ্চয় পাহৰি যায় দেহৰ সমস্ত ৰক্তাক্ত যন্ত্ৰণা, যন্ত্ৰণা তাইৰ কাৰণে কেৱল নতুন সৃষ্টিৰ তপস্যা। কিন্তু মই কিহৰ কাৰণে ভুগিছো এই যন্ত্ৰণা? সময় যোৱাৰ লগে লগে পেটৰ ভিতৰৰ মাংস-পিণ্ডটো তললৈ নামি যোৱা মই স্পষ্টভাৱে অনুভৱ কৰিলো, আৰু লগে লগে গৰ্ভৰ ভিতৰত তাক বান্ধি ৰখা সমস্ত মাংস আৰু নাড়ীৰ বন্ধন সি যেন হিংস্ৰ নিষ্ঠুৰতাৰে ছিঙি যাবলৈ ধৰিলে। গৰ্ভৰ চাৰিওফালে হেজাৰ হেজাৰ বেজিৰ খোঁচ খোৱাৰ দৰে মই যন্ত্ৰণাত কেঁকালুটি পাৰিবলৈ ধৰিলো। মই কিহৰ কাৰণে ভুগিছো এই যন্ত্ৰণা? সময় বোধহয় দুপৰীয়া হ'ল। অসহ্য জ্বৰত গাটো পুৰি যোৱা যেন মই অনুভৱ কৰিলো। চকুহুটা যেন বাহিৰলৈ ওলাই যাব খোজে, একো বস্তুকেই ভালকৈ মনিব নোৱাৰো। উশাহ লোৱাতো মই কষ্ট অনুভৱ কৰিবলৈ ধৰিলো। মাংস-পিণ্ডটো যেন কঁকালৰ অলপ তললৈ নামি হঠাৎ কিবা এটা খণ্ডত বাহিৰ নহওঁ বুলি জেদ ধৰি থমকি ৰৈছে, আৰু তাৰেপৰা তলে-ওপৰে দেহৰ সমস্ত ৰক্ত-প্ৰবাহত সঞ্চাৰিত কৰি দিছে ইটোৰ পাছত ইটো যন্ত্ৰণাৰ জোৱাৰ। মোৰ গোটেই দেহটো কোঁচ খাই থেমু-ভিৰিয়া হৈ পৰিল। মই কিহৰ কাৰণে ভুগিছো এই যন্ত্ৰণা? এবাৰ মোৰ ভাব হ'ল যে মোৰ মৰিবলৈ বোধহয় আৰু বেছি সময় নাই। দেহটো যেন দুফাল হৈ ফাটি গ'ল। মই কিহৰ কাৰণে ভুগিছো এই যন্ত্ৰণা?

বুঢ়ীমায়ে এবাৰ মোৰ কোঠালৈ আহি লেম্প্‌টো জ্বলাই দি গ'ল।

তেতিয়াহে মই বুজিলো যে এতিয়া ৰাতি হৈছে। অলপ পাছতে বাহিৰত মানুহৰ খোজৰ শব্দ আৰু বুঢ়ীমাইৰ ফুচ্‌ফুচনি শুনিবলৈ পালো। নিশ্চয় কোনোবা গ্ৰাহক আহিছে। সিহঁতে মোক আজিও অব্যাহতি নিদিব নে কি ? মোৰ বোধহয় সাময়িকভাৱে মস্তিষ্ক-বিকৃতি ঘটিছিল, হঠাতে কথা এটা কল্পনা কৰি সেই অবৰ্ণনীয় যন্ত্ৰণাৰ মাজতে মোৰ হাঁহি উঠি গ'ল। কোনোবা এটা মানুহ যেন মোৰ ওচৰলৈ আহিব খুজিছে, বুঢ়ীমায়ে বাধা দিও ৰাখিব পৰা নাই, জোৰকৈ সোমাই আহি মোক পৰীক্ষা কৰি সি মাত লগাই উঠিল—'উহু, এইটোনো কি ডাঙৰ কথা। মই আকৌ আন কিবা হোৱা বুলিহে ভাবি আছিলো। শেষ মুহূৰ্ত এতিয়াও আহি পোৱা নাই, আধঘন্টামান নিশ্চয় দেৰি আছে। তাৰ আগতেই...... ।'

অৱশেষত সকলো যন্ত্ৰণা শেষ হৈ আহিল। তেতিয়া বোধহয় মাজৰাতি। হঠাৎ এটা ভয়ংকৰ মৰ্মঘাতী বিষত মোৰ দেহটো ঠক্‌ঠক্‌কৈ কঁপি উঠিল। জোলোকা জোলোকে গৰম তেজে মোৰ দেহৰ তলৰ অংশটো বুৰাই পেলালে, আৰু এবাৰ মই স্পষ্ট অনুভৱ কৰিলো যে মাংস-পিণ্ডটো বাহিৰ হৈ গ'ল।

মাতৃত্বৰ সকলো যন্ত্ৰণা মই ভোগ কৰিলো, কিন্তু মাতৃ নহ'লো।

প্ৰসব কৰিলো জন্মদাতাৰ হাতত মাতৃৰ গৰবেৰে তুলি দিবলৈ তপস্যাৰ ধন সন্তান নহয়, নৰ্দমাত পেলাই দিবলৈ কুকুৰৰ আহাৰ।

[ ৫ ]

এদিন বুঢ়ীমাই হঠাৎ মৰি থাকিল। এসপ্তাহমান সময় তেওঁ সামান্য অসুখত ভুগি বিছনাত পৰি আছিল। সেই অসুখেই যে তেওঁৰ কাল হ'ব, সেই কথা মই ভাবিবই পৰা নাছিলো। এদিন ৰাতি তেওঁ চিঞৰ-বাখৰ কৰি মোক টোপনিৰপৰা জগাই দিলে। চাকি এটা জ্বলাই মই তেওঁৰ বিছনাৰ কাষলৈ আহি দেখিলো, তেওঁ সেহাই সেহাই দীঘলকৈ উশাহ ল'ব ধৰিছে, কপালত কেঁচা ঘামৰ টোপাল বিৰিবিৰি উঠিছে, লক্ষ্যহীন চকুৰ দৃষ্টিত এটাও ভীষণ আতংক ফুটি উঠিছে। কেঁচা টোপনি ভাগি যোৱাৰ কাৰণে মই প্ৰথমে বিৰক্ত হৈছিলো, কিন্তু বুঢ়ীমাইৰ অৱস্থা দেখি মই এতিয়া আতংকিত হ'বলৈ ধৰিলো। বিছনাৰ কাষত মাটিতে আঠু কাঢ়ি বহি মই উধাতু খাই তেওঁক প্ৰশ্ন কৰিলো—'তোমাৰ কি হৈছে বুঢ়ীমাই ? কিয় এনেকুৱাথৰ কৰিছা ?'

বুঢ়ীমায়ে হাতৰ ইংগিতেৰে মোক অলপ পানী দিবলৈ ক'লে। পানী কেইঢোকমান খাই তেওঁ স্থিৰ দৃষ্টিৰে মোৰ মুখলৈ অলপ সময় চাই থাকিল। তেওঁৰ সেই দৃষ্টিৰ ভাষা মোৰ কাৰণে ইমান নতুন আছিল যে খন্তেক সময় মই হতবুদ্ধি হৈ ৰলো। মোৰ ভাব হ'ল তেওঁ যেন মোক কিবা এষাৰ কথা ক'ব খুজিছে, অথচ কি ক'ব তেওঁ নিজেই ভালকৈ নাজানে। কিছু সময় তেনেকৈ মোলৈ চাই থাকি তেওঁ এবাৰ সেহাই সেহাই মাত লগালে—'সুবালা, মই আজি মোৰ দেহৰ অৱস্থা বৰ ভাল দেখা নাই। বোধ হয় মোৰ শেষ সময় কাষ চাপি আহিছে। যদি মই মৰো……'

হঠাৎ তেওঁৰ দুই গালেদি ধাৰাসাৰে চকুৰ পানী ওলাই আহিবলৈ ধৰিলে। কথাষাৰ আধা-কোৱাকৈ এৰি তেওঁ আচলৰ আগেৰে চকু-পানী মচিবলৈ ধৰিলে। বুঢ়ীমাইৰ চকুত এই প্ৰথম মই চকু-পানী দেখিলো। মনে মনে মই খুব অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলো। বুঢ়ীমাই যে মৰিব, সেই কথা মোৰ বিশ্বাস হোৱা নাছিল। এই পৃথিৱী চিৰকাল থাকিব, অথচ তাত বুঢ়ীমাই নাথাকিব, সেই কথা মোৰ কাৰণে যেন কল্পনাৰো অতীত। মোৰ অস্বস্তিৰ কাৰণ হ'ল তেওঁৰ এই আকস্মিক কান্দোন। শিল চেপি ৰস বাহিৰ কৰা কথা যেনেকৈ কোনেও কল্পনা কৰিব নোৱাৰে, বুঢ়ীমায়ে কান্দিব পাৰে বুলি ভবাটোও মোৰ পক্ষে তেনেকৈ অসম্ভৱ আছিল। তেওঁৰ নিষ্ঠুৰ, নিকৃত্তাপ মুখত চকুপানী যেন একেবাৰে শোভা নাপায়। অলপ সময় অস্বস্তিকৰভাৱে নীৰৱ হৈ থাকি মই অৱশেষত মাত লগালো—'মিছামিছিকৈ তুমি মৰাৰ কথা কিয় ভাবিছা বুঢ়ীমাই? তোমাৰতো একো ডাঙৰ বেমাৰ হোৱা নাই। এতিয়া মনে মনে শুই থাকা। কালিলৈ ঔষধ-পাতিৰ খবৰ কৰিব লাগিব।'

মোৰ কথা সম্পূৰ্ণ আওকাণ কৰি বুঢ়ীমায়ে আকৌ ক'বলৈ ধৰিলে—'যদি মই মৰো, মোৰ এই পাপী দেহাটোৰ কি গতি হ'ব সুবালা? জমাদাৰে মৰা-শটো নি হাবিত পেলাই থৈ আহিব, তাৰ পাছত সি কুকুৰ-শগুণৰ ভোজ হ'ব। জীয়াই থাকোতে এই দেহটো মানুহ-ৰূপী কুকুৰ-শগুণে ফালি-ছিৰি খাইছিল, মৰাৰ পাছতো তাৰ একেই গতি হ'ব। ইপুৰী-সিপুৰী ক'তো মোৰ শান্তি নাই। তই কি ভাবিছ সুবালা? মুখেৰে মাত এষাৰ নামাত কিয়?'

বুঢ়ীমাইৰ ডিঙিৰপৰা ঘৰ্ ঘৰ্ কৈ এটা ভয় লগা শব্দ হ'বলৈ ধৰিলে। এইবাৰ মনে মনে মোৰ খুব ভয় লাগিল। ক'বলৈ একো কথা বিচাৰি নাপালো

মই অতি বিব্ৰত হ'লো। তেওঁৰ বুকুখনত লাহে লাহে হাত ফুৰাই মই অনিশ্চিত দৃঢ়তাৰে মাত লগালো—'তুমি এই অমংগলীয়া কথাবোৰ কিয় ক'ব ধৰিছা বুঢ়ীমাই? মই জানো, তুমি আকৌ ভাল হৈ উঠিবা। এতিয়া তুমি মনে মনে শুই থাকা।'

'মই বুজিছো সুবালা, তোৰ খুব টোপনি ধৰিছে, মৰা পৰ দিবলৈ পাই, মনে মনে, তাৰ খুব খং উঠিছে। কিন্তু তই মনত পেলাই চা সুবালা, তোৰ নিজৰো এনে এটা দিন আহিব, তয়ো মোৰ নিচিনা সাতকুলত একুল নোহোৱা এজনী বেশ্যা। মানুহ জন্ম ধৰিও গৰু-পশুৰ দৰে এনেকৈ আচানত মৰিব লগা হোৱাটো কি ভয়ংকৰ কথা, সেই কথা তয়ো এদিন বুজি পাবি। মোৰ প্ৰতি তোৰ অন্তৰৰ একো টান নাই, সেই কথা মই জানো। তথাপি মোৰ ভাগ্য যে তই আজি মোৰ কাষত আছ। মোৰ কাষত যদি আজি কোনো নাথাকিলে-হেঁতেন, তেতিয়া মোৰ অৱস্থাটো এবাৰ কল্পনা কৰি চাচোন। এখোজ এখোজকৈ মৰণ মোৰ ওচৰলৈ আগবাঢ়ি আহিলেহেঁতেন, যন্ত্ৰণা আৰু আতংকত মই অকলে ধৰফৰাই থাকিলোহেঁতেন, পিয়াহত প্ৰাণ ফাটি গ'লেও মোৰ মুখত এটুপি পানী ঢালি দিবলৈ কোনো নাথাকিলেহেঁতেন। মৰণ-কালত কাৰো মুখ এখন নেদেখাকৈ চকু মুদিব লগা হ'লে প্ৰাণৰ মাজত কি হাহাকাৰ হয়, তই এতিয়া সেই কথা নুবুজিবি সুবালা। ভগৱানে যেন তোৰ সেই গতি নকৰক।'

বুঢ়ীমাইৰ চকুদুটা আকৌ পানীৰে উপচি পৰিল। অলপ আগলৈকে তেওঁৰ প্ৰতি মই মনত অকণো সহানুভূতি অনুভৱ কৰা নাছিলো। কিন্তু এতিয়া তেওঁৰ কথা শুনি মোৰ নিজৰ মৰণ দৃশ্য কল্পনা কৰি হঠাৎ মোৰ মনটোৱে হাহাকাৰ কৰি উঠিল। মনৰ ভিতৰতে মই আৰ্তনাদ কৰি উঠিল, 'হে ভগৱান, কোনো মানুহৰে যেন এনেকুৱা নিসংগ নিষ্ঠুৰ মৃত্যু নহয়। বুঢ়ীমাইক এনে ভয়ংকৰভাৱে মৰিবলৈ মই কেতিয়াও নিদিওঁ। শেষবাৰলৈ চকু মুদাৰ আগতে তেওঁ মোৰ চকুত এটোপা চকু-পানী দেখি যাব।' কথাষাৰ ভবাৰ লগে লগেই মোৰ দুই চকু ফাটি অজস্ৰ ধাৰাৰে চকুপানী বাগৰি আহিল, তাৰ এক মুহূৰ্ত পাছতে মই সশব্দে কান্দি বুঢ়ীমাইৰ বুকুত মুখ ঠেকেছি পৰি গ'লো।

অলপ পাছতে মই মোৰ মূৰত বুঢ়ীমাইৰ হাতৰ স্পৰ্শ অনুভৱ কৰিলো। সেই স্পৰ্শত কি অব্যক্ত বাণী লুকাই আছিল মই নাজানো, কিন্তু হঠাৎ মোৰ

সর্বদেহ শিহৰিত হৈ উঠিল। মোৰ মনত অনুভৱ হ'ল, সেয়া যেন মোক নির্মমভাৱে প্রতাৰণা কৰি আনি বেশ্যা-বৃত্তিত লিপ্ত কৰোৱা নিষ্ঠুৰ, নৃশংস, পিশাচিনী বুঢ়ীমাইৰ হাতৰ স্পর্শ নহয়, সেয়া যেন কন্যাৰ শিৰত জননীৰ অপাৰ মমতাসনা কল্যাণ-স্পর্শ। বিস্ময় আৰু আবেগত হতভম্ব হৈ মই বুঢ়ীমাইৰ বুকুৰপৰা মুখখন দাঙি তেওঁৰ মুখলৈ চাই পঠালো। কি আচৰিত, মই অতদিনে দেখি অহা বুঢ়ীমাইৰ নিষ্ঠুৰ কুৎসিত মুখখন যেন হঠাৎ কিবা এটা যাদু-মন্ত্ৰৰ প্ৰভাৱত সলনি হৈ গ'ল, নিজৰ চকুকেই বিশ্বাস কৰিব নোৱাৰি মই তথা লাগি তেওঁৰ মুখলৈ চাই ৰ'লো। অলপ আগলৈকে মৰণৰ আতংকত কঠিন অন্ধকাৰ হৈ থকা তেওঁৰ মুখখন হঠাৎ এটা অদ্ভুত হাঁহিত উজ্জ্বল আৰু কোমল হৈ উঠিছে, ৰৰষুণত জুকলি-জুপুৰি গছৰ ওপৰত বেলিৰ পোহৰ পৰি তিৰ্‌বিৰ্ কৰি উঠাৰ দৰে তেওঁৰ চকু-পানীৰে ওপছা চকুহুটা সেই হাঁহিৰ পোহৰত অপার্থিব হৈ উঠিছে।

দীঘলকৈ স্বস্তিৰ নিশাহ এটা পেলাই তেওঁ মাত লগালে—'তই আজি মোক বৰ ৰক্ষা কৰিলি সুবালা, মৰিবলৈ মোৰ আৰু অকণো ভয় নাই। জীৱনত কাৰো চকুত মই, মোৰ কাৰণে এক বিন্দু চকু-পানী দেখা নাই, জীৱনটো মোৰ একেবাৰে শূন্য হৈ গ'ল। মৰণটো তাতোকৈ ভয়ংকৰ হ'ব বুলি মই ভাবিছিলো। কিন্তু মোৰ পূর্ব-জন্মৰ কিবা অকণমান পুণ্যৰ ফল, শেষ মুহূর্তত মই তোৰ চকুত এটুপি পানী দেখিলো। সিপুৰীৰ পথিকৰ এয়েই শেষ সম্বল। এটুপি চকুৰ পানী, অকণমান মৰম, এয়েই মানুহৰ শেষ প্রার্থনা। তই আজি মোক বৰ ৰক্ষা কৰিলি সুবালা। অথচ—অথচ—মোতকৈ ডাঙৰ শত্রু তোৰ কোন আছে ? মই তোক প্রতাৰণা কৰিছো, মাৰৰ বুকুৰপৰা কাঢ়ি আনি মই তোক বেশ্যা কৰিছো, তোৰ ইহকাল-পৰকাল মই নষ্ট কৰি দিছো। নিজৰ স্বার্থৰ কাৰণে মই ৰাক্ষসীৰ দৰে কাম কৰিছো। সুবালা, তই মোক ক্ষমা কৰ, ভগৱানে মোক মহাপাপৰ উপযুক্ত শাস্তি দিব। নৰকলৈ মই ভয় নকৰো। এই পৃথিৱীতে মই যি নৰক ভুঞ্জিলো, আচল নৰক তাতকৈ নিশ্চয় ভয়ংকৰ নহয়। সুবালা, আৰু অলপমান কান্দ আই, আৰু অলপমান কান্দ, তোৰ চকুপানী চাই চাই মোক মৰিবলৈ দে।'

একেলগে বহুত কথা কৈ বুঢ়ীমাই নিশ্চয় ক্লান্ত হৈ পৰিছিল, তেওঁ হঠাৎ নীৰৱ হৈ চকুহুটা মুদি দিলে। কিছু সময় অপেক্ষা কৰি মই এবাৰ লাহেকৈ মাত লগালো—'বুঢ়ীমাই।' তেওঁ একো উত্তৰ নিদিলে। বোধহয় তেওঁ

টোপনি গ'ল। চাকিটোৰ মলিন হালধীয়া পোহৰত মই তেওঁৰ মুখখনলৈ চাই পঠালো। তেওঁৰ চিঞৰ শুনি পোনেই আহি মই তেওঁৰ মুখত যি যন্ত্ৰণা আৰু আতংকৰ ছায়া দেখিছিলো, এতিয়া আৰু তেওঁৰ মুখত সেইবোৰ একো নাই। নিৰুদ্বেগ শান্তিৰে তেওঁ টোপনি গৈছে। অকলে শুই থকা সৰু ছোৱালী এজনীয়ে যেন ভূতৰ সপোন দেখি চিঞৰ মাৰি উঠিছিল, মাক দৌৰ মাৰি আহি নিচুকণি দিয়াৰ লগে লগে তাই আকৌ নিৰ্ভয় মনেৰে শুই পৰিছে। মনত পৰিল মোৰ চকুত চকু-পানী দেখা মুহূৰ্তৰপৰাই তেওঁৰ এই আশ্চৰ্য্য পৰিবৰ্তন ঘটিল। তেওঁ মৰিব বুলি ভাবি যে অন্ততঃ এখন হৃদয়ত সামান্য দুখ অনুভব হৈছে, সেই উপলব্ধিটোৱেই যেন বুঢ়ীমাইৰ জীৱনক এটা নতুন অৰ্থ দিলে। কথাষাৰ চিন্তা কৰি কৰি মই যেন জীৱনৰ এটা নতুন সত্য আৱিষ্কাৰ কৰিলো। মই জানো, বুঢ়ীমাই অতি নিৰ্দয়া আৰু পাষাণহৃদয়া। কিন্তু জীৱনত তেওঁ মানুহৰ প্ৰেম পোৱা'হ'লে আৰু কোনোবাই তেওঁৰ কাৰণে এটুপি চকুৰ পানী টোকা হ'লে তেওঁ হয়তো ইমান নিৰ্দয়া হ'ব নোৱাৰিলেহেঁতেন, সেই চকুপানীৰ স্পৰ্শই তেওঁৰ হৃদয় কোমল কৰি ৰাখিলেহেঁতেন। সহানুভূতিৰ এটুপি চকুপানীৰ অভাৱত পৃথিৱীৰ কিমান হৃদয় এনেকৈ শিল হৈ গৈছে, আৰু সেই শিলৰ খুন্দা খাই আৰু কিমান হৃদয় ভাগি মষিমূৰ হৈ গৈছে, কোনে তাৰ খবৰ ৰাখিছে? এই করুণ উপলব্ধিয়ে মোৰ মনটো হঠাতে পবিত্ৰ কৰি দিলে। বুঢ়ীমাইৰ প্ৰতি মোৰ বহুদিনৰ পুঞ্জীভূত ঘৃণা আৰু ক্ৰোধ পাহৰি মই অন্তৰৰপৰাই তেওঁক ক্ষমা কৰি দিলো।

ৰাতি কিমান হ'ল মোৰ খবৰ নাছিল। অলপ আগলৈকে ওচৰৰ হোটেলখনত মানুহৰ কথা-বাৰ্তাৰ শব্দ শুনি আছিলো। কিন্তু লাহে লাহে সকলো নিতাল মাৰিলে। বুঢ়ীমাইক শান্তিৰে শুই থকা দেখি ময়ো শুবলৈ যাবলৈ বুলি থিয় হৈ দেখিলো, মোৰ আচলৰ আগটো তেওঁ হাতেৰে খামুচি ধৰি আছে। মই লাহেকৈ টান মাৰি কাপোৰখন এৰুৱাব খোজোতেই তেওঁ হঠাৎ মাত লগাই উঠিল—'সুবালা, মোক এৰি থৈ তই শুচি নাযাবি আই, মোৰ বৰ ভয় লাগে। মই টোপনি যোৱা নাই, ঈশ্বৰৰ নামহে লৈছো। মোৰ মৰিবলৈ আৰু বেছি সময় নাই। বহ আই, তোক এটা কথা কৈ যাওঁ। মই মৰাৰ পাছত দেহটোৰ কি গতি হ'ব, তাকে মই চিন্তা কৰিছিলো। কিন্তু ইয়াৰ যি গতি হ'ব লাগে হ'বই, এটা অসম্ভৱ কামৰ ভাৰ দি তোক মৰিবৰ সময়ত মনোকষ্ট দি নাযাওঁ। চাৰিওফালে মানুহেই কিলবিল্ কৰি আছে,

কিন্তু মোৰ শটো টান মাৰি নি পুৰি পেলাবলৈ তই ক'তো মানুহ এটা বিচাৰি নাপাবি। হোটেলৰ মেনেজাৰক খবৰ দিবি। মোৰ শটো ইয়াত্তে গেলি-পচি গোন্ধ ওলালে তেওঁৰ হোটেল নচলা হ'ব, সেই ভয়তে তেওঁ অন্ততঃ মিউনিচিপেলিটিৰ জমাদাৰক খবৰ দি শটো ক'ৰবাৰ হাবিত পেলাই দিয়াব। সেয়েই ভাল হ'ব। জীয়াই থাকোতে ই মানুহ-ৰূপী শিয়াল-কুকুৰৰ ভোজত লাগিছিল, মৰাৰ পাছত আচল শিয়াল-কুকুৰৰ ভোজত লাগিব। মোৰ কথা ক'বৰ শক্তি লাহে লাহে লোপ পাই আহিছে, মুখৰ মাত একেবাৰে বন্ধ হৈ যোৱাৰ আগতে তোক আৰু এটা কথা কৈ যাওঁ। মই মৰাৰ পাছত তই এই ঘৰত নাথাকিবি। মই ঘৰৰ ভিতৰতে মৰিম, তাৰ পাছত তই ইয়াত থকা উচিত নহ'ব। আঠগাঁৱত এটা লাইন আছে, দহ-বাৰজনীমান ছোৱালী তাত থাকে। তই তালৈকে যাবি। একেবাৰে অকলশৰে ঘৰ লৈ থকা তোৰ নিচিনা আকৰী ছোৱালীৰ পক্ষে নিৰাপদ নহ'ব। ৰামলাল বিক্সাৱালাক কবি, সি সকলো বন্দবস্ত কৰি তোক তাত থৈ আহিব। মোৰ বাকচত কেইটামান টকা আছে। তাৰে যি লাগে টকা লৈ সোণৰ ফুল এপাহ কৰি এদিন কামাখ্যাত দি আহিবিগৈ। বাকী টকা তোৰ। আৰু মোৰ কবলৈ একো নাই। তোক মই পাপৰ পথলৈ টানি আনিলো, তোক মই বেশ্যা কৰিলো, তথাপি এই শেষ মুহূৰ্তত তই মোক ক্ষমা কৰি সুখেৰে মৰিবলৈ দে। পেটৰ জ্বালাত আমি নিজৰ দেহ বিক্ৰী কৰি খাইছো, কিন্তু পৃথিৱীত বেছি ভাগ মানুহে নিজৰ আত্মা বিক্ৰী কৰি খায়। ঈশ্বৰ যদি সঁচাকৈয়ে আছে, তেওঁ নিশ্চয় বিচাৰ-কৰিব—কোনটো বেছি ডাঙৰ পাপ।'

সেই ৰাতিয়েই দোকমোকালিৰ সময়ত বুঢ়ীমায়ে শেষবাৰলৈ চকু মুদিলে।

## [ ৬ ]

মোৰ জীৱনটো ভালকৈ বিশ্লেষণ কৰি চালে দেখা যাব যে বিভিন্ন সময়ত বিভিন্ন মানুহে মোৰ জীৱনটো নিয়ন্ত্ৰিত কৰি আহিছে, নিজৰ স্বাধীন ইচ্ছাৰে চলিবলৈ মই কোনো দিনেই অবাধ সুযোগ পোৱা নাই। বুঢ়ীমাই মৰাৰ পিছত মই ভাবিলো যে এইবাৰ বোধহয় মই সম্পূৰ্ণ স্বাধীন হ'লো, প্ৰতি মুহূৰ্ততে মোৰ ওপৰত খবৰদাৰি কৰিবলৈ সংসাৰত আৰু কোনো বাকী নৰ'ল কিন্তু বুঢ়ীমাই মৰাৰ তিনিদিন পাৰ নৌ হওঁতেই মোৰ সেই ভুল ভাগিল।

মোৰ ভাগ্য-নিয়ন্তা এইবাৰ আহি উপস্থিত হ'ল একেবাৰে এটা নতুন আৰু অপ্ৰত্যাশিত ৰূপত।

ঘটনাটো ঘটিল মই আঠগাঁও লাইনলৈ অহা প্ৰথম ৰাতিয়েই। নতুনকৈ ঘৰ লৈছো বুলি মই সেই দিনা কোনো মানুহকে মোৰ ওচৰলৈ আহিবলৈ দিয়া নাছিলো, সোনকালে ভাত-পানী খাই বিছনাত শুই পৰিছিলো। ৰাতি হঠাৎ এবাৰ বাহিৰত খুব চিঞৰ-বাখৰ শুনি মই উচপ্ খাই সাৰ পাই গ'লো। সাৰ পোৱাৰ লগে লগে মই শুনিবলৈ পালো, কোনোবা এটা মানুহে অশ্লীল চিৎকাৰ কৰি কৰি ওচৰৰে কোনোবা এটা ঘৰৰ দুৱাৰখন খুলিবলৈ চেষ্টা কৰিছে, আৰু ভিতৰত থকা ছোৱালীজনীয়ে নানা গালি-গালাজ কৰি তাক খেদি দিবলৈ যত্ন কৰিছে। সিহঁতৰ কথা-বাৰ্তাৰপৰা মোৰ অনুমান হ'ল, এনে ঘটনা ইয়াত সদায়েই হৈ থাকে। গতিকে সেই ফালে বেছি কাণ নিদি মই পুনৰ শুবলৈ যত্ন কৰিলো। কিন্তু কাণৰ কাষতে ইমান হৈ-হাল্লা শুনি শুনি টোপনি যোৱাও সম্ভৱ নহয়। অলপ পাছতে মোৰ ধাৰণা হ'ল, মানুহটোৱে এটা এটাকৈ আটাইকেইটা ঘৰৰে দুৱাৰ খুলিবলৈ যত্ন কৰিছে, আৰু প্ৰত্যেকটো ঘৰতে সি একে ধৰণৰ তীব্ৰ বাধাৰ সন্মুখীন হৈছে। ছোৱালীবোৰে যে খুব ভয় কৰিছে বা সিহঁতৰ খং উঠিছে, সেইটোও নহয়। কাৰণ সি এৰি থৈ অহা ঘৰবোৰৰপৰা বিদ্ৰূপ-মিহলি হাঁহিৰ খলকনিও আহি মোৰ কাণত পৰিল। কথাটোনো কি হৈছে বুজিবলৈ মই কাণ তলকা মাৰি থাকোতেই মানুহটো হঠাৎ আহি মোৰ ঘৰৰ দুৱাৰ-মুখ পালেহি, আৰু মই বিছনাৰপৰা উঠিবলৈ নৌ পাওঁতেই সি একে গোৰতে মোৰ দুৱাৰখন খুলি পেলালে।

মই একে জাপে বিছনাৰপৰা নামি মাটিত থিয় হৈ পৰিলো। মানুহটো যে মোৰ ঘৰলৈকো আহিব পাৰে, সেই কথা মই আগতে ভাবিবলৈকে নহ'ল। কিন্তু এতিয়া আৰু কৰিবলৈ একো উপায় নাই। মানুহটো আন যি কি নহওক, চোৰ বা ডকাইত যে নহয়, সেই কথা নিশ্চিত। খুব সম্ভৱ, বেশ্যাৰ দেহৰ বজাৰ বন্ধ হৈ যোৱাৰ পাছত বেশ্যা-সংগ বিচাৰি অহা সি এটা মাতাল 'খৰিদ্দাৰ'। কিন্তু খন্তেক পাছতে মোৰ সেই ধাৰণাও সম্পূৰ্ণ সঁচা নহয় বুলি প্ৰমাণিত হ'ল। মানুহটোৱে ঘৰৰ ভিতৰ সোমায়েই টৰ্চ লাইট, এটা জ্বলালে। লাইটৰ পোহৰত শূন্য বিছনাখন দেখি সি বোধহয় অলপ আচৰিত হ'ল, ইফালে-সিফালে পোহৰ পেলাই চাই হঠাৎ সি এবাৰ মোক আৱিষ্কাৰ কৰিলে।' কিন্তু দেখা গ'ল যে মোৰ প্ৰতি তাৰ অকণো কৌতূহল নাই। অস্থিৰ মাতাল

খোজেৰে বিছনাখনৰ কালে আগবাঢ়ি গ'ল, টৰ্চ লাইটটো সি কোনোবা একালে দলি মাৰি দিলে। তাৰ পাছত এনে এটা ভংগীৰে সি মোৰ বিছনা-খনত বাগৰ মাৰি শুই পৰিল—যেন সেইটোৱেই তাৰ নিজৰ ঘৰ আৰু সেইখনেই সি চিৰকাল শুই থকা বিছনা। বিছনাত পৰিয়েই সি বিৰ্‌বিৰ্‌কৈ আপোন মনে ক'বলৈ ধৰিলে—'এদিন সামান্য দেৰি হ'লেই সিহঁতে মোক দুৱাৰ খুলি নিদিয়ে...চালী বেইমান্‌...তহঁতক ভাল শিক্ষা দিম, চাই থাক। এই ৰাতিখন মই ক'ত শুবলৈ যাম? ৰাস্তাত পৰি থাকিম নে কি? এই ৰাতি চৰেই মোৰ সৰ্বনাশ কৰিলে, মোৰ সোণৰ সংসাৰ ছাৰখাৰ কৰি দিলে, এতিয়া সিহঁতেই মোক বাটৰ কুকুৰ যেন দেখে। আৰে বেটিহঁত, মই আছো বুলিয়েইতো তহঁতে সুখেৰে ৰাতিগিৰি কৰি খাই আছ: মই নোহোৱা হ'লে গুৱাহাটীৰ গুণ্ডাই ইমান দিনে তহঁতৰ গলা কাটি শেষ কৰি দিলেহেঁতেন। সিহঁতক মানুহ আনি দিব লাগে মই, মদ আনি দিব লাগে মই, গৰ্মি ঘা হ'লে দৰৱ আনি দিব লাগে মই, গুণ্ডাই মাৰিব খুজিলে ৰক্ষা কৰিব লাগে মই, কিন্তু ৰাতি শুবলৈ অকণমান ঠাই দিবলৈ পালেই সিহঁতৰ ইমান ডেমাক্। তহঁতক ভালকৈ চিনি পালো আজি, ইয়াৰ পোটক মই তুলিম, চাই থাক। কাজিক তহঁতে চিনি পোৱা নাই......।'

মানুহটোৰ পিছৰ কথাখিনি লাহে লাহে অস্পষ্ট হৈ আহিল, অৱশেষত সি টোপনিত ঢলি পৰিল।

মই হতবুদ্ধি হৈ বহুতপৰ একেঠাইতে জঠৰ হৈ থিয় হৈ ৰ'লো। মানুহটোৰ কথাবোৰ আপোনা-আপুনি মোৰ কাণৰ কাষত বাজি থাকিবলৈ ধৰিলে। প্ৰথমতে মোৰ মগজুটো ইমান অসাৰ হৈ পৰিছিল যে সেই কথাবোৰৰপৰা সি একো অৰ্থই গ্ৰহণ কৰিব নোৱাৰিলে। কিন্তু লাহে লাহে মোৰ আড়ষ্ট ভাব কাটি আহিল। মানুহটোৰ কাণ্ড-কাৰখানা আৰু কথাবোৰ চিন্তা কৰি চাই মই অনুমান কৰিলো যে সি বোধহয় এটা অঘৰী মাতাল, আৰু এই বেশ্যালয়েই তাৰ ৰাতিৰ একমাত্ৰ আশ্ৰয়স্থল। এই বেশ্যালয়ৰ লগত তাৰ সম্পৰ্কও নিশ্চয় অতি পুৰণি আৰু আত্মীয়-সদৃশ। কথাখিনি তেনেকৈ চিন্তা কৰি মই সামান্য স্বস্তি অনুভৱ কৰিলো। কিন্তু তাৰ লগত একেখন বিছনাতে শুব লগা হোৱাৰ কথা ভাবি মোৰ মনত এটা নতুন ধৰণৰ অনুভূতিয়ে ঠাই ল'লে। তাৰ কাৰণ এই নহয় যে মানুহটো মোৰ কাৰণে সম্পূৰ্ণ অপৰিচিত। মই যিখন জগতত বাস কৰো মোৰ কাৰণে তাৰ সকলো মানুহৰে পৰিচয় কেৱল একেটা:

সিহঁত সকলোৱেই এটা মাত্ৰ ইন্দ্ৰিয়বিশিষ্ট জীৱ। সিহঁতৰ অন্যান্য দৈহিক গঠন, স্বভাৱ-চৰিত্ৰ বা আৰ্থিক অৱস্থাৰ পাৰ্থক্য মোৰ চকুত অৰ্থহীন। দিনে-ৰাতিয়ে হেজাৰ হেজাৰ মানুহক মই মোৰ বিছনাত ঠাই দিছো, কিন্তু সিহঁত কাৰো কাৰণেই মোৰ বিছনা ক্লান্ত শৰীৰৰ টোপনিৰ আশ্ৰয় নহয়। মোৰ জীৱনত এইটোৱেই প্ৰথম মানুহ, যি মোৰ বিছনাত আশ্ৰয় লৈছেহি শুবৰ কাৰণে, কেৱল শুবৰ কাৰণে!

মই লেম্প্‌টো জ্বলালো। তাৰ পাছত লেম্প্‌টো মানুহটোৰ মুখৰ ওপৰত তুলি ধৰি তাক তন্ন তন্নকৈ চাবলৈ ধৰিলো। তাৰ মুখখন দেখাৰ আগলৈকে মই ধাৰণা কৰি আছিলো যে সি নিশ্চয় গুণ্ডা প্ৰকৃতিৰ ষণ্ডামাৰ্কা চেহেৰাৰ এটা ভয় লগা মানুহ হ'ব। কিন্তু লেম্পৰ পোহৰত তাৰ মুখখন দেখি মোৰ সেই ভুল ভাগিল। ক্ষীণ বেমাৰী চেহেৰাৰ সি এটা তেনেই সাধাৰণ মানুহ। মুখৰ বৰণ ক'লা, ছালবোৰ হাড়তে লাগি থকা, মূৰৰ চুলি তেনেই পাতল। সি বোধহয় কেইবা দিনো ডাটি খুৰোৱা নাই, ফলত মুখখন খুব ৰুক্ষ আৰু শুকান যেন দেখাইছে। মুখ দেখি তাৰ বয়স আন্দাজ কৰা সহজ নহয়, তথাপি মোৰ ধাৰণা হ'ল তাৰ বয়স ত্ৰিশ-পঁয়ত্ৰিশতকৈ বেছি হ'ব নালাগে। মানুহটো দেখিবলৈ অকণো ধুনীয়া নহয়, কিন্তু সেই বুলি তাৰ মুখখনো ঘৃণা বা বিৰক্তিৰো উদ্ৰেক নকৰে। গভীৰ টোপনিত আচ্ছন্ন, তাৰ ৰুগ্ন, ক্ষীণ মুখখনত যেন এটা অনাথ, অসহায় শিশুৰ গোপন যন্ত্ৰণা আৰু কাৰুণ্যৰ আভাস লাগি আছে; সেই অৱস্থাত তাক দেখি সমাজৰ গলিত অংগ স্বৰূপ বেশ্যালয়ত জাকে জাকে পৰি থকা মাখিৰ দলৰে সিও এটা বুলি ভাবিবলৈ মোৰ টান লাগিল। লেম্প্‌টো নুমাই দি তাৰ আৰু মোৰ মাজত নিৰাপদ দূৰত্ব ৰক্ষা কৰি মই বিছনাখনৰ একাষে শুই পৰিলো।

'আৰে এইজনী আকৌ কোন?'

কাণৰ কাষতে মস্ত চিঞৰ শুনি মই থকমককৈ সাৰপাই উঠি দেখো, মানুহটোৱে বিছনাতে বহি আচৰিত হৈ মোৰ মুখৰ ফালে চাই আছে।

মোক চকু মেলা দেখি সি আকৌ মাত লগালে—'কি আচৰিত কথা। গোটেই ৰাতি মই এজনী অচিনাকী মানুহৰ লগত শুই আছো। কোন তই? তোকতো আগতে ইয়াত দেখা বুলি মোৰ মনত নপৰে। তই ইয়ালৈ কেতিয়া আহিছ?'

'কালি আবেলি মাত্র'—তাৰ বিস্মিত মুখৰ ফালে চাই হাঁহি হাঁহি মই উত্তৰ দিলো।

সি যেন আৰু বেছি আচৰিত হ'ল। কিন্তু মোৰ ধাৰণা হ'ল—মই কালি আবেলিহে অহা বুলি শুনি নহয়, অথবা মোৰে মুখৰ কথা শুনিও নহয়, মোৰ মুখত অন্য কিবা এটা আৱিষ্কাৰ কৰিহে যেন সি বেছি আচৰিত হ'ল। মোৰ মুখৰ হাঁহিত সি এটা গোপন প্ৰশ্ৰয় বা দৰদৰ আভাস আৱিষ্কাৰ কৰিয়ে আচৰিত হৈছে নে কি? ৰাতিপুৱা বিছনাৰপৰা শুই উঠিয়ে শয্যাসংগিনীৰ এই স্মিত অভ্যৰ্থনা তাৰ জীৱনত একেবাৰে এটা নতুন অভিজ্ঞতা, যিটোক সি বাস্তৱ বুলি বিশ্বাস কৰিব পৰা নাই? মোৰ মুখৰ ফালে কিছু সময় স্তব্ধ হৈ চাই ৰ'ল। তাৰ পাছত সি বোধহয় এবাৰ অনুভৱ কৰিলে যে সি বৰ অনুচিতভাৱে মানৱীয় হৈ পৰিছে। মুখৰ মুগ্ধতাৰ ভাবটো মেকুৰীয়ে গাৰ পানী জোকাবদি জোকাৰি পেলাই সি বিকৃত মুখেৰে মাত লগাই উঠিল—'চালী ৰাণ্ডী, গোটেই ৰাতি এটা অচিনাকী মানুহৰ লগত শুই আছ, তোৰ ভয় লগা নাছিল? তই মোক কিয় শুবলৈ দিছিল?'

মই তাৰ প্ৰশ্নৰ একো উত্তৰ নিদিলো। হঠাৎ কিবা এটা কথা মনত পৰাৰ দৰে চক্ খাই সি পেন্টৰ জেপত হাত ভৰালে, আৰু লগে লগে তাৰ মুখত এটা স্বস্তিৰ ভাব ফুটি উঠিল। 'উস্ ৰক্ষা। তই মোৰ জেপত হাত দিয়া নাই। চালী ৰাণ্ডীইতে জেপত টকা এটা থাকিবলৈ নিদিয়ে। ৰাতি শুই থাকোতেই চব ফাক্ মাৰে।' কথাষাৰ কৈয়েই সি বিছনাৰপৰা নামি বাহিৰলৈ ওলাই গুচি গ'ল।

মই মুখ হাত ধুই চাহ কৰিবলৈ বহিছো মাথোন, এনেতে সি আকৌ সোমাই আহিল। তাৰ এহাতে এটা কেটলি, আনহাতে এটা কাগজৰ টোপোলা। মোক চাহ কৰিবলৈ বহা দেখি সি চিঞৰি উঠিল—'এই ৰাণী, তই আকৌ চাহ কৰিবলৈ বহিলি কিয়? মই চাহ অনা দেখা নাই নে কি?'

ৰাণী? তাৰ মুখত মোৰ এই হঠাৎ নতুন নামাকৰণ শুনি মই আচৰিত হৈ গ'লো। 'মোৰ নাম ৰাণী বুলি তোমাক কোনে ক'লে?'—মই তাক প্ৰশ্ন কৰিলো।

'কিয়, তোৰ নাম ৰাণী নহয় নে কি?'—এইবাৰ যেন তাৰহে আচৰিত হ'বৰ পাল—'চালী ৰাণ্ডীবোৰে দেখোন সকলোৱেই নিজৰ নাম ৰাণী বুলি কয়। সিহঁতৰ আচল নাম বান্দৰীয়েই আছিল নে পাথৰীয়েই আছিল, ভগৱানেহে

জানে। হোঁ ধৰ, চাহখিনি বাক।' কেটলিটো আৰু কাগজৰ টোপোলাটো মোৰ হাতলৈ দি সি বিছনাত বহি পৰিল।

কাগজৰ টোপোলাটোত দুটা গৰম কচুৰি আছিল। চাহ একাপ আৰু কচুৰি এটা তাক দি মयো খাবলৈ বহিলো। চাহ খাই খাই সি ক'বলৈ ধৰিলে—'তোক দেখিলে বাওী যেন নালাগে কিন্তু, পিছে তই বৰ বেয়া লাইনটোলৈ আহিলি। ইয়াতে দুজনী বাওীক গুণ্ডাই গলা কাটি মাৰিছে। এজনীয়ে যোৱা বছৰ ভিডিত চিপ্ লগাই আপোনঘাতী হৈছে। পুলিচে লাচটো ডাক্তৰ নি ফলাইছিল। গর্ভি হৈছিল বোলে। হুছিয়াৰ থাকিবি। টকাৰ থকত যাকে তাকে নবগুৰাবি। মৰিবি নহ'লে কেতিয়াবা। তেতিয়াহে গম পাবি কান্তিয়ে কি কৈছিল। তোকহে মই কৈছো এইবোৰ কথা। আনক নকওঁ। মৰিলে মৰক চালী বাওীহঁত, মোৰ কি।'

চাহ খাই শেষ কৰি সি বাহিৰলৈ ওলাই গুচি গ'ল।

## [ ৭ ]

আঠগাঁও লাইনৰ জীৱন-ধাৰা মোৰ কাৰণে একেবাৰে এটা নতুন অভিজ্ঞতা হৈ দেখা দিলে। বুঢ়ীমাইৰ অন্ধকাৰ ঘৰটো আছিল যেন জকাইচুকীয়া গাঁও এখনৰ মাজৰ নিমখ-তেলৰ সৰু এখন দোকান, দোকানীটোৱে তাত চকু মুদি মুদি অকলে বহি বহি গ্ৰাহকলৈ বাট চাই থাকে, গৰজ নপৰিলে সেই দোকানত কোনেও ভুমুকি নামাৰে। তাৰ তুলনাত আঠগাঁৱৰ লাইনটো হ'ল প্ৰকাণ্ড এখন বজাৰ। বিধে বিধে পোহাৰ লৈ ইয়াত দোকানী বহি আছে, দলে দলে মানুহ আহিছে গৈছে, কোনো হয়তো আহিছে বেচা-কিনা কৰিবলৈ, কোনোবা আকৌ আহিছে কেৱল মেলা চাবলৈকে। সকলো সময়তে বজাৰ গৰম।

আঠগাঁৱৰ বেশ্যা-পটিত ৰাতি পুৱাটো খুব বেলিকৈ আৰম্ভ হয়। তাৰ কাৰণ কাকো খুলি কবৰ দৰকাৰ নকৰে। বহুত ৰাতিলৈকে ব্যৱসায়ৰ খাটিৰত উজাগৰে থাকি তিৰোতাবোৰ ক্লান্ত হৈ থাকে, পুৱা বেলিকৈ শুই উঠাই সিহঁতৰ অভ্যাস। আগবেলাৰ ভাগত সাধাৰণতে কেতিয়াও গ্ৰাহক নাহে। এই সময়-ছোৱাৰ ভিতৰতে সিহঁতে পাল পাতি পাতি পায়খানালৈ যায়, ময়লা কাপোৰ-কানি ধুই পৰিষ্কাৰ কৰে, বাৰ বজাৰ লগে লগে সকলোৰে গা-ধোৱা ভাত খোৱা শেষ হৈ যায়। এইবোৰ হৈ যোৱাৰ পাছত সকলোৱে কাপোৰ-কানি পিন্ধি

প্ৰসাধন কৰি দিনটোৰ কাৰণে সাজু হয়। এই প্ৰস্তুতি অৱশ্যে খুব সাধাৰণ ধৰণৰ হয়, কাৰণ সিহঁতৰ আচল ব্যৱসায় আৰম্ভ হয় সন্ধ্যাৰ পিছৰপৰাহে। বাক বজাৰ ঠিক পিছতে লাইনলৈ মানুহ আহিবলৈ আৰম্ভ কৰে। কিন্তু সাধাৰণতে এই সময়ত অহা মানুহবোৰৰ কোনো এটাই অৰ্থৰ বিনিময়ত বেশ্যা সংগ বিচৰা গ্ৰাহক নহয়। এই মানুহবোৰো হ'ল বেশ্যাৰ দৰেই সমাজৰ উচ্ছিষ্ট আবৰ্জনা, নিষ্কৰ্মা মাতাল, গুণ্ডা, পকেটমাৰ, পুলিচৰ ভয়ত আত্মগোপন কৰি পলাই ফুৰা অপৰাধীৰ দল, দুশ্চৰিত্ৰ বিপথগামী ধনীৰ সন্তান, জীয়াই থকাৰ সাৰ্থকতা বিচাৰি নাপাই পাপাচাৰত আত্মবিস্মৃত হৈ থাকিব খোজা হতভাগ্যৰ দল। সিহঁত বেশ্যালয়লৈ আহে জুৱা খেলিবলৈ, মদ খাবলৈ, অথবা বেশ্যাৰ লগত অশ্লীল ঠাট্টা তামাচা কৰি সময় কটাবলৈ। যাৰ যি খুচি। কেইটামানে হয়তো এজনীৰ ঘৰত বহি জুৱা খেলিবলৈ আৰম্ভ কৰি দিয়ে, কোনোবা কেইটামানে আন এজনীৰ ঘৰত মদৰ আড্ডা পাতে, দুই-চাৰিটাই নিজস্ব মনোমত তিৰোতাৰ লগত বিছনাত শুই বহি অশ্লীল ঠাট্টা তামাসা কৰি দিন গুলজাৰ কৰি দিয়ে। ইহঁতৰ লগত বেশ্যাৰ সম্বন্ধ সমগোত্ৰীয় আত্মীয়তাৰ। যি কাৰণেই নহওক, দুয়োদলেই সমাজ জীৱনৰ স্বাভাৱিক কক্ষপথৰপৰা চিটিকি উফৰি আহি একে নৰক-কুণ্ডত গোট খাইছেহি, গতিকে সিহঁতৰ পাৰস্পৰিক সহানুভূতি সহজেই বোধগম্য। অৱশ্যে এই সম্বন্ধৰ লগত স্বাৰ্থ-বোধো জড়িত নথকা নহয়। বেশ্যালয়ৰ আইন হ'ল জংঘলৰ আইন, তাত সদায় 'জোৰ যাৰ মুলুক তাৰ' নীতি চলে। গতিকে প্ৰত্যেক বেশ্যা বা বেশ্যালয়েই নিজৰ প্ৰাণৰ দায়ত কিছুমান গুণ্ডা পুহিব লগা হয়। বেশ্যালয়বোৰে গুণ্ডাবোৰক সিহঁতৰ অসামাজিক কাৰ্য্য-কলাপ আৰু আমোদ-প্ৰমোদৰ সুবিধা দিয়ে, বিনিময়ত সিহঁতে বেশ্যাবোৰক যথাসম্ভৱ নিৰাপত্তাৰ আশ্বাস দিয়ে।

আবেলিৰ লগে লগে বেশ্যাৰ বন্ধুৰ দলে আচল গ্ৰাহকলৈ ঠাই এৰি দি দিহাদিহি গুচি যায়। তিৰোতাবোৰে তেতিয়া মুখ-হাত বা গা-পা ধুই দাপোনৰ সমুখত বহি সাজ-সজ্জা আৰু প্ৰসাধন কৰিবলৈ আৰম্ভ কৰি দিয়ে। এই সময়খিনিত বেশ্যালয়ত এটা গম্ভীৰ পৰিবেশৰ সৃষ্টি হয়। বেশ্যাৰ কাৰণে নিজৰ দেহ-সজ্জাতকৈ গুৰুত্বপূৰ্ণ কাম আন আৰু একো নাই। তাই কেৱল দেহৰ কাৰণে কেৱল দেহৰ দ্বাৰাই জীয়াই থাকে। জীৱনৰ হাটত তাইৰ একমাত্ৰ মূলধন হ'ল এই দেহ। সেই দেহক গ্ৰাহকৰ চকুত লোভনীয় কৰি দাঙি ধৰাটোৱেই হ'ল তাইৰ একমাত্ৰ সাধনা, অস্তিত্বৰ একমাত্ৰ সাৰ্থকতা।

সাধাৰণ তিৰোতাৰ জীৱনত হৃদয়ৰ যি বিচিত্ৰ বহুমুখী আবেগ-আকাংক্ষা বিভিন্ন ৰূপত প্ৰকাশ পায়, বেশ্যাই সকলোখিনি সংহত কৰি নিয়োগ কৰে কেৱল নিজৰ দেহ সজ্জাত। সুদীৰ্ঘ সময় দাপোনৰ সন্মুখত বহি বহি অপৰ্য্যাপ্ত প্ৰসাধনৰ দ্বাৰা নিজৰ আচল ৰূপ সম্পূৰ্ণ বিলুপ্ত কৰি, অৱশেষত সিইঁত এজনী এজনীকৈ ওলাই আহে বাহিৰলৈ ; বেশ্যা-পটিৰ ৰুদ্ধ শ্বাস পৰিবেশ গধুৰ হৈ উঠে সস্তীয়া পাউদাৰ চেণ্ট, আৰু বেশ্যাৰ দেহৰ ৰহস্যময় গন্ধত।

সন্ধ্যাৰ লগে লগে আৰম্ভ হয় পুৰুষ চিকাৰৰ অভিযান। নিজৰ মূল্যৰ বিষয়ে সচেতন দুই এজনীয়ে হয়তো নিজ নিজ ঘৰৰ পিৰালীতে বহি অপেক্ষা কৰে গ্ৰাহকৰ কাৰণে, কেইজনীমানে বিচিত্ৰ ভংগীমাৰে চোতালত থিয় হৈ প্ৰলুব্ধ দৃষ্টিৰে চাই থাকে দূৰৰ ৰাজপথলৈ, আত্ম-বিশ্বাসহীন কেইজনীমানে হয়তো ৰাস্তাৰ কাষৰ গলিৰ মুখত জুম বান্ধিগৈ গ্ৰাহক আকৰ্ষণ কৰাৰ চেষ্টাত। হঠাৎ গলিৰ মুখত দেখা যায় এটা মানুহ। পলাতক অপৰাধীৰ দৰে তাৰ দৃষ্টি ভীতি-চঞ্চল, ভৰিৰ খোজ অনিশ্চিত, মুখ-ভংগীত চকু-লজ্জা আৰু অদম্য কামনাৰ দ্বন্দ-জনিত উত্তেজনা। মানুহটো দেখাৰ লগে লগেই অতঃপৰ ধীৰস্থিৰ হৈ অপেক্ষা কৰি থকা বেশ্যাৰ দলত এটা ভীষণ চাঞ্চল্যই দেখা দিয়ে ; এজাক ক্ষুধাৰ্ত কুকুৰৰ আগত কোনোবাই মাংসৰ হাড় এডোখৰ দলি মাৰি দিলে তাৰ ওপৰত গোটেই জাক কুকুৰ কামোৰা কামুৰি কৰি জপয়াই পৰাৰ দৰে বেশ্যাৰ দলে হিংস্ৰ ক্ষুধাৰ্ত দৃষ্টিৰে মানুহটোক ঘেৰি ধৰে। কিন্তু এই ক্ষেত্ৰত মানুহটো এডোখৰ মাংসৰ হাড় নহয়, সি হ'ল এটা ধূৰ্ত্ত গ্ৰাহক। পকা ব্যৱসায়ীৰ দৃষ্টিৰে বজাৰৰ মাল খুটিয়াই চোৱাৰ দৰে সি এজনী এজনীকৈ তিৰোতাবোৰ খুটিয়াই চাবলৈ ধৰে। মুখত করুণ আবেদন আৰু মনৰ ভিতৰৰ প্ৰত্যাশাৰ নিৰুদ্ধ উত্তেজনা লৈ প্ৰত্যেকজনী তিৰোতাই মানুহটোক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে—'কি বাবু, বহিবা নে কি ? আহাঁ, আহাঁ, এইফালে',—'মোৰ তাতে বহিবা বাবু, এ লাজ কৰিছা কিয় ?'—'ইমানকৈ কি চাইছা বাবু, মই মানুহ বুজিছা, মানুহ, এই চোৱাঁ'—( বুকুৰ আচলখন খহাই তাই নাৰীত্বৰ বিজ্ঞাপন দাঙি ধৰে ) 'ভয় নকৰিবা বাবু, ঠগ নোখোৱা, দাম চাই কাম পাবা'—বেশ্যাবোৰৰ সম্মিলিত কলৰৱত নাৰী দেহৰ বজাৰ গৰম হৈ উঠে। যিজনী তিৰোতাৰ ওপৰতে খন্তেকৰ কাৰণে মানুহটোৰ দৃষ্টি নিবদ্ধ হয়, মুহূৰ্তৰ কাৰণে তাই প্ৰত্যাশাত চঞ্চল হৈ পৰে। আন এজনীৰ দেহলৈ তাৰ দৃষ্টি স্থানান্তৰ হোৱাৰ লগে লগে আগৰজনীৰ মুখ আশা-ভংগৰ বেদনা আৰু প্ৰত্যাখ্যানৰ অপমানত ক'লা হৈ

উঠে। অৱশেষত মানুহটোৰ পৰ্য্যবেক্ষণ শেষ হয়। এজনীক নিৰ্বাচন্ কৰি তাইৰ পাছে পাছে সি তাইৰ ঘৰৰ অভিমুখে আগবাঢ়ে আৰু দুৱাৰ বন্ধ কৰি দুয়ো ভিতৰত সোমাই পৰে। অমনোনীতা বেশ্যাৰ দলে নিজ নিজ অপমানৰ বেদনাক গোপন কৰিবলৈ অকাৰণতে খল্‌খলাই হাঁহি উঠে, নাইবা মানুহটোৰ বিষয়ে নানা অশ্লীল মন্তব্য কৰিবলৈ আৰম্ভ কৰে। তাৰ পাছত আকৌ আৰম্ভ হয় সিইঁতৰ অনিশ্চিত প্ৰতীক্ষা।

সকলো বেশ্যাই অৱশ্যে এনেকৈ মৰা শৱ ওপৰত কুকুৰ শিয়ালে যুঁজ কৰাৰ দৰে যুঁজ কৰিবৰ দৰকাৰ নপৰে। দুই-চাৰিজনী ভাগ্যৱতী তিৰোতাৰ এজন বা একাধিক নিয়মিত গ্ৰাহক থাকে, সিইঁতৰ অৱস্থা প্ৰায় ব্যক্তিগত ৰক্ষিতাৰ দৰে। আন কিছুমানৰ আকৌ নিয়মিত দালাল থাকে। সেই দালালবোৰ সাধাৰণতে বিক্সাৱালা, ভিক্ষাৰী ল'ৰা বা ব্যৱসায়ৰ বয়স উকলি যোৱা বুঢ়ী বেশ্যা আত্মীয় মানুহ হয়। দালালবোৰে প্ৰতিজন গ্ৰাহক আনি দিয়াৰ কাৰণে বেশ্যাৰপৰা কমিশ্যন্ আদায় কৰে। অন্য বজাৰৰ লগত নাৰীমাংসৰ বজাৰৰ পাৰ্থক্য কেৱল এটা: ইয়াত সাধাৰণতে আটাইতকৈ কম ওজনৰ মাংস আটাইতকৈ বেছি দামত বিক্ৰী হয়।

[ ৮ ]

আবেলি পৰত গা ধুই উঠি মই আয়নাৰ সমুখত বহি খোপা বান্ধিছিলো, এনেতে হঠাৎ দুৱাৰখন খুলি কান্তি সোমাই আহিল। বাতিপুৱা সি ওলাই যোৱাৰ পাছৰপৰা মই তাৰ কথা পাহৰিযেই আছিলো। ঘৰৰ ভিতৰ সোমাযেই সি গিৰিইঁতৰ দৰে মোৰ বিছনাখনতে বহি পৰিল, আৰু ময়লা ৰুমাল এখনেৰে মুখখন মুছি মুছি মোক হুকুম দিলে—'এগিলাচ পানী খুৱাচোন। বৰ পিয়াহ লাগিছে।'

মই তাক এগিলাচ পানী আনি দিলো। একে সোহাই পানী গিলাচ খাই শেষ কৰি সি মোৰ ফালে চাই মাত লগালে—'সোনকালে তোৰ সাজন-কাচন শেষ কৰ। এতিয়াই মানুহ আহি পাবহি।'

তাৰ কথা একো বুজিব নোৱাৰি মই অবাক হৈ তাৰ মুখলৈ চাই প্ৰশ্ন কৰিলো—'কোন মানুহ অহাৰ কথা কৈছা?'

'উঃ, এঁও এতিয়া একো বুজিবই নোৱাৰা হ'ল'—বিদ্ৰূপত তাৰ মুখখন বিকৃত

হৈ উঠিল—'আৰে চালী বাঙী, তোৰ ওচৰলৈ আৰু কোন মানুহ আহিব ? তোৰ দৰা বন্দৰস্ত কৰি আহিছো, সিয়ে আহি পাবহি এতিয়া। গাটো সোনকালে সজা।'

তাৰ বিদ্রূপখিনি উপেক্ষা কৰি মই পুনৰ মাত লগালো—'মোৰ দৰা বন্দৰস্ত কৰিবলৈ তোমাক কোনে খাটিব কৰিছে ? কি ক'ব খুজিছা ভালকৈ বুজাই নোকোৱা কিয় ?'

অলপ সময় সি নীৰৱে মোৰ মুখৰ ফালে চাই ৰ'ল। তাৰ পাছত হঠাৎ মাতষাৰ আগতকৈ কোমল কৰি সি কলে—'বাঙীগিৰি কৰিবলৈ আহিছ, গ্ৰাহক নহ'লে চলিবি কেনেকৈ ? মই এটা খুব ভাল মানুহ বন্দৰস্ত কৰি আহিছো। তোৰ ইয়ালৈ মই ৰিক্সাৱালা-গাড়োৱান আহিবলৈ নিদিওঁ। চব ভদ্ৰলোক-গ্ৰাহক মই তোৰ ঘৰলৈ আনি দিম। চালী বাঙীইঁতৰ চকু পুৰি মৰক।......মই এতিয়া যাওঁ। তোক খবৰটো দিবলৈহে আহিলো। আৰু এঘণ্টাৰ পাছতে মানুহটো লৈ আহিম।'

মোৰ উত্তৰলৈ বাট নাচাই, সি সাউৎকৰে ওলাই গুচি গ'ল।

কান্তিৰ নিশ্চয় দালালী কৰাৰ মতলব। কিন্তু তাৰ চৰ্দাৰী চালটো মই অকণো পছন্দ কৰিব নোৱাৰিলো। দালালী কৰিবলৈ হলে সি মোৰ লগত এটা বন্দৰস্ত কৰি লোৱা উচিত আছিল। কিন্তু চাল-চলন দেখি ভাব হয়, মই যেন তাৰ এজনী ক্ৰীতদাসীহে, সি যি কয় তাকে শুনিবলৈ মই বাধ্য। সি বোধ হয় ভাবিছে যে মই এই লাইনত একেবাৰে নতুন, মোৰ অজ্ঞতাৰ সুযোগ লৈ সি ভালকৈ দুপইচা কৰি ল'ব। মনে মনে এটা মতলব ঠিক কৰি মই বাহিৰলৈ ওলাই আহিলো।

বস্তিৰ মাজৰ মুকলি ঠাই ডোখৰতে তিনি-চাৰিজনীমান ছোৱালী বিড়ী হুপি হুপি থিয় হৈ আছিল। মই ওলাই অহাৰ গম পাই আটাইকেইজনীয়ে মোৰ ফালে ঘূৰি চালে। মই মন কৰিলো, মোক দেখা মাত্ৰে সিহঁতৰ চকুৰ কোণত যেন ভমক্ কৰে এটা ঈৰ্ষাৰ কটাক্ষ-শিখা জ্বলি উঠিল। মনে মনে এটা গভীৰ তৃপ্তি অনুভৱ কৰিলো। কিন্তু বাহিৰত সেই ভাব গোপন কৰি মই কপট ঈৰ্ষাৰ সুৰত মাত লগালো—'আমাৰ ফালে আজি দেখিছোঁ কোনো আশাই নাই। তোৰৰ আগত বাত্তিৰ পোহৰলৈ কোনে মন কৰিব।'

মই আৰু কি কলোহেঁতেন ক'ব নোৱাৰো, হঠাতে কমলা নামৰ ছোৱালীজনীয়ে গছকত পৰা ফেটি সাপৰ দৰে ফোঁচ কৰি উঠিল—'থ থ হেৰ, ঠাট্টা

কৰিব নালাগে। ৰূপ আছে বুলি তয়োতো ক'তো ৰাজ-ৰাণী হ'বলৈ যোৱা নাই, আমাৰ নিচিনাকৈয়ে দেহা বেচিছে খাইছু। পিছে সেই ৰূপ কেইদিন থাকিব দেখিম নহয়। কালি ৰাতি যে কাপ্তিক লগত শুবলৈ দিছু আমি গম পোৱা নাই বুলি ভাবিছ নে কি? এতিয়া গৰ্মী-ঘা হৈ গাত পোক নালাগিলেই ৰক্ষা।'

কমলাৰ হিংস্ৰতাই মোক একেবাৰে স্তব্ধ কৰি দিলে। আচলতে তাইক ঠাট্টা কৰাৰ উদ্দেশ্য মোৰ নাছিল। বৰং মোৰ কথাষাৰ সিহঁতে প্ৰশংসা বুলি ভাবি ভাল পাব বুলিয়েই মই আশা কৰিছিলো। অৱশ্যে মোৰো এটা ডাঙৰ ভুল হৈ গ'ল। কমলা থকা অৱস্থাত মই চেহেৰাৰ প্ৰসংগ তুলি কোনো কথা কোৱা উচিত নাছিল। প্ৰায় দুই মোনী ওজনৰ এঙাৰ যেন ক'লা তাইৰ দেহটো আৰু নাকৰ চিন নোহোৱা কঠিন মুখখন দেখিলে ৰামায়ণৰ শূৰ্পণখা ঠিক কমলাৰ নিচিনাই আছিল বুলি ভাবিবলৈ মন যায়। সেই চেহেৰা লৈ দেহৰ বেপাৰ কৰিবলৈ আহি তাই জীৱনত নিশ্চয় অজস্ৰ লঘু-লাঞ্ছনাৰ সন্মুখীন হৈছে, বহুদিন ধৰি তাইৰ অন্তৰত পুঞ্জীভূত হৈছে ঈৰ্ষাৰ বাৰুদ-স্তূপ। সামান্য ফিৰিঙতিৰ স্পৰ্শ পালেই সেই বাৰুদ-স্তূপ দাউ দাউকৈ জ্বলি উঠিব খোজে। নিজৰ দোষ বুজিব পাৰি মই নিৰুপায়ভাৱে নীৰৱ হৈ ৰ'লো।

কমলাহঁত গলিটোৰ মুখৰ ফালে আগবাঢ়ি গ'ল। মানুহ আহিবৰ সময় হৈছিল। বস্তি সোমাবলই নৌ পাওঁতেই গলিৰ মুখতে গ্ৰাহক ধৰাই বোধহয় সিহঁতৰ মতলব। মই কিন্তু খন্তেকৰ কাৰণে জীৱনৰ সকলো উৎসাহ হেৰাই যোৱা যেন অনুভৱ কৰিলো। বেশ্যা-জীৱনৰ অন্তহীন শুষ্কতা, পৰস্পৰৰ লগত পাশবিক প্ৰতিদ্বন্দ্বীতা, গলিত মাংস আৰু ময়লা ঘামৰ বীভৎসতাৰ কথা নতুনকৈ এবাৰ অনুভৱ কৰি মোৰ মনত জীৱনৰ প্ৰতি এটা প্ৰচণ্ড ঘৃণা উপজিল। নিষ্ফল আক্ৰোশত দাঁত কামুৰি মই শূন্য দৃষ্টিৰে একে ঠাইতে থিয় হৈ ৰ'লো।

হঠাৎ এবাৰ গলিটোৰ ফালে মোৰ মনোযোগ আকৃষ্ট হ'ল। মানুহ এটা আগবাঢ়ি আহিব ধৰিছে, কিন্তু কমলাহঁতে তাক আগ ভেটা দি ধৰি কিবাকিবি ক'বলৈ চেষ্টা কৰিছে। অলপ আগলৈকে সিহঁত চাৰিওজনী বন্ধু আছিল। কিন্তু এতিয়া চিকাৰ আগত পাই আটাইকেইজনীয়েই কুকুৰৰ দৰে খোৱা-কামোৰা লগাইছে। মানুহ অহা গম পাই বাকীবোৰ ঘৰৰ ছোৱালীবোৰো ভিতৰুৱৰপৰা ওলাই আহি দুৱাৰ-মুখত বা চোতালত জমা হ'লহি। মই মানুহটোলৈ লক্ষ্য কৰি আছিলো। তাৰ মুখৰ ভাব দেখি মই বুজিলো,

কমলাইতৰ মাজৰ এজনীকো তাৰ পছন্দ নহ'ল। সিহঁতৰ প্ৰণয়-নিবেদন উপেক্ষা কৰি সি আমাৰ ঘৰবোৰৰ ফালে আগবাঢ়ি আহিল।

মানুহটো আহি ঘৰৰ ওচৰ পোৱাৰ লগে লগে কেবাজনী ছোৱালীয়ে হাঁহি হাঁহি প্ৰায় একেলগে চিঞৰি উঠিল—'কি খবৰ পাগ্‌লা বাবু? আজি কাৰ ঘৰত বহিবা?' মই বুজিলো, সি এই বেশ্যালয়ৰ চিনাকী আলহী। ইমান পৰ মানুহ বুলি কৈ আছিলো যদিও ওচৰ পালতহে ভালকৈ মন কৰি দেখিলো সি তেনেই কোমল বয়সৰ এটা চেঙেলীয়া ডেকা। বয়স হয়তো কুৰিৰ ডেওনাই পাৰ হোৱা নাই। ছোৱালীবোৰৰ হাঁহি-খিকিন্দালি শুনি তাৰ বোধহয় মনে মনে অলপ লাজ লাগিল। মুখখনত কি কৰো কি নকৰো ভাব এটাৰে সি ইফালে সিফালে চাই এটা চিগাৰেট জ্বলালে। তাৰ কিশোৰ মুখখনত এনে এটা সলজ্জ ভীৰুতাৰ ভাব ফুটি উঠিল যে দেহৰ তাড়নাত খদ্দেৰৰ কাৰণে মনুষ্যত্ব বিসৰ্জন দিব পৰা বেশ্যাসক্তৰ দলৰে সিও এটা বুলি বিশ্বাস কৰিবলৈ মোৰ টান লাগিল। ছোৱালীবোৰে একান্ত পৰিচিতৰ দৰে তাক অভ্যৰ্থনা নকৰা হ'লে কেনেবাকৈ বাট ভুল কৰিহে সি ইয়াত সোমোৱা বুলি মই ধৰিললোহেঁতেন। লাজুক হাঁহি এটা মাৰি ছোৱালীবোৰৰ মুখলৈ চাই চাই সি চিগাৰেটত টান দিবলৈ ধৰিলে। ইফালে ছোৱালীবোৰেও তাক বেঢ়ি ধৰি নানা ধৰণেৰে তাক উৎপাত কৰিবলৈ আৰম্ভ কৰি দিলে। কেইজনীমানে তাক হাতত ধৰি নিজ নিজ ঘৰলৈ টানি নিবলৈ চেষ্টা কৰিলে, এজনীয়ে তাক ভীষণ অপ্ৰস্তুত কৰি গালতে চুমা খাই দিলে, এজনীয়ে আকৌ তাৰ পেণ্টৰ জেপৰপৰা চিগাৰেটৰ পেকেটটো উলিয়াই নিজে এটা জ্বলাই বাকী চিগাৰেট সকলোৰে মাজত ভাগ কৰি দিলে। বেশ্যালয়ত এনেকুৱা কাণ্ড মই জীৱনত কেতিয়াও দেখা নাছিলো। অবাক হৈ মই ল'ৰাটোৰ মুখলৈ চাই ৰ'লো।

হঠাৎ এবাৰ মোৰ ওপৰত ল'ৰাটোৰ চকু পৰিল। মুহূৰ্ততে যে তাৰ মুখৰ ভাব সলনি হৈ গ'ল, সেই কথা কেৱল ময়েই নহয়, গোটেই ছোৱালী জাকেই অনুভৱ কৰিলে। বাজি থকা গ্ৰামোফোনৰ ৰেকৰ্ড এখন হঠাৎ কোনোবাই বন্ধ কৰি দিয়াৰ দৰে ছোৱালীবোৰ নীৰৱ হৈ গ'ল। ল'ৰাটোৰ হাতৰপৰা চিগাৰেটটো যেন নিজে নিজেই পৰি গ'ল, তাক বেঢ়ি থকা ছোৱালীজাকক প্ৰায় ঠেলা মাৰি আঁতৰাই দি সি মোৰ ওচৰলৈ আগবাঢ়ি আহিল। তাৰ পাছত মোৰ মুখলৈ ক্ষুধাতুৰ দৃষ্টিৰে চাই সি মাত লগালে—'ভিতৰলৈ ব'লা।'

তাৰ মুখলৈ চাই মোৰ অনুভৱ হ'ল, হঠাৎ যেন তাৰ বয়স দহ বছৰ

আগুৰাই গ'ল। অলপ আগতে তাৰ মুখত দেখা কিশোৰ সুলভ সলজ্জ ভীৰুতাৰ ঠাইত এতিয়া মই দেখিবলৈ পালো উপবাসী যৌৱনৰ হিংস্ৰ পাশৱিক ক্ষুধা। এটা গোপন ভয়ৰ স্পন্দনে মোৰ গোটেই দেহটো কঁপাই তুলিলে। তেতিয়াও মই একে ঠাইতে থিয় হৈ আছিলো, এনেতে হঠাৎ ল'ৰাটোৱে মোক দুই হাতেৰে সাৱতি ধৰি ভিতৰলৈ চোচোৰাই লৈ গ'ল, আৰু দুৱাৰখনো বন্ধ কৰিবলৈ অপেক্ষা নকৰি পাগলৰ দৰে মোক চুমা খাবলৈ ধৰিলে।

কোনোমতে তাৰ হাতৰপৰা নিজকে মুক্ত কৰি মই দুৱাৰখন বন্ধ কৰি দিলো।

[ ৯ ]

কোঠাটো এন্ধাৰ হৈ আছিল। মই লেম্প্‌টো জ্বলাই বিছনাত তাৰ কাষতে বহি পৰিলো। ল'ৰাটোৰ মুখৰ ফালে চাবলৈ মোৰ লাজ লাগিল। জীৱনত প্ৰথম বাৰৰ কাৰণে মই অনুভৱ কৰিলো যে মই এজনী তিৰোতা। কিয় হঠাৎ সেই অনুভূতিয়ে মোৰ মনত ঠাই ল'লে তাৰ কোনো কাৰণ মই ক'ব নোৱাৰো। ভিতৰৰ কোনোবা এটা গোপন কোণৰপৰা মোৰ দেহটো লাহে লাহে গৰম হৈ আহিল, দেহৰ ঠায়ে ঠায়ে ঘাম বিৰিঙি উঠা যেন মই অনুভৱ কৰিলো, লাহে লাহে মই অস্থিৰ হৈ উঠিলো, অৱশেষত মই আচৰিত হৈ আৱিষ্কাৰ কৰিলো যে জীৱনত প্ৰথমবাৰৰ কাৰণে মোৰ অন্তৰত উদয় হৈছে কোনো দিনে ভাবিব নোৱাৰা এটা আকাংক্ষা : দৈহিক মিলনৰ আকাংক্ষা।

বেশ্যাই দিনে-ৰাতিয়ে শত সহস্ৰক পুৰুষক দৈহিক মিলনৰ আনন্দ দিয়ে, কিন্তু এনেকুৱা বেশ্যা বোধ হয় খুব কমেই আছে—যি নিজে জীৱনত অন্ততঃ এবাৰৰ কাৰণেও সেই আনন্দৰ অভিজ্ঞতা লাভ কৰে। যৌন-অনুভূতিক সম্পূৰ্ণ বিলুপ্ত কৰি ল'ব নোৱাৰিলে বেশ্যা-গিৰী কৰা সম্ভৱ নহয়। ব্যৱসায়ৰ সফলতম সময়ছোৱাত একো একোজনী সুন্দৰী বেশ্যাই দিনে অন্ততঃ কুৰি পঁচিশটাকৈ পুৰুষৰ দাবী পূৰণ কৰিব লগা হয়। তেনে অৱস্থাত নিজৰ দেহটো সম্পূৰ্ণ অনুভূতি শূন্য কৰি যন্ত্ৰত পৰিণত কৰিব নোৱাৰিলে কোনো তিৰোতাৰ পক্ষেই ইমানবোৰ পুৰুষৰ লগত সহবাস সম্ভৱ নহয়। এই অনুভূতি-শূন্যতা অৱশেষত অভ্যাসত পৰিণত হয়। গ্ৰাহকক সন্তুষ্ট কৰিবলৈ বেশ্যাই বাহিৰত যি পৰিতৃপ্তিৰ

ভাও দেখুৱায়, সি বিশুদ্ধ অভিনয়ৰ বাহিৰে আন একো নহয়। বেশ্যাই প্ৰতি মুহূৰ্ততে দুখন বিভিন্ন জগতত বাস কৰে। এখন তাইৰ নিজৰ জগৎ, অন্ধকাৰ হিম-শীতল জগৎ, য'ত তাই সম্পূৰ্ণ নিঃসংগ, য'ত অতীতৰ স্মৃতি নাই, বৰ্তমানৰ সজীৱতা নাই, ভৱিষ্যতৰ স্বপ্ন নাই, কোনো অনুভূতিৰ দোলেৰেই তাই য'ত বাহিৰৰ কাৰো লগত সম্পৰ্কিত নহয়, নিজৰ হৃৎ-পিণ্ডৰ স্পন্দনৰ বাহিৰে য'ত আন একোৰেই সাৰ-সুৰ নাই। আনখন জগতত তাই এখন অন্তহীন নাটকৰ ব্যৱসায়ী অভিনেত্ৰী, তাত নিজৰ আচল অনুভূতি গোপন কৰি অৰ্থৰ বিনিময়ত বিভিন্ন ভূমিকাত অভিনয় কৰি যোৱাই তাইৰ একমাত্ৰ কাম।

নবেনে মোক পাশবিকভাৱে বলাৎকাৰ কৰাৰ দিন ধৰি বেশ্যা-জীৱনৰ সুদীৰ্ঘ পাঁচটা বছৰ কিমান পুৰুষৰ লগত মই শয্যা-গ্ৰহণ কৰিব লগা হৈছে তাৰ সীমা-সংখ্যা নাই। কিন্তু কোনো দিনেই মই নিজে বিন্দুমাত্ৰ দৈহিক আকাংক্ষা অনুভৱ কৰা নাই। অত্যাচাৰৰ আতংকত দেহ-দান কৰাৰ প্ৰথম মুহূৰ্ততেই হয়তো মোৰ সেই প্ৰবৃত্তি চিৰদিনৰ কাৰণে বিলুপ্ত হৈ গৈছিল। তাৰ পিছৰপৰাই মই সকলো মানুহকে মৃত-দেহৰ দৰে মোৰ দেহটো আগবঢ়াই আহিছো। মানুহে যেতিয়া মোৰ দেহটো লৈ মিলনৰ উন্মাদনাত মত্ত হৈ উঠে, সেই মুহূৰ্ততো মই নিজৰ দেহটো বা মানুহটোৰ অস্তিত্বৰ কথা পাহৰি নিজৰ অন্যান্য চিন্তাত বিভোৰ হৈ থাকিব পাৰো। জীয়াই থাকিবৰ কাৰণে মানুহে পৰিশ্ৰম কৰিব লাগে। দৈহিক মিলনো মোৰ কাৰণে অতি ক্লান্তিকৰ আৰু কদৰ্য্য কায়িক পৰিশ্ৰমৰ বাহিৰে আন একো নহয়।

হঠাৎ কি মন্ত্ৰ-বলত মোৰ অন্তৰৰ তেজ মাংসৰ মানুহজনী সাৰ পাই উঠিল মই ক'ব নোৱাৰো, কিন্তু এই অবিশ্বাস্য অনুভূতিৰ মাদকতাই খন্তেকৰ কাৰণে মোক উন্মাদিনী কৰি তুলিলে।

মই বিছনাত বহাৰ লগে লগেই ল'ৰাজনে মোক পুনৰ সাৱতি ধৰি পাগলৰ দৰে চুমা খাবলৈ ধৰিলে। কোনো মানুহকেই মই সাধাৰণতে এই উপৰি পাওনাৰ সুযোগ নিদিওঁ। মোৰ দেহৰ প্ৰতি ইঞ্চৰ স্পৰ্শাধিকাৰ অৰ্থ-মূল্যত: বন্ধা থাকে। কিন্তু সেই মুহূৰ্তত সেই ল'ৰাজনক মোৰ অদেয় একো নাছিল। বৰং সি মোক চেপি-খুন্দি গুৰি কৰি দিয়ক, তাকেই মই মনে মনে কামনা কৰিছিলো। অলপ সময়ৰ পাছতে মোৰ চকু জাপ খাই আহিল, দেহটো ভাব-শূন্য হৈ শূন্যত উৰি ফুৰিব খোজা যেন মই অনুভৱ কৰিলো, লাহে লাহে এটা সৰ্বগ্ৰাস মাদকতাৰ মাজত মই নিজেকে হেৰুৱাই পেলালো। মোৰ কাণৰ

কাষত ল'ৰাটোৰ অৰ্দ্ধস্ফুট কথা কিছুমানৰ বাহিৰে পৃথিৱীৰ সকলো চেতনা মোৰ কাৰণে বিলুপ্ত হৈ গ'ল।

উন্মত্ত চুমা বৰ্ষণৰ মাজে মাজে ল'ৰাটোৱে মোক ক'বলৈ ধৰিলে—'তোমাৰ নামটো কি সোণজনী? কিং নামেৰে মই তোমাক মাতিম? ৰবা, মই তোমাক নতুন নাম এটা দিওঁ। সোণালী···জোনালী...কুসুম...নহয়, নহয়, মধুমতী:..তোমাৰ দেহৰ প্ৰতিটি বিন্দুৱেই মধুময়। ওহো নহয়, তাতোকৈ ভাল নাম হোৱা উচিত তোমাৰ...অ' ৰবা ঠিক মনত পৰিছে...বসন্তসেনা কোন জানা? মুখেৰে তুমি নামাতা কিয় ছোৱালীজনী? অন্ততঃ এদিনৰ কাৰণে এটা সন্ধ্যাৰ কাৰণে তুমি পাহৰি যোৱা তুমি কোন মই কোন, ধৰি লোৱা তুমি মোৰ বিবাহিতা নৱ-বধূ। আজি আমাৰ মিলনৰ প্ৰথম ৰাতি। তোমাৰ আশ্চৰ্য্য সুন্দৰ মুখ মই কোনোদিন দেখা নাই, কিন্তু সেই মুখ দেখিবৰ কাৰণেই মই জন্ম-জন্মান্তৰ অপেক্ষা কৰি আছিলো। এতিয়াও তোমাৰ মুখ ওৰণীৰে ঢাক খাই আছে, ওৰণীখন দাঙি দিবলৈ হাত মেলিও মই হঠাৎ ৰৈ গ'লো। সেই আৱৰণৰ অন্তৰালত জীৱনৰ কি অমৃত ৰহস্য লুকাই আছে তাৰ স্বপ্নত মোক কিছু সময় বিভোৰ হৈ থাকিবলৈ দিয়া...এতিয়া কিন্তু মই তোমাৰ ওৰণী গুছাই দিম। পাহুৰি নাযাবা তুমি মোৰ প্ৰথম মিলন ৰাতিৰ নৱ বধূ। প্ৰভাতৰ ধূসৰ দিগন্তত সূৰ্য্যৰ ৰক্তিম উদয়ৰ দৰে তোমাৰ মুখখন লাজৰ আভাত ৰাঙলী হৈ মোৰ দৃষ্টিৰ দিগন্তত উদয় হ'ব লাগিব;···আহা···তোমাৰ ভয় লাগিছে, অ' মোৰ ভীৰু কপৌজনী, এয়া চোৱাঁ তোমাৰ কাৰণে মই অন্তহীন সপোন আৰু প্ৰেমৰ কোমল বাঁহ সাজি থৈছো, তাতে তুমি মোৰ বুকুৰ উমত শুই শুই টোপনি যোৱা, তোমাৰ ওঁঠত ওঁঠ লগাই ময়ো তোমাৰ কাষতে শুই থাকিম, চিৰকাল শুই থাকিম, কেৱল শুই থাকিম······।'

অৱশেষত সৃষ্টিৰ গভীৰতম অন্ধকাৰ আমাৰ দুয়োৰো ওপৰলৈ নামি আহিল আৰু আমি তাৰ মাজত নিশ্চিহ্ন হৈ হেৰাই গ'লো।

ল'ৰাজন হঠাৎ এবাৰ জাপ মাৰি বিছনাৰপৰা মাটিত নামি পৰিল। জীৱনৰ মধুৰতম সপোনৰ তন্দ্ৰাবেশত মই তেতিয়াও আচ্ছন্ন হৈ আছিলো। ল'ৰাজন জাপ মাৰি উঠাৰ লগে লগে মই চক্ খাই সাৰ পোৱাৰ দৰে চকু দুটা মেলি তাৰ মুখলৈ চাই পঠালো। মুহূৰ্ত্ততে মোৰ স্বপ্নাবেশ কেনিবা নোহোৱা হৈ গ'ল। স্বপ্নৰ গম্বুজশীৰ্ষৰপৰা কোনোবাই যেন মোক অতৰ্কিতে ঠেলা মাৰি দিলে, আৰু চকুৰ পচাৰতে মই বহু তলৰ প্ৰস্তৰময় মাটিত মুখ ঠেকেছা

থাই পৰি অচেতন হৈ গ'লো। এটা সৰ্বব্যাপী যন্ত্ৰণাৰ অনুভূতিৰ বাহিৰে আন সকলো চেতনা মই হেৰুৱাই পেলালো।

মাটিত থিয় হৈ ল'ৰাজনে কিছু সময় স্থিৰ দৃষ্টিৰে মোৰ মুখলৈ চাই ৰ'ল। তাৰ সেই দৃষ্টিত যি সীমাহীন ঘৃণা ফুটি উঠিছিল, নিজ চকুৰে নেদেখিলে তাক বৰ্ণাবলৈ কাৰো সাধ্য নাই। ল'ৰাটো যেন পৃথিৱীৰ সমস্ত পুঞ্জীভূত ঘৃণাৰ এটা মূৰ্তিমান আগ্নেয়গিৰি, আৰু তাৰ দৃষ্টিৰ ৰন্ধ্ৰ-পথেদি অবিৰামভাৱে উদ্গীৰিত হ'বলৈ ধৰিলে ঘৃণাৰ গলিত অগ্নি-প্ৰবাহ। চকুৰ সমুখতে লক্ষ লক্ষ পোকে কিলবিল্ কৰি থকা গেলা মৰা-শ এটা দেখিলেও বোধহয় মানুহৰ ইমান ঘৃণাৰ উদ্ৰেক নহয়; তাৰ চাৱনি দেখি মোৰ অনুভৱ হ'ল—মই তাতোকৈ কোটি কোটি গুণ ঘৃণনীয় কিবা এটা অবৰ্ণনীয় বস্তু।

বহুত পৰৰ যুৰত খুব জোৰেৰে মাটিত থু পেলাই ল'ৰাটোৱে মাত লগাই উঠিল—'বোডলেয়ৰে ঠিকেই কৈছিল: পুঁজৰ বটল।' (বোডলেয়ৰ কোন বা কি মই একো নাজানো, কিন্তু শব্দটো মোৰ স্মৃতিত এঠা লগাৰ দৰে লাগি থাকিল।) তাৰ পাছত জেপৰপৰা পাঁচ টকীয়া নোট এখন উলিয়াই মোৰ গালৈ দলি মাৰি দি সি পুনৰ ক'বলৈ ধৰিলে—'এই ধৰ তোৰ টকা। নিজৰ গেলা মাংস বেচি জীয়াই থকাতকৈ মৰি নাযায় কিয়? তইঁত বেশ্যাবোৰ সভ্যতাৰ কলংক, তইঁতেই মানুহৰ সৰ্বনাশৰ মূল। মোৰ কিবা ক্ষমতা থকা হ'লে তইঁতক জাকে জাকে ধৰি নি গুলী কৰি মৰালোহেঁতেন। থুঃ থুঃ।......

এই ভুতুনী, তই জীৱনত কেতিয়াবা গা ধুই পাইছ নে নাই? উস্, দেহৰ কি দুৰ্গন্ধ, মানুহ নহয় যেন পায়খানাত কিলবিল কৰি থকা এটা পোকহে। কাষলটিটোত কিমান বছৰৰ ঘাম আৰু ময়লা জমা হৈ আছে ভগৱানেহে জানে। গোটেই গোন্ধটো মোৰ নাকত সোমাই গ'ল। এই পিশাচী, তোৰ নিশ্চয় কিবা বেমাৰ আছে। সঁচা কথা ক, বেমাৰ আছে নে নাই? তোক কিন্তু মই সাৱধান কৰি দিছো, যদিহে মোৰ কিবা হ'ব লাগে, তোক কিন্তু মই ডিঙি টিপা মাৰি হত্যা কৰিম, জোতাৰে গছকি তোৰ মূৰ গুৰি কৰি দিম...হাৰামজাদী বেশ্যা!'

পিছ মুহূৰ্ততে ল'ৰাটো মোৰ চকুৰ আগৰপৰা অদৃশ্য হৈ গ'ল।

ল'বাজন ওলাই যোৱাৰ কেই মুহূৰ্তমানৰ পিছতেই ঘৰৰ দুৱাৰ মুখত মই আকৌ কাৰোবাৰ ভৰিৰ শব্দ শুনিবলৈ পালো। লগে লগে মই ঠিক কৰিলো যে লক্ষ টকাৰ বিনিময়তো আজি মই আৰু কাকো মোৰ ঘৰত বহিবলৈ নিদিওঁ। মোৰ যে খুব ভাগৰ লাগিছিল সেইকথা নহয়, কিন্তু দেহৰ ভাগৰতকৈ বহুগুণে বেছি এটা মনৰ অৱসাদ মোক একেবাৰে নিৰ্জীৱ কৰি পেলাইছিল। অসংযত কাপোৰ-কানিবোৰ ঠিক কৰি বিছনাত বহাৰ লগে লগে মই দেখিবলৈ পালো, মোৰ সমুখত নীৰৱে থিয় হৈ আছে কান্তি।

কান্তিৰ কথা মই একেবাৰে পাহৰিয়েই গৈছিলো।

তাৰ মুখলৈ চাই কিবা এষাৰ ক'বলৈ গৈ মই হঠাৎ থমকি ৰৈ গ'লো। চিকাৰী পশুৰ হিংস্ৰ দৃষ্টিৰে সি মোৰ মুখৰ ফালে এনেকৈ চাবলৈ ধৰিলে, যেন খন্তেক পিছতে সি মোৰ ওপৰত জপিয়াই পৰি মোৰ দেহটো চিৰাচিৰ কৰি পেলাব। অৱশ্যে তাৰ দৃষ্টিত লেশমাত্ৰও কাম বাসনা নাছিল, তাত আছিল কেৱল অবৰ্ণনীয় হিংস্ৰ ক্ৰোধ। মই একো বুজিব নোৱাৰি হতবাক হৈ তাৰ মুখলৈ চাই ৰ'লো।

খঙত কঁপি কঁপি সি মাত লগালে—'চালী ৰাণ্ডী, তোক মই কোৱা নাছিলো মই এটা মানুহ লৈ আহিম? তই কিয় আন মানুহ বহিবলৈ দিছিল? পুৰা এঘণ্টা সময় মই বাহিৰত মানুহটোৰ লগত খাড়া হৈ থাকিলো, চালী ৰাণ্ডীৰ তিৰীমৰদ খেলা শেষ নহয়হে নহয়। জবান খেলাপ্ কৰা বুলি মানুহটোৱে আজি মোক কিমান বে-ইজ্জত কৰিলে। কিয় তই বাহিৰা মানুহ বহিবলৈ দিছিলি?'

মই দেখিলোঁ। কান্তিৰ স্পৰ্ধাই সহৰ সীমা চেৰাই গৈছে। খঙতে ময়ো চিঞৰি উঠিলো, মই মোৰ ঘৰত যাকেই বহিবলৈ নিদিওঁ তাত তোমাৰ মাত মাতিবলৈ কি অধিকাৰ আছে? তুমি মোক কি বুলি ভাবি মোৰ ওপৰত এনেকৈ হুকুম জাৰি কৰিবলৈ আহিছা? উহু, কথাৰ চিৰি চোৱা, লোকে শুনিলে ভাবিব যেন মই তেওঁৰ পাৰ্টিৰ তিৰোতাহে। লাজ নালাগে লোকৰ ঘৰত সোমাই এনেকৈ দমদমাবলৈ? মটা মানুহ এটা হৈ কাম-বন কৰি খাব নোৱাৰা,

ৰাতীতিৰীৰ দালালী কৰি ঘুৰি ফুৰা, শুবলৈকো ঠাই এখন নাই, লোকৰ গালি-শপনি খাই মেখেলা-তলত মুৰ গুজি ফুৰা—এতিয়া আকৌ আহিছা মোৰ ওপৰত বৰ-মটা দেখুৱাবলৈ। যোৱা, ওলাই যোৱা তুমি মোৰ ঘৰৰপৰা। নহলে কিন্তু কথা বেয়া হ'ব।'

হঠাৎ এটা প্ৰচণ্ড চৰত বিছনাৰপৰা ছিটিকি মই মাটিত আছাৰ খাই পৰিলো, আৰু লগে লগে কান্তিয়ে মোৰ ওপৰত জপিয়াই পৰি চুলিত ধৰি মোৰ মুখখন মাটিত ঠেকেছিবলৈ ধৰিলে। এনে এটা আকস্মিক আক্ৰমণৰ কাৰণে মই অকণো সাজু নাছিলো। যন্ত্ৰণাত মই 'মৰিলো ঔ' 'মৰিলো ঔ' বুলি চীৎকাৰ কৰি উঠিলো। মোৰ চিঞৰ শুনি ওচৰৰ কেবাটাও ঘৰৰ ছোৱালী কেইজনীমানে খল খলাই হাঁহি উঠিল। ইমান পৰে সিহঁতৰ অন্তৰৰ প্ৰাৰ্থনা বোধহয় পূৰ্ণ হ'ল। মই চিঞৰা বন্ধ কৰি অমানুষিক শক্তিৰে কান্তিক ঠেলা মাৰি আঁতৰাই মাটিত থিয় হৈ পৰিলো, আৰু লৰালৰিকৈ বিছনাৰ তলৰপৰা মোৰ দেগাৰখন উলিয়াই ল'লো।

মোক দেগাৰ উলিয়াই লোৱা দেখি কান্তি নিশ্চল হৈ একে ঠাইতে থিয় হৈ ৰ'ল। কিছু সময় আমি নীৰৱে দুয়ো দুয়োৰে মুখলৈ চাই ৰ'লো। কান্তিয়ে দুয়োটা চকু সংকুচিত কৰি মোক এনেভাৱে চাবলৈ ধৰিলে, যেন মোক লৈ কি কৰিব সি তাকেই ঠিক কৰিব পৰা নাই। অৱশেষত অবিশ্বাস্য এটা ভংগীৰে সি মাত লগালে—'সঁচাকৈয়ে তোৰ ওপৰত মোৰ একো অধিকাৰ নাই?'

এনে এটা প্ৰশ্ন যে কান্তিৰ মনত কেনেকৈ খেলাব পাৰে ভাবি মই অবাক হৈ গ'লো। মই এজনী বেশ্যা, দিনে ৰাতিয়ে হেজাৰ হেজাৰ মানুহক নিজৰ দেহা বেচি জীৱিকা অৰ্জন কৰাই মোৰ একমাত্ৰ কাম। সি এটা বেশ্যাৰ দালাল, আৰু বোধহয় বেশ্যালয়েই তাৰ সংসাৰ। তাৰ লগত মোৰ চিনাকী হোৱাও ক'বলৈ গ'লে এদিনেই পাৰ হোৱা নাই। এনে অৱস্থাত মোৰ ওপৰত অধিকাৰৰ কথা একমাত্ৰ পাগলৰ বাহিৰে আন কোনে ভাবিব পাৰে? অধিকাৰ মানে সি বুজাবইবা খুজিছে কি? অপ্ৰতিদন্দী দালালীৰ অধিকাৰ?

'তুমি পাগল হৈছা নে কি'—মই প্ৰায় খঙেৰেই উত্তৰ দিলো—'নিজৰ দেহা বেচি মই পেটৰ ভাত মোকোলাও, কি গৰজত মই তোমাৰ তলীয়া হ'বলৈ যাম। তুমি এতিয়া যোৱা। আজিৰপৰা তুমি মোৰ ঘৰত নোসোমাবা।'

মই বিছনাত বহি পৰিলো।

কান্তিয়ে তাৰ থিয় হৈ থকা ঠাইৰপৰা তিলমাত্ৰ লৰচৰ নকৰি ঠিক একে

কেইটা শব্দৰেই মোক পুনৰ প্ৰশ্ন কৰিলে—'সঁচাকৈয়ে তোৰ ওপৰত মোৰ একো অধিকাৰ নাই ?'

তাৰ কথাৰ একো অৰ্থ বুজিব নোৱাৰি মই খুব মনোযোগেৰে তাক চাবলৈ ধৰিলো। বুকুত হাত দুখন সাৱতি যুৰটো সামান্য হলাই সি স্থিৰ দৃষ্টিৰে মোলৈ চাই আছিল, চুলি নোহোৱা টপা মূৰটোৰে সৈতে তাৰ ক্ষীণ ক্লান্ত মুখখন লেম্পৰ হালধীয়া পোহৰত অতিশয় ৰুগ্ন বিষণ্ণ যেন দেখাইছিল ; কিছু সময় তাক ভালকৈ নিৰীক্ষণ কৰি মোৰ অনুভৱ হ'ল সি আন যিয়েই নহওক—পাগল নিশ্চয় নহয়, আৰু সি যি কৈছে তাৰ অৰ্থ সি নিজে ভালকৈ জানে। মোৰ উত্তৰৰ কাৰণে সি এনে নিবিড় উৎকণ্ঠাৰে অপেক্ষা কৰি আছিল যেন তাৰ ওপৰতে তাৰ জীৱনৰ এটা বিৰাট পৰিণাম নিৰ্ভৰ কৰিছে।

কোনো মানুহকে হৃদয়ৰ চকুৰে চোৱা বেশ্যাৰ স্বভাৱ নহয়। তাৰ দ্বাৰা লাভতো একো নহয়েই, বৰং সি ব্যৱসায়ৰ ক্ষতি সাধনহে কৰে। যি বেশ্যা, তাই চিৰকাল বেশ্যাই থাকিব। মাজতে দুই এটা পাগল আহি খন্তেকীয়া প্ৰেমৰ অভিনয় কৰিব খুজিলে তাৰ দ্বাৰা মানুহটোৰ কিবা লাভ হ'লেও বেশ্যাৰ একো লাভ নহয়। অলপ আগতে সেই ল'ৰাটো আহি মোক তাৰ নৱ-বধূৰ ৰূপত অভিনয় কৰিবলৈ বাধ্য কৰিছিল। সেই অভিনয়ৰ মাজত সি নিশ্চয় কিবা এটা তৃপ্তি পাইছিল—দিবা-স্বপ্নতকৈ সামান্য অলপ বেছি তৃপ্তি—কিন্তু তৃপ্তি শেষ হোৱাৰ লগে লগেই তাৰ অভিনয়ৰ নিচাও শেষ হৈ গ'ল। মোৰ গাত থু পেলাই সি আঁতৰি গুচি গ'ল। এদিন সি আচল নৱ-বধূৰ মাজতে জীৱনৰ যুগমীয়া তৃপ্তিৰ উৎস বিচাৰি পাব, তাৰ কাৰণে সেই পথ সদায়েই খোলা হৈ আছে, সেই দিনা হয়তো মোৰ কথা মনত পৰি দুঃসহ ঘৃণাতেই তাৰ সৰ্বদেহ কণ্টকিত হৈ উঠিব, আৰু মই ? মৰুৰ তৃষ্ণা বুকুত লৈ এক বিন্দু বৰষুণলৈ লোভ কৰি মোৰ কি লাভ হ'ব ?

'তুমি পাগল হৈছা নে কি ?'—ময়ো একে কেইটা শব্দৰেই তাক উত্তৰ দিলো—'মোৰ ওপৰত তুমি কিহৰ অধিকাৰ খটুৱাবলৈ আহিছা ? বিনা কাৰণত তোমাৰ খুচিমতেই মোৰ ওপৰত মাৰ-ধৰ কৰাৰ অধিকাৰ ? খুচিমতে মোৰ দালালী-গিৰি কৰাৰ অধিকাৰ ? মোৰ ওপৰত হুকুম জাৰি কৰাৰ অধিকাৰ ? তুমি দেখিছো কম মানুহ নহয়। এই লাইনত তুমি বোলে বহুদিন আছা। আৰু কিমানৰ ওপৰত তুমি এনেকুৱা অধিকাৰ খটুৱাই আহিছা ? যোৱা, যোৱা, সেইবোৰৰ ওপৰতে তুমি নবাব হৈ থাকাগৈ, মোৰ লগত সেইবোৰ

চালাকি নাখাটিব। তুমি এতিয়া যোৱা। তুমি এনেকৈ মোৰ ঘৰত সোমাই থাকিলে মানুহ আহিব কেনেকৈ? মানুহ নাহিলে আমি খাম ক'ৰপৰা?'

কান্তিয়ে মোৰপৰা এনে স্পষ্ট উত্তৰ শুনিও যোৱাৰ কোনো লক্ষণেই নেদেখুৱালে। মোৰ কথাৰ এটা শব্দও যেন তাৰ কাণত পৰাই নাই ঠিক তেনে নিৰ্বিকাৰভাৱে তৃতীয় বাৰৰ কাৰণে সি মোক প্ৰশ্ন কৰিলে—'সঁচাকৈয়ে তোৰ ওপৰত মোৰ একো অধিকাৰ নাই?'

এইবাৰ মোৰ ধৈৰ্য্য-চ্যুতি ঘটিল। অলপ আগতে সম্পূৰ্ণ বিনা-দোষত সি মোক নিষ্ঠুৰভাৱে মাৰ-ধৰ কৰাৰ যন্ত্ৰণা তেতিয়াও মোৰ সৰ্বাংগত লাগি আছিল, খঙতে মই চিঞৰি উঠিলো—'একেটা কথাকে তোমাক মই কেইবাৰ কৈ থাকিব লাগে? তোমাৰ লাজ-চৰম একো নাই নে কি যে লোকৰ ওপৰত জোৰকৈ এনেকৈ গৰাকী হ'বলৈ আহিছা? মোৰ বহুত কাম আছে, তুমি এতিয়া ওলোৱা।'

কিবা এটা গোপন যন্ত্ৰণাত যেন তাৰ মুখখন সামান্য কঁপি উঠিল, এটা দুৰ্বোধ্য মিনতিৰে সি মোৰ চকুলৈ অলপ সময় চাই ৰ'ল, তাৰ পাছত খুব শান্ত-ভাৱে সি মাত লগালে—'বাৰু, মই এতিয়া যাওঁ। কিন্তু মই আকৌ আহিম।'

[ ১১ ]

ৰাতি কান্তি আকৌ আহিব পাৰে বুলি আশংকা কৰি বিছনাত পৰাৰ আগতে মই দুৱাৰখন কটকটিয়াকৈ বান্ধি পেলালো। কিন্তু সি নাহিল। ৰাতিপুৱা শুই উঠি ভাবিলো, দিনটোৰ ভিতৰত সি নিশ্চয় এবাৰ আহিব। কিন্তু সেই দিনা যে সি নাহিলেই, তাৰ পাছতো কেবাদিনলৈকে তাৰ একো খং-সূত্ৰই নোহোৱা হ'ল। প্ৰথমতে কেইদিনমান মই খুব আচৰিত হ'লো। তাৰ পাছত লাহে লাহে তাৰ কথা ভাবিবলৈ এৰি দিলো।

কাৰো কথা ভাবিবলৈ মোৰ সময়ো নাছিল। আঠগাঁও লাইনলৈ অহাৰ তিনদিনৰ পিছতে মোৰ ধাৰণা হ'ল, পৃথিৱীৰ সমস্ত মানুহে যেন ইমান দিনে মোৰ কাৰণেহে বাট চাই আছিল, মোক আৱিষ্কাৰ কৰা মাত্ৰেই সকলোৱে ইমান দিনৰ অপূৰণ কামনা বাসনা লৈ মোৰ ওচৰলৈ দৌৰি আহিল। দিনে ৰাতিয়ে

মানুহৰ হেঁচাত মই তৎ নোপোৱা হ'লো। অন্ততঃ এদিন কুৰিজন পৰ্য্যন্ত মানুহ মই ঘৰত বহিবলৈ দিব লগা হ'ল।

এই সময় ছোৱাই মোৰ ব্যৱসায়ৰ সফলতাৰ শীৰ্ষ-বিন্দু বুলি ক'ব পাৰি। অত্যধিক পৰিশ্ৰমত মোৰ দেহ ভাগি গৈছিল, অথচ দেহৰ ফালে চাবলৈ মোৰ উপাই নাছিল। বেশ্যাৰ একমাত্ৰ পণ্য যৌৱন, কিন্তু সেই যৌৱন স্থায়ী নহয়। দেহত যৌৱন থাকোতেই যদি মই দুপইচা ঘটি ল'ব নোৱাৰো তেন্তে মোৰ গোটেই ভৱিষ্যত অন্ধকাৰ। সময় থাকোতেই বুঢ়ী বয়সত বহি খাবলৈ দুপইচা সঞ্চয় কৰি ল'ব নোৱাৰিলে শেষ বয়সত ৰাস্তাৰ ভিখাৰিণী হোৱাৰ বাহিৰে বেশ্যাৰ আন কোনো পথ নাই। সমুখৰ গোটেই জীৱনকালৰ তুলনাত আমাৰ আৰ্জনৰ বয়স-ইমান কম যে দেহটোক তিল-মাত্ৰ জিৰণি দিবলৈকো আমাৰ সময় নাই।

দিনে-ৰাতিয়ে মানুহৰ হেঁচাত ওচৰ-চুবুৰীয়াৰ লগত চিনাকী হ'বলৈকো মই সময় কৰিব নোৱাৰিছিলো। তাতে সৰুৰেপৰা অকলশৰীয়াকৈ ডাঙৰ হোৱাৰ ফলত সহজে মানুহৰ লগত মিলা-মিছা কৰিব পৰা ক্ষমতাও মোৰ নাছিল। গতিকে লাইনটোত মই প্ৰায় একঘৰীয়া হৈয়ে দিন কটাইছিলো। এদিন হঠাৎ মোৰ ঘৰলৈ দিদি আহিল। তেওঁৰ লগত ইয়াৰ আগতে মোৰ মাত-বোল হোৱা নাছিল, কিন্তু তেওঁৰ আঢ়েমোনী ওজনৰ বিশাল বপু, চুলিখিনি ওভোটাই মূৰৰ সোঁ-মাজতে বন্ধা বাটলুগুটি যেন খোপাটো, চৌবিশ ঘণ্টাই তামোলৰ মোকোৰাবে ওফন্দি থকা গাল, গাত কেৱল এটা চেমিজ আৰু আঁঠুৰপৰা মাত্ৰ দুআঙুল তললৈ পৰা মেখেলাখনৰ সৈতে এবাৰ দেখিলে পাহৰিব নোৱাৰা চেহেৰাৰ দিদিৰ পৰিচয়টো মই ইতিমধ্যেই পাইছিলো। লাইনৰ ছোৱালীবোৰে যে তেওঁক খুব সমীহ কৰি চলে, সেই কথাও মই জানিছিলো। মোৰ ঘৰত সোমায়েই তেওঁ ভগা কাঁহৰ দৰে মাতটোৰে গৰ্জন কৰি উঠিল—'তোৰ দেখিছো বৰ ডেমাক্ ৰে বেটি। খুব টকাৰ মুখ দেখিছ নহয়?'

দিদিৰ কথা শুনি মোৰ বুকু কঁপি উঠিল। দহটা গুণ্ডাই এজনী তিৰোতাৰ যি অপকাৰ কৰিব নোৱাৰে, এওঁৰ দৰে তিৰোতাই ইচ্ছা কৰিলে তাতোকৈ দহগুণ বেছি অপকাৰ কৰিব পাৰে। এদিন গ্ৰাহক অহাৰ সময়ত চিঞৰি কৈ দিলেই হ'ল যে অমুকীৰ ওচৰলৈ কোনো নাযাবি, তাইৰ বেয়া বেমাৰ আছে—বচ্, এজনী ছোৱালীৰ ব্যৱসায় বন্ধ কৰি তাইক ৰাস্তাত নমাবলৈ সেয়েই যথেষ্ট। মই শশব্যস্ত হৈ তেওঁক বহিবলৈ চকী এখন আগবঢ়াই দি মাত লগালো—

'কিনো কথাবোৰ কোৱা দিদি? কিহত ভেমাক্ দেখিলা মোৰ?......এই ৰামু, ৰামু—'

'ৰামুক আকৌ চিঞৰ ধৰিছ কিয়?'—তেওঁ মোৰ বিছনাতে বহি তামোল এখন মুখত ভৰালে।

'ব'বা দিদি, তুমি মোৰ ঘৰলৈ এই প্ৰথম আহিছা, আজি মোৰ কি ভাগ্য অলপ চাহ অনাওঁ ব'বা।'

মোৰ চিঞৰ শুনি ৰামু দৌৰ মাৰি আহিল। টকা তাৰ হাতত দি দিদিয়ে শুনাকৈ মই ডাঙৰ ডাঙৰকৈ ক'লো—'শুন ৰামু, দৌৰ মাৰি দোকানলৈ গৈ একাপ চাহ আৰু দুটা ডাঙৰ ডাঙৰ ৰসগোল্লা লৈ আহ। সৰহকৈ চুপাৰি দি এখন মিঠা পানো লৈ আহিবি।'

ৰামু যোৱাৰ পাছত মই দিদিৰ মুখলৈ চাই পঠালো। ৰসগোল্লাৰ নাম শুনি তেওঁৰ মুখখন ইতিমধ্যেই ৰসগোল্লাৰ নিচিনা কোমল হৈ পৰিছে। বুদ্ধিটো কামত লগা দেখি মই মনে মনে ঈশ্বৰক ধন্যবাদ জনালো।

ভগা কাঁহৰ দৰে মাতটো যথাসম্ভৱ মোলায়েম কৰি দিদিয়ে ক'লে—'ছোৱালীবোৰক জানো মই এনেয়ে কওঁ, বুচ্‌কিক তইঁতে হিংসা কৰিলে কি হ'ব, তাইৰ নিচিনাকৈ মানুহক দৰদ লগাব নাজানিলে মানুহ তইঁতৰ ওচৰলৈ কিয় আহিব? মানুহক কেৱল হিংসা কৰিলেই হয় নে? লোকৰ ভাল গুণ দেখিলে অলপ শিকিবও লাগে।'

'তুমি কাৰ কথা কৈছা দিদি?' —মই অলপ আচৰিত হৈ প্ৰশ্ন কৰিলো।

'কাৰ কথা আৰু ক'ম, তোৰ কথাই কৈছো। তোৰ নাম জানো বুচ্‌কি নহয়?'

জীৱনত মই বহুত নামেই পালো, কিন্তু বুচ্‌কি নামৰ কাৰণে মই প্ৰস্তুত নাছিলো। স্পষ্ট বিৰক্তিৰেই মই তেওঁক সুধিলো—'কোনে তোমাক ক'লে মোৰ নাম বুচ্‌কি বুলি?'

'কিয়, গোটেই ছোৱালীবোৰেই দেখোন তোক বুচ্‌কি বুলি মাতে। অ' এতিয়া বুজিলো, সেইটো সিহঁতে নিজে দিয়া নামহে। সিহঁতৰ যি খুচি নাম দি থাকক, তই কাণ নিদিবি। তোক বুচ্‌কি বা মুটুকি নাম দিয়েই সিহঁতে তোৰ ঘৰলৈ মানুহ অহা বন্ধ কৰিব পাৰিব নে কি?'

এনেতে ৰামু চাহ লৈ সোমাই আহিল। মই তেওঁক দুয়োটা ৰসগোল্লা আৰু চাহ কাপ দি নিজে কেৱল একাপ চাহ ল'লো। দিদিয়ে প্ৰকাণ্ড ৰসগোল্লা

এটা গোটে গোটে মুখত ভৰাই দি কিবা এষাৰ ক'বলৈ চেষ্টা কৰিলে। কিন্তু জিভাখন ভালকৈ ঘূৰাবৰ ফলত কথাষাৰ মুখতে লাগি ধৰিল, দুই কোৰাৰিয়েদি ৰসগোল্লাৰ ৰসবোৰ বাগৰি আহিল। দ্বিতীয় ৰসগোল্লাটোও ভৰাবলৈ মুখ মেলি তেওঁ মাত লগালে—'তই হবলা ৰসগোল্লা নাখাৱ? ভালেই কৰিছ, এইবোৰ খাই গাটো বঢ়াই ল'লে নিজৰ ভৰিত নিজে কুঠাৰ মৰাহে হ'ব। মানুহে কথাতে কয়, দেহাই বেহা, দেহা নাথাকিলে কিহৰ বেহা। আচলতে ক'ব লাগে, দেহা বাঢ়ি গ'লে কিহৰ বেহা।'

ৰসগোল্লাটো মুখত ভৰাই দি দিদিয়ে নিজৰ ৰসিকতাত নিজেই ঢেক্‌ঢেক্‌কৈ হাঁহি উঠিল। সেই হাঁহিৰ উচ্ছ্বাসত তেওঁৰ বেলুনৰ দৰে গাল দুখন আৰু গাৰ চৰ্বি-ভৰা মাংসবোৰ ঠপ্ ঠপ্ শব্দ কৰি নাচি উঠিল, মুখৰপৰা ৰসগোল্লাৰ ৰসবোৰ পিচ্‌কাৰি মৰাৰ দৰে ছিটিকি আহি মোৰ গাত পৰিলহি। তেওঁক অসন্তুষ্ট কৰাৰ ভয়ত মোৰ ঘিণ লগা সত্ত্বেও একো নেদেখাৰ ভাও ধৰি মই নিৰ্বিকাৰ হৈ ৰ'লো।

চাহ-ৰসগোল্লা খাই শেষ কৰি দিদিয়ে পৰম পৰিতৃপ্তিৰে মিঠা পানখন মুখত ভৰালে। কিছু সময় চকু মুদি মুদি তেওঁ পানখন পাগুলিবলৈ ধৰিলে। গুই গুই ঘাঁহ পাগুলি থকা হৃষ্ট-পুষ্ট গাই এজনীৰ দৰে তেওঁৰ মুখত এটা নিৰুদ্বেগ পাশবিক তৃপ্তিৰ ভাব ফুটি উঠিল।

তামোলখনৰ পাগ্‌টো ভালকৈ আহিলত দিদিয়ে মাত লগালে—'আগৰ নিচিনা দিন কাল নাই আৰু বুচ্‌কি। তইঁতৰ দিন বেয়ালৈ আহিল। আগৰ নিচিনাকৈ মানুহ লাইনলৈ নহা হ'ল। কথাৰ যি গতি দেখিছো, আৰু দিন ছেৰেকৰ পিছতে গ্ৰাহকৰ অভাৱত তইঁতে খাবলৈ নাপাই শুকাই মৰিব লাগিব।'

'কিয় দিদি? মানুহৰ মাজত পাপ-ব্যভিচাৰ আগতকৈ কম হৈ আহিছে নে কি? আমি বাৰু মৰো দিয়াচোন, তাৰ কাৰণে ভয় কৰা নাই, কিন্তু সংসাৰৰপৰা মদ-মাইকীৰ বজাৰ উঠি যাবৰ উপক্ৰম হৈছে, এই কথা হলে মোৰ বিশ্বাস নহয়।'

'তোকনো কোনে কৈছে ব্যভিচাৰ আগতকৈ কম হৈছে বুলি? সংসাৰ থাকে মানে মদ-মাইকীৰ বজাৰো থাকিব। মই কৈছো যে লাইন পাতি বহা তইঁতবোৰৰ হলে ভাত উকলিল। সময় থাকোতেই সাৱধান হ।'

'তোমাৰ কথা মই একো নুবুজিলো দিদি। মাইকীৰ বজাৰো থাকিব,

অথচ লাইন পাতি বহাবোৰৰ ভাত মৰিব—তাৰ মানে কি ক'ব খুঁজিছা তুমি?' —মই বিমূঢ় হৈ প্ৰশ্ন কৰিলো।'

'এইবোৰ কথা ইমান সহজে বুজিবলৈ তইনো কেইদিনৰ ছোৱালী অ' আই। আৰু দিন দিয়েক বাট চা, তয়ো বুজিবি। তইতো বোধহয় নাজানই, আগেয়ে এই ব্যৱসায় কৰিবলৈ হ'লে চৰকাৰৰপৰা লাইচেঞ্চ ল'ব লাগিছিল। লাইচেঞ্চ থকা মাইকীবোৰৰ বেলেগ এটা লাইনেই আছিল। তিৰোতাৰ গৰজ পৰিলে ক'লৈ যাব লাগে সকলোৱে জানিছিল। কিন্তু সংসাৰৰপৰা পাপ গুচাবলৈ মন কৰি চৰকাৰে এদিন লাইচেঞ্চ বন্ধ কৰি দিলে, পুলিচ চেণ্ট্ৰী লগাই লাইনো ভাঙি টহিলং কৰি দিলে। পিছে ফল কি হ'ল, বেশ্যাৰ ব্যৱসায় জানো বন্ধ কৰিব পাৰিলে? তইঁতেই দেখোন বাজ আলিৰ কাষতে সংসাৰে দেখাকৈ বজাৰ পাতি বহি আছ। কোনে কি কৰিব পাৰিছে তইঁতক? পেটৰ জ্বালাই আইন কানুন ধৰ্ম কৰ্ম কি বুজে? পাৰোতেনো কোনোবাই বিয়া-বাৰু কৰি ঘৰ সংসাৰ নকৰি এনেকৈ মঙহৰ বজাৰ পাতি নৰক ভুঞ্জিবলৈ আহে নে?

'কিন্তু তুমি প্ৰথমে ক'ব খুজিছিলা আমাৰ ব্যৱসায় বোলে উঠিয়েই যাব। এতিয়া দেখোন বিপৰীতটোহে ক'বলৈ আৰম্ভ কৰিলা—মই মাজত মাত লগালো।

'ৰ, অধৈৰ্য্য হৈছ কিয়? মই কৈ যাওঁ, শুনি যাচোন। তইঁতৰ ব্যৱসায় উঠি যাবলৈ বাকী আছে কী? ধৰি ল' তই এখন দোকান পাতি বহিছ, ওচৰে পাজৰে দ্বিতীয় এখন দোকান আৰু নাই। ভালেই হওক বেয়াই হওক, দামেই হওক সস্তাই হওক, মানুহে তোৰ দোকানৰে মাল খাবলৈ বাধ্য। কিন্তু ওচৰতে যদি কোনোৱে দ্বিতীয় এখন দোকান আৰম্ভ কৰি দিয়ে, আৰু মানুহে একে দামতে তাত তোৰ দোকানতকৈ দহগুণ বেছি ভাল বস্তু পায়, তেতিয়া তোৰ দোকানলৈ কোন মূৰ্খ আহিব? তইঁতৰো সেই অৱস্থাই হৈছে এতিয়া। আগতে বেশ্যা বুলিলে মানুহে বুজিছিল এখন নিৰ্দিষ্ট ঠাইত বজাৰ পাতি বহা আৰু বেশ্যা বুলি মাৰ্কা মাৰি থোৱা কিছুমান তিৰোতাক। তিৰোতাৰ গৰজ হ'লে সেই বজাৰলৈ নাহিলে কাৰো উপায় নাছিল। কিন্তু এতিয়া সেই দিন নাই। কালৰ গতিত ভদ্ৰ সমাজতে এতিয়া এনেকুৱা হেজাৰ বিজাৰ তিৰোতা ওলাইছে—বাহিৰত বিবোৰৰ পৰিচয় ভদ্ৰ মহিলা, আৰু আচলতে সিহঁত অভদ্ৰ মহিলাই—সিহঁতেই এতিয়া বেশ্যা ব্যৱসায় একচেতিয়া কৰি লৈছে। কিন্তু

বাহিৰথন দেখি সিহঁতক বেশ্যা বুলি ক'বৰ একো উপায় নাই। সিহঁত সকলোৱেই লিখাপঢ়া জনা ওপৰ খাপৰ তিৰোতা; কোনোৱে হয়তো চাকৰি কৰে, কোনোৱে দেশৰ কাম কৰে, বহুতে বিয়া বাৰুও কৰিছে বা নিজৰ খাব পৰা অৱস্থাও আছে,—মুঠতে সিহঁত সকলোৱেই গ্ৰাহকৰ লগবে একে খাপৰ মানুহ। আজি তহঁতৰ ওচৰলৈ মানুহ আহিবলৈ হলে সমাজৰ ওপৰ খাপৰপৰা বহুত তললৈ নামি আহিব লাগে, সেই পথত বহুত বিপদ। কিন্তু এই নতুন বেশ্যা-বোৰক পাবলৈ হ'লে ঘৰৰপৰা ওলাই সমুখৰ ৰাস্তাত ভৰি দিলেই হ'ল। অনেক সময়ত ঘৰৰ বাহিৰ হ'বৰো দৰকাৰ নকৰে।

আটাইতকৈ ডাঙৰ কথা—এই তিৰোতাবোৰে তোৰ মোৰ দৰে দেহৰেই ব্যৱসায় কৰে, অথচ সিহঁতৰ পৰিচয় বেশ্যা নহয়। ই এটা ডাঙৰ সুবিধা। সমাজে বহু যুগ ধৰি ঘৃণা কৰি অহাৰ ফলত বেশ্যা শব্দটোৱেই এটা ভয়লগা শব্দ হৈ পৰিছে। এনেকুৱা যদি তিৰোতা থাকে, যাৰ ওচৰলৈ গ'লে মানুহে বেশ্যা-গমন কৰা বুলি নকয়, অথচ বেশ্যা-গমনৰ সকলো ইচ্ছা পূৰ্ণ হয়—তেতিয়াহলে বেশ্যাগামীবোৰৰ কিমান সুবিধা হ'ল ভাবি চাচোন। আগতেই তোক ক'লো এই নতুন বেশ্যাবোৰ শিক্ষিতা আৰু সমাজৰ ওপৰ খাপৰ তিৰোতা। সিহঁতৰ ওচৰলৈ গ'লে বেমাৰ-আজাৰৰ ভয় নাই, মান-ইজ্জত নষ্ট হোৱাৰো ভয় নাই। এতিয়া তয়েই কচোন, ইহঁতৰ লগত তই সমানে পাল্লা দি চলিবি কেনেকৈ? তহঁতৰ দিন উকলিল বুলি কৈ মই কি ভুলটো কৰিলো?'

দিদিৰ মুখত মই সঁচাকৈয়ে এটা নতুন কথা শুনিলো। সংসাৰত কি ঘটিছে সেই কথা জনা দূৰৰ কথা, সংসাৰ কি বস্তু তাকেই মই ভালকৈ নাজানো। সৰুতে মোৰ সংসাৰ আৱদ্ধ আছিল নিজৰ ভগা জুপুৰি ঘৰৰ চাৰি বেৰৰ মাজত। ঘৰ এৰি অহাৰ দিন ধৰি মোৰ জীৱন অতিবাহিত হৈছে সমাজ বহিৰ্ভূত বেশ্যালয়ত, য'ত এখন অদৃশ্য দেৱালে বাহিৰৰ সমস্ত সংসাৰৰপৰা আমাক চিৰকাল বিচ্ছিন্ন কৰি ৰাখে। জীৱন আৰু জগতৰ লগত আমাৰ পৰিচয় এদল বেশ্যাসক্ত মাতালৰ লগত সম্পৰ্কৰ মাজতেই সীমাবদ্ধ। আমাৰ দিন ৰাতিৰ প্ৰতিটো মুহূৰ্ত পূৰ্ণ হৈ থাকে কেৱল টকাৰ হিচাব, মাতালৰ চীৎকাৰ, নগ্ন দেহৰ গোন্ধ, ঘামৰ গোন্ধ, ডেটলৰ গোন্ধ, বিছনা আৰু গা ধোৱা ঘৰৰ মাজত অহা-যোৱা কৰাৰ ক্লান্তিৰে। আমাৰ কাৰণে বেশ্যালয়ৰ চাৰি সীমাৰ বাহিৰত পৃথিৱীৰ কোনো অস্তিত্ব নাই। তেনেস্থলত বাহিৰত কেতিয়া কি ঘটে আমি কেনেকৈ জানিম?

'কিন্তু এটা কথা নহয় দিদি, আমি বাৰু দেহৰ বেপাৰ কৰিছো পেটৰ জ্বালাত। কিন্তু যিবোৰৰ খাবলৈ পিন্ধিবলৈ কোনো চিন্তা নাই, যিবোৰ সমাজৰ ওপৰ খাপৰ শিক্ষিতা তিৰোতা, সিহঁতে কি দুখত নিজৰ ইহকাল পৰকাল বিসৰ্জন দি বেশ্যা হ'বলৈ যাব? এইটো বৰ আচৰিত কথা নহয় নে?'

'তয়ো ভাল আকৰি আই'—মোৰ নিবুদ্ধিতাত দিদি যেন অলপ বিৰক্তই হ'ল—'ঘৰে ঘৰে গাখীৰ বেচি ফুৰা গুৱালে গাখীৰত পানী দিয়ে দুটা পইচা লাভ কৰিম বুলি; কিন্তু কোটি কোটি টকাৰ মালিক মহাজনে তেল-চেনি-ময়দাত ভেজাল দিয়ে কিয়? দুপইচা লাভ কৰিম বুলিয়েই সিও বস্তু ভেজাল নকৰে জানো? টকাৰ থকৰ কি সীমা আছে? মানুহে যিমানেই টকা পায় সিমানেই আৰু পাবলৈ লোভ বাঢ়ি যায়। তই আজি দেহৰ বেপাৰ কৰিছ পেটৰ ভাত মুঠি আৰু গাৰ কাপোৰখনৰ কাৰণে। তোৰ নিচিনা আন এজনীৰ হয়তো ভাত মুঠি আৰু কাপোৰখনৰ অভাৱ নাই। তথাপি তায়ো বেশ্যাগিৰি কৰিছে আৰু বেছি ভালকৈ খাবলৈ পিন্ধিবলৈ পোৱাৰ আশাত, এখনৰ ঠাইত দুখন কাপোৰ, এপদৰ ঠাইত দুপদ গহনা লোৱাৰ আশাত। আগতে তিৰোতা মানুহ বুলিলে ঘৰৰ বাহিৰ ওলাব নোৱাৰিছিল। মটা মানুহে বাহিৰত ৰোজগাৰ কৰে, তিৰোতাই ঘৰ ধৰে—এয়েই আছিল সংসাৰৰ নিয়ম। কিন্তু এতিয়া ঘৰ সংসাৰৰ বেৰা ভাগি গ'ল, মটা তিৰোতাৰ চিন-চাব নোহোৱা হ'ল। এতিয়া তিৰোতাও সম্পূৰ্ণ স্বাধীন। আজিকালি জাকে জাকে ছোৱালীয়ে লিখা পঢ়া শিকিছে, পুৰুষৰ সমানে সমানে সিহঁতেও দেশ বিদেশ ঘূৰিছে, অফিচ আদালত কাৰখানাত চাকৰি কৰিছে, মটা তিৰোতা গোটেইখন একাকাৰ। কিন্তু দেখাত একাকাৰ হ'লেও তিৰোতাই নিজৰ তিৰোতা স্বভাৱ পাহৰিব কেনেকৈ? সিহঁতে জানে যে সিহঁতৰ এনে এটা বস্তু আছে, যিটোৰ জহত সিহঁতে পুৰুষৰ সমানে পৰিশ্ৰম নকৰিও পুৰুষতকৈ বেছি কাম আদায় কৰিব পাৰে। ধৰি ল' এটা অফিচত দুজন কেৰানী আছে: এটা ল'ৰা, এজনী ছোৱালী। ল'ৰাটোৱে যদি কিবা দোষ কৰে, বৰ চাহাবে ধমকৰ কোবত তাৰ প্ৰাণ বাহিৰ কৰি দিব। কিন্তু ছোৱালীজনীয়ে যদি তাতকৈ দহগুণ কিবা ডাঙৰ দোষো কৰে, বৰ চাহাবে ধমক দিওঁ বুলিলেই পাৰিব নে? চাহাবৰ চকুলৈ চাই তাই মোহিনী হাঁহি এটা মাৰি দিলেই চাহাব সেইকালেই ঠাণ্ডা হৈ যাব। ল'ৰাক চাকৰিৰ দৰকাৰ

হ'লে সি শিক্ষাই-দীক্ষাই উপযুক্ত হৈয়ো ওপৰৱালাৰ ভৰিত ধৰিও হয়তো চাকৰি নাপাব, কিন্তু এজনী ছোৱালীয়ে আন একো যোগ্যতা নাথাকিলেও সেই কাম আদায় কৰিব নিজৰ মোহিনী মন্ত্ৰৰ বলত। তিৰোতাৰ যি অস্ত্ৰ আছে, বিপদত পৰিলে আৰু প্ৰয়োজন হ'লে তাই সেই অস্ত্ৰ প্ৰয়োগ কৰিবই; ই মানুহৰ স্বভাৱ ধৰ্ম। অভাৱত পৰিলে মটা মানুহে ভিক্ষা কৰে, চুৰ কৰে, ডকাইতি কৰে। ঠিক একে অৱস্থাত তিৰোতাই কি কৰে? তাই বিক্ৰী কৰে নিজৰ দেহ। তাকে কোনোৱে যেনিবা কৰে পেটৰ ভাত মুঠিৰ কাৰণে —কোনোৱে কৰে চাকৰিৰ কাৰণে, প্ৰমোশ্যনৰ কাৰণে, সমাজৰ বৰমূৰীয়াৰ অনুগ্ৰহ লাভৰ কাৰণে। আজিকালি আকৌ লাহ-বিলাহ আৰু ফেচনৰ ইমান কোৰ উঠিছে যে বহুত তিৰোতাই গোপনে দেহৰ বেপাৰ কৰে নিজৰ লাহ বিলাহৰ খৰচ উলিয়াবলৈকে; নহ'লে যে সমাজত সিইঁতৰ মুখ ৰক্ষা নহয়। ধুন-পেচ আৰু বিলাসিতা কৰিব নোৱাৰিলে সমাজে যেতিয়া মানুহক মানুহ বুলি গণ্য নকৰে, তেতিয়া যি উপায়েৰেই নহওক মানুহে বিলাসিতা কৰিবলৈ বাধ্য। এতিয়া মানুহৰ পৰিচয় বাকী ৰৈছেগৈ কেৱল টকা খৰচ কৰিব পৰাৰ ক্ষমতাত। যাৰ যিমানেই টকা, সি সিমানেই ডাঙৰ মানুহ। টকাৰ বাহিৰে আন একো চিনি নোপোৱা সমাজে চোৰ, ডকাইত, জালিয়াৎ, ঘোচ-খোৰ আৰু বেশ্যাৰ জন্ম নিদি আৰু কি জন্ম দিব? চাই থাক আৰু কিছুদিন এই দৰে চলিবলৈ হ'লে গোটেই দেশ চোৰ আৰু বেশ্যাৰেই ভৰি যাব। তেতিয়া তোক মোক ঘৃণা কৰিবলৈ আৰু কোনো বাকী নাথাকিব।'

মই দিদিৰ কথাবোৰ শুনি শুনি মন্ত্ৰমুগ্ধ হৈ তেওঁৰ মুখলৈ চাই ৰ'লো। তেওঁনো ইমানবোৰ কথা কেনেকৈ জানিলে সেই কথা ভাবি মই বৰ আচৰিত হৈ গ'লো। অৱশ্যে তেওঁৰ বয়স হৈছে, সংসাৰৰ বহুখিনি দেখিছে, আৰ-তাৰ মুখত শুনি শুনি তেওঁ নানা কথা শিকিছেও। তেওঁৰ কথা অবিশ্বাস কৰিবলৈ মই কোনো কাৰণ বিচাৰি নাপালো।

মোক মনে মনে থকা দেখি দিদিয়ে বহাৰপৰা উঠি মাত লগালে— 'যাওঁ আৰু আই। বহুত কথা চোবালো আজি। তোৰ মৰদ আহিবৰে সময় হ'ল চাগৈ।'

এদিন বাস্তিপুৰা বাহিৰত কাৰোবাৰ চিঞৰ-বাখৰ শুনি মই থকমকৈ সাৰ পাই উঠিলো। চকু মেলি দেখিলো, কোঠাটো ভালকৈ পোহৰ হোৱাই নাই। ইমান দোকমোকালিতে কাৰ কি হ'ল বুলি ভাবি মই অতি আচৰিত হ'লো। কাণখন থিয় কৰি চিঞৰ-বাখৰবোৰ শুনি বুজিব পাৰিলো, কেইবাজনী ছোৱালীয়ে লগ লাগি পৰস্পৰে পৰস্পৰক হিংস্র ভাষাত গালি-শপনি পাৰিছে। কিন্তু সিহঁতৰ কাজিয়াৰ কাৰণটো কি মই একো ধৰিব নোৱাৰিলো। মৰা কাউৰী এটা দেখি এজাক কাউৰীয়ে ৰমলিউৱাৰ দৰে সিহঁতৰ সন্মিলিত চীৎকাৰত গোটেই ঠাইখন মুখৰিত হৈ উঠিছে, কোনে কি কৈছে বুজিবৰ উপায় নাই। কৌতূহল দমাব নোৱাৰি মই বিছনাৰপৰা উঠি বাহিৰলৈ ওলাই আহিলো।

মোক দেখিয়েই কমলাই হিংস্র মূৰ্তি ধৰি চিঞৰি উঠিল—'তোৰ হ'বলা এতিয়াহে মৰ-টোপনি ভাগিল? নে সকলো শুনিও টোপনিৰ ভাও জুৰি পৰি আছিলি? ক', ক', তোৰ কি ক'ব লগা আছে ক', কোনে কৰিলে এই কাণ্ড? মৰা পুতিবলৈ আৰু ঠাই নাপালি?'

এই আকস্মিক অভাৱনীয় অভিযোগত মই একেবাৰে হতভম্ব হৈ গ'লো। কিন্তু তাইৰ অভিযোগটোনো কি সেই কথা তাইক সুধিবলৈ মোৰ আৰু দৰকাৰ নহ'ল। ক'ৰবাৰপৰা কুকুৰ এটা দৌৰ মাৰি আহিল, মাখি এজাক ভন্‌ভনাই উঠিল, ছোৱালীবোৰে 'চেই চেই' কৰি কুকুৰটো খেদি দিলে, লগে লগে মোৰ চকু পৰিল কুকুৰ, মাখি আৰু বেশ্যা সকলোৰে সন্মিলিত মনোযোগৰ লক্ষ্য-স্থল—এটি ক্ষুদ্র ৰক্তাক্ত দৃশ্যৰ ওপৰত।

কমলাৰ ঘৰৰ সম্মুখতে পৰি আছে এটা অকলতে জন্ম হোৱা শিশুৰ মৃত-দেহ। তাৰ অসম্পূৰ্ণ অৱয়ৱ দেখিয়েই বুজিব পাৰি যে সি নিশ্চয় অকাল গৰ্ভ-পাতৰ পৰিণাম। কুকুৰে ইতিমধ্যে মৃত-দেহটোৰ কিছু অংশ খাই শেষ কৰিছে। ওচৰতে পৰি থকা পায়খানাৰ ওৰে লেটি পেটি কাপোৰ এটুকুৰা দেখি বুজিব পাৰিলো, এই বিনষ্ট ভ্ৰূণ-শিশুৰ মাতৃয়ে নিশ্চয় তাক কাপোৰেৰে বান্ধি পায়খানাৰ

টিনত পেলাই দিছিল, কিন্তু কুকুৰে নিভু'লভাৱে তাৰ আহাৰৰ গোন্ধ পাই পায়খানাৰ টিন বাগৰাই টোপোলাটো কামুৰি আনি এইখিনি পোৱাইছেহি। অকাল-জাত অপুষ্ট শিশুৰ কুকুৰে আধা খাই শেষ কৰা ক্ষুদ্ৰ দেহটো তেজত লেটি লৈ মাটিত পৰি আছে, ঠিক তাৰ ওপৰতে আহি পৰিছে বাতি পুৱাৰ ৰ'দ এচেৰেঙা, মাখিবোৰ ভন্ ভনাই ঘূৰি ফুৰিছে, লুব্ধ দৃষ্টিৰে কিছু দূৰত নেজ জোকাৰি জোকাৰি বহি আছে কুকুৰটো, বতাহত পায়খানাৰ গু আৰু গৰ্ভভে নিহত শিশুৰ মিলিত গোন্ধ, আৰু এই অপূৰ্ব দৃশ্যক কেন্দ্ৰ কৰি চাৰিওফালে চীৎকাৰ-মত্ত এদল বেশ্যা, যিবোৰৰ ভিতৰত এজনী নিশ্চয় এই ৰক্তাক্ত মাংস পিণ্ডৰ মাতৃ। কোনো শিল্পীৰ পক্ষেই বেশ্যা-জীৱনৰ আচল বাস্তৱতাক প্ৰতিফলিত কৰা এনে এখন চিত্ৰ অঁকা বোধহয় সম্ভৱ নহ'ব।

'কি চাই আছ বুচ্ কি? মুখেৰে নামাত কিয় এতিয়া?'

কমলাৰ চীৎকাৰত মই চক্ খাই উঠিলো। তাইৰ প্ৰশ্নৰ ইংগিতটো বুজিব পাৰি খঙত মোৰ সৰ্বদেহ কঁপি উঠিল। তাইৰ ফালে চোচা মাৰি খেদি গৈ মই কঁপি কঁপি প্ৰশ্ন কৰিলো—'কি ক'ব লাগে মই? আকৌ এবাৰ ক'চোন, মই কি ক'ব লাগে? তোৰ ঘৰৰ আগত কুকুৰে ল'ৰা খাইছে, আনে তাত কি মাত মাতিব লাগে?'

মোৰ মূৰ্তি দেখি তাই বোধহয় ভয় খালে। সুৰ সলাই তাই মাত লগালে —'ঔ আই, এইজনীৰ মূৰ্তিটো চোৱা। তোক মই কৈছো নে কি যে এই বাচ্চা তোৰ পেটৰপৰাই ওলাইছে? যাৰে পেটৰপৰাই নোলাওক, কোনোবাই লৈ কাঢ়িব নে কি? তাই বেটিয়ে মৰা পুতিবলৈ ঠাই নাপালে, পেলাই থৈ আহিছে পায়খানাৰ টিণত। পোক লাগি মৰিব তাই। কিন্তু তাইৰ যিয়েই নহওক, এই মৰাটো ইয়াত পৰি থাকিলেই হ'ব নে কি? দূৰত গৈতো কোনোবাই পেলাই থৈ আহিব লাগিব। তাকে কওঁতেই তোৰ ইমান কিয় গাত লাগিল অ'?'

মই কিবা এষাৰ ক'বলৈ নৌ পাওঁতেই মীনাই মাত লগালে—'তই যদি নাজানই কোনে এই কাণ্ড কৰিলে, তেন্তে ইমান পৰে এজনী এজনীকৈ বাকীবোৰক দোষ দি আছিলি কিয়? তোৰ ঘৰৰ আগত ল'ৰা ওলাইছে, তই চাফা কৰি পেলা; বাকীবোৰৰ কি গৰজ পৰিছে।'

হয়, হয়, তই ক'লেই হ'ল'—কমলাৰ মুখখন বিচিত্ৰ ভংগীত নাচি উঠিল— 'কোনে পেট চাফা কৰিলে ঠিক নাই, মোৰ ঘৰৰ আগত কুকুৰে পেলাই থৈ গ'ল বুলিয়েই মই এতিয়া সেইবোৰ চুবলৈ যাম। কোনে এই কাণ্ড কৰিলে

প্ৰথমে সেইটো বিচাৰ নকৰ কিয়? যাৰ বস্তু তায়েই চাফা কৰিব লাগিব।'

এই বিবাদ আৰু কিমানদূৰ চলিলেহেঁতেন তাৰ ঠিক নাই, কাৰণ নিজে স্বীকাৰ কৰাৰ প্ৰশ্নই নুঠে, আনে কাৰোবাক সন্দেহ কৰিলেও মুখ খুঁলি সেইটো ক'বলৈ কাৰো সাহস নাই; এনেতে দিদি উঠি আহি সকলো সমস্যাৰ সমাধান কৰি দিলে।

'মই বিছনাৰপৰাই শুনি আছো তহঁতৰ সকলো কথা। খন্তেক সুখেৰে শুবও নোৱাৰি তহঁতৰ প্ৰতাপত। দোষী-নিৰ্দোষী বিচাৰ কৰি এতিয়া লাভ নাই। মই জানো কাৰ এই কৰ্ম, কিন্তু নকওঁ। তহঁতে গাই প্ৰতি দুঅনাকৈ পইচা তুলি মোৰ হাতত দে, মই বামুৰ হতুৱাই চব্ চাফা কৰাই দূৰত পেলাই দিয়াম। যা যা, পইচা লৈ আহ।'

মই মনোযোগেৰে লক্ষ্য কৰি দেখিলো, দিদিৰ এই সমাধানত মাত্ৰ এজনী ছোৱালীৰ মুখত প্ৰকৃত স্বস্তিৰ ভাব ফুটি উঠিল। তাই হ'ল কমলা। হঠাৎ দিদিয়েঁও মোৰ লগত এটা অৰ্থপূৰ্ণ দৃষ্টি বিনিময় কৰিলে।

## [ ১৩ ]

কান্তিয়ে যাবৰ সময়ত কৈ গৈছিল—সি আকৌ আহিব; এদিন সি সঁচাকৈয়ে আহিল। মই কিন্তু তাৰ কথা প্ৰায় পাহৰিয়ে গৈছিলো।

সাজ-পাৰ কৰা শেষ কৰি গ্ৰাহকৰ কাৰণে প্ৰস্তুত হৈ গধূলি পৰত মই ঘৰৰ দুৱাৰ মুখতে থিয় আছিলো। এনেতে দেখিলো এটা মানুহে কোনো ফালে মন নকৰি চিধা মোৰ ফালেই আগবাঢ়ি আহিছে। মানুহটোৱে মোৰ ওচৰ পাই পৰিচিত হাঁহি এটা মাৰি মাত লগালে—'কি খবৰ ৰাণী? একেবাৰে কন্যা সাজি ৰৈ আছ দেখোন। হাতত কেৱল মালাধাৰহে নাই।'

মই বৰ আচৰিত হৈ গ'লো। মানুহটোৱে যি ধৰণেৰে মোৰ লগত আলাপ আৰম্ভ কৰিছে, সি নিশ্চয় মোক খুব ভালভাৱেই চিনি পায়। মোৰো তাক ক'ৰবাত দেখা দেখা যেন লাগিছে, কিন্তু ঠিক মনত পেলাব পৰা নাই। মুখেৰে একো নামাতি বিস্মিত মুখ-ভংগীৰে মই ভিতৰলৈ সোমাই গ'লো। সিও মোৰ পিছে পিছে সোমাই গ'ল। লেম্পৰ ফিটাডাল বঢ়াই দি অপ্ৰস্তুত হাঁহি এটা মাৰি মই পুনৰ তাৰ মুখলৈ চাই পঠালো। সি এইবাৰ বোধহয় বুজিব পাৰিলে

যে মই তাক চিনি পোৱা নাই। আচৰিত হৈ সি মাত লগালে—'কি বাণী, তুই মোক চিনি পোৱা নাই? দুদিনতে এনেকৈ পাহৰি গ'লি? মোক বাৰু পাহৰিলি, কিন্তু সেই কাণতলীয়া চৰটোৰ কথাও পাহৰি গ'লি নে?'

সি আৰু একো ক'বৰ দৰকাৰ নহ'ল, লগে লগে মই চিঞৰি উঠিলো—'অ' —তুমি কান্তি। কিন্তু মোৰ বাৰু কি দোষ তুমি কোৱাঁচোন, মই নালাগে তোমাক জন্ম দিয়া মাৰেও বোধহয় তোমাক চিনি পোৱা টান হ'ব। বাঃ, এমাহতে মানুহ ইমান সলনি হৈ যাব পাৰে?'

আচলতে এটা শব্দও মই বঢ়াই কোৱা নাছিলো। মোৰ আগত থিয় হৈ থকা মানুহটোক কান্তি বুলি জনাৰ পিছত্ এমাহৰ আগৰ তাৰ চেহেৰাৰ কথা মনত পৰি মোৰ নিজৰ চকুকেই অবিশ্বাস কৰিবলৈ মন গ'ল। এমাহৰ আগতে মই দেখিছিলো—তাৰ শতছিন্ন ময়লা কাপোৰ, তপা মূৰৰ পিছফালে ওলমি থকা দীঘল ৰুক্ষ চুলিৰ জট, ক'লা ক্ষীণ ধূলি-ধূসৰ মুখ, অঘৰী মাতালৰ অপ্ৰকৃতিস্থ দেহ-ভংগী। কিন্তু এতিয়া তাৰ গাত নতুনকৈ ধোবাৰ ঘৰৰপৰা অহা জাপ-নভঙা নতুন চাৰ্ট-পেণ্ট, তেল ঘঁহি মিহিকৈ ফনিওৱা সুবিন্যস্ত চুলি, পৰিষ্কাৰকৈ ডাঢ়ি খুৰোৱা আৰু পাউদাৰ ঘঁহা মুখত এটা সতেজ দীপ্তি, মুঠতে তাৰ সমস্ত ব্যক্তিত্বত এটা দৃঢ় আত্ম-প্ৰত্যয় আৰু ভদ্ৰলোক-সুলভ সপ্ৰতিভ ভংগী। কেনেকৈ এই আশ্চৰ্য্য নৱ-জন্ম সম্ভৱ হ'ল ভাবি মই আচৰিত হৈ গ'লো।

মোৰ বিস্মিত ভাব দেখি কান্তি নিশ্চয় মনে মনে খুব খুচি হ'ল। মোৰ মুখত এনে এটা প্ৰতিক্ৰিয়া দেখিবলৈকে সিও বোধহয় আশা কৰি আছিছিল। পেণ্টৰ জেপৰপৰা কাগজৰ সৰু টোপোলা এটা উলিয়াই সি টেবুলত থলে, তাৰ পাছত চকীখনত বহি সি মাত লগালে—'আজি কিন্তু তোক মই গোটেই ৰাতিৰ কাৰণে বিজাভ কৰিলো। যিমান টকা লাগে ল'বি, কিন্তু দ্বিতীয় কোনো মানুহকে সোমাবলৈ দিব নোৱাৰ। তোৰ লগত আজি মোৰ বহুত কথা আছে।'

'তুমি টকা দিলে আন মানুহক বহিবলৈ মই কিয় দিম'—মই উত্তৰ দিলো— 'আমাৰ কেৱল টকাৰ লগত হে কাৰবাৰ। পিছে তোমাৰ টকাৰ গৰমটো বৰ বেছি দেখিছো এইবাৰ? ক'ত পালা ইমান টকা? ইমান দিন আছিলানো ক'ত?'

'ধৈৰ্য্য ধৰ, ধৈৰ্য্য ধৰ, ইমান লৰালৰি খননো কৰিছ কিয়? সেই টোপোলাটো খুলি চাচোন আগতে।' গৰ্বিত হাঁহি এটা মাৰি সি চকু মুদি শোৱাৰ ভংগী কৰিলে।

মই টোপোলাটো খুলি চাই দেখিলো, এখন অতি ধুনীয়া বনকৰা অসমীয়া পাটৰ মেখেলা। দাম নিশ্চয় আঢ়েকুৰি টকাৰ কম নহ'ব। মই কান্তিৰ মুখলৈ চাই দেখিলো, সি তেতিয়াও চকু দুটা মুদি আছে, কিন্তু মুখত গৰ্বৰ হাঁহিটো লাগি আছে। ইমান দামী ধুনীয়া মেখেলা এখন পাই মোৰ মনটো সঁচাকৈয়ে বৰ ভাল লাগি গ'ল। মেখেলাখন লিৰিকি বিদাৰি ফুলবোৰ চাই থাকোতে হঠাৎ এবাৰ মোৰ মনটো অতীতলৈ ঘূৰি গ'ল, আৰু বহুত দিনৰ আগতে নবেনে মোলৈ অনা পাটৰ মেখেলাখনৰ কথা মোৰ মনত পৰিল। সেই মেখেলাখন জুইত পেলাই দিওঁতে দপ্‌দপ্‌কৈ জ্বলি উঠা জুইকুৰাৰ হালধীয়া উজ্জ্বল শিখাবোৰ মোৰ চকুৰ আগত আকৌ যেন নাচি উঠিল। কিন্তু সেই জুই চিৰকালৰ কাৰণে নুমাই গৈছে, পৰি আছে কেৱল মৰা অঙঠাবোৰ। সি এতিয়া একোকেই পুৰিব নোৱাৰে, কেৱল তাৰ স্পৰ্শৰে সকলোকে ক'লা আৰু মলিন কৰি তোলে। জীৱনৰ বাটত কিমান দূৰ ভটিয়াই আহিলো, হঠাৎ যেন মই তাৰ এটা হিচাব পাই গ'লো।' মেখেলাখন হাতেৰে মুঠি মাৰি ধৰি মই কিবাকিবি ভাষাহীন ভাৱনাত তন্ময় হৈ ৰ'লো।

'কি ভাবিছ ইমানকৈ'—কান্তিৰ মাতত মই চক্ খাই উঠিলো—'মেখেলাখন পছন্দ হোৱা নাই নে কি?'

'বাঃ, ইমান সুন্দৰ মেখেলাখন, কিয় পছন্দ নহ'ব? তুমি সঁচাকৈয়ে মোৰ কাৰণেই আনিছা মেখেলাখন?'

মোৰ কথাৰ উত্তৰ নিদি কান্তিয়ে হঠাৎ হাতখনত ধৰি টান মাৰি দিলে, আৰু তাৰ কোলাত মোক বহুৱাই লৈ দুয়োখন হাতেৰে মোৰ কঁকালটো সাৱটি ধৰি কাণৰ কাষলৈ তাৰ মুখখন আনি ক'লে—'অকল মেখেলাখন কিয়, তোক আৰু মই বহুত বস্তু দিম। মোৰ ক্ষমতাই কুলাই মানে তোক যি লাগে তাকে দিম। তই কেৱল মোৰ কথাত সন্মত হ'লেই হ'ল।'

'কি কথা তোমাৰ?'—মই আচৰিত হৈ প্ৰশ্ন কৰিলো।

'অ', হয়তো, আচল কথাষাৰ তোক মই কোৱাই নাই'—হঠাৎ এটা লাজ আৰু সংকোচৰ ভাব তাৰ মুখত ফুটি উঠিল—'কথাটো কি জান? অতি সহজ কথা। তই সঁচাকৈয়ে বুজা নাই?'

মোৰ ওচৰলৈ অহা মানুহৰ এনে লজ্জিত সংকুচিত আচৰণ মোৰ কাৰণে একেবাৰে এটা নতুন অভিজ্ঞতা। কি এনে কথা থাকিব পাৰে· যিটো মুখ খুলি ক'বলৈ কান্তিৰ নিচিনা মানুহেও ভাষা বিচাৰি পোৱা নাই? সীমাহীন

বিস্ময়েৰে মই তাক সুধিলো—'তুমি আজি কি কথা কৈছা এইবোৰ? ভালকৈ বুজাই নোকোৱা কিয়? মই সঁচাকৈয়ে একো বুজিব পৰা নাই।'

মোৰ চকুলৈ খন্তেকপৰ স্থিৰ দৃষ্টিৰে চাই থাকি হঠাৎ এবাৰ সি মাত লগালে—'মই তোক বিয়া কৰিব খোজো।'

এটা অপ্ৰত্যাশিত আঘাতৰ দৰে আহি কান্তিৰ মুখৰ অবিশ্বাস্য শব্দ কেইটাই মোৰ বুকুত খুন্দা মাৰি দিলে, আৰু মোৰ গাটোই দেহটো হঠাৎ আন্দোলিত হৈ উঠিল। নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰি মই পুনৰ তাক সুধিলো—'কি ক'লা তুমি?'

'মই তোক বিয়া কৰিব খোজো।'

তাৰ কোলাৰপৰা খিয় হৈ মই বিছনাত বহিলো, আৰু কান্তিৰ মুখৰ ফালে চাই ক'লো—'ঠাট্টা-তামাছা কৰাৰ বয়স মোৰ নাই। আন কথা পাতা।'

কান্তি হঠাৎ উত্তেজিত হৈ উঠিল—'মই ঠাট্টা কৰা বুলি তই কিয় ভাবিলি? মই তোক বিয়া কৰিব খোজো, ইয়াত ঠাট্টাৰ কথা কি আছে? ৰাণ্ডি-গিৰি কৰিলি বুলি মানুহক এবাৰো বিশ্বাস কৰিবলৈ তোৰ শক্তি নাই নে? ৰাণী, মই ঠাট্টা কৰা নাই। মই তোক বিয়া কৰিব খোজো, তোৰ বিছনাত প্ৰথম শুৱৰ দিন ধৰি মই সেই কথা ভাবি আহিছো। মোক বিয়া কৰাবলৈ তোৰ ইমান আপত্তি কিয়? নে বেশ্যা-গিৰি কৰি তোৰ ইমানেই সুখ লাগিছে যে কেৱল এটা মানুহৰ তিৰোতা হৈ জীৱন কটোৱা তোৰ পক্ষে সম্ভৱ নহ'ব? মদ আৰু বেশ্যাৰ লগতেই মই গোটেই জীৱনটো ধ্বংস কৰিলো। হঠাৎ এতিয়া এইবোৰৰ প্ৰতি বিতৃষ্ণা লাগি আহিছে। তোক প্ৰথম দিনা দেখিয়েই মোৰ ভাব হ'ল—কিবা দৈব-দোষতহে তই বেশ্যা হ'বলৈ পালি—নহ'লে তোক ঈশ্বৰে ঘৰসংসাৰ কৰিবলৈকে সৃজন কৰিছিল। তোৰ প্ৰতি মোৰ কিবা এটা মায়া মোমাল। ভাবিলো—মোৰ জীৱনটো মদ-বেশ্যাৰ লগতেই গ'ল, এতিয়াও হঠাৎ ভাল ছোৱালী এজনী ক'ত পাওঁ; তয়ো এজনী নষ্ট যোৱা তিৰোতা, সংসাৰত তোৰো ঠাই নাই; এই দুই পাপীয়েই মিলি ঘৰ এখন পাতিব পাৰিলে বেয়া নহয়। কোনেও কাকো দোষিবলৈ নাই। সেই কথা ভাবিয়েই যোৱা এমাহে আন সকলো ধান্দা বাদ দি অলপ টকা-পইচাৰ যোগাৰ কৰিলো, সৰুকৈ ঘৰ এটাও ভাৰা কৰিলো, ভৱিষ্যত ৰোজগাৰৰ কাৰণে খিলি-পান আৰু মণিহাৰী মালৰ দোকান এখনো খুলিম বুলি ঠিক কৰিছো। দোকানত চোৰাংকৈ মদো বেচিম। সেই ব্যৱসায়ত বহুত লাভ। আমাৰ দুটা প্ৰাণীৰ

খুব ভালকৈ চলি যাব। মই ইমানখিনি কৰাৰ পাছত তই মোৰ কথাত অমান্তি হ'ব পাৰিবি ?'

কান্তিৰ কথাই মোৰ মনত এটা ধুমুহাৰ সৃষ্টি কৰিলে। সমস্ত অতীত জীৱনটো মোৰ চকুৰ আগত ভাঁহি উঠিল, মৰিশালীৰ মাটিৰ তলৰপৰা কাহানিবাই মৰি যোৱা মোৰ স্বপ্ন আৰু আশাবোৰ এটা এটাকৈ উঠি আহি মোৰ চকুৰ আগত নাচিবলৈ ধৰিলে। মোৰ অনুভৱ হ'ল—কান্তিৰ কথা, কান্তিৰ অস্তিত্ব, মোৰ অস্তিত্ব, এই ঘৰ-বাৰী, বেশ্যালয়—সকলোবোৰেই যেন মিছা, অবাস্তৱ, কেৱল এটা ভৌতিক কাণ্ড। বহুত পৰ নীৰৱে থাকি অৱশেষত মই মাত লগালো—'তুমি মোক মিছা আশা নেদেখুৱাবা কান্তি। জীৱনত এবাৰ যি বস্তু মই হেৰুৱাইছো, তাক আৰু কেতিয়াও ঘূৰাই নাপাওঁ। মাজতে মৰীচিকা খেদি পুনৰ লটিঘটি হ'বলৈ মোৰ সাহস নাই। মই যি বেশ্যা বেশ্যাই। সংসাৰৰ স্বপ্ন দেখা মোৰ কাৰণে পাপ।'

'তই কি বস্তু হেৰুৱাইছ মই নাজানো। কিন্তু তই এই কথা ভাবি নেচাৱ কিয় যে নতুনকৈ হেৰুৱাবলৈ তোৰ একো নাই ?

মোৰ লগত বিয়া সোমাই তোৰ জানিবা সুখ নহ'লেই, মই বাৰু তোক প্ৰতাৰণাই কৰিলো, কিন্তু তেতিয়াওতো বেশ্যালয়ৰ পথ তোৰ কাৰণে খোলা আছেই। তেনেস্থলত মোৰ প্ৰস্তাৱটো পৰীক্ষা কৰি চোৱাত তোৰ বাধা কি আছে ?'

কান্তিৰ এই যুক্তি সঁচাকৈয়ে অকাট্য, মই তাৰ উত্তৰ দিবলৈ একো যুক্তি বিচাৰি নাপালো। তথাপিও মোৰ মনে যে তাৰ কথাত কিয় সঁহাৰি দিব নোখোজে, সেই কথা ভাবি মই নিজেই বৰ আচৰিত হৈ গ'লো। বহুত পৰ ভাবি ভাবি মই অৱশেষত মাত লগালো—'তুমি বোধহয় গোটেই কথাটো দ'কৈ ভাবি চোৱা নাই। খন্তেকৰ নিচাত তুমি মোক বিয়া কৰাবা হয়, কিন্তু পিছত তুমি মোক প্ৰতি মুহূৰ্ততে সন্দেহ কৰিবা, এদিন মোক অকলে এৰি থৈ ক'ৰবালৈ যাব লগা হ'লেও ভাবিবা—বেশ্যাৰ কি সত্তাত আছে, মই নোহোৱাত তাই যে আন মানুহ আনি ঘৰত সুমুৱাব কোনে ক'ব পাৰে ? তেতিয়া আমাৰ দুয়োৰে জীৱন ভীষণ অসুখী হ'ব। আনহাতে, এবাৰ সংসাৰৰ সোৱাদ পাই তাৰ পিছত পুনৰ বেশ্যা-বাৰীলৈ ঘূৰি অহা মোৰ পক্ষে সম্ভৱ নহ'ব। নাই নাই, তুমি এই আশা বাদ দিয়া। আন কথা পাতা, তুমিতো আজি ইয়াতে ভাত খাবা, মই পাক-ঘৰত সোমাওঁ ?'

'মোৰ কথাত তই ৰাজী নোহোৱা পৰ্য্যন্ত মই ভাত নাখাওঁ'—কান্তিয়ে দৃঢ়ভাৱে উত্তৰ দিলে—'আজি মই তোক শুবলৈকে নিদিওঁ। তই ভাবিছ নে কি যে তই কোৱা কথাবোৰ মই ইতিমধ্যেই বিবেচনা কৰি চোৱা নাই? একো কথাই চিন্তা কৰিবলৈ মই বাকী ৰখা নাই। মই যদি তোক প্ৰকৃত ভাল-পোৱা দিব পাৰো, তই কেতিয়াও মোক বিশ্বাস-ঘাতকতা কৰিব নোৱাৰ। তই এতিয়া মোৰ লগত যাবলৈ সাজু হ।'

মানুহে কথাতে কয়—এবাৰ সাপে খালে লেজুলৈকো ভয়। সাপে মোক একেবাৰে ব্ৰহ্ম-তালুতে খোট মাৰি থৈছে, এতিয়া কেৱল লেজু কিয়, পৃথিৱীৰ সকলো বস্তুকেই মই সাপ বুলি ভয় কৰো। কান্তিক মই ক'লো—'তুমি সকলো কথাই ভাবিছা, কিন্তু আটাইতকৈ ডাঙৰ কথাটোকে ভাবিবলৈ বাকী ৰাখিছা। তুমি মোক বিয়া কৰাব খুজিছা, কাৰণ তুমি মোক ভাল পাইছা। কিন্তু মই তোমাক বিয়া কৰাম কিয়? মইতো তোমাক ভাল নাপাওঁ।'

কান্তি চকীখনত পোন হৈ বহিল। তাৰ মুখৰ চেহেৰাত হঠাৎ এটা অদ্ভুত পৰিবৰ্ত্তনে দেখা দিলে। কিবা এষাৰ ক'বলৈ গৈয়ো সি ঠমকি ৰৈ গ'ল। জীৱনত এনে এটা প্ৰশ্নও যে থাকিব পাৰে সেই বিষয়েই যেন তাৰ গভীৰ সন্দেহ হ'ল। অৱশেষত সি ধীৰে ধীৰে প্ৰশ্ন কৰিলে—'তই মোক ভাল নাপাৱ?'

'ওহোঁ, নাপাওঁ'—মই চমুকৈ উত্তৰ দিলো।

'কাক ভাল পাৱ তই?'

'কাকো ভাল নাপাওঁ। ভাল পোৱা বস্তুটো কি তাকেই মই বুজি নাপাওঁ। পেটৰ ভোকৰ বাহিৰে জীৱনৰ আন কোনো কথাই মই বুজি নাপাওঁ।'

কান্তিৰ মুখখন আগতকৈ উজ্জ্বল হৈ উঠিল। স্বস্তিৰ নিশ্বাস এটা পেলাই সি ক'লে—'তই ভাত ৰান্ধগৈ যা। কথা পাতিবলৈ গোটেই ৰাতিটো সময় পাম।'

গোটেই নিশাটো আমি কথা পাতিলো। শেহ ৰাতিলে মই কান্তিৰ ওচৰত নিজকে সমৰ্পণ কৰিলো—বেশ্যাৰ দৰে নহয়—বিবাহিত নৱ-বধূৰ দৰে। ৰাতিপুৱা শুই উঠি মই দেখো—গাৰুটো মোৰ চকুৰ পানীৰে তিতি চপ্‌চপিয়া হৈ আছে, আৰু মোৰ হৃদয়খন পানীৰে পৰিষ্কাৰকৈ ধুই ৰ'দত শুকাই লোৱা কাপোৰ এখনৰ দৰে শুভ্ৰ আৰু নিৰ্মল।

ৰাতিপুৱা কান্তি গুচি গ'ল। যাবৰ সময়ত সি মোক কৈ গ'ল সেই দিনাই গধূলি সি মোক লৈ যাবলৈ আহিব। গোটেই দিনটো মই ব্যস্ত হৈ ৰ'লো। মই যে কান্তিৰ গৃহিণী হৈ চিৰকালৰ কাৰণে বেশ্যালয় ত্যাগ কৰি গুচি যাম, এই বিস্ময়কৰ বিৰাট অসম্ভৱ খবৰটো সমস্ত বিশ্ব-সংসাৰকে চিঞৰি চিঞৰি কৈ দিবলৈ মোৰ মন গ'ল, কিন্তু বহুত কষ্ট কৰি ইচ্ছা মই দমন কৰিলো। মোৰ নতুন জীৱন যেন কাৰো ঈৰ্ষাৰ নিষ্ঠুৰ শিখাই স্পৰ্শ কৰিব নোৱাৰে, তাৰ কাৰণে মই সাৱধান হ'লো। যাবৰ সময় কাষ চাপি অহাৰ লগে লগে মই চাৰিওফালে ঘূৰি পকি চাই দেখিলো বিদায় পৰত মোক বিহ্বল কৰি তুলিবলৈ এই নৰকত একোৱেই বন্ধন নাই। কিন্তু পিছ মুহূৰ্ততে মই বুজিলো, মোৰ সেই ধাৰণা ভুল। জীৱনৰ ধৰ্মই এনে যে নৰকলো সি মমতাৰ বন্ধন সৃষ্টি কৰি লয়। পাক ঘৰৰ পিৰালীতে মই এজোপা খৰিকা-জাঁই ফুল ৰুইছিলো, পৰম যত্নেৰে মই তাক ডাঙৰ দীঘল কৰিছিলো। মাত্ৰ কেইদিনমানৰপৰা সি ফুলিবলৈ আৰম্ভ কৰিছিল। তাৰ স্নিগ্ধ নম্ৰ সৌৰভে বেশ্যালয় এন্ধাৰ কাৰাগাৰৰ মাজতো মোক কোনোবা সুদূৰৰ বাতৰি আনি দিছিল। সেই প্ৰিয় ফুলজুপি এৰি যাব লগা হোৱাত মোৰ হৃদয় কান্দি উঠিল। এটা সৰু কুকুৰ পোৱালীয়ে সদায় নিৰ্দিষ্ট সময়ত মোৰ পেলনিয়া ভাতবোৰ খাবলৈ আহিছিল। কঁাহি বাতি ধুবৰ সময়ত নিজৰ অজ্ঞাতসাৰেই তাৰ কাৰণে অপেক্ষা কৰা মোৰ অভ্যাসত পৰিণত হৈছিল। মই গুচি গলে তাক আৰু কোনে ভাত দিব বুলি ভাবি মোৰ মনটো সেমেকি উঠিল। অনাথ নাবালক ভাই এটাৰ কাৰণে বিয়া হৈ যাব ওলোৱা বায়েকৰ দৰে সেই কুকুৰ পোৱালীটোৰ কাৰণেও মনে মনে ভগৱানক প্ৰাৰ্থনা কৰিলো।

অৱশেষত দিনটোৰ অন্ত পৰিল। গধূলিৰ অলপ পাছতে কান্তিয়ে আহি মাত লগালে—'সাজু?' তাৰ পাছত হঠাৎ বিস্মিত আনন্দত সি প্ৰায় চিঞৰি উঠিল, 'বাঃ, ইতিমধ্যেই কপালত সেন্দুৰৰ ফোট লোৱাও হৈ গৈছে?'

মূৰত ওৰণীখন লৈ মই তাক খপ্ কৰে সেৱা এটা কৰিলো।

# চতুৰ্থ পৰ্ব

ঈশ্বৰে যদি মোক সোধে—'তোমাৰ জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাৰ্থনা কি'—তাৰ উত্তৰ দিবলৈ মোৰ বোধ হয় একমুহূৰ্তৰ এশভাগৰ এভাগ সময়ো দৰকাৰ নহ'ব। মোৰ একমাত্ৰ উত্তৰ: 'স্বামী আৰু সন্তানৰে সৈতে এখন ঘৰ। সেই ঘৰৰ মুধেদি আকাশ দেখা হওক, ক্ষতি নাই; দুবেলা পেট ভৰাই খাবলৈ নাপাওঁ, আপত্তি নাই; অভাব-অনাটনে চাৰিওফালৰপৰা পিছি মাৰক, অভিযোগ নাই। স্বামী আৰু সন্তান পালে বাকী আন সকলো নোপোৱা তুচ্ছ হৈ যাব; বাকী সকলো পাই স্বামী-পুত্ৰ নাপালে সি কেৱল প্ৰাণ-হীন বস্তু-পুঞ্জৰ শ্বাসৰোধকাৰী আৱৰ্জনা মাত্ৰ।'

কোনোবাই যদি মোক সোধে—'তোমাৰ জীৱনৰ আটাইতকৈ সাৰ্থক সময় কোনখিনি'—কিয়, তাৰো উত্তৰ কাৰোবাক মুখ ফালি ক'ব লাগে নে কি? কান্তিৰ হাতত ধৰি বেশ্যালয় ত্যাগ কৰি আহিবৰ মুহূৰ্তৰপৰাই আৰম্ভ হ'ল মোৰ নতুন স্বৰ্গ-বাস। সেই দিনা ৰাতিয়েই আনি সি মোক সুমুৱালেহি তাৰ নতুন ঘৰত। ঘাই ৰাস্তাৰপৰা এটা ঠেক গলি পাৰ হৈ কিছু দূৰত সৰু এটা খেৰৰ ঘৰ, দুটা মাত্ৰ কোঠা, কাষৰে-পাজৰে অকণো মুকলি ঠাই নাই, কিন্তু ঘৰটোত ভৰি দিয়াৰ লগে লগেই মোৰ ভাব হ'ল, ৰজাৰ অট্টালিকাও ইয়াতকৈ নিশ্চয় বেছি ধুনীয়া হ'ব নোৱাৰে। ন-কইনাৰ দৰে লজ্জিত সংকুচিত ভংগীৰে এখোজ এখোজকৈ মই ভিতৰলৈ সোমাই গ'লো, আৰু প্ৰতিমুহূৰ্ততে মই অনুভৱ কৰিবলৈ ধৰিলো যে পাৰৰ খোপৰ দৰে সেই অকণমানি কোঠাদুটাৰ মাজত লুকাই থকা অনন্ত ৰহস্য গোটেই জীৱন ধৰি আৱিষ্কাৰ কৰিও মই শেষ কৰিব নোৱাৰিম। পাপীৰ নৰক-বাসৰ অন্তত অৱশেষত মই আহি পালো চিৰ-কামনাৰ স্বৰ্গ।

মোক ঘৰত থৈয়েই ভাত ৰান্ধিবলৈ কৈ কান্তি ওলাই গ'ল। বজাৰত বোলে তাৰ কিবা কাম আছে। ঘৰটোৰ চাৰি-চুক মাৰি চাই মই ভাত ৰান্ধিবলৈ বহিলো। কান্তিয়ে দুপৰীয়া বোধহয় নিজে ভাত ৰান্ধি খাইছিল, বাচন-বৰ্তন-

বোৰ মোধোৰাকৈ এৰি থৈছে। দা-কটাৰী, শাক-পচালি চাৰিওফালে সিঁচৰতি হৈ পৰি আছে। সংসাৰত কেও-কিছু নোহোৱা মানুহটোৰ জীৱনৰ খান-খিট নোহোৱা চেহেৰা দেখি মনে মনে মই এটা গভীৰ দুখ অনুভৱ কৰিলোঁ। বেচেৰাই বাৰম্বাৰ অনুৰোধ কৰা সত্ত্বেও প্ৰথমে তাৰ লগত আহিবলৈ ৰাজী নোহোৱাৰ কাৰণে মোৰ নিজকে অপৰাধী যেন লাগিল। দুয়োটা ঘৰ ভালকৈ সাৰি-পুচি পৰিষ্কাৰ কৰি মই ভাত ৰান্ধিবলৈ বহিলোঁ। ভাত ৰান্ধিও যে হৃদয়ত এনে এটা অবৰ্ণনীয় তৃপ্তি পোৱা যায়, ইয়াৰ আগতে সেই বিষয়ে মোৰ কোনো ধাৰণাই নাছিল। ভাত ৰান্ধি শেষ কৰি মই পৰম আবেগ আৰু যত্নেৰে আমাৰ বিছনাখন পাৰিলোঁ, কান্তিৰ গাৰুৰ ওপৰতে মই আচলত বান্ধি অনা খৰিকা-জঁাইৰ ফুল কেইটামান ধুনীয়াকৈ সজাই থলোঁ।

ৰাতি যথেষ্ট হ'ল, কিন্তু কান্তি ঘূৰি অহা নাই। এনেয়ে অলপ সময় বহি থাকি মোৰ মনত পৰিল, সি আহে মানে মই গাটো ধুই লোৱাই বোধহয় ভাল হয়। আমাৰ নতুন বিছনাত বেশ্যালয়ৰ ধূলি এটাৰো যেন স্পৰ্শ নালাগে। এবাল্টি মাত্ৰ পানী আছিল, তাৰেই এটোপা পানীও অপব্যয় নকৰাকৈ গাটো খচি খচি ধুই পেলালোঁ। জীৱনত প্ৰথম বাৰৰ কাৰণে মোৰ অনুভৱ হ'ল, গা ধোৱাৰ উদ্দেশ্য কেৱল দেহৰ মলি গুচোৱাই নহয়—সি দেহ আৰু মনৰ এটা পবিত্ৰ প্ৰাৰ্থনাও।

নতুন কাপোৰ-কানি পিন্ধি মই স্পন্দিত হৃদয়েৰে প্ৰতীক্ষা কৰিবলৈ ধৰিলোঁ কান্তিৰ আগমনৰ।

অৱশেষত কান্তি আহিল। বাহিৰৰ বন্ধ দুৱাৰখনত গোৰ এটা মাৰি সি চিঞৰ লগালে—'চালী ৰাণ্ডি, দুৱাৰ-ঘৰ মাৰি ভিতৰত কি কৰিছ? মানুহ আছে নে কি লগত?'

হঠাৎ মোৰ অনুভৱ হ'ল, মোৰ ভৰিৰ তলৰপৰা পৃথিৱীখন যেন অকস্মাৎ পিছলি গ'ল, আৰু মই আছাৰ খাই পৰিলোগৈ অতল অন্ধকাৰ এটা গহ্বৰত। উঠিব নোৱৰা হৈ তাতেই মই মুখ ঠেকেছা খাই পৰি ৰ'লোঁ। ইফালে প্ৰতি মুহূৰ্ততে মোৰ কাণত আহি পৰিবলৈ ধৰিলে বাহিৰৰ বন্ধ দুৱাৰত কান্তিৰ ভৰিৰ আঘাত, আৰু লগে লগে তাৰ অশ্লীল চীৎকাৰ। অৱশেষত মন্ত্ৰ-চালিত মানুহৰ দৰে উঠি গৈ মই দুৱাৰখন খুলি দিলোঁ।

ঠৰকৰবৰক খোজেৰে কান্তি ভিতৰলৈ সোমাই আহিল, মদৰ উৎকট দুৰ্গন্ধত গোটেই ঘৰটো ভৰি গ'ল। মই দৌৰ মাৰি আহি বিছনাত বাগৰি পৰিলোঁ

আৰু গাৰুটোত মুখখন গুজি ডিঙি ফালি ওলাই আহিব খোজা কান্দোনটো গাৰ জোৰেৰে হেচি ধৰিলো। কিন্তু তাৰ ঠেলাত ভূমিকম্প হোৱাৰ দৰে মোৰ গোটেই দেহটো ফুলি ফুলি কঁপি উঠিল, সেই কঁপনিটো মই কোনোমতেই দমন কৰিব নোৱাৰিলো।

কিছু সময় কান্তিৰ কোনো মাত বোল নাই। সি নীৰৱে কি কৰিছে মই তাকো ক'ব নোৱাৰো। বহুত পৰৰ মূৰত হঠাৎ মোৰ পিঠিত তাৰ স্পৰ্শ অনুভৱ কৰিলো, আৰু লগে লগে সি মাত লগালে—'মদৰ নিচাত মই জ্ঞান হেৰুৱাই পেলাইছিলো ৰাণী। তই বেয়া নাপাবি। মই নিচাৰ কোবত সকলো কথা পাহৰি গৈছিলো। বহুদিনৰ পুৰণি বদভ্যাস, কি কৰিবি। লাহে লাহে সকলো ঠিক হৈ যাব।

গাৰুৰপৰা মূৰ দাঙি কান্তিৰ বুকুত মুখ গুজি মই তাক সাৱতি ধৰিলো, আৰু মোৰ তপত চকুৰ পানীৰে তাৰ বুকুখন তিতাই দি ঈশ্বৰৰ ওচৰত মই প্ৰাৰ্থনা কৰিবলৈ ধৰিলো—'তুমি কান্তিক ভাল পথলৈ আনা ভগৱান ; গোটেই জীৱন ইমান যাতনা ভোগাই শেষ সময়ত এইকন সুখৰ লোভ দেখুৱাই তাকো কাঢ়ি নিনিবা প্ৰভো !'

ভাত-পানী খাই প্ৰায় মাজ ৰাতি মই বিছনাত পৰিলো। মোক বুকুত সাৱতি লৈ কান্তিয়ে বাৰে বাৰে শপত খাবলৈ ধৰিলে—সি জীৱনত আৰু কেতিয়াও মদ নাখায়, কালিলৈ পুৱাৰেপৰা সি জীৱনটো সম্পূৰ্ণ নতুনকৈ আৰম্ভ কৰিব। মই অন্তৰৰপৰাই তাক ক্ষমা কৰি দিলো। বেচেৰাৰ গাত কি দোষ, ইমান পুৰণি বদভ্যাস এটা মানুহে একে দিনাই এৰিব পাৰে নে ? মোৰ-পৰা প্ৰকৃত প্ৰেম আৰু প্ৰেৰণা পালে সি নিশ্চয় আকৌ ভাল মানুহ হ'ব। হৃদয়ৰ সমস্ত আবেগেৰে তাক মই মোৰ বুকুত হেচি ধৰিলো, আৰু নিজকে সম্পূৰ্ণ উজাৰ কৰি মোৰ দেহ-মন তাক বিলাই দিলো।

ৰাতিপুৱা যেতিয়া শুই উঠিলো, আগ ৰাতিৰ সুখ-স্মৃতি মোৰ সৰ্বাংগত তেতিয়াও সজীৱ হৈ লাগি আছিল। চাহ খাবলৈ বহি কান্তিয়ে আৰম্ভ কৰিলে—'দোকানখন আজিৰপৰাই আৰম্ভ কৰিম বুলি ভাবিছো। মই এতিয়া মাল-বস্তু কিনিবলৈ যাওঁ। দোকান ঘৰটোৰ দামো আধাহে দিয়া হৈছে, আধা দিবলৈ বাকীয়েই আছে। মোৰ হাতত সম্প্ৰতি তিনি শমান টকা আছে, বিশ্বাসী দোকানী এটাৰ হাতত জমা থৈছো। তয়ো অলপ টকা দিব পাৰিবি নে কি ?'

'দিব নোৱাৰাৰ কি কথা আছে'—মই উত্তৰ দিলো—'মোৰ টকা কিবা তোমাৰ টকা নহয় নে কি ? কিমান টকা লাগিব ?'

'কিমান দিব পাৰিবি তই ?'

মোৰ হাতত আচলতে বাৰ শ মান টকা আছিল, কিন্তু কিয় জানো সঁচা কথাষাৰ ক'বলৈ মোৰ মনে মোক বাধা দিলে। মই সহজভাৱেই উত্তৰ দিলো—'মোৰ হাতত পাঁচ শ মান টকা আছে। কিন্তু গোটেইখিনি টকা খৰচ কৰি পেলোৱা উচিত নহ'ব। টানে-আপদে খৰচ কৰিবলৈ হাতত কিছু টকা ৰখা ভাল। তুমি সম্প্ৰতি দু শ মান টকা লৈ যোৱাঁ।'

কান্তিৰ মুখখন খুচিত উজ্জ্বল হৈ উঠিল। মোৰ কথাষাৰ উৎসাহেৰে সমৰ্থন কৰি সি ক'লে—'তই ঠিক কথাই কৈছ। গৃহস্থী মানুহে হাত খালি কৰি ৰাখিব নাপায়। সেই দুশটকাকে এতিয়া দে। মই যাওঁ।'

কান্তি ওলাই গ'ল। 'গৃহস্থী মানুহ'—কান্তিৰ মুখৰ এই শব্দ দুটা এটা সুৰদি গানৰ বেশৰ দৰে মোৰ কাণৰ কাষত গুণ গুণকৈ বাজি থাকিবলৈ ধৰিলে। আমি তেন্তে সঁচাকৈয়ে গৃহস্থী মানুহ ? আমাৰ এই সংসাৰ স্বপ্ন নহয়, সম্পূৰ্ণ বাস্তৱ ? কাণৰ কাষত এই মধুৰ সুৰৰ ঝংকাৰ লৈ মই ঘৰৰ ইখন-সিখন কাম কৰিবলৈ ধৰিলো। কাম শেষ হৈ গ'লত কৰাখনকে পুনৰ আৰু নিখুঁত কৰি কৰিবলৈ যত্ন কৰিলো, কান্তিৰ ময়লা কাপোৰবোৰ ধুই দিলো, ভাত ৰান্ধিলো, গা ধুলো, তাৰ পাছত ক্লান্ত গৃহস্থটো ঘৰলৈ ঘূৰি অহাৰ আশ্চৰ্য্য মুহূৰ্তটোৰ কাৰণে বাট চাবলৈ ধৰিলো। বেলি মূৰৰ পোন পালেহি, চাৰিও ফালে মধুৰ নিস্তব্ধতা, দুজনী শালিকাই চোতালত দেও দি দি ঘূৰি ফুৰিছে, মাজে মাজে বতাহত ওচৰৰ গছ এজোপাৰ পাতবোৰ মৃদু শব্দ কৰি কঁপি উঠিছে, সমস্ত পৃথিৱী জুৰি যেন এটা মধুৰ স্নিগ্ধ শান্তি, ঘৰ-মুৰা এটা ক্লান্ত গৃহস্থৰ কাৰণে সকলোৰে আবেগময় অথচ নিৰুদ্বেগ প্ৰতীক্ষা।

ব'দত ঘামি-জামি আহি কান্তি ঘৰ সোমাল। তাক বহিবলৈ দি মই বিচনী এখনেৰে তাক বিচিবলৈ ধৰিলো আৰু কি কি বজাৰ কৰিলে তাৰ খবৰ ল'লো। কথা কৈ থকাৰ মাজতে সি এবাৰ মোক ওচৰলৈ টান মাৰি নি মৰম কৰিলে। তাৰ পাছত গা ধুই ভাতপানী খাই সি বিছনাত পৰিল। মই কিতাপ এখন লৈ পঢ়িবলৈ বহিলো।

আবেলি পৰত চাহ খাই কান্তিয়ে দোকান খুলিবলৈ বুলি ওলাই গ'ল। ৰাতি হৈ অহাৰ লগে লগে মোৰ ভয় লাগিবলৈ ধৰিলে। আজিও যদি সি

খোৱা কালিৰ দৰেই অশ্লীল গালি-গালাজ কৰে, মই কেনেকৈ সহ্য কৰিম? কিন্তু মোৰ উৎকণ্ঠাৰ ওৰ পেলাই সি ন মান বজাতে ঘৰলৈ ঘূৰিল। আহি পায়েই সি নানা-ধৰণেৰে মৰম কৰি মোক ব্যতিব্যস্ত কৰি তুলিলে। অৱশেষত কৃত্ৰিম খণ্ডত মই যেতিয়া তাক শাসন কৰিবলৈ আগ বাঢ়িলো, সি বাধ্য শিশুৰ দৰে ভয় খোৱা যেন দেখুৱাই মাত লগালে—'আজি কিন্তু তোৰ ওচৰত মোৰ এটা আৰ্জি আছে।'

"বাঃ, তিৰোতাক ভুলাব পৰা গোটেইখিনি মন্ত্ৰ ভালকৈয়ে জনা আছে'—মই তৃপ্তিৰ হাঁহি এটা মাৰি ক'লো—'পিছে আৰ্জিটোনো কি শুনোচোন।'

'আৰ্জিটো হ'ল এই'—পেণ্টৰ জেপৰপৰা সৰু মদৰ বটল এটা উলিয়াই থৈ সি ক'লে—'একেদিনে মদ এৰা বৰ টান কথা বাণী। লাহে লাহে নিশ্চয় এৰিম। কিন্তু একেবাৰে এৰিব নোৱৰা পৰ্য্যন্ত তোৰ কথাও ৰওক, মোৰ কথাও ৰওক, মই সদায় ঘৰতে অকলশৰে মদ খাম। তই যিমানখিনি খাবলৈ দিয় সিমানখিনিহে খাম। কি? আৰ্জি মঞ্জুৰ?'

মই কান্তিৰ মুখলৈ চালো। মেলেৰিয়া জ্বৰত ভোগা শিশুৱে টেঙা খাবলৈ বিচাৰি ডাঙৰৰ ওচৰত আৱদাৰ ধৰাৰ দৰে ভীৰু লুভীয়া দৃষ্টিৰে সি মোৰ মুখলৈ চাই আছে, তাৰ আৰ্জি না-মঞ্জুৰ কৰিবলৈ মোৰ সত নগ'ল। ভিতৰৰপৰা কাপ এটা আনি তেতিয়াই ধল্ধল্কৈ মদ একাপ বাকী কান্তিৰ হাতলৈ আগ বঢ়াই দি অভিভাৱিকাৰ সমুচিত ভংগীৰে মই ক'লো—'খাই কিন্তু বিছনাত শুই থাকিব লাগিব। অলপ মাতলামী কৰিলেই কথা বেয়া হ'ব।'

তৃপ্তিৰ হাঁহিৰে উজ্জ্বল মুখখন অন্য এটা লোভেৰে শাণিত কৰি সি মোৰ মুখৰ ফালে আগবঢাই দিলে। 'ধেৎ দুষ্ট'—তাৰ কপালতে টপ্কৈ চুমা এটা খাই মই ভিতৰলৈ দৌৰি পলালো।

[ ২ ]

নতুন ঘৰলৈ অহাৰ দুদিন মানৰ পাছতে কান্তিৰ হতুৱাই গঁচ বিচৰাই আনি পিৰালীৰ কাষতে দোজোপা নাৰ্জি ফুল ৰুইছিলো। চাওঁতে চাওঁতে ফুল-দোজোপা ডাঙৰ হৈ আহিল আৰু ফুলৰ কলি ওলাবলৈ ধৰিলে।

এদিন আবেলি পৰত ফুল দোজোপাৰ গুৰি চাফা কৰিবলৈ গৈ দেখো,

কলি কেইটা নৌ ফুলোতেই শুকাই মৰহি গৈছে। ভালকৈ পৰীক্ষা কৰি দেখিলো, ফুল আৰু ফুলিৰ ক'বপৰা, অজস্ৰ সৰু সৰু হালধীয়া পোকে ঠাৰিতে কালিবোৰ খাই শেষ কৰি আনিছে। গ'ছৰ পাতবোৰো পোকে খাই ঠকা সৰকা কৰি পেলাইছে। বৰ আশাৰে ফুল দোজোপা ৰুইছিলো, এতিয়া তাৰ এনে অৱস্থা দেখি মনটো বৰ দুখ লাগিল। আন কাম-বন এৰি এটা এটাকৈ পোকবোৰ বাছিবলৈ ধৰিলো।

ৰাতি কান্তি সোনকালে ঘৰলৈ ঘুৰি অহাৰ কথা। ঘৰত চাউল ডাইল সকলো শেষ হৈছে, কান্তিয়ে বজাৰ কৰি আনিলেহে ভাত ৰান্ধিব পৰা হ'ব। সি অহা বেলিকৰা দেখি কিতাপ এখন উলিয়াই পঢ়িবলৈ বহিলো। কিতাপ পঢ়ি থাকোতেই কিমান সময় পাৰ হৈ গ'ল খবৰ নাছিল, হঠাৎ এবাৰ কিতাপখন জপাই মোৰ অনুভব হ'ল যে ৰাতি বোধহয় বহুত হ'ল। কান্তিয়ে আজি সোনকালে অহা দূৰৰ কথা—অথচ আন দিনাতকৈ সি বেলিহে কৰিছে। মোৰ মনত খুব দুশ্চিন্তা হ'বলৈ ধৰিলে। চিন্তা কৰি একো লাভ নাই বুলি ভাবি মই পুনৰ কিতাপত মন বহুৱাবলৈ যত্ন কৰিলো, কিন্তু আৰু এঘণ্টা মান যোৱাৰ পাছতো যেতিয়া কান্তি নাহিল, মই অস্থিৰ হৈ উঠিলো। বাহিৰহৈ ওলাই গৈ পদূলি মুখত থিয় হৈ দেখিলো, এন্ধাৰ গলিটো একবাৰে জন-শূন্য। কিছু সময় তাত ৰৈ থাকি পুনৰ ঘৰলৈ সোমাই আহিলো। কিন্তু ঘৰতো শান্তিৰে বহি থকা সম্ভৱ নহয়, এটা অস্পষ্ট আশংকাত মোৰ গাটো ছাটি-ফুটি কৰিবলৈ ধৰিলে। কান্তিয়ে জানে যে সি বজাৰ কৰি নানিলে আজি চৰুৰ তললৈ জুই নেযায়, তেনে স্থলত ডাঙৰ কিবা এটা ঘটনা নঘটিলে সি বাহিৰত ইমান পলমকৈ থকাৰ কাৰণ কি? নানা দুশ্চিন্তাত অস্থিৰ হৈ ঘুৰি ঘুৰি এসময়ত মই অনুভৱ কৰিলো যে কান্তিৰ লগত মোৰ সংসাৰ পাৰস্পৰিক বিশ্বাসৰ ওপৰত এতিয়াও দৃঢ়ভাৱে প্ৰতিস্থিত হোৱা নাই, অন্ততঃ মোৰ মনত এতিয়াও তাৰ সম্বন্ধে জমা হৈ আছে নানা গোপন ভয় আৰু সন্দেহ। এই অপ্ৰিয় আৱিষ্কাৰে মোৰ মনটো আৰু বেছি অসুখী কৰি তুলিলে। আমাৰ বিয়াখন যেন অচল বিয়া নহয়, এটা সাময়িক পৰীক্ষাহে, এই কথা অনুভৱ কৰি মই হঠাতে নিজকে খুব দুৰ্বল আৰু অসহায় যেন অনুভৱ কৰিলো।

মই কেতিয়া শুই পৰিছিলো ক'বই নোৱাৰো, হঠাৎ গাৰ নিচেই কাষতে কান্তিৰ চিঞৰত মই খকমককৈ সাৰ পাই গ'লো। চকু মেলি দেখিলো, অস্থিৰ ঠৰক্-বৰক্ খোজেৰে বিছনাৰ কাষত থিয় হৈ আছে কান্তি, মুখৰ আৰু

গাৰ প্ৰতি লোম-কূপৰপৰা বাহিৰ হৈছে মদৰ দুৰ্গন্ধ, গাৰ কাপোৰ-কানি বোকাত লুটুৰি-পুটুৰি, মুখখন মাৰ খোৱা কুকুৰৰ দৰে খঙত ফেন খোৱা। মোক চকু মেলা দেখিয়েই সি কেং-কেংকৈ চিঞৰি উঠিল—'চালী বাণ্ডি, নটীৰ দৰে যে বিছনাত চোল হৈ শুই আছ, দুৱাৰখন খুলি ৰাখিব লাগে বুলি নাজান? বাহিৰৰপৰা কেইবাৰ টেটু-ফলা চিঞৰ লগালো, চালী বাণ্ডিৰ খবৰেই নাই, চালি হাৰামজাদি'—এটা প্ৰচণ্ড চৰত মোৰ কাণখন তাল মাৰি গ'ল।

অকণো উত্তেজিত নহৈ মই শান্তভাৱে তাক সুধিলো—'ৰাতি কিমান হ'ল খবৰ আছে নে? তুমি আজি বজাৰ কৰি অনাৰ কথা আছিল। ক'ত থলা বস্তবোৰ?'

'কি? তই ভাত ৰান্ধি খোৱা নাই? তোৰ হাতত্তো দেখোন টকা আছে, মই নাজানো বুলি ভাবিছ নে কি? তাৰে তই বজাৰ কৰি ভাত ৰান্ধি খব নোৱাৰিলি? বাঃ, চালি ৰাণ্ডিৰ জেদটো চোৱা, মোৰ অহা বেলি হোৱা কাৰণে তাই ভাতেই ৰন্ধা নাই। উঠ, উঠ, এতিয়াই উঠ, তই বজাৰ কৰি আনি মোক ভাত ৰান্ধি দিবই লাগিব।'

'তুমি কিয় বজাৰ নকৰিলা?'—অসম্ভৱ শান্তভাৱে মই পুনৰ প্ৰশ্ন কৰিলো।

'কি? তই মোৰ কৈফিয়ৎ দাবী কৰিছ? তোৰ ইমান সাহ হ'ল? ৰ, আজি তোৰ ডেমাক ভাঙি গুৰি কৰিম'—কথাষাৰ কৈয়েই সি পাক ঘৰৰ-পৰা খৰি এডাল আনি মোৰ মুখলৈ নোচোৱাকৈ মাৰিবলৈ ধৰিলে। মই তাৰ প্ৰহাৰলৈ ভ্ৰূক্ষেপ নকৰি মৰা কাঠ ডালৰ দৰে পৰি ৰ'লো। সেই সময়ত মোৰ মনত যি জুই জ্বলি ছল, তাৰ উত্তাপৰ তুলনাত দেহটো একেবাৰে অসাৰ হৈ গৈছিল। কাঠিৰ প্ৰহাৰৰ আঘাত মই অনুভৱেই কৰিব নোৱাৰিলো। ইচ্ছামতে মোক মাৰি অৱশেষত ক্লান্ত হৈ সি বোকাৰে লুটুৰি-পুটুৰি কাপোৰেৰেই বিছনাত শুই পৰিল।

ৰাতিপুৱা শুই উঠিয়েই সি মোক ক'লে—'তোৰ হাতত এতিয়াও তিনিশমান টকা আছে নহয়? তাৰে এশ টকা উলিয়াই দেচোন।'

'হঠাৎ তোমাক টকাৰ গৰজ কিয় হ'ল? দোকানৰ টকাবোৰ কি কৰিলা?'

দোকানৰ টকা দোকানত আছে। তাৰ খবৰ তোক কিয় লাগে? টকা এশ উলিয়াই দে।'

আগ নিশা বজাৰ নকৰি সি শূন্য হাতে ঘৰলৈ অহা দেখিয়েই মোৰ কিবা এটা সন্দেহ হৈছিল, এতিয়া বাপ্তিপুৰাই পুনৰ টকা খোজা দেখি মোৰ সন্দেহ বেছি হ'ল। মই স্পষ্টভাৱেই তাক প্ৰশ্ন কৰিলো—'দোকানত যদি টকা আছে, এতিয়া তোমাক কিয় টকা লাগে ? তদুপৰি টকা থাকোতেও তুমি কালি কিয় বজাৰ কৰি নানিলা ? বাক, টকা এশ দিয়াৰ কথা পাছত হ'ব, এতিয়া তুমি দোকানৰ টকাৰেই চাউল-ডাইল বজাৰ কৰি আনা। কালি ৰাতিও ভাত খোৱা নাই, সোনকালে ৰান্ধিব লাগে।'

'আগতে মোক টকা দে, পাছত বজাৰৰ কথা হ'ব'—সি গোঁৱাৰৰ দৰে উত্তৰ দিলে।

তাৰ লগত কথাৰ লুকা-ভাকু খেলিবলৈ মোৰ আৰু ধৈৰ্য্য নাছিল, মই এইবাৰ চিধাচিধি তাক প্ৰশ্ন কৰিলো—'তুমি মোৰপৰা কথাবোৰ লুকুৱাইছা কিয় ? আচলতে তুমি সকলো টকা ক'ৰবাত উৰাই শেষ কৰিছা। তাকে ঠাণ্ডা মগজেৰে ক'বলৈ লাজ পাম বুলি ভাবি কালি ডিঙিলৈকে মদ গিলি আহিছা। তুমি আচলতে দোকান দিছিলা নে নাই সেই কথাতেই মোৰ এতিয়া সন্দেহ হৈছে। গোটেই কথাবোৰ মোক খুলি কোৱা। মটা মানুহ হৈ সঁচা কথা নক'লে মই এশ টকা কিয়, আৰু এটা পাতি পইচাও নিদিওঁ।'

মোৰ কথাবোৰ শুনি শুনি নীৰৱ কঠিন দৃষ্টিৰে সি মোৰ মুখলৈ চাই ৰ'ল। কথাৰ যুদ্ধত সি যে হাৰি গৈছে, সি বোধহয় মনে মনে সেই কথা অনুভৱ কৰিলে। তাৰ মুখত এটা মানসিক সংঘৰ্ষৰ ভাব ফুটি উঠিল। কিছুপৰ তেনেকৈ নীৰৱ হৈ থাকি হঠাৎ এবাৰ সি অনাবশ্যক জোৰেৰে চিঞৰি উঠিল—'চালি বাণ্ডি, তোৰ আগত মই ভয় কৰি কথা ক'ম ? তোৰ নিচিনা কিমান মাগীক মাৰৰ কোবত ধূলি কৰি দিলো, কেইজনীক জীয়াই জীয়াই পুতি পেলালো, এতিয়া এই খাবলৈ-নোপোৱা আধা-বুঢ়ী বাণ্ডিজনীক মই সমীহ্ কৰি চলিম ?—শুন, মই কেতিয়াও দোকান দিয়াই নাই, তোৰপৰা নিয়া চব্ টকা মদ খাই আৰু জুৱা খেলি উৰাই দিছো, মোৰ হাতত আৰু এটা টকাও বাকী নাই ;—কি হ'ল পিছে ? কি কৰিবি তই মোক ? মাত্ৰ এশ টকা নহয়, তিনিশ টকাই মোক উলিয়াই দে। এতিয়াই উলিয়াই দে।'

বিস্মিত বা উত্তেজিত হ'বলৈ মোৰ দেহ-মনত অকণো শক্তি বাকী নাছিল, দুৰ্বলভাৱে মই সুধিলো—'সেই তিনিশ টকাও শেষ হ'লে কি কৰি খাবা ?'

'সেই চিন্তা মোৰ। তই সেই কথা ভাবি মৰিব লাগিছে কিয় ? ভৱিষ্যতে

কি হ'ব সেই কথা জীৱনত কেতিয়াও ভবা নাই, আজিও নাভাবো। টকাখিনি উলিয়াই দে।'

মই আৰু একো মাত নামাতি টকা তিনিশ তাৰ হাতত দি দিলো।

[৩]

টকা তিনিশ হাতত পৰিবৰপৰা কান্তিয়ে আকৌ কিছুদিনৰ কাৰণে ভাল মানুহৰ অভিনয় কৰিবলৈ ধৰিলে। আগৰ দৰেই সি উচ্ছ্বসিত হৈ মোক আদৰ কৰে, ৰাতি সোনকালে ঘৰলৈ ঘূৰি আহে, কেতিয়াও কোনো কথাতে মোক খঙ নকৰে: মুঠতে তাৰ আচৰণৰপৰা যিটো বুজিলো, কাম-বন নকৰাকৈ বহি বহি জুৱা খেলিবলৈ আৰু মদ খাবলৈ টকা পাই থাকিলে তাৰ লগত সংসাৰ কৰা বিশেষ টান কথা নহয়। কিন্তু নিষ্কৰ্মা জুৱাৰী এটাক মই ক'ৰপৰা সদায় টকা দি দি তাৰ মেজাজ ভাল কৰি ৰাখিম ?

বাহিৰত কান্তিক দেখুৱাই নিৰ্বিকাৰ হৈ ৰ'লো, মনে মনে ভৱিষ্যত সম্পৰ্কে নানা দুশ্চিন্তা হ'বলৈ ধৰিলে। টকা তিনিশ খৰচ কৰি শেষ হ'লেই কান্তিয়ে কি মূৰ্তি ধৰে তাৰ ঠিক নাই। মোৰ হাতত আৰু সাতশ টকা অৱশ্যে আছে, কিন্তু এটা মিছলীয়া অসঙ্গাতী মানুহক শেষ কৰ্পদক পৰ্য্যন্ত দি নিজে অৱশেষত ৰাস্তাৰ ভিক্ষাৰিণী হ'বলৈ মোৰ সাহস নাই। মোৰ কেৱল ভয় হ'বলৈ ধৰিলে, সি যদি কেনেবাকৈ মোৰ হাতত আৰু টকা থকা বুলি সন্দেহ কৰি মোক অত্যাচাৰ কৰে, তেতিয়া মই কি কৰিম ? সময় থাকোতেই সাৱধান হোৱা ভাল বুলি ভাবি মই বাকচৰপৰা টকাখিনি উলিয়াই ঘৰটোৰ চুকৰ সি ভাবিব নোৱৰা ঠাই এখনত লুকুৱাই থলো। তাৰ পাছত মই ভাগ্যৰ পৰিণতি চাবলৈ নিৰুপায়ভাৱে নীৰৱে বাট চাই ৰ'লো।

অৱশেষত এদিন মই আগন্তুক বিপৰ্য্যয়ৰ প্ৰথম সংকেত দেখিবলৈ পালো। এদিন গধূলি পৰত শুকান মুখেৰে ঘৰলৈ আহি কান্তিয়ে মোক সুধিলে—'তোৰ হাতত আৰু টকা-পইচা নাই নে ?'

মোৰ উত্তৰ আগৰপৰাই সাজু হৈ আছিল। তাৰ প্ৰশ্নত অকণো বিচলিত বা বিস্মিত নহৈ মই উত্তৰ দিলো—'তুমি দেখোন জানাই, মোৰ যি আছিল সকলো শেষ কৰি তোমাকে উলিয়াই দিলো। মোৰ হাতত আৰু ক'ৰ টকা পইচা থাকিব ?'

দীঘল হাহি এটা মাৰি সি কিছু সময় মনে মনে ৰ'ল। কিন্তু মনে মনে সি যে কিবা এটা চিন্তা কৰিছে, সেই কথা মই ভালকৈয়ে বুজিলো। বহুত পৰ মোক কৌতূহলত উদ্‌গ্ৰীব কৰি ৰাখি সি অৱশেষত মাত লগালে—'তই যদি বেয়া নাপাৱ······মই তোক দিয়া পাটৰ মেখেলাখন তইতো এদিনো পিন্ধা নাই ······মই তোক আকৌ এখন কিনি দিম, মানে এই দুই-তিন দিনৰ ভিতৰতে··· সেই মেখেলাখনকে সম্প্ৰতি দিবি নে কি ?'

চকুৰ আগত ভূত দেখাৰ দৰে মই চক্ খাই উঠিলো। হে ভগৱান, মই ইমান দিনে এনে এটা পাপিষ্ঠ নৰাধমৰ লগত একেখন চালিৰ তলতে কেনেকৈ দিন কটাইছিলো ? মানুহৰ ঘৃণ্যতম বৃত্তিবোৰ লৈয়েই মোৰ দৰে বেশ্যাৰ কাৰবাৰ, কিন্তু মানুহ যে ইমান তললৈ নামিব পাৰে সেই কথা মই কল্পনাও কৰিব পৰা নাছিলো। কিবা এটা বিজাতীয় ঘৃণাত শিহৰিত হৈ মই তৎক্ষণাৎ তাৰ সমুখৰপৰা উঠি গ'লো, আৰু বাকচৰপৰা মেখেলাখন টানিয়াই তাৰ মুখৰ আগত দলি মাৰি পেলাই দিলো। নিৰ্বিকাৰভাৱে মেখেলাখন তুলি লৈ সি ওলাই গুচি গ'ল।

সি যে আজি সোনকালে ঘৰলৈ নাহে সেই কথা মই জানো। মেখেলা-খন আধাদামত বিক্ৰী কৰি বা বন্ধকত দি ক'ৰবাত সি জুৱা খেলিব বা মদ খাব। ভাতপানী ৰান্ধিবলৈ ঘৰত খুদ কণ এটাও নাই। অৱশ্যে ভাত খোৱাৰ ৰুচিও মোৰ সমূলি নোহোৱা হৈ গৈছিল। আসন্ন ভৱিষ্যতৰ চিন্তাতেই মই একেবাৰে অস্থিৰ হৈ উঠিলো। ইয়াৰ পাছত কাষ্টি আৰু কিমান দূৰ যাব পাৰে, মই মনে মনে তাৰে হিচাপ কৰিবলৈ ধৰিলো। মোৰ জীৱনত যে আৰু এটা নতুন বিপৰ্য্যয় আহিব ধৰিছে, ইমান দিনে মই সম্মুখীন হোৱা সকলো বিপৰ্য্যয়তকৈ ই বহুগুণে বেছি ভীষণ আৰু ভয়ংকৰ, সেই বিষয়ে মোৰ মনত আৰু কোনো সন্দেহ বাকী নৰ'ল। সমুখৰ অন্ধকাৰত কোনো ফালে বাট বিচাৰি নাপাই মই ভয়-দুৰ্ভাৱনাত আধামৰা হৈ বিছনাত পৰি ৰ'লো।

ৰাতি বোধহয় বেছি সময় হোৱা নাছিল। হঠাৎ বাহিৰৰ দুৱাৰখন কোনোবাই মেলিবলৈ চেষ্টা কৰাৰ শব্দ আহি মোৰ কাণত পৰিল। কিন্তু কাৰো মুখৰ মাত শুনি মই আচৰিত হ'লো। মানুহটো কাষ্টি হোৱা হ'লে ইমানপৰ সি মনে মনে নেথাকিলহেঁতেন। কিন্তু এই ৰাতিখন আন কোন মানুহ মোৰ ঘৰলৈ আহিব পাৰে ? আগতে কেতিয়াওতো বাহিৰা কোনো মানুহ এই ঘৰলৈ অহা নাই ? মই সেইবোৰ ভাবি থাকোতেই বাহিৰৰপৰা মানুহটোৱে

মুখেৰে মাত এষাৰ নম্ৰতাকৈ দুৱাৰখন ঠেলিবলৈ ধৰিলে। কৌতূহল দমাব নোৱাৰি মই উঠিগৈ দুৱাৰখন খুলি দিলো।

দুৱাৰখন মেল খোৱাৰ লগে লগেই কুৎসিৎ হাঁহি এটা মাৰি সম্পূৰ্ণ অপৰিচিত মানুহ এটা সোমাই আহিল। তাৰ মূৰত কপাল পৰ্যন্ত ঢাক খোৱা এটা ক'লা টুপি, বাওঁহাতৰ কাষলটিৰ তলত এটা মদৰ বটল। সোঁ-হাতৰ চিগাৰেটত দীঘলকৈ টান এটা মাৰি নাকে-মুখে ধোঁৱাবোৰ উলিয়াই মাতালৰ জড়িত কণ্ঠেৰে সি মাত লগালে—'অ'—তু—মি—য়েই তেনেহলে ৰাণী? বাঃ, ফাইন্ মাল। বাট ভেটি থিয় হৈ আছা কিয়? ব'লা, ব'লা, আগেয়ে বহি বটলটো শেষ কৰি লওঁ ব'লা! ওহ্......কি ৰাণী, কি চাইছা ই-মান কৈ?'

সমস্ত বিস্ময় মনৰ ভিতৰতে গোপন কৰি মই শান্তভাৱে মানুহটোক সুধিলো—'তুমি কিয় আহিছা ইয়ালৈ? এইটো গৃহস্থী-ঘৰ বুলি নাজানা? সোনকালে বাহিৰ হৈ যোৱা। নহলে মই চিঞৰ-বাখৰ লগাই দিলে তোমাৰ বিপদ হ'ব।'

প্ৰকাণ্ড উগাৰ এটা তুলি সি মাত লগালে—'কি···কি ক'লা ৰাণী? গৃহস্থী ঘৰ? অঁ, গৃহস্থী ঘৰেইতো। মই গৃহস্থ, তুমি গৃহস্থনী। বচ্ হৈ গ'ল। আৰু চিন্তা নাই। ব'লা, ব'লা, ক'লো নহয়, তুমি গৃহস্থ মই গৃহস্থনী; ধেৎ মই পাগল হৈছো নে কি, মই গৃহস্থ তুমি গৃহস্থনী; আৰু কি কথা আছে, পৰিষ্কাৰ, চব পৰিষ্কাৰ হৈ গ'ল ......'

বন্ধ কৰিবলৈ বুলি দুৱাৰত হাত দি মই খুব কঠোৰভাৱে মাত লগালো, 'মদ খাই মাতলামী কৰিবলৈ ঠাই পোৱা নাই? ওলাই যোৱা তুমি। মোৰ ঘৰৰ মানুহ এতিয়াই আহি পাব, তেতিয়া কিন্তু একেবাৰে ৰক্তাৰক্তি কাণ্ড হৈ যাব।'

'হোঃ হোঃ হোঃ, কি ক'লা ৰাণী? ঘৰৰ মানুহ? হোঃ হোঃ হোঃ হোঃ, মানে তুমি আমাৰ কান্তিৰ কথা কৈছা? কান্তি তোমাৰ ঘৰৰ মানুহ? হোঃ হোঃ হোঃ হোঃ, কি, মই ঘৰৰ মানুহ হ'লে বেয়া হ'ব নে কি? কান্তিয়ে ময়েতো একেই মানুহ। আৰে...মানে কান্তিয়েইতো মোক পঠাই দিছে তোমাৰ ওচৰলৈ। সিতো মোক কৈয়েই দিছে—যা যা ভাই, কোনো ভয় নকৰিবি, ৰাণীক কৈ দিবি—কান্তিও যি, গোব্দাও সি; মানে বুজিলা, সকলো একে কুণ্ডৰে সৃষ্টি ......'

'কি ক'লা তুমি? কান্তিয়ে তোমাক পঠাই দিছে মোৰ ওচৰলৈ? কি

ক'লা তুমি ?'—মই পৰি যাব খুজিলো, দুৱাৰখনত ধৰি কোনোমতে পোন কৰি ৰাখিলো।

'আৰু কোনে পঠাব ? কান্তিৰ বন্ধু, কান্তিয়ে নপঠালে আন কাৰ পঠাবলৈ এক্তিয়াৰ আছে ? আজি ভাইজান কিছু বিপদত পৰিছে বুজিছা ৰাণী, তুমি ৰক্ষা নকৰিলে তেওঁৰ মৰণ। সতীৰ পতিয়েই ধৰ্ম...আৰে তোমাক মই এইবোৰ কৈছো, তুমিতো জানাই এইবোৰ কথা। অঁ, কি কৈছিলো, কান্তিয়ে টকা বিশটা লৈছে মোৰপৰা, বুজিছা ? তাৰ পাছত সাকিন্-মোকম্ বটাই দিছে মোক। তুমি দেখোন বাটটো নাৰাই হ'লা। কি বিপদ। ব'লা, ব'লা, ভিতৰলৈ ব'লা, ভয় নাই; আজি তুমিয়েই গৃহস্থ, মই গৃহস্থনী......'

মানুহটোৱে ভিতৰলৈ বুলি আগ বাঢ়িব খুজিলে। মুহূৰ্ততে মই মোৰ কৰ্তব্য ঠিক কৰি পেলালো। একে গতাই তাক বাহিৰলৈ ঠেলা মাৰি দি মই তৎক্ষণাৎ দুৱাৰখন বন্ধ কৰি দাং মাৰি দিলো। মোৰপৰা এনে এটা প্ৰতিৰোধৰ কাৰণে সি নিশ্চয় অকণো প্ৰস্তুত নাছিল, সি বাহিৰৰ্ত মাটিত ঠেকেছা খাই পৰাৰ শব্দ মই শুনিবলৈ পালো। সি মনে মনে কি ভাবিলে সিয়েই জানে, কিন্তু পুনৰ দুৱাৰ খুলিবলৈ চেষ্টা নকৰি নানা ৰকম অশ্লীল গালি পাৰি পাৰি সি ৰাস্তাৰ ফালে গুলাই গ'ল।

[ ৪ ]

প্ৰায় মাজ নিশা সম্পূৰ্ণ মাতাল হৈ কান্তি ঘৰলৈ ঘূৰিল। তাৰ ভৰিৰ শব্দলৈ কাণ পাতি মই বিছনাতে বহি আছিলো। দুৱাৰখনো ঠেলা মাৰি দিলেই মেল খোৱাকৈ ডাংদাল খুলি ৰাখিছিলো। সি আহি আন দিনৰ অভ্যাস অনুসৰি দুৱাৰখনত গোৰ মাৰি দিলে, আৰু দুৱাৰখন মেল খোৱাৰ লগে লগে মদৰ নিচাত টল্‌বল্ দেহটো চম্ভালিব নোৱাৰি মাটিত হাম্‌খুৰি খাই পৰি গ'ল। মাটিৰপৰা থিয় হোৱাৰ লগে লগে সি দেখিলে, মাজনিশালৈকে টোপনি খটি কৰি সতী স্ত্ৰীৰ দৰে মই তাৰ কাৰণে অপেক্ষা কৰি বিছনাত বহি আছো।

সি আহি বিছনাৰ কাষত থিয় হ'ল। মই লেম্পৰ ফিটাডাল বঢ়াই দিলো। ঘৰটো পোহৰ হোৱাৰ লগে লগে মই দেখিলো, কান্তিৰ গোটেই মুখ ক্ষত-

বিক্ষত, দু কোৱাৰিয়েদি তেজ বাগৰি পৰিছে, ঠায়ে ঠায়ে ফাটি যোৱা গাৰ চোলাটোত চকা চকা তেজৰ দাগ। সেই ভয়াবহ মূৰ্তিৰে গুলী খোৱা বক্তাক্ত বাঘৰ দৰে হিংস্র দৃষ্টিৰে সি মোৰ চকুলৈ চাই পঠালে।

মই ভয়তে চকু দুটা মুদি দিলো। আৰু এক মুহূর্ত পিছতে সি যে বাঘৰ দৰে মোৰ গাত জপিয়াই পৰি মোক চিৰাচিৰ কৰি পেলাব, সেই বিষয়ে মোৰ কোনো সন্দেহ নৰ'ল।

মোক লগে লগে আক্ৰমণ নকৰি ভঙা ভঙা কিন্তু ত্রাস-সৃষ্টিকাৰী মাতেৰে সি মোক প্রশ্ন কৰিলে—'গোব্‌দাক তই অপমান কৰি খেদি দিছিলি কিয় ?'

মই চকু মেলি তাৰ মুখলৈ চালো। নৰ-ৰক্তৰ গোন্ধ পোৱা বাঘৰ দৰে তাৰ মুখখন ভয়ংকৰ হৈ উঠিছে। চৰম অত্যাচাৰৰ কাৰণে প্রস্তুত হৈ মই উত্তৰ দিলো, 'সি মোক বেশ্যাৰ দৰে ব্যৱহাৰ কৰিছিল। লোকৰ বিবাহিতা তিৰোতাৰ ঘৰত অসৎ উদ্দেশ্যেৰে সোমাই সি মোক অপমান কৰিছিল।'

'চালি ৰাণ্ডী'—সি মোৰ বুকুতে প্রচণ্ড গোৰ এটা মাৰি দিলে—'বেশ্যাক বেশ্যাৰ দৰে ব্যৱহাৰ নকৰি পূজা কৰিব লাগে নে কি ? বিবাহিতা তিৰোতা ? বিবাহিতা তিৰোতা ? উপজিবৰপৰা বুঢ়ী হোৱালৈকে বেশ্যা-বৃত্তি কৰোতেই জীৱন গ'ল, এতিয়া তাই সতী-সাধ্বী হৈ পূজা পাবলৈ বিচাৰে ? আজি তোক ভালকৈয়ে পূজা দিম ৰ'। এই গোব্‌দা, ভিতৰলৈ সোমাই আহ। তয়ো এটা নিলাজ নপুংসক। মটা মানুহ হৈ সামান্য তিৰোতা এজনীক বশ কৰিব নোৱাৰ। সোমাই আহ ভিতৰলৈ। তাই কি কৰিব পাৰে মই চাওঁ।'

অৰ্ধ-মূৰ্চ্ছিত অৱস্থাত ধোঁৱা কোঁৱা দৃষ্টিৰে মই দেখিবলৈ পালে, দুৱাৰখনৰ আঁৰৰপৰা গোব্‌দা লোলুপ দৃষ্টিৰে বিছনাৰ ওচৰলৈ আগবাঢ়ি আহিল। কান্তি বাহিৰলৈ ওলাই গ'ল। লেম্পৰ ফিটাডাল কমাই দি গোব্‌দা মোৰ বিছনাত উঠিল।

হঠাৎ মই চকুৰ আগত দেখিবলৈ পালো, বুঢ়ী মাইৰ প্ৰেতাত্মাটোৱে যেন নৰকৰপৰা উঠি আহি মোৰ ফালে চাই হাঁহি হাঁহি ক'ব ধৰিছে—'তোক মই নকৈছিলো সুবালা, এবাৰ যি বেশ্যা হৈছে, তাই চিৰকাল বেশ্যাই হৈ থাকিব ?'

[ ৫ ]

পিছদিনা ৰাতিপুৱা কাস্তি বাহিৰলৈ ওলাই যোৱাৰ পাছত মই বিক্সা এখন মাতি মোৰ বস্তুবোৰ তুলি লৈ আঠগাঁৱৰ পুৰণি লাইনলৈ ঘূৰি আহিলো। ভাগ্য ভাল যে, মোৰ আগৰ ঘৰটো তেতিয়াও খালি পৰি আছিল। বেশ্যালয়লৈ ঘূৰি আহি বহুদিনৰ কষ্টকৰ প্ৰবাসৰ অন্তত নিজৰ ঘৰত ঘূৰ স্বমুৱাবলৈ পোৱাৰ দৰে মই এটা নিশ্বাস পেলালো।

[ ৬ ]

ইয়াৰ পিছৰপৰা মোৰ জীৱনত নতুন একো ঘটনা আৰু ঘটা নাই। প্ৰাচীন অভ্যস্ত ছন্দত জীৱন পাৰ হৈ যাবলৈ ধৰিলে ধীৰ মন্থৰ-গতিৰে। দিনে দিনে ঘণ্টাই ঘণ্টাই নতুন নতুন মানুহ আহে আৰু যায়। মোৰ ক্ষুদ্ৰ ভাণ্ডাৰ পূৰ্ণ হৈ উঠে আপোন মাংস বিক্ৰীৰ টকাৰে, কিন্তু শূন্য হৈ আহে যৌৱনৰ পাত্ৰ, জীয়াই থকাৰ উৎসাহ, হৃদয়ৰ সমস্ত অধিকাৰ। তথাপি মই জীয়াই থাকো। জীয়াই থাকো আত্মাহীন পশুৰ দৰে, অভিশপ্ত এক নিৰ্জন দ্বীপত চিৰনিৰ্বাসিতা বন্দিনীৰ দৰে।

মই যেতিয়া প্ৰথম ইয়ালৈ আহোঁ, ৰামু আছিল বাৰ-তেৰ বছৰীয়া এটা সৰু ল'ৰা। তাৰ মাকো ইয়াতেই বেশ্যা আছিল। এটা হিচাব-ভুলৰ দুৰ্ঘটনাৰ ফলত জন্ম হ'ল ৰামুৰ। অলপ ডাঙৰ হবৰপৰাই সি বেশ্যাবোৰৰ ইটো ফৰ্মাচ খাটি দুই-চাৰি পইচা ৰোজগাৰ কৰিবলৈ ধৰিলে। আৰু কিছু ডাঙৰ হোৱাৰ পাছত সি দালালী বৃত্তিও আৰম্ভ কৰিলে। মাজতে দুই তিনি বাৰ লোকৰ পকেট মাৰি জেলখনো চাই আহিলেগৈ। তথাপি সি আমাৰ সকলোৰে চকুত আছিল এটা সৰু ল'ৰা, সকলোৰে উমৈহতীয়া ভাই। এদিন ৰাতি মদ খাই মাতাল হৈ সি মোৰ দুৱাৰত খুন্দা দিলেহি। দুৱাৰখন খুলি মই দেখো, পাশবিক ক্ষুধাৰ দাবী লৈ মোৰ সমুখত থিয় হৈ আছে এটা পৰিণত-বয়স্ক হিংস্ৰ জোৱান মানুহ। দুদিন আগলৈকে সি মোক দিদি বুলি মাতিছিল।

কিন্তু তাক দেখাৰ লগে লগে মই বুজিলো, যি পৰিবেশত সি ডাঙৰ হৈছে— তাৰ সকলোখিনি শিক্ষা আত্মসাৎ কৰি সি এতিয়া স্বাধিকাৰপ্ৰমত্ত প্ৰাপ্ত-বয়স্ক মানুহ হৈ উঠিছে, সি এতিয়া তিৰোতাক চিনি পায় কেৱল তিৰোতা বুলি।

বাৰ বছৰীয়া বাম্ মোৰ চকুৰ আগতে বেশ্যাৰ বিছনা বিচাৰিব পৰা ডেকা হৈ উঠিল। মোৰ অকণমানি কুকুৰ পোৱালীটোও এতিয়া মস্ত ডাঙৰ ভতুৱা কুকুৰ হৈ মাইকী কুকুৰৰ পিছে পিছে ঘূৰি ফুৰা হ'ল। মোৰ নিজৰ বা বয়স কিমান হ'ল? আজিকালি মুখত বৰ বেছিকৈ পাউদাৰ ঘঁহিব লাগে। নহলে মুখত বয়সৰ আঁচোৰবোৰ স্পষ্ট হৈ জিলিকি থাকে। মোৰ ওচৰলৈ অহা গ্ৰাহকো আগতকৈ লাহে লাহে কম হৈ আহিছে। গ্ৰাহক নথকা নিৰ্জন সময়খিনিত ঘৰৰ দুৱাৰ মাৰি টকাৰ হিচাব কৰো: এতিয়ালৈকে যিখিনি টকা জমা কৰিছো তাৰে নমৰা দিনলৈকে বহি বহি খাব পাৰিমনে? সঞ্চিত পুঁজি শেষ হৈ যোৱাৰ পাছতো যদি জীয়াই থাকো, তেতিয়া কি কৰি খাম?

এদিন গধূলি পৰত ভালকৈ সাঁজি-কাচি ঘৰৰ দুৱাৰ মুখতে মই থিয় হৈ আছো। ইতিমধ্যে যিমানবোৰ গ্ৰাহক আহিল, সকলো বেলেগ ঘৰত সোমাই পৰিল। গ্ৰাহকৰ প্ৰতীক্ষাত বাহিৰত থিয় হৈ আছিলো কেৱল মই। এনেতে দুটা মানুহ সোমাই আহিল। সকলো দুৱাৰ বন্ধ দেখি সিঁহত মোৰ ফালে আগবাঢ়ি আহিল। মোৰ ওচৰ পায়েই এটা মানুহে নৈৰাশ্য আৰু বিৰক্তিৰ ভংগীত মাত লগাই উঠিল—'ধেৎ এইজনী একদম বুঢ়ী। ব'ল, ঘূৰি ব'ল, আজি কপালেই মন্দ।'

মোৰ বুকুখন সামান্য কঁপি উঠিল। মই বুজিলো, মোৰ দোকান বন্ধ ক'ৰিবৰ সময় আহিল। ঘৰৰ ভিতৰ সোমাই মই দুৱাৰখন বন্ধ কৰি দিলো।

সমাপ্ত